# সমাজতত্ত্ব পৰিচয়

## উচ্চতৰ মাধ্যমিক প্ৰথম বাৰ্ষিকৰ পাঠ্যপুথি

## (প্ৰথম ভাগ)

অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদ

ৰাষ্ট্ৰীয় শৈক্ষিক গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদৰ
পাঠ্যপুথিৰ আধাৰত

**SAMAJTATTA PARICHAY :** A textbook of the subject Sociology for H.S. 1st year classes in Assamese medium, prepared by National Council of Educational Research and Training (NCERT), New Delhi and translated/approved by Assam Higher Secondary Education Council (AHSEC) and published by DD Publication on behalf of AHSEC.

**প্ৰথম প্ৰকাশ ঃ** ২০১০

**সংশোধিত সংস্কৰণ ঃ** ২০২২

**মূল সংস্কৰণ-**

© ৰাষ্ট্ৰীয় শৈক্ষিক গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ

**অধিগৃহীত-**

© অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদ,২০১০

**মূল্য ঃ** ৭৫.০০ টকা

**মুদ্ৰণ ঃ 70 জি এছ এম**

**বেটুপাত ঃ 170 জি এছ এম**

**প্ৰচ্ছদ শিল্পী ঃ** পংকজ তালুকদাৰ

**ডিটিপি-চেটিং ঃ** বি এইচ গ্ৰুপ

**অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদৰ সচিবৰ দ্বাৰা প্ৰকাশিত।**

**বামুণীমৈদাম, গুৱাহাটী-৭৮১০২১**

**ছপা ঃ ডি ডি প্ৰিণ্টাৰ্চ**

**চেনিকুঠী, গুৱাহাটী-০৩**

**সৰ্বস্বত্ব সংৰক্ষিত**

❖ প্ৰকাশকৰ অনুমতি অবিহনে এই প্ৰকাশনৰ যিকোনো অংশৰ ছপা কৰা কাৰ্য অথবা ইলেকট্ৰ'নিক মাধ্যম, যান্ত্ৰিক মাধ্যম, ফটো প্ৰতিলিপি, ৰেকৰ্ডিং নাইবা আন কোনো উপায়েৰে পুনঃপদ্ধতিৰ সহায়ত ইয়াৰ সংগ্ৰহকৰণ অথবা সংবৰ্ধন কৰাটো নিষিদ্ধ।

❖ এই কিতাপখনৰ বিক্ৰী এই চুক্তি সাপেক্ষে কৰা হৈছে যে প্ৰকাশকৰ আগতীয়া অনুমতি অবিহনে এই কিতাপখন ইয়াৰ নিজা বেটুপাত, 'বাইণ্ডিঙ'ৰ বাহিৰে অন্য কোনো প্ৰকাৰে ব্যৱসায় কৰিব, ভাৰা দিব, পুনৰ বিক্ৰী কৰিব নাইবা ধাৰলৈ দিব নোৱাৰিব।

❖ এই পুথিখনৰ উচিত মূল্য এই পৃষ্ঠাতে ছপা কৰিব লাগিব। ৰবৰৰ 'ষ্টাম্প', ষ্টিকাৰ মৰা বা অন্য কোনো প্ৰকাৰে অংকিত যিকোনো সংশোধিত মূল্যই অশুদ্ধ হ'ব আৰু বিবেচিত নহ'ব।

**প্ৰকাশক**

**অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদৰ হৈ**

**ডি ডি পাব্লিকেচন**

**যশৱন্ত ৰোড ,মাৰ্কেট কমফৰ্ট, পাণবজাৰ, গুৱাহাটী- ৭৮১০০১**

# ভূমিকা

সময়ৰ লগত খোজ মিলাই আগবাঢ়ি যাব পৰাকৈ ছাত্ৰ-ছাত্ৰী সকলৰ বাবে তথ্য সম্বলিত পাঠ্যক্ৰমৰ ব্যৱস্থা কৰাটো অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদৰ এক প্ৰধান কৰ্তব্য। বৰ্তমান সময়ত জ্ঞান-বিজ্ঞানৰ সকলো দিশতে যি অভূতপূৰ্ব উন্নতি হৈছে তাৰ পৰিপ্ৰেক্ষিতত শিক্ষাৰ যিকোনো স্তৰতে পাঠ্যক্ৰমৰ সঘন সংশোধন এক অৱশ্যম্ভাৱী প্ৰক্ৰিয়া হৈ পৰিছে। আমাৰ ছাত্ৰ-ছাত্ৰীসকল যাতে সৰ্বভাৰতীয় বা সমগ্ৰ বিশ্ব পৰ্যায়ৰ প্ৰতিযোগিতাত অৱতীৰ্ণ হ'ব পাৰে আৰু একে ধৰণৰ জ্ঞান লাভ কৰিব পাৰে এই উদ্দেশ্য আগত ৰাখি শিক্ষা সংসদে ২০১০-২০১১ চনৰ পৰা কাৰ্যকৰী হোৱাকৈ পাঠ্যক্ৰমৰ সংশোধন ঘটাইছে। এই সংশোধন ৰাষ্ট্ৰীয় শৈক্ষিক গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদে প্ৰস্তুত কৰি দিয়া ৰাষ্ট্ৰীয় পাঠ্যক্ৰম আঁচনি - ২০০৫ (National Curriculum Framework - 2005) ৰ আধাৰত কৰা হৈছে। ইয়াৰ লগতে পাঠ্যক্ৰমৰ উদ্দেশ্য পূৰণ হব পৰাকৈ পাঠ্যপুথিসমূহ প্ৰস্তুত কৰা হৈছে।

যিকোনো এটা বিষয়ৰ পাঠ্যক্ৰম তথা পাঠ্যপুথি প্ৰস্তুতকৰণ বহুসংখ্যক ব্যক্তিৰ এক সংঘবদ্ধ প্ৰচেষ্টা। অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদে ২০২২-২৩ শিক্ষা বৰ্ষত সমাজতত্ত্ব বিষয়ৰ পাঠ্যক্ৰমৰ সংশোধন ঘটাই প্ৰথম বৰ্ষৰ দুয়োখন পাঠ্যপুথি প্ৰস্তুত কৰি উলিয়াইছে। সংসদৰ তৰফৰ পৰা সমাজতত্ত্ব বিষয়ৰ পাঠ্যক্ৰম সংশোধন কৰি পাঠ্যপুথি প্ৰস্তুত কৰালৈকে বিভিন্ন ক্ষেত্ৰত বিষয় বিশেষজ্ঞ সকলৰ দ্বাৰা গঠিত প্ৰস্তুতি সমিতিয়ে কৰা পৰিশ্ৰমৰ শলাগ লৈছো। অক্ষৰবিন্যাসক, আৰ্হিপাঠক আৰু ছপাশালৰ কৰ্মকৰ্তাসকলক সমাজতত্ত্ব বিষয়ৰ **সমাজতত্ত্ব পৰিচয়** পাঠ্যপুথিখনি সজাই উলিয়াই দিয়াৰ বাবে ধন্যবাদ যাঁচিছো। সমাজতত্ত্ব বিষয়ৰ উচ্চতৰ মাধ্যমিক প্ৰথম বাৰ্ষিকৰ এই পাঠ্যপুথিখনে ছাত্ৰ-ছাত্ৰীৰ উপকাৰ সাধিলে আমাৰ পৰিশ্ৰম সাৰ্থক হ'ব। বিজ্ঞজনৰ পৰা গঠনমূলক দিহা-পৰামৰ্শ আগ্ৰহেৰে আশা কৰিলোঁ যাতে পৰৱৰ্তী তাঙৰণসমূহ অধিক উন্নত ৰূপত আগবঢ়াব পৰা যায়।

১২ অক্টোবৰ, ২০২২
বামুণীমৈদাম, গুৱাহাটী

সচিব
অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদ

# TEXTBOOK DEVELOPMENT COMMITTEE

**CHAIRPERSON, ADVISORY COMMITTEE FOR SOCIAL SCIENCE TEXTBOOKS AT THE HIGHER SECONDARY LEVEL**

Hari Vasudevan, *Professor*, Department of History, University of Kolkata, Kolkata

**CHIEF ADVISOR**

Yogendra Singh, *Emeritus Porfessor,* Centre for the Study of Social Systems, Jawaharlal Nehru University, New Delhi

**MEMBERS**

Anjan Ghosh, *Fellow*, Centre for Studies in Social Sciences, Kolkata

Arshad Alam, *Lecturer*, Centre for Jawaharlal Nehru Studies, Jamia Milia Islamia, New Delhi

Arvind Chouhan, *Professor*, Department of Sociology, Barkatullah University, Bhopal

Debal Singh Roy, *Professor*, Department of Sociology, Indira Gandhi National Open University, New Delhi

Dinesh Kumar Sharma, *Professor* (Retd.), NCERT, New Delhi

Jitendra Prasad, *Professor* (Retd.), Department of Sociology, Maharshi Dayanand University, Rohtak

M.N. Karna, *Professor* (Retd.), Department of Sociology, North Eastern Hill University, Shillong

Maitrayee Chaudhuri, *Professor*, Centre for the Study of Social Systems, Jawaharlal Nehru University, New Delhi

Manju Bhatt, *Professor*, Department of Education in Social Sciences, NCERT, New Delhi

Pushpesh Kumar, *Doctoral Fellow*, Institute of Economic Growth, University of Delhi, Delhi

Rajesh Mishra, *Professor*, Department of Sociology, Lucknow University, Lucknow

Rajiv Gupta, *Professor* (Retd.), Department of Sociology, University of Rajasthan, Jaipur

S. Srinivasa Rao, *Assistant Professor*, Zakir Husain Centre for Educational Studies, Jawaharlal Nehru University, New Delhi

Satish Deshpande, *Professor*, Department of Sociology, University of Delhi, Delhi

Soumendra Mohan Patnayak, *Professor*, Department of Anthropology, University of Delhi, Delhi

Subhangi Vaidya, *Assistant Director*, Regional Service Division, Indira Gandhi National Open University, New Delhi

**MEMBER-COORDINATOR**

Sarika Chandrawanshi Saju, *Assistant Professor,* Regional Institute of Education (RIE), Bhopal.

# *পাঠ্যপুথি অনুবাদ সমিতি*

**উপদেষ্টা ঃ**

**ড° প্ৰাঞ্জল শৰ্মা**, অধ্যাপক, সমাজতত্ত্ব বিভাগ; ডিব্ৰুগড় বিশ্ববিদ্যালয়।

**ড° উপাসনা শৰ্মা**, বিভাগীয় মুৰব্বী, সমাজতত্ত্ব বিভাগ; ডিব্ৰুগড় বিশ্ববিদ্যালয়।

**ড° পাৰ্থপ্ৰতিম বড়া**, সহকাৰী অধ্যাপক, সমাজতত্ত্ব বিভাগ; ডিব্ৰুগড় বিশ্ববিদ্যালয়।

**সমন্বয়ক ঃ**

**ড° ৰাজেন বৰা**, বিভাগীয় মুৰব্বী তথা সহযোগী অধ্যাপক, সমাজতত্ত্ব বিভাগ; যোৰহাট কেন্দ্ৰীয় মহাবিদ্যালয়।

**ড° হিমান্ত বৰগোহাঁই**, বিভাগীয় মুৰব্বী তথা সহকাৰী অধ্যাপক, সমাজতত্ত্ব বিভাগ; আমগুৰি মহাবিদ্যালয়।

**অনুবাদকসকল ঃ**

**ড° বিৰিঞ্চি কুমাৰ বৰা**, বিভাগীয় মুৰব্বী তথা সহযোগী অধ্যাপক, সমাজতত্ত্ব বিভাগ; জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়।
(প্ৰথম অধ্যায় ঃ সমাজতত্ত্ব আৰু সমাজ আৰু চতুৰ্থ অধ্যায় ঃ সংস্কৃতি আৰু সামাজিকীকৰণ)

**ড° হিমান্ত বৰগোহাঁই**, বিভাগীয় মুৰব্বী তথা সহকাৰী অধ্যাপক, সমাজতত্ত্ব বিভাগ; আমগুৰি মহাবিদ্যালয়।
(পঞ্চম অধ্যায় ঃ সমাজতত্ত্ব ঃ গৱেষণা পদ্ধতি)

**ড° দীপান্বিতা দত্ত বৰা**, ভাৰপ্ৰাপ্ত অধ্যক্ষ, বৰপথাৰ জুনিয়ৰ কলেজ।
(তৃতীয় অধ্যায় ঃ সামাজিক সংস্থাবোধ)

**শ্ৰীমতী প্ৰণামিকা মহন্ত**, সহকাৰী অধ্যাপক, সমাজতত্ত্ব বিভাগ; জগন্নাথ বৰুৱা মহাবিদ্যালয়।
(দ্বিতীয় অধ্যায় ঃ সমাজতাত্ত্বিক পৰিভাষা, ধাৰণা আৰু ইয়াৰ ব্যৱহাৰ)

# সমন্বয়কৰ একাষাৰ

যোৱা কিছু বছৰ ধৰি অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদে বিভিন্ন বিষয়সমূহক সৰ্বভাৰতীয় পাঠ্যক্ৰমৰ ভিত্তিত অসমৰ শিক্ষানুষ্ঠানসমূহত প্ৰৱৰ্তন কৰি আহিছে। গুণগত তথা যুগ সাপেক্ষ এক শৈক্ষিক পাঠ্যক্ৰম ছাত্ৰ-ছাত্ৰীসকলৰ বাবে আগবঢ়াই দিবলৈ বহুবাৰ দক্ষ শিক্ষাবিদসকলৰ লগত আলোচনা-বিলোচনাও কৰিছে আৰু তেখেতসকলৰ পৰা দিহা-পৰামৰ্শও লৈছে। এনে আলোচনা-বিলোচনাৰ যোগেদিয়েই ৰাষ্ট্ৰীয় শৈক্ষিক গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদৰ পাঠ্যক্ৰমৰ ভিত্তিত অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদে আন আন বিষয়সমূহৰ লগতে সমাজতত্ত্ব বিষয়ৰ পুথিসমূহ প্ৰকাশ কৰি আহিছে। উচ্চতৰ মাধ্যমিক স্তৰত সমাজতত্ত্ব বিষয়ত সৰ্বভাৰতীয় পৰ্যায়ৰ এনে পাঠ্যক্ৰমৰ সন্নিৱিষ্টকৰণে ছাত্ৰ-ছাত্ৰীসকলক পূৰ্বতকৈ সমাজতত্ত্বীয় জ্ঞানৰ বাক্‌ধাৰাত নিশ্চয়কৈ নতুনত্ব প্ৰদান কৰিছে আৰু সমাজতত্ত্বীয় অধ্যয়নৰ বহুল আৰু বহুমুখী ধাৰাটোক পৰিচিত কৰাৰ দিশে লৈ গৈছে।

অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদে যোৱা কেইটামান বছৰ ধৰি ৰাষ্ট্ৰীয় শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদৰ পাঠ্যক্ৰমৰ আৰ্হিত সমাজতত্ত্ব বিষয়ৰ যিকেইখন পাঠ্যপুথি প্ৰস্তুত কৰি উলিয়াইছে সেই কেইখন গ্ৰন্থৰ গুণগত মানদণ্ড বহু ওপৰত। সেই একেধৰণৰ মানদণ্ড অটুত ৰাখিয়েই আমাৰ এই পুথিখনিও প্ৰকাশ কৰিবলৈ যত্ন কৰা হৈছে। আমাৰ এই গ্ৰন্থখনি প্ৰকাশ কৰাৰ আগতে অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদে যিখনি গ্ৰন্থ প্ৰকাশ কৰিছিল, সেই গ্ৰন্থৰ লেখক তথা অনুবাদক ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ সমাজতত্ত্ব বিভাগৰ অধ্যাপক তথা আমাৰ চিৰনমস্য শিক্ষাগুৰু শ্ৰীপ্ৰশান্ত বৰদলৈ চাৰ, ড° চন্দ্ৰকান্ত গগৈ চাৰ আৰু এচ. কে হাজৰিকা কনিষ্ঠ মহাবিদ্যালয়, গুৱাহাটী, সমাজতত্ত্ব বিভাগৰ প্ৰবক্তা শ্ৰীমতী ৰিজু দাসে বিভিন্ন অধ্যায়সমূহত যি সুন্দৰ আৰু সাৱলীল ব্যাখ্যা আগবঢ়াইছে; সেয়া অতিকৈ প্ৰশংসনীয়। সেইবাবে আমাৰ এই পুথিখনিৰ প্ৰস্তুতৰ লগত জড়িত হৈ থকা লেখক তথা অনুবাদকসকলে কেইটামান অধ্যায়ৰ কিছু অংশত অলপ নতুনত্ব প্ৰদান কৰিছে যদিও আমাৰ এই পুথিৰ আগৰ পুথিত শ্ৰদ্ধাৰ শ্ৰীপ্ৰশান্ত বৰদলৈ চাৰ আৰু ড° চন্দ্ৰকান্ত গগৈ চাৰে লেখা কেইটামান অধ্যায় একে ধৰণেই ৰখা হৈছে। কিয়নো শিক্ষাগুৰুসকলৰ অধ্যায়সমূহৰ সুন্দৰ ব্যাখ্যা আৰু বিশ্লেষণৰ ওপৰত পুনৰ কলম তুলি লোৱাৰ আমাৰ ধৃষ্টতা নাই।

আমাৰ এই পুথিখনি প্ৰস্তুত কৰাৰ সময়ছোৱাত বিশেষভাৱে দিহা-পৰামৰ্শ আগবঢ়াইছিল— ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ সমাজতত্ত্ব বিভাগৰ অধ্যাপক ড° প্ৰাঞ্জল শৰ্মা চাৰ, ড° উপাসনা শৰ্মা বাইদেউ আৰু ড° পাৰ্থপ্ৰতীম বড়াই। গতিকে তিনিওগৰাকীৰ ওচৰত আমি চিৰকৃতজ্ঞ। ইয়াৰ উপৰিও যিসকল লেখক তথা অনুবাদকে ৰাষ্ট্ৰীয় শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদৰ পাঠ্যক্ৰমৰ আৰ্হিত পুথিখনিৰ বিভিন্ন অধ্যায়সমূহ প্ৰস্তুত কৰি দিলে সেইসকল লেখক তথা অনুবাদকক কৃতজ্ঞতাৰে শলাগ লৈছোঁ।

পুথিখনি প্ৰস্তুত কৰাৰ বেলিকা বিভিন্ন দিশত অনেক ভুল-ত্ৰুটি ৰৈ যোৱাটো স্বাভাৱিক। সেয়েহে ৰৈ যোৱা ভুল-ত্ৰুটিৰ বাবে গঠনমূলক দিহা-পৰামৰ্শ সাদৰে গ্ৰহণ কৰা হ'ব।

ড° ৰাজেন বৰা
ড° হিমান্ত বৰগোহাঁই
সমন্বয়কদ্বয়

# সূচীপত্ৰ


| | | | পৃষ্ঠা |
|---|---|---|---|
| প্ৰথম অধ্যায় | ঃ | সমাজতত্ত্ব আৰু সমাজ<br>**(Sociology and Society)** | ৯ |
| দ্বিতীয় অধ্যায় | ঃ | সমাজতাত্ত্বিক পৰিভাষা, ধাৰণা আৰু ইয়াৰ ব্যৱহাৰ<br>**(Terms, Concepts and their use in Sociology)** | ৩৭ |
| তৃতীয় অধ্যায় | ঃ | সামাজিক সংস্থাবোধ<br>**(Understanding Social Institutions)** | ৫৪ |
| চতুৰ্থ অধ্যায় | ঃ | সংস্কৃতি আৰু সামাজিকীকৰণ<br>**(Culture and Socialisation)** | ৭৮ |
| পঞ্চম অধ্যায় | ঃ | সমাজতত্ত্ব ঃ গৱেষণা পদ্ধতি<br>**(Doing Sociology : Research Methods)** | ৯৮ |

# ভাৰতীয় সংবিধান

## প্ৰস্তাৱনা

"আমি ভাৰতৰ জনগণে ভাৰতক এখন সাৰ্বভৌম, সমাজবাদী, ধৰ্মনিৰপেক্ষ, লোকতান্ত্ৰিক গণৰাজ্য ৰূপে গঠন কৰিবলৈ, তথা ইয়াৰ সকলো নাগৰিকৰ বাবে, সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক ন্যায়, চিন্তা, অভিব্যক্তি, বিশ্বাস, ধৰ্ম আৰু উপাসনাৰ স্বাধীনতা, প্ৰতিষ্ঠা আৰু সুযোগৰ সমতা লাভ কৰিবলৈ আৰু তেওঁলোকে সকলোৰে মাজত ব্যক্তিৰ মৰ্যাদা তথা জাতীয় ঐক্য আৰু সংহতি সুনিশ্চিতকাৰী ভ্ৰাতৃভাব বৃদ্ধি কৰিবলৈ নিষ্ঠা সহকাৰে সংকল্প কৰি— আমাৰ এই সংবিধানসভাত আজি ১৯৪৯ চনৰ নবেম্বৰ মাহৰ ষষ্ঠবিংশ দিৱসত, ইয়াৰ দ্বাৰা এই সংবিধান গ্ৰহণ কৰিছোঁ, অধিনিয়মিত কৰিছোঁ আৰু নিজকে অৰ্পণ কৰিছোঁ।"

প্ৰথম অধ্যায়

# সমাজতত্ত্ব আৰু সমাজ
# (Sociology and Society)

**পৰিচয় (Introduction) ঃ**

সমাজতত্ত্ব আৰু সমাজ বিষয়ক আলোচনাৰ আৰম্ভণিতে তোমালোক ছাত্ৰ-ছাত্ৰী সকলৰ বাবে কেইটামান বিশেষ পৰামৰ্শ আগবঢ়াব বিচাৰিছো। প্ৰথম পৰামৰ্শটো হ'ল তোমালোকে জীৱনত সফলতা অৰ্জন কৰিবৰ বাবে গভীৰ অধ্যয়নত মনোনিৱেশ কৰিব লাগিব। দ্বিতীয় পৰামৰ্শটো হ'ল তোমালোকে এই বিষয়টো বা এনে ধৰণৰ বিষয়বোৰ অধ্যয়নৰ বাবে বাছনি কৰি পঢ়িলেহে ভৱিষ্যত জীৱনত এটা ভাল চাকৰি পোৱাত সহায়ক হ'ব। তৃতীয়তে এজন ল'ৰা হিচাপে এই বিষয়টো বাছনি কৰাটো তোমাৰ সঠিক সিদ্ধান্ত যেন নালাগিব পাৰে অথবা এগৰাকী ছোৱালী হিচাপে তুমি বাছনি কৰা বিষয়টো বাস্তৱ সন্মত বুলি ভাবানে? চতুৰ্থতে, তোমাৰ পৰিয়ালটোৱে এটা চাকৰি তোমাৰ বাবে প্ৰয়োজনীয় বুলি ভাৱে আৰু সেয়েহে বহু সময়ৰ প্ৰয়োজন হোৱা বিষয় এটা অধ্যয়নৰ বাবে কিয় বাছনি কৰিছা? অথবা তুমি যিহেতু পৰিয়ালৰ ব্যৱসায়ত যোগদান কৰিবাই, সেয়ে এই ধৰণৰ বিষয় কিয় অধ্যয়ন কৰিবলৈ আগবাঢ়িছা?

এতিয়া উল্লিখিত পৰামৰ্শবোৰ পৰীক্ষা কৰি চোৱা যাওঁক। তোমালোকে বাৰু ভাবানেকি যে প্ৰথম পৰামৰ্শটো বাকী কেইটা পৰামৰ্শৰ পৰিপন্থী? এই যে পৰামৰ্শ কেইটা দিয়া হ'ল প্ৰথম পৰামৰ্শ অনুযায়ী জীৱনত কঠোৰ পৰিশ্ৰম কৰিলে সফলতা লাভ কৰিব পাৰিবা। ইয়াৰ বাবে ব্যক্তিৰ প্ৰচেষ্টাৰ প্ৰয়োজন হ'ব। দ্বিতীয় পৰামৰ্শ মতে ব্যক্তিগত প্ৰচেষ্টাৰ উপৰিও চাকৰিৰ বজাৰখনৰ কথা আহি পৰে। অৰ্থাৎ চাকৰি বজাৰখনত এজন ব্যক্তিয়ে কৰ্মসংস্থাপন পোৱাৰ সুযোগ কম হ'বনে বেছি হ'ব সেইটো বাছনি কৰা বিষয়টোৱে নিৰ্ধাৰণ কৰিব। তৃতীয় আৰু চতুৰ্থ পৰামৰ্শ দুটাই বিষয়টো অধিক জটিল কৰিহে তুলিছে। এই ক্ষেত্ৰত ব্যক্তিৰ প্ৰচেষ্টা আৰু চাকৰিৰ বজাৰখনেই একমাত্ৰ কাৰণ হৈ থকা নাই। ইয়াৰ লগত আমাৰ সামাজিক লিঙ্গ, পৰিয়াল ব্যৱস্থা আৰু সামাজিক পটভূমিও জড়িত হৈ আছে।

এই আলোচনাৰ পৰা এটা কথা দেখা গ'ল যে ব্যক্তিগত প্ৰচেষ্টা ইয়াৰ লগত গভীৰ ভাৱে জড়িত হৈ আছে। কিন্তু ই ফলাফল নিৰ্ধাৰণ নকৰিবও পাৰে। আমি দেখা পাওঁ যে, অন্যান্য সামাজিক কাৰকসমূহে চূড়ান্ত ফলাফলত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। আমি ইয়াত কেৱল চাকৰিৰ বজাৰ, আৰ্থ-সামাজিক পটভূমি আৰু সামাজিক লিঙ্গৰ কথা উল্লেখ কৰিছো। ইয়াৰোপৰি তোমালোকে বাৰু অন্যান্য উপাদানৰ কথা ভাবিব পাৰানে?

এই প্ৰসঙ্গত এটা প্ৰশ্নৰ উদয় হয় যে কোনো এটা চাকৰিক 'ভাল চাকৰি' বুলি কোনে নিৰ্ধাৰণ কৰে? এটা ভাল চাকৰিৰ সন্দৰ্ভত সকলো সমাজৰে মত একেই নেকি? টকা-পইচাই ইয়াৰ নিৰ্ণায়ক নেকি? অথবা এনে ধৰণেও ভাবিব পাৰি নেকি যে সন্মান বা সামাজিক স্বীকৃতি আৰু ব্যক্তিগত সন্তুষ্টিয়েও 'চাকৰি'ৰ মূল্য নিৰ্ধাৰণ কৰে। সংস্কৃতি, সামাজিক প্ৰতিমানৰ দৰে উপাদানৰ কিবা ভূমিকা আছে নেকি?

প্ৰতিজন ছাত্ৰই ভাল ফলাফলৰ বাবে কঠোৰ পৰিশ্ৰম কৰিব লাগিব। অৱশ্যে এই ক্ষেত্ৰত অন্যান্য বহু সামাজিক উপাদানে ক্ৰিয়া কৰে। চাকৰিৰ বজাৰৰ ধাৰণাটো অৰ্থনীতিৰ চাহিদা অনুযায়ী নিৰ্ধাৰিত হয়। আকৌ অৰ্থনৈতিক চাহিদা বা প্ৰয়োজনীয়তা চৰকাৰে নিৰ্ধাৰণ কৰা অৰ্থনৈতিক আৰু ৰাজনৈতিক নীতিবিলাকে নিৰ্ধাৰণ কৰে। প্ৰতিজন ছাত্ৰ-ছাত্ৰীয়ে লাভ কৰা সুবিধাবোৰ ব্যাপকভাৱে ৰাজনৈতিক আৰু অৰ্থনৈতিক মাপকাঠিৰ লগতে তেওঁলোকৰ পৰিয়ালৰ পটভূমিৰ দ্বাৰাও প্ৰভাৱিত হয়। এই ধৰণৰ আলোচনাৰ পৰা কেনেকৈ সমাজতত্ত্বই মানৱ সমাজক সামগ্ৰিক ভাৱে আন্তঃ সম্পৰ্কীয় ৰূপত অধ্যয়ন কৰে তাৰ এটা আভাস পাব পাৰি। তদুপৰি ইয়াৰ পৰা সমাজ আৰু ব্যক্তিৰ পাৰস্পৰিক আন্তঃক্ৰিয়া সম্পৰ্কে জানিব পৰা যায়। এজন ছাত্ৰ বা ছাত্ৰীক উচ্চতৰ মাধ্যমিক শ্ৰেণীত সমাজতত্ত্ব বিষয়টো বাছনি কৰোঁতে ব্যক্তিগত ভাৱে চিন্তিত কৰি তোলে। এইটো ব্যাপক ভাৱে এক সামাজিক বিষয় আৰু যিয়ে স্পষ্টভাৱে শিক্ষাৰ্থীৰ উমৈহতীয়া অস্তিত্বৰ/সত্বাৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰে। ব্যক্তিগত সমস্যা আৰু সামাজিক সমস্যা আমাৰ আলোচনাৰ প্ৰথম বিষয়বস্তু হিচাপে ধৰি গ্ৰহণ কৰা হৈছে।

এটা ভাল চাকৰিৰ অৰ্থ কি হ'ব পাৰে সেইটো সমাজ অনুসৰি ভিন্ন ধৰণৰ হ'ব পাৰে। কোনো এটা বৃত্তিৰ সৈতে বিশেষ সামাজিক সন্মান (Esteem) জড়িত থকা বা নথকা অৱস্থাটো ব্যক্তিজন কোন 'প্ৰাসংগিক/বিশেষ সমাজ' বা সংস্কৃতিৰ সদস্য তাৰ ওপৰত নিৰ্ভৰ কৰে। 'বিশেষ সমাজ' বুলিলে তুমি কি বুজা? এজন ব্যক্তি যিখন সমাজত বসবাস কৰে সেইখন সমাজকে আমি বিশেষ সমাজ বুলি আখ্যা দিব পাৰিমনে? ব্যক্তিজন কোনখন সমাজৰ অন্তৰ্ভুক্ত? আকৌ ওচৰ-চুবুৰীয়াক লৈ গঠিত হোৱা সমাজখন, নিৰ্দিষ্ট সম্প্ৰদায়ৰ ব্যক্তিসকলক লৈ সংৰচিত হোৱা সমাজখন, কোনো জাতি বা জনজাতিৰ সদস্যৰে গঠিত সমাজ, পিতৃ-মাতৃৰ সৈতে একে বৃত্তিধাৰী লোকসকলৰ সমাজ, ৰাষ্ট্ৰৰ সমাজ ইত্যাদি ধৰণৰ উপাদানবোৰক বিবেচনা কৰি চাব লগা হয়। দ্বিতীয়তে, আধুনিক যুগত ব্যক্তি এগৰাকী কেনেকৈ এখনতকৈ অধিক সমাজৰ লগত জড়িত হৈ থাকে আৰু সমাজত কিদৰে অসমতা বৰ্তি আছে তাক এই অধ্যায়টোত আলোচনা কৰা হ'ব।

তৃতীয়তে, এই অধ্যায়ত সমাজতত্ত্বক সমাজৰ পদ্ধতিগত অধ্যয়নৰূপে পৰিচিত কৰোঁৱা হৈছে, যি দাৰ্শনিক, ধৰ্মভিত্তিক আৰু দৈনন্দিন জীৱনৰ ব্যৱহাৰিক পৰ্যবেক্ষণৰ পৰা পৃথক। চতুৰ্থতে, সমাজক অধ্যয়ন কৰা এই বিশেষ দৃষ্টিভংগীক সুন্দৰকৈ বুজিবলৈ আমি সমাজতত্ত্বৰ জন্ম আৰু বিকাশৰ লগত জড়িত বৌদ্ধিক চিন্তাধাৰা আৰু বস্তুবাদী পৰিৱেশক ঐতিহাসিকভাৱে চাব লাগিব। এই চিন্তাধাৰাৰ উন্মেষ প্ৰধানত পশ্চিমীয়া হ'লেও ইয়াৰ ফলাফল সমগ্ৰ বিশ্বতে দেখিবলৈ পোৱা যায়। পঞ্চমতে, গোলকীয় চিন্তাধাৰাৰ প্ৰভাৱত ভাৰতবৰ্ষত কিদৰে সমাজতত্ত্বৰ আগমন ঘটিল তাকো আমি জানিব পাৰিম। এইটো আমি মনত ৰখা উচিত যে, যিদৰে আমাৰ প্ৰত্যেকৰে একো একোটি জীৱনী আছে, সেইদৰে কোনো এটি পাঠ্যবিষয়ৰো উৎপত্তি আৰু বিকাশৰ বিষয়ে জীৱনী থাকে। এটা পাঠ্যবিষয়ৰ ইতিহাসে সেই বিষয়টো বুজাত সহায় কৰে। সৰ্বশেষত, এই অধ্যায়ত

আমি সমাজতত্ত্ব অধ্যয়নৰ পৰিধি (Scope) আৰু আন আন বিষয়বোৰৰ সৈতে ইয়াৰ সম্পৰ্কৰ বিষয়ে আলোচনা কৰিম।

**সমাজতাত্ত্বিক কল্পনা ঃ ব্যক্তিগত সমস্যা আৰু ৰাজহুৱা বিষয় (The Sociological Imagination : The Personal Problem and the Public Issue) ঃ**


মানুহ সামাজিক প্ৰাণী। সমাজ জীৱনত বিভিন্ন ব্যক্তিৰ মাজত হোৱা আন্তঃক্ৰিয়াৰ জৰিয়তে সামাজিক সম্বন্ধ গঢ় লৈ উঠে। ই এক যুক্তিপূৰ্ণ আধাৰত বৰ্তি থাকে। সমাজতত্ত্ববিদসকলে ব্যক্তি আৰু সমাজৰ মাজৰ সম্পৰ্কক বিভিন্ন দৃষ্টিকোণৰ পৰা চাব বিচাৰিছে আৰু ইয়াক লৈ কৰা চিন্তা চৰ্চাবোৰ কেইবাটাও যুগ ধৰি চৰ্চিত হৈ আছে। এই সম্পৰ্কীয় আলোচনাত চি. ৰাইট মিলচে (C. Wright Mills) ব্যক্তিগত বিষয় আৰু সামাজিক বিষয়ৰ মাজৰ সম্পৰ্কক পৃথক দৃষ্টিৰে চাইছে। তেওঁ সামাজিক কল্পনা (Sociological imagination) নামৰ ধাৰণাটোৰ জৰিয়তে এক দৃষ্টিভঙ্গী প্ৰকাশ কৰিছে। আমেৰিকাৰ সমাজতত্ত্ববিদ চি ডব্লিউ মিলচে ১৯৫৯ চনত 'The Sociological Imagination' নামৰ গ্ৰন্থত সমাজতত্ত্বই আগবঢ়োৱা অৰ্ন্তদৃষ্টিৰ প্ৰকাৰ ইয়াত বৰ্ণনা কৰিছে। ব্যক্তিগত অভিজ্ঞতা আৰু ব্যাপক সমাজৰ মাজত থকা সম্বন্ধৰ সজাগতাই হৈছে সমাজতাত্ত্বিক কল্পনা। ঐতিহাসিক প্ৰক্ৰিয়া আৰু বৃহৎ সমাজৰ প্ৰসঙ্গত ব্যক্তিগত বিকাশৰ গভীৰ বোধগম্যতাই কেনেকৈ তেওঁলোকৰ জীৱনত প্ৰভাৱ পেলাই তাক সমাজতাত্ত্বিক কল্পনাই প্ৰকাশ কৰে। কাল্পনিক চিন্তাধাৰাৰ প্ৰয়োগে সমাজতাত্ত্বিক প্ৰশ্নৰ অৱতাৰণা কৰে আৰু সমাধান আগবঢ়ায়। সমাজতাত্ত্বিক কল্পনাই ইতিহাস আৰু জীৱনীক একেলগে বুজাত সহায় কৰে আৰু সমাজ জীৱনত এই দুয়োটাৰ সম্পৰ্কক উপলব্ধি কৰাত সহায় কৰে। ইয়াক কল্পনাৰ প্ৰধান কাম বা প্ৰতিশ্ৰুতি (Task and promise) বুলি বিবেচনা কৰা হয়। সমাজতাত্ত্বিক কল্পনাৰ কৰ্মৰ ক্ষেত্ৰত দুটা বিশেষ ফলদায়ক পাৰ্থক্য দেখা পোৱা যায়। এজন ব্যক্তিৰ সমস্যা তেওঁৰ ব্যক্তিগত চৰিত্ৰৰ পৰা উদ্ভৱ হ'ব পাৰে আৰু তেওঁ সম্পৰ্ক কৰা নিকটবৰ্তী অন্যান্য সকলৰ পৰাও আহিব পাৰে। ব্যক্তি এজনে সামাজিক জীৱনৰ সীমাবদ্ধতাৰ মাজত থাকি ব্যক্তিগত সচেতনতাৰে প্ৰত্যক্ষ ভাৱে সমস্যাবোৰৰ লগত জড়িত হৈ পৰে। বিভিন্ন সমস্যাবোৰ ব্যক্তিয়ে স্থানীয় পৰিৱেশ আৰু নিজৰ অন্তৰ্বৰ্তী জীৱনৰ পৰিসীমাকো পাৰ কৰি সামাজিক কামবোৰ কৰি যায়।

সমসাময়িক ইতিহাসৰ তথ্য মানে ব্যক্তিগত পুৰুষ আৰু নাৰীৰ জীৱনৰ কৃতকাৰ্যতাৰ জয়-পৰাজয় বা উত্থান-পতনৰ ইতিহাস স্বৰূপ। যেতিয়া এখন সমাজ ঔদ্যোগিক সমাজলৈ ৰূপান্তৰিত হয় তেতিয়া এজন কৃষক শ্ৰমিক হৈ পৰে। এজন সামন্ত প্ৰভু ব্যৱসায়ী হৈ পৰে। আকৌ যেতিয়া শ্ৰেণী ব্যৱস্থাৰ উত্থান-পতন হয়, এজন মানুহ কৰ্ম সংস্থানযুক্ত বা নিবনুৱা হৈ পৰে। যেতিয়া বিনিয়োগৰ হাৰ বৃদ্ধি বা হ্ৰাস পায়, তেতিয়া ব্যক্তিয়ে নব্য চিন্তাৰে জীৱনক গঢ়ি তুলিব বা ভাগি পৰিব পাৰে। যেতিয়া যুদ্ধৰ পৰিৱেশৰ সূচনা হয় এজন বীমা কোম্পানীৰ বিক্ৰেতা যুদ্ধ ক্ষেত্ৰত ৰকেট চালক হ'ব পাৰে। এজন গোদামৰ ৰখীয়া ৰাডাৰ মানুহ (Radar man), এগৰাকী পত্নী অকলশৰীয়া বা এটি শিশু পিতৃৰ অবিহনে ডাঙৰ-দীঘল হ'ব পাৰে। গতিকে এজন ব্যক্তিৰ ব্যক্তিগত জীৱন আৰু সমাজৰ ইতিহাস নাজানিলে ব্যক্তি আৰু সমাজৰ ইতিহাস বুজিব পৰা নাযায়। চি, ৰাইট, মিলৰ ব্যাখ্যাৰ পৰা দেখা গৈছে যে সমাজতাত্ত্বিক কল্পনাৰ ব্যৱহাৰৰ ক্ষেত্ৰত সমাজৰ এজন

একক ব্যক্তিৰ ঐতিহাসিক আৰু সমাজতাত্ত্বিক অৰ্থ জানিব লাগিব। বিভিন্ন ব্যক্তিয়ে নিজৰ আভ্যন্তৰীণ আৰু বাহ্যিক কাৰ্যকলাপৰ বাবে সমাজতাত্ত্বিক কল্পনা ব্যৱহাৰ কৰিব বিচাৰে। সমাজতাত্ত্বিক কল্পনাত অতীতৰ ঘটনাৰাজিৰে তেওঁলোকৰ ইতিহাসক প্ৰতিফলিত কৰিব আৰু এনে ব্যৱস্থাই বৰ্তমানক পৰিচালিত কৰে। মিলচে এই যুক্তি আগবঢ়াইছে যে সমাজতাত্ত্বিক কল্পনাৰ বাবে ইতিহাস গুৰুত্বপূৰ্ণ উপাদান।

**ক্ৰিয়া কলাপ-১ (Activity-1)**

তোমালোকে মিলচৰ পাঠটি সাৱধানেৰে পঢ়ি তলৰ ছবি আৰু প্ৰতিবেদনখন পৰীক্ষা কৰি চোৱাচোন। এহাল গৃহহীন দৰিদ্ৰ দম্পত্তিৰ ছবি দিয়া হৈছে। সমাজতাত্ত্বিক কল্পনাৰ সহায়ত গৃহহীন সকলৰ সম্পৰ্কে ৰাজহুৱা সমস্যা হিচাপে বুজি পোৱা আৰু ব্যাখ্যা কৰাত তোমালোকৰ সহায়ক হ'ব। তোমালোকে বাৰু গৃহহীন হোৱাৰ কাৰণবোৰ চিনাক্তকৰণ কৰিব পাৰিবানে? তোমালোকৰ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলে বিভিন্ন গোটত বিভক্ত হৈ উদাহৰণসহ সম্ভাব্যকৰণ, নিয়োগৰ সম্ভাৱনা, গাঁৱৰ পৰা নগৰলৈ প্ৰব্ৰজন ইত্যাদি তথ্য সংগ্ৰহ কৰিব পাৰা। গৃহহীন সমস্যাটো ৰাজহুৱা সমস্যা হিচাপে আমাৰ ৰাষ্ট্ৰই বিবেচনা কৰি বাস্তৱ সমাধানৰ অৰ্থে 'প্ৰধান মন্ত্ৰী গ্ৰাম্য আৱাস যোজনা' (Pradhan Mantri Awas Yojana-Gramin) আঁচনি প্ৰস্তুত কৰিছে।



*গৃহহীন পৰিয়াল*

প্ৰধান মন্ত্ৰী গ্ৰাম্য আৱাস যোজনা (Pradhan Mantri Awas Yojana) ভাৰতবৰ্ষ গ্ৰাম্য উন্নয়ন মন্ত্ৰণালয়ে এই আঁচনিখন ২০১৫ চনত ঘোষণা কৰি ২০১৬ চনৰ পৰা কাৰ্যকৰীকৰণ কৰে। গ্ৰাম্য অঞ্চলৰ গৃহহীন পৰিয়ালৰ বাবে বিত্তীয় আৰু শ্ৰমিকৰ সুবিধা প্ৰদান কৰি কেঁচা ঘৰৰ ঠাইত পকী আৱাস গৃহ নিৰ্মাণ কৰি দিয়ে। পূৰ্বতে এই আঁচনি খনৰ নাম 'ইন্দিৰা আৱাস যোজনা' নামেৰে জনা গৈছিল। ভাৰতবৰ্ষৰ প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদীৰ কাৰ্যকালত 'প্ৰধান মন্ত্ৰী আৱাস যোজনা - গ্ৰামীণ' নামেৰে নামকৰণ কৰা হয়। তোমালোকে বাৰু এই কথাবোৰৰ পৰা ব্যক্তিগত সমস্যা আৰু ৰাজহুৱা বিষয়ৰ মাজত থকা সম্পৰ্কক দেখুৱাব পাৰিবানে?

**সমাজৰ বহুত্বতা আৰু অসমতা (Pluralities and Inequalities Among Societies) ঃ**

সামাজিক প্ৰাণী হিচাপে স্বাভাৱিক ভাৱেই আমি সমাজ একোখনৰ সদস্য হিচাপে অন্তৰ্ভুক্ত হওঁ। সমসাময়িক পৃথিৱীখনত আমি একে সময়তে বহুতো সমাজৰ সদস্য হিচাপে অংশীদাৰ হৈ আছো। আমি বসবাস কৰা সমাজখন অন্যান্য সমাজৰ পৰা বিভিন্ন বৈশিষ্ট্যৰ আধাৰত পৃথক হিচাপে পৰিচয় আগবঢ়োৱা

হয়। আমি যেতিয়া বিদেশৰ প্ৰসঙ্গৰে নিজৰ সমাজখনক বুজাবলৈ বিচাৰোঁ তেতিয়া আমি ভাৰতীয় সমাজখনক আমাৰ নিজৰ সমাজ বুলি ক'ব বিচাৰোঁ। কিন্তু একে ভাৰতীয়সকলৰ মাজত 'আমাৰ সমাজ' বুলি ক'লে পৃথক অৰ্থ প্ৰকাশ কৰোঁ। আমি ভাৰতীয় সমাজ বুলি ক'লে একে সময়তে ভিন্ন ভাষিক, নৃগোষ্ঠীয় সম্প্ৰদায়, ধৰ্মীয়, জাতি, জনজাতি ইত্যাদিৰ আধাৰত ব্যাপক ভাৱে আমাৰ সমাজখনৰ অৰ্থ প্ৰকাশ কৰা হয়। এনে ধৰণৰ বিভিন্ন বিশেষত্বৰ আধাৰত বহুত্ব বা ভিন্নধৰ্মী এখন সমাজৰ উদাহৰণ দাঙি ধৰিব পৰা যায়। সমাজ এখনক ভিন্নতাৰ ভিত্তিত ক'বলৈ যাওঁতে সমাজ সম্পৰ্কে সঠিক অৰ্থ প্ৰকাশ কৰাটো জটিল হৈ পৰে। কিন্তু সমাজতত্ত্ববিদ সকলে সমাজ এখনৰ উল্লিখিত ধৰণে চিত্ৰ অংকন কৰাটো জটিল নহয়। এজন সমাজতত্ত্ববিদে এখন সমাজৰ বিভিন্ন চাৰিত্ৰিক বিশেষত্বৰ আধাৰত ভিন্ন স্বৰূপেৰে পৰিপূৰ্ণ সমাজখনক বহুত্ব সমাজ (Plural Society) হিচাপে আখ্যা দিব পাৰে। ইয়াত এজন সমাজতত্ত্ববিদে দিব পৰা কিছু মন্তব্য তলত দাঙি ধৰিব বিচৰা হৈছে—

প্ৰসিদ্ধ চলচিত্ৰ নিৰ্মাতা সত্যজিৎ ৰায়ে আশ্চৰ্যজনক ভাৱে বোলছবিৰ জৰিয়তে সমাজৰ কোন বিলাক দিশ আকৰ্ষণীয় ভাৱে প্ৰতিফলিত কৰে সেই সম্পৰ্কত এনেদৰে কৈছে — "তোমাৰ এখন ছবিত কোনবোৰ দিশ প্ৰতিফলিত কৰা উচিত? তুমি কোন বিলাক দিশ এৰাই চলিবা? তুমি নিজৰ চহৰ বা নগৰখন এৰি গাঁৱলৈ যাবা নেকি? সেইখন গাঁৱৰ কথা কোৱা হৈছে য'ত নেকি সীমাহীন পথাৰখনত গৰুবোৰ চৰি আছে আৰু য'ত নেকি গৰখীয়াবোৰে বাঁহী বজাই আছে। তুমি এখন বোলছবি নিৰ্মাণ কৰিব পাৰা য'ত বিশুদ্ধ আৰু সজীৱ এখন ছবি দেখা পোৱা যায় আৰু এইখন ছবিতে নাৱৰীয়া এজনে মনোৰম ছন্দেৰে গীত গাই থকা দৃশ্য প্ৰতিফলিত হ'ব। অথবা তুমি মহাকাব্যৰ যুগলৈ পুনৰ উভতি যাবা, য'ত ভগৱান আৰু ৰাক্ষসবোৰে যুদ্ধ কৰিছিল আৰু ভায়ে ভাইক হত্যা কৰিছিল। তুমি ইয়াৰ বিপৰীতে ভয়ংকৰ দৈত্যকায় বিভ্ৰান্তিকৰ ৰূপত বাঢ়ি অহা নগৰীয়া জীৱনক বাছি লবা নেকি আৰু তাতেই সজাই তুলিবা নেকি মূৰ ঘূৰণি হ'ব পৰা বিচিত্ৰ দৃশ্য, শব্দ আৰু পৰিৱেশ?

সমাজক কেন্দ্ৰ কৰি উপস্থাপন কৰা এইবোৰ প্ৰশ্ন সমাজতত্ত্বৰ মূল বিষয়বস্তু হ'ব পাৰে। আমি পুনৰ সত্যজিৎ ৰায়ৰ মন্তব্য লব পাৰোঁ। তেওঁ দাঙি ধৰা গাঁৱৰ বৰ্ণনাবোৰ ৰোমাণ্টিক নেকি? ইয়াৰ পৰা সমাজতত্ত্বই এখন গ্ৰাম্য ছবি অংকন কৰিব পাৰে আৰু সেই ছবিখনে গাঁও বুলি ক'লে আহিব পৰা বৈশিষ্ট্যবোৰ প্ৰতিফলিত কৰে। এনে ধৰণৰ উদাহৰণৰ দ্বাৰা বিভিন্ন জাতি-জনগোষ্ঠী, ভাষিক, ধৰ্মীয় পৰম্পৰাৰ ভিত্তিত গঢ়ি উঠা এখন সমাজৰ ওপৰত সমাজতাত্ত্বিক দিশৰ পৰা 'বহুত্ববাদী' চৰিত্ৰ দেখুৱাব পৰা যায়।

বহুত্ববাদী বৈশিষ্ট্যই এখন সমাজৰ বিচিত্ৰতাৰ অৰ্থ প্ৰকাশ কৰাৰ লগে লগে ইয়াৰ এক অসমতাপূৰ্ণ চৰিত্ৰও প্ৰতিফলিত কৰে। বিভিন্নতাই সমাজত অসমতাৰ (Inequality) সৃষ্টি কৰে। ইতিপূৰ্বে দিয়া সত্যজিৎ ৰায়ৰ উদাহৰণটোৰ বিপৰীতে আন এটা উদাহৰণ তোমালোকক দিব খুজিছো। ইয়াত এখন গাঁৱৰ দলিত মানুহৰ জীৱনৰ ছবি দাঙি ধৰা হৈছে। তোমালোকে মন দিয়াছোন।

"পোন প্ৰথমবাৰৰ বাবে মই তেওঁক দেখিছিলো যে তেওঁ এটা লেতেৰা পথত চাহ দোকান এখনৰ সন্মুখত বহি আছিল। তেওঁৰ সন্মুখত এখন থালি আৰু এটা গিলাছ আছিল। দোকানীজনক নীৰৱ ভাষাৰে তেওঁ বুজাইছিল যে তেওঁ এজন অস্পৃশ্য লোক আৰু তেওঁ চাহ খাবলৈ বিচাৰিছে। মূলি (Muli) নামৰ প্ৰায়

চল্লিশ বছৰীয়া সেই মানুহজন অতি ক্ষীণকায় আছিল আৰু তামোলৰ ৰঙেৰে দাঁতবোৰ কলা হৈ গৈছিল। অসংযত চুলিবোৰ তেওঁ পিছ ফাললৈ আচুৰি থৈছিল। এই কাহিনীটোৰ পৰা আমাৰ সমাজখনত থকা অসমতাৰ ছবিখন স্পষ্ট ভাৱে উপলব্ধি কৰিব পাৰোঁ। (Freeman 1978)."

সামাজিক অসমতাই সমাজখনত কেনেকৈ ভেদ ভাৱৰ সৃষ্টি কৰিছে তাক নবেল বঁটা লাভ কৰা বিখ্যাত অৰ্থনীতিবিদ অমৰ্ত্য সেনৰ মন্তব্যৰ পৰা দেখুৱাব পাৰি। তেওঁৰ মন্তব্যটো এনে ধৰণৰ আছিল — 'কিছুমান ভাৰতীয় ধনী যদিও অধিকাংশই ধনী নহয়। কিছু সংখ্যক লোক অধিক শিক্ষিত আৰু অন্যান্য সকল নিৰক্ষৰ। কিছুসংখ্যক লোকে অতি সহজ ভাৱে বিলাসী জীৱন অতিবাহিত কৰে আৰু কিছুমান লোকে এটা সৰু পুৰস্কাৰৰ বাবেও কঠোৰ ভাৱে কষ্ট কৰিব লগা হয়। কিছু সংখ্যক লোক ৰাজনৈতিক ভাৱে ক্ষমতাশালী আৰু বাকী সকল নহয়। কিছুমান লোকে জীৱনত আগবাঢ়ি যাবৰ বাবে বহুতো সুবিধা লাভ কৰে আৰু আন এচামৰ কোনো সুবিধাই নাথাকে। কিছুমান লোকক আৰক্ষী বিষয়াইও সন্মান কৰাৰ বিপৰীতে আন এচামক পুলিচ আৰক্ষীয়ে অতিশয় বেয়া ব্যৱহাৰ কৰে। এনেদৰে সমাজত ভিন্ন ৰূপত অসমতাই ক্ৰিয়া কৰে। এই উদাহৰণবোৰৰ পৰা অসমতাৰ স্বৰূপ গভীৰ ভাৱে উপলব্ধি কৰিব পাৰি।




*ছবি কেইখন আলোচনা কৰা। কেনেধৰণৰ বহুত্বতা আৰু অসমতা দেখুৱাইছে লক্ষ্য কৰা*

**ক্ৰিয়া কলাপ-২ (Activity-2)**

ভাৰত চৰকাৰৰ দ্বাৰা পৰিচালিত অৰ্থনৈতিক জৰীপে (Economic Survey) উল্লেখ কৰিছে যে ভাৰতবৰ্ষত মাথোন ২৮ শতাংশ লোকেহে বিধিসন্মত ভাৱে অনাময় ব্যৱস্থাৰ সুবিধা (Sanitation facilities) লাভ কৰিছে। আন আন দিশত থকা সামাজিক অসমতা সমূহ বাছি উলিওৱা। উদাহৰণস্বৰূপে শিক্ষা, স্বাস্থ্য, নিয়োগ আদিৰ ক্ষেত্ৰত।

**সমাজতত্ত্বৰ পৰিচয় (Introducing Sociology)ঃ**

ইতিমধ্যে কৰা আলোচনাৰ জৰিয়তে তোমালোকে সমাজতাত্ত্বিক কল্পনা (Sociological Imagination) আৰু সমাজতত্ত্বৰ আলোচ্য বিষয়বস্তু সম্পৰ্কে এটা ধাৰণা ল'ব পাৰিছা। সমাজৰ বিভিন্ন দিশ সম্পৰ্কে বিজ্ঞানসন্মত ভাৱে আলোচনা কৰাই হৈছে সমাজতত্ত্বৰ মূল বিষয়বস্তু। আমি ইতিমধ্যে আলোচনা কৰি অহা সমাজতত্ত্বৰ বিষয়বস্তু ব্যক্তিগত পচন্দ আৰু চাকৰিৰ বজাৰে দেখুৱাইছে যে কেনেদৰে অৰ্থনৈতিক, ৰাজনৈতিক, সাংস্কৃতিক, শিক্ষা, পাৰিবাৰিক আদি বিষয়বিলাকৰ মাজত আন্তঃসম্বন্ধ আছে। আমি পৰৱৰ্তী আলোচনাত বিভিন্ন সংস্থা (Institution), সংস্কৃতি (Culture) ইত্যাদি কিছুমান অৱধাৰণা সম্পৰ্কে আলোচনা কৰিম।

মানুহ সামাজিক প্ৰাণী। সামাজিক জীৱ হিচাপে মানুহে যি আচৰণ কৰে সি হৈছে সমাজতত্ত্বৰ প্ৰধান বিষয়বস্তু। কেৱল সমাজতত্ত্বই যে সমাজ সম্পৰ্কত প্ৰথম আলোচনা কৰে এনে নহয়। মানুহে সদায় নিজে বসবাস কৰা সমূহ আৰু সমাজখন পৰ্যবেক্ষণ কৰি আহিছে। এই সমাজখনেই মানুহক প্ৰতিফলিত কৰে। বিভিন্ন দাৰ্শনিক, ধৰ্মীয় গুৰু আৰু সকলো সভ্যতা তথা যুগৰ নেতা সকলৰ বাণীত এই কথা প্ৰতিফলিত হৈছে। আমাৰ জীৱন সম্পৰ্কীয় চিন্তাধাৰা বিলাকো কেৱল দাৰ্শনিক বা সমাজ চিন্তাবিদ সকলৰ অধ্যয়নৰ ফচল বুলি ক'ব পৰা নাযায়। প্ৰতিজন ব্যক্তিৰে দৈনন্দিন জীৱন সম্পৰ্কত এক ধাৰণা আছে। একেদৰে আনৰ জীৱন বা আনৰ সমাজ বুলি ক'লে এক বিশেষ ধাৰণা স্পষ্ট হৈ পৰে। এইবোৰ আমাৰ দৈনন্দিন জীৱনৰ একোটা ধাৰণা আৰু আমি বসবাস কৰা সমাজখনত আমাৰ নিজৰ সাধাৰণ জ্ঞান। সমাজতত্ত্বই এটা বিষয় হিচাপে কৰা পৰ্যবেক্ষণ আৰু আদৰ্শৰ পৰা দাৰ্শনিক প্ৰতিফলন আৰু সাধাৰণ জ্ঞান (Common sense) স্বাভাৱিক ভাৱেই পৃথক।

সাধাৰণতে দাৰ্শনিক আৰু ধৰ্মীয় চিন্তাবিদ সকলে মানুহৰ আচৰণৰ অন্তৰ্নিহিত নৈতিক আৰু অনৈতিক দিশবোৰ কেতিয়াবা পৰ্যবেক্ষণ কৰে। মানুহে কেনেকৈ ভাৱে, কেনেকৈ জীয়াই থাকে বা এখন ভাল সমাজৰ ধাৰণা ইত্যাদিক লৈও পৰ্যবেক্ষণ কৰা হয়। সমাজতত্ত্বই ইয়াৰ মূল্যবোধ (Values) আৰু প্ৰতিমান (Norms) ক প্ৰধান বিষয় হিচাপে অধ্যয়ন কৰে। অৱশ্যে প্ৰতিমান আৰু মূল্যক প্ৰতি সমাজতত্ত্বই পৃথক ৰূপত প্ৰতিফলিত কৰে। প্ৰতিমান আৰু মূল্যবোধ বুলিলে কি বুজা? সমাজতত্ত্বই এই সম্পৰ্কত বিশদ ভাৱে আলোচনা কৰিছে। এইখিনিতেই তোমালোকক প্ৰতিমান আৰু মূল্যবোধ সম্পৰ্কত এটা ধাৰণা দিব খুজিছো। প্ৰতিমান হৈছে ব্যক্তিয়ে সমাজত লাভ কৰা আশানুৰূপ মান। ব্যক্তিয়ে সমাজত কিছুমান পালনীয় কাম কৰিব লাগে। এই বিলাকক সামাজিক মূল্যৰে পৰিমাপ কৰা হয়। আচলতে প্ৰতিমানবোৰ আচৰণৰ মানদণ্ড। সমাজ এখন সুস্থ ভাৱে পৰিচালিত হ'বলৈ হ'লে ব্যক্তিসকলে কিছুমান নীতি-নিয়ম মানি চলিব লাগে। এই নীতি-নিয়মৰ

বিপৰীতে গলে তাক পথভ্ৰষ্টতামূলক কাম বুলি কোৱা হয়। ব্যক্তিয়ে জীৱনৰ প্ৰতিটো ক্ষেত্ৰতে চাল-চলন, কথা-বাৰ্তা, ভাৱ-ভঙ্গী, আহাৰ, নিদ্ৰা, সাজ-পোছাক আদিত কিছুমান প্ৰতিমান পালন কৰে।

প্ৰমূল্য (Value) বোৰ প্ৰতিমানৰ লগত সম্পৰ্কিত। সমাজতাত্ত্বিক দৃষ্টিৰে প্ৰমূল্য বুলি ক'লে কোনো এটা বস্তু ভাল আৰু গ্ৰহণীয় ৰূপত ধাৰণা কৰি লোৱা হয়। আপেক্ষিক ভাৱে বাঞ্চনীয় আৰু গ্ৰহণীয়তাৰে প্ৰমূল্যক প্ৰকাশ কৰা হয়। প্ৰমূল্যবোৰক নৈতিক বিচাৰ বিবেচনাৰে মূল্যাংকন কৰি চোৱা হয়। সমাজ এখনৰ ঘটনাক মূল্যাংকন কৰিবলৈ যাওঁতে সংস্কৃতিৰ মাপকাঠিৰে তাক চোৱা হয়। গতিকে ব্যক্তিৰ আচাৰ-আচৰণ, গুণ, সামাজিক প্ৰস্থিতি অনুসৰি প্ৰমূল্য পৰিমাপ কৰা হয় আৰু সমাজভেদে এই বিলাক পৃথক ৰূপত দেখা যায়। সামাজিক, সাংস্কৃতিক, ৰাজনৈতিক, অৰ্থনৈতিক আদি ক্ষেত্ৰত সাধাৰণ আৰু বিশেষ প্ৰকৃতিৰ প্ৰমূল্য দেখা যায়। জ্যেষ্ঠজনক সন্মান কৰাটো যিদৰে সামাজিক মূল্যবোধ, গণতন্ত্ৰৰ প্ৰতি আস্থা, স্বাধীনতাৰ অধিকাৰ আদি ৰাজনৈতিক মূল্যবোধ বুলি ক'ব পাৰি।

সমাজৰ অভিজ্ঞতামূলক (Empirical) অধ্যয়ন সমাজতত্ত্বৰ এটা গুৰুত্বপূৰ্ণ অংশ আৰু সমাজতত্ত্ববিদ সকলে ইয়াৰ দ্বাৰা অধ্যয়ন কৰে। ইয়াৰ অৰ্থ কিন্তু এইটো নহয় যে সমাজতত্ত্ববিদসকলে মূল্যবোধৰ বিষয়ে অধ্যয়ন নকৰে। ইয়াৰ অৰ্থ এইটো যে সমাজতত্ত্ববিদসকলে সমাজৰ বিষয়ে অধ্যয়ন কৰোঁতে তেওঁলোকে তথ্য পৰ্যবেক্ষণ আৰু তথ্য সংগ্ৰহ কৰিবলৈ যত্ন কৰে। তেওঁলোকৰ ব্যক্তিগত জীৱনৰ কামত অহা বা নহা বিষয়বোৰৰ লগত জড়িত নহয়।

পিটাৰ বাৰ্গাৰ (Peter Berger) নামৰ সমাজতত্ত্ববিদজনে আগবঢ়োৱা এটা ব্যতিক্ৰমী ধাৰণা তোমালোকক দিব বিচাৰিছো। পিটাৰ বাৰ্গাৰ অষ্ট্ৰেলিয়াত জন্ম গ্ৰহণ কৰা আমেৰিকাৰ সমাজতত্ত্ববিদ আছিল। তেওঁ জ্ঞানৰ সমাজতত্ত্ব (Sociology of Knowledge), ধৰ্মৰ সমাজতত্ত্ব (Sociology of Religion), আধুনিকীকৰণ (Modernisation) আদি তত্ত্বগত দিশলৈ অভূতপূৰ্ব বৰঙণি আগবঢ়াইছে। তেওঁ কৰা ব্যতিক্ৰমী তথা সকলোৰে গ্ৰহণযোগ্য তুলনা এটা হ'ল—

"যিকোনো ৰাজনৈতিক বা সামৰিক সংঘৰ্ষৰ সময়ত গোপন বিভাগবোৰৰ দ্বাৰা বিপৰীত দিশৰ সংবাদবোৰ আহৰণ কৰাটো বিশেষ প্ৰয়োজনীয়। এই গোপন তথ্যবোৰ এজন ভাল চোৰাংচোৱা (Good intelligence) দ্বাৰা সম্ভৱ হ'ব আৰু পক্ষপাতিত্বৰ উৰ্দ্ধত হ'ব লাগিব। যদি এনে চোৰাংচোৱাৰ কাৰ্যকলাপ উৰ্দ্ধতম বিষয়াৰ প্ৰলোভন বা উদ্দেশ্য প্ৰণোদিত ধৰণৰ হয়, তেতিয়া তেনে তথ্যবোৰ শত্ৰুপক্ষৰ বাবে অৰ্থহীন হোৱাই নহয় উৰ্দ্ধতম বিষয়া তথা চোৰাংচোৱাজনৰ বাবেও গুৰুত্বহীন হৈ পৰিব। এক অৰ্থত সমাজতত্ত্ববিদ এগৰাকী চোৰাংচোৱাই। তেওঁৰ প্ৰধান দায়িত্ব আৰু কৰ্তব্য হ'ল এক বিশেষ ক্ষেত্ৰ বা পৰিস্থিতিৰ বিষয়ে সঠিক তথ্য যোগান ধৰা।" (Berger 1963: 16-17)

এইখিনিতে আমাৰ মনত এটা প্ৰশ্নৰ উদয় হয় যে সমাজতত্ত্ববিদ সকলৰ তেওঁলোকৰ অধ্যয়নৰ লক্ষ্য বা উদ্দেশ্য বা তেওঁলোকে দিয়া তথ্য সম্পৰ্কে সুধিবলৈ কোনো দায়িত্ব নাই নেকি? অন্যান্য নাগৰিকৰ দৰে তেওঁলোকৰো একে ধৰণৰ দায়িত্ব আছে। কিন্তু এনে ধৰণৰ প্ৰশ্নবোৰক সমাজতাত্ত্বিক প্ৰশ্ন বুলি গণ্য কৰিব নোৱাৰি। এইটো এজন জীৱ বিজ্ঞানী (Biologist) ৰ দৰে হ'ব যাৰ জীৱবিজ্ঞানৰ জ্ঞানে জীৱক হয় আৰোগ্য কৰা নহয় জীৱক মৃত্যুৰ মুখলৈ ঠেলি দিব পাৰে। সেয়েহে জীৱ বিজ্ঞানীজনে আগবঢ়োৱা সেৱাৰ সামাজিক

দায়বদ্ধতা নাই বুলি ক'ব নোৱাৰি। সেই দিশৰ পৰা জীৱ বিজ্ঞানীজনলৈ আগবঢ়োৱা প্ৰশ্ন জীৱবিদ্যাজনিত নহয়।

**সমাজতত্ত্ব আৰু বিজ্ঞান (Sociology and Science) ঃ**

আমি ইতিমধ্যে উল্লেখ কৰা কথাখিনিৰ পৰা সমাজতত্ত্বৰ অধ্যয়নৰ দৃষ্টিভঙ্গী সম্বন্ধে এটা ধাৰণা উপলব্ধি কৰিব পাৰিছো। সমাজতত্ত্ব আৰম্ভণিৰ পৰাই বিজ্ঞান বিষয়ৰূপে পৰিগণিত হৈ আহিছে। সাধাৰণ জ্ঞান, ধৰ্মশাস্ত্ৰৰ উপদেশ বা দাৰ্শনিক ভাৱ-ধাৰাৰ পৰিৱৰ্তে সমাজতত্ত্বই বিজ্ঞানসন্মতভাৱে অধ্যয়ন কৰাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰে। সমাজতত্ত্ববিদ সকলে যিকোনো বিষয় সম্পৰ্কে মন্তব্য দিবলৈ যাওঁতে কিছুমান দিশত বিশেষ সতৰ্কতা অৱলম্বন কৰে। বিজ্ঞানৰ ধৰ্ম অনুসৰি সমাজতত্ত্বই যিকোনো সিদ্ধান্ত প্ৰকাশ কৰোঁতে সঠিক ভাৱে পৰ্যবেক্ষণ, প্ৰমাণীকৰণ আদিৰ ওপৰত গুৰুত্ব দিয়ে। সমাজতত্ত্বৰ অধ্যয়নৰ দিশৰ পৰা লক্ষ্য কৰিলে বিজ্ঞানৰ বৈশিষ্ট্যবোৰ সমাজতত্ত্বৰ ক্ষেত্ৰত প্ৰতিফলিত হয়। বিজ্ঞানৰ দৰে সমাজতত্ত্বৰ ঘটনাবোৰক নিৰপেক্ষভাৱে প্ৰমাণিত সাক্ষ্যৰ আধাৰত পূৰ্ব কথন বা ভৱিষ্যতৰ বাবে প্ৰমাণ কৰিব পৰা যায়। অৱশ্যে সমাজতত্ত্বত প্ৰাকৃতিক বিজ্ঞান আৰু মানৱ বিজ্ঞানৰ লগতে পৰিমাণগত গৱেষণা আৰু গুণগত গৱেষণাৰ মাজত থকা পাৰ্থক্যৰ বিষয়ে বাদানুবাদৰ সৃষ্টি হৈছে। এই বিষয়ত তোমালোকে আগলৈ অধ্যয়ন কৰিবলৈ পাবা। সংক্ষেপতে আমি এই কথা জানি থওঁ যে সমাজতত্ত্বই ইয়াৰ অধ্যয়ন প্ৰণালীত পৰ্যবেক্ষণ, বিশ্লেষণ আদিত কিছুমান বিশেষ নীতি মানি চলে। এই সম্পৰ্কীয় এক স্পষ্ট ধাৰণা সমাজতত্ত্ব (Sociology) আৰু ব্যৱহাৰিক জ্ঞানৰ (Common sense knowledge) আলোচনাৰ মাজেদি জানিব পাৰিম। এই পাঠ্যপুথিৰ পঞ্চম অধ্যায়ত তোমালোকে সমাজতত্ত্ববিদসকলে কেনেদৰে এখন সমাজ অধ্যয়ন কৰে তাৰ বিষয়ে জানিব পাৰিবা। সমাজতত্ত্ব আৰু ব্যৱহাৰিক জ্ঞানৰ সমাজৰ পাৰ্থক্যৰ ব্যাখ্যাই সমাজতাত্ত্বিক দৃষ্টিভংগী আৰু পদ্ধতিসমূহ স্পষ্টভাৱে বুজাত সহায় কৰে।

**সমাজতত্ত্ব আৰু ব্যৱহাৰিক জ্ঞান (Sociology and Common Sense Knowledge) ঃ**

ইতিমধ্যে সমাজতাত্ত্বিক জ্ঞান কেনেকৈ ধৰ্মশাস্ত্ৰ (Theological) আৰু দাৰ্শনিক (Philosophical) ক্ষেত্ৰৰ পৰা পৃথক সেই সম্পৰ্কে এটা ধাৰণা পাই আহিছো। একেদৰে সমাজতত্ত্ব আৰু ব্যৱহাৰিক জ্ঞানৰ মাজতো পাৰ্থক্য লক্ষণীয়। ব্যৱহাৰিক জ্ঞানক সাধাৰণ দৃষ্টিভঙ্গীৰ ভিত্তিত বিশ্লেষণ কৰা হয়। এনে জ্ঞানক প্ৰাকৃতিক বা ব্যক্তিভিত্তিক বিশ্লেষণ বুলি ক'ব পৰা যায়। কিছুমান ঘটনাক আমি ব্যৱহাৰিকভাৱে লাভ কৰা জ্ঞানৰ আধাৰত দিব পাৰোঁ আৰু ই হৈছে স্বাভাৱিক বিশ্লেষণ (Naturalistic explanation)। প্ৰাকৃতিক বা স্বাভাৱিক ব্যাখ্যাবোৰ আচৰণৰ ওপৰত ভিত্তি কৰি বিশ্লেষণ কৰা হয় আৰু বাস্তৱিকতে কোনো এজনে তাক স্বাভাৱিক কাৰণ হিচাপে চিনাক্তকৰণ কৰে।

এনেদৰে সমাজতত্ত্বই ব্যৱহাৰিক পৰ্যবেক্ষণ আৰু দাৰ্শনিক বা আদৰ্শগত ভাৱধাৰাৰ পৰা পৃথকে বিশ্লেষণ আগবঢ়ায়। গতিকে ই কেতিয়াও চমৎকাৰী ফলাফলৰ ওপৰত গুৰুত্ব নিদিয়ে। ইয়াৰ বিপৰীতে

অৰ্থপূৰ্ণ অসন্দেহাতীত সম্পৰ্কৰে পৰীক্ষা আৰু প্ৰমাণৰ ভিত্তিত ফলাফল গ্ৰহণ কৰে। সমাজতত্ত্বই জ্ঞান আহৰণৰ দিশত বহুল ভাৱে অগ্ৰগতি লাভ কৰিছে। সমাজতত্ত্বৰ অগ্ৰগতি আৰু প্ৰসাৰতাক নাটকীয় ভাৱে ঘটিছে বুলি ক'ব পৰা নাযায়।

সমাজতত্ত্বৰ কিছুমান নিজাববীয়া ধাৰণা, পদ্ধতি আৰু তথ্য আছে যদিও এই বিলাকৰ মাজত সমন্বয় হোৱা নাই। তথাপি এক সুকীয়া বিষয় হিচাপে সমাজতত্ত্বই গুৰুত্ব লাভ কৰিছে। সমাজতাত্ত্বিক জ্ঞান সদায় ব্যৱহাৰিক জ্ঞানৰ পৰা পৃথক। যেতিয়ালৈ ব্যৱহাৰিক জ্ঞানে নিজৰ উৎপত্তিক প্ৰশ্ন নকৰে তেতিয়ালৈ ই অপ্ৰতিফলনীয়। ব্যৱহাৰিক জ্ঞানে নিজকে এনে প্ৰশ্ন নকৰে - মই কিয় এনে মনোভাৱ গ্ৰহণ কৰিছো? কিন্তু সমাজতত্ত্ববিদ সকল আমাৰ যিকোনো বিশ্বাস, আমাৰ সম্পৰ্কে ধাৰণা ইত্যাদিৰ ওপৰত প্ৰশ্ন কৰিবলৈ সচেতন হৈ থকা উচিত। ইয়াৰ ওপৰত ভিত্তি কৰি প্ৰশ্ন সোধা উচিত - সঁচাকৈয়ে ই সত্যনে? সমাজতত্ত্বই পদ্ধতিগত ভাৱে চিন্তা-চৰ্চা কৰা আৰু প্ৰশ্ন কৰা দৃষ্টিভঙ্গী বৈজ্ঞানিক অনুসন্ধানৰ পৰম্পৰাৰ পৰা আহৰণ কৰিছে। সমাজতাত্ত্বিক দৃষ্টিভঙ্গী বৈজ্ঞানিক পদ্ধতিৰ ওপৰত আৰোপ কৰা হয়। ইয়াৰ দৃষ্টিভঙ্গীত সামাজিক পৰিস্থিতি, সমাজতত্ত্ব গঢ় লোৱা সময়ত কেনে ধৰণৰ বৌদ্ধিক ধাৰণাই থিতাপি লৈছিল ইত্যাদি দিশৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। ইয়াৰ ভিত্তিত ক'ব পাৰি যে আধুনিক বিজ্ঞানৰ উত্তৰণে সমাজতত্ত্বক ব্যাপক ৰূপত প্ৰভাৱিত কৰিছিল।

আমি তলত স্বাভাৱিক আৰু সমাজতাত্ত্বিক জ্ঞানৰ ব্যাখ্যা এটা কাৰ্যকলাপৰ দ্বাৰা প্ৰকাশ কৰি দেখুৱাইছো। তোমালোকে মন দি লক্ষ্য কৰাচোন।

**ক্ৰিয়া কলাপ-৩ (Activity-3)**

দৰিদ্ৰতা সম্পৰ্কে এটা উদাহৰণ লোৱা হৈছে আৰু ইয়াৰ লগত গৃহহীনতা (Homeless) ৰ আলোচনা কৰা হৈছে। স্বাভাৱিক আৰু সমাজতাত্ত্বিক দিশৰ পৰা বিশ্লেষণ কৰিব পৰা কেইটামান সমস্যাৰ উদাহৰণ তোমালোকেও চোৱাচোন—

| ব্যাখ্যা (Explanations) | স্বাভাৱিক (Naturalistic) | সমাজতাত্ত্বিক (Sociological) |
|---|---|---|
| দৰিদ্ৰতা | মানুহ দৰিদ্ৰ হোৱাৰ কাৰণ হৈছে যে তেওঁলোকে কামলৈ ভয় কৰে, তেওঁলোক সমস্যাবহুল পৰিয়ালৰ পৰা আহে। পৰিয়ালৰ আয়-ব্যয়ৰ হিচাপ সঠিক ভাৱে কৰিব নোৱাৰে, কম বুদ্ধিদ্দীপ্ততা আৰু কাম কৰাৰ অসমৰ্থতা। | সাম্প্ৰতিক দৰিদ্ৰতাৰ কাৰণ শ্ৰেণী ভিত্তিক সমাজৰ অসমতাপূৰ্ণ সংৰচনা আৰু যি সকলে অভ্যাসবশত কামত অনিয়মীয়া আৰু নিম্নমানৰ মজুৰি। |

**সন্দেহাতীত যোগাযোগ (Unsuspected Connection) ঃ**

ভাৰতবৰ্ষৰ বহু সমাজত সম্পত্তিৰ অধিকাৰ বংশানুক্ৰমিক ভাৱে পিতৃৰ পৰা পুত্ৰলৈ হস্তান্তৰ কৰাৰ নিয়ম আছে। ইয়াক পিতৃ প্ৰধান পদ্ধতি বুলি আখ্যা দিয়া হয়। এই ক্ষেত্ৰত কন্যা সন্তান বঞ্চিত হয়। ভাৰত চৰকাৰে কাৰ্গিল যুদ্ধৰ পিছত এই কথা মনত ৰাখি মৃত সৈনিকৰ বিধবা পত্নীক আৰ্থিক ক্ষতিপূৰণ দিয়াৰ ব্যৱস্থা কৰিলে।

ভাৰত চৰকাৰে লোৱা এই ধৰণৰ সিদ্ধান্তৰ ভৱিষ্যত ফলাফল সম্পৰ্কত বিশেষ অনুধাৱন কৰিব পৰা নাছিল। এই সুবিধা দিয়াৰ কাৰণে মৃত স্বামীৰ ভ্ৰাতৃ (দেওৰ)ৰ লগত বিধবা গৰাকীৰ বলপূৰ্বক বিবাহ সম্পন্ন হৈছিল। বহু সময়ত বিধবা গৰাকীৰ লগত মৃত স্বামীৰ ভ্ৰাতৃ কম বয়সৰ হোৱা দেখা গৈছিল। চৰকাৰে যি উদ্দেশ্যত বিধবা গৰাকীক আৰ্থিক সুবিধা দিছিল তাৰ সুবিধা পৰিয়ালেহে লাভ কৰিলে। তোমালোকে এনে ধৰণৰ সামাজিক ক্ৰিয়া বা ৰাষ্ট্ৰৰ নীতিৰ অবাঞ্চিত ফলৰ উদাহৰণ কিছুমানৰ কথা ভাবিব পাৰিবানে?

**সমাজতত্ত্ব গঠনত বৌদ্ধিক ধাৰণা (The Inteltectual ideas that went into the making of Sociology) ঃ**

প্ৰাকৃতিক বিৱৰ্তনত বৈজ্ঞানিক তত্ত্বৰ প্ৰভাৱ আৰু প্ৰাক্ আধুনিক সমাজ সম্পৰ্কত আগবঢ়োৱা ভ্ৰমণকাৰী, ঔপনিবেশিক প্ৰশাসক সকলৰ তথ্যই বহু কথা প্ৰকাশ কৰিছে। এই বিলাক তথ্যৰ লগতে সমাজতত্ত্ববিদ আৰু সামাজিক নৃতত্ত্ববিদ সকলে সমাজখনক বিভিন্ন ভাগত ভাগ কৰিবলৈ বিচাৰিছিল। তেওঁলোকে সামাজিক উন্নয়নৰ স্তৰ বিলাক পৰ্যবেক্ষণ কৰিছিল। এনে ধৰণৰ বিশেষত্ব বিলাক উনৈশ শতিকাৰ প্ৰাৰম্ভিক কালৰ সমাজতত্ত্ববিদ যেনে আগষ্ট ক'ট, কাৰ্লমাক্স আৰু হাবাৰ্ট স্পেনচাৰৰ চিন্তাধাৰাত পুনৰ দেখিবলৈ পোৱা গৈছিল। এইসকল সমাজতত্ত্ববিদে কিছুমান ভিত্তিত বিভিন্ন প্ৰকাৰৰ সমাজক শ্ৰেণী বিভাগ কৰিছিল। উদাহৰণ স্বৰূপে প্ৰাক আধুনিক সমাজখন চিকাৰী আৰু খাদ্য সংগ্ৰহকাৰী সমাজ, চহা বা ভেড়া পালন কৰা আৰু কৃষক সমাজ আৰু অনা-ঔদ্যোগিক সভ্যতাৰ সমাজ। আনহাতে, আধুনিক সমাজ হৈছে ঔদ্যোগিক সমাজ।

ক্ৰম বিকাশৰ এই দৃষ্টিকোণৰ পৰা ধাৰণা কৰিব পাৰি যে পশ্চিমীয়া সমাজখন স্বাভাৱিক ভাৱে উন্নত আৰু সু-সভ্য সমাজ। অনা-পশ্চিমীয়া সমাজৰ ক্ষেত্ৰত প্ৰায়ে বৰ্বৰ আৰু কম উন্নত হিচাপে চোৱা হয়। বৃটিছ ঔপনিবেশিক ভাৰতবৰ্ষৰ অভিজ্ঞতাক এই দৃষ্টিৰে চাব পাৰি। ভাৰতবৰ্ষৰ সমাজতত্ত্বই এনে ধৰণৰ উদ্বেগজনক ছবি প্ৰতিফলিত কৰিছিল, য'ত নেকি বৃটিছ ঔপনিবেশিক সময়ৰ ইতিহাস তথা ইয়াৰ লগত জড়িত বৌদ্ধিক আদৰ্শগত ভাৱধাৰা সংপৃক্ত হৈ থকা দেখা যায়। (Singh 2004 : 19)। ইয়াৰ বাবেই ভাৰতীয় সমাজতত্ত্ব বিশেষভাৱে ভাৱপূৰ্ণ আৰু প্ৰতিফলিত হৈ উঠিছে। (Chaudhuri 2003) এই সম্পৰ্কত আমাৰ দ্বিতীয় খণ্ড 'সমাজবোধ' গ্ৰন্থত বিস্তৃত ভাৱে পঢ়িবলৈ পাবা।

আন এটা গুৰুত্বপূৰ্ণ দিশ হ'ল ডাৰউইনৰ তত্ত্ব। জীৱৰ ক্ৰমবিকাশ সম্পৰ্কত ডাৰউইনৰ তত্ত্বই প্ৰাৰম্ভিক

সমাজতাত্ত্বিক চিন্তাধাৰাত প্ৰভাৰশালী ভূমিকা পালন কৰিছিল। তেওঁৰ সিদ্ধান্ত অনুসৰি সমাজক জৈৱিক প্ৰণালীৰ লগত তুলনা কৰা হৈছিল। এই জৈৱিক প্ৰণালীবোৰৰ যেনেদৰে স্তৰ ভিত্তিক বিকাশ হয়, ঠিক একেদৰে মানৱ সমাজখনৰো বিকাশ হয়। সমাজখনক এই দিশৰ পৰা চালে ইয়াৰ প্ৰতিটো অংশই একোটা পদ্ধতি হিচাপে কাম কৰে আৰু প্ৰতিটো অংশৰে কাম-কাজবোৰে প্ৰভাৱ পেলায়। বিভিন্ন সামাজিক সংস্থাবোৰ যেনে পৰিয়াল, বিদ্যালয় আৰু স্তৰীকৰণৰ দৰে সংৰচনাবোৰেও কাম কৰি যায়। এই কথাবোৰ উল্লেখ কৰাৰ কাৰণ হ'ল যে বৌদ্ধিক আদৰ্শই সমাজতত্ত্ব গঠনত কেনেকৈ প্ৰত্যক্ষ ভাৱে সহায় কৰিছে তাক অভিজ্ঞতামূলক বাস্তৱতাৰ পৰা অনুধাৱন কৰিব পাৰি।

ইউৰোপৰ বৌদ্ধিক আন্দোলন হিচাপে জ্ঞানোদয় ঘটিল ১৭ শতিকাৰ শেষৰ পৰা ১৮ শতিকালৈকে আৰু ইয়াৰ মূল হিচাপে জ্ঞানোদয়ক যুক্তি আৰু ব্যক্তিবাদক কাৰক হিচাপে গুৰুত্ব দিয়া হৈছিল। এই সময়ছোৱাত বৈজ্ঞানিক জ্ঞানৰ ব্যাপক অগ্ৰগতি হৈছিল আৰু প্ৰাকৃতিক বিজ্ঞানৰ পদ্ধতিবোৰক মানৱ সমাজৰ অধ্যয়নত ব্যৱহাৰ হৈছিল। উদাহৰণ স্বৰূপে দৰিদ্ৰতাৰ দৰে ঘটনাবোৰক এটা সময়লৈকে স্বাভাৱিক ঘটনা হিচাপে বিবেচনা কৰিছিল। এনে ঘটনাবোৰক পৰৱৰ্তী সময়তহে সামাজিক সমস্যা ৰূপে গণ্য কৰা হৈছিল আৰু মানুহৰ অজ্ঞতা, শোষণ আদিক কাৰণ হিচাপে বিবেচনা কৰিছিল। দৰিদ্ৰতাক সামাজিক জৰীপৰ জৰিয়তে অধ্যয়ন আৰু সংশোধন কৰিব পৰা যায়। সামাজিক জৰীপৰ ক্ষেত্ৰত এইটো বিশ্বাস কৰা হয় যে মানৱীয় ঘটনাসমূহ শ্ৰেণীকৰণ আৰু পৰিমাপ কৰিব পাৰি। সামাজিক জৰীপৰ বিষয়ে তোমালোকে পঞ্চম অধ্যায়ত জানিবলৈ পাবা।

আধুনিক যুগৰ প্ৰাৰম্ভিক সময়ছোৱাৰ চিন্তাবিদসকলে এই কথাত প্ৰত্যয় গৈছিল যে জ্ঞানৰ প্ৰগতিৰ দ্বাৰা সকলো সামাজিক ব্যাধিক সমাধান কৰিব পৰা যাব। উদাহৰণ স্বৰূপে সমাজতত্ত্বৰ পিতৃ পুৰুষ ফ্ৰান্সৰ পণ্ডিত আগষ্ট ক'টে (August Comte, 1789-1857) বিশ্বাস কৰিছিল যে সমাজতত্ত্বই মানৱ কল্যাণত অভূতপূৰ্ব বৰঙণি আগবঢ়াব পাৰিব।

### সমাজতত্ত্বৰ গঠনত বস্তুবাদী কাৰক (The Material Issues That Went Into The Making of Sociology) ঃ

সমাজতত্ত্বৰ গঠনৰ ক্ষেত্ৰত বস্তুবাদী কাৰণ সম্পৰ্কে আমি কিছু পৰিমাণে আলোকপাত কৰি আহিছো। ইয়াৰ লগত জড়িত থকা বস্তুবাদী কাৰক সম্বন্ধে বিচাৰ কৰি চাব পাৰি। নব্য গতিশীল অৰ্থনৈতিক কাৰ্যাৱলীৰ স্বৰূপৰ ওপৰত ভিত্তি কৰি ঔদ্যোগিক বিপ্লৱ গঢ়লৈ উঠিছিল। ইয়াক পুঁজিবাদ বুলি কোৱা হয়। এই পুঁজিবাদী পদ্ধতিয়েই ঔদ্যোগিক উৎপাদনৰ চালিকা শক্তিস্বৰূপ হৈ পৰিছিল। পুঁজিবাদ নব্য দৃষ্টিভংগী আৰু সংস্থাৰ লগত জড়িত হৈ পৰিছিল। উদ্যোগীসকল বহনক্ষম পদ্ধতিগত লাভ আহৰণৰ লগত জড়িত হৈ পৰিছিল। উৎপাদনশীল জীৱনত বজাৰেই মূল ভূমিকা পালন কৰিছিল। দ্ৰব্য আৰু সেৱাগত সামগ্ৰী আৰু শ্ৰম অপৰিহাৰ্য দ্ৰব্য হৈ পৰিছিল আৰু ইয়াৰ ব্যৱহাৰ যুক্তিপূৰ্ণ পৰিমাপৰ দ্বাৰা নিৰ্ধাৰিত হৈছিল।

তলত চিত্ৰখন পৰ্যবেক্ষণ কৰাচোন শ্ৰমিক শ্ৰেণীৰ প্ৰতিবেশীৰ পৰা বস্তি অঞ্চললৈ কেনেকুৰা পৰিবেশ হৈছে বুজিব পাৰিবা —



এইটো দেখা যায় যে নতুন অৰ্থনীতি পূৰ্বৰ অৰ্থনীতিৰ পৰা সম্পূৰ্ণ পৃথক আছিল। ইংলেণ্ড ঔদ্যোগিক বিপ্লৱৰ মূল কেন্দ্ৰ আছিল। সেইবিলাক জানিবৰ কাৰণে আৰু ঔদ্যোগীকৰণৰ আগৰ অৱস্থা হৃদয়ঙ্গম কৰিবৰ বাবে ইংলণ্ডৰ জীৱন প্ৰণালীৰ এটা চমু পৰিচয় তলত দাঙি ধৰা হ'ল। ঔদ্যোগীকৰণৰ আগৰ সময়ছোৱাত বৃটিছ সকলৰ মাজত কৃষি আৰু বস্ত্ৰ শিল্পই প্ৰধান বৃত্তি আছিল। ভাৰতবৰ্ষৰ দৰে তেওঁলোকৰ অধিকাংশ মানুহ গাঁৱতেই বসবাস কৰিছিল। তেওঁলোকৰ মাজতো ভূমিপতি আৰু কৃষক, কমাৰ আৰু চামৰাৰ বনুৱা, তাঁতী আৰু কুমাৰ, গৰখীয়া আৰু শুড়ী (মদ বিক্ৰী কৰা মানুহ) আদি বৃত্তিগত সমূহ দেখা পোৱা গৈছিল। সমাজৰ আকাৰ সৰু আৰু ব্যক্তি সকলৰ মাজত সামাজিক প্ৰস্থিতি আৰু শ্ৰেণী স্থানৰ সংস্তৰণ আছিল। অন্যান্য পৰম্পৰাগত সমাজৰ দৰে তেওঁলোকৰ মাজত ঘনিষ্ঠ আন্তঃক্ৰিয়াৰ বিশেষত্ব দেখা পোৱা গৈছিল। কিন্তু ঔদ্যোগীকৰণৰ লগে লগে এই প্ৰতিটো বৈশিষ্ট্যৰে আমূল পৰিবৰ্তন হৈছিল।

সমাজ ব্যৱস্থাৰ্টৈ অহা পৰিৱৰ্তনৰ মৌলিক দিশটো হ'ল শ্ৰমৰ নিম্নমুখী এক ব্যৱস্থাই গা কৰি উঠিছিল। গীল্ড (Guild) গাঁও আৰু পৰিয়াল ভিত্তিক কাম-কাজ অধিক জটিল হৈ পৰিছিল। সাধাৰণ শ্ৰমিক আৰু লগতে পাৰদৰ্শী কাৰিকৰসকলৰ নিম্নগামী প্ৰস্থিতি দেখি চৰমবাদী আৰু ৰক্ষণশীল চিন্তাবিদ সকলো শংকিত হৈ পৰিছিল। ঔদ্যোগীকৰণৰ আগৰ সময়ছোৱাত সমাজ ব্যৱস্থাত দেখা পোৱা বিশেষত্ববোৰ ঔদ্যোগিক সমাজবোৰৰ দ্বাৰা সম্পূৰ্ণভাৱে পৃথক আছিল। ক্ৰমাগতভাৱে নগৰকেন্দ্ৰিক ব্যৱস্থা সম্প্ৰসাৰণ হ'ল। ঔদ্যোগিক নগৰ সৃষ্টিয়ে সম্পূৰ্ণভাৱে নতুন নগৰীয়া সভ্যতাৰ সৃষ্টি কৰিলে। নগৰীয়া সংস্কৃতিৰ বৈশিষ্ট্য যেনে— কাৰখানাৰ ক'লা ধোৱাৰে আবৃত পৰিবেশ, জনবহুল বস্তি অঞ্চলৰ নতুন ঔদ্যোগিক শ্ৰেণী ইত্যাদিয়ে এক নতুন পৰিবেশৰ সূচনা কৰিলে।

তলত উল্লেখ কৰা হিন্দী কথাছবিৰ এটি গীতে নগৰীয়া জীৱনৰ বস্তুবাদী ৰূপ আৰু তিক্ত অভিজ্ঞতাৰ ছবিখন দাঙি ধৰিছে (কথাছবি C.I.D. 1956)

এই দিল হে মুস্কিল জীনা য়হা
জৰা হট্‌কে জৰা বছকে, য়ে
হায় বম্বে মেৰি জান
কঁহী বিল্ডিং, কঁহী ট্ৰামে
কঁহী মটৰ কঁহী মিল
মিলতা হে য়হা চব কুছ
ইক মিলতা নঁহী দিল
ইনচান কা নঁহী কঁহী নাম' নিছান
কঁহী সত্‌তো কঁহী পত্‌তা

কঁহী ছ'ৰী কঁহী ৰেস্
কঁহী ডাকা কঁহী যাকা, কঁহী থ'কৰ কঁহী থেছ্।
বেকাৰ'কে হে কই কাম যঁহা
বেঘৰ ক' আৰাৰা য়হা কঁহতে হস্ হস্।
খুদ কাটে গলে চব্‌কো কহে ইচকো বিজনেচ্
ইক চিজ কে হে কঁই নাম য়ঁহা।
গীতা বুৰা দুনীয়া ৰহ হ্যায় কেহ্‌তা
এইসে ভ'লা তু না বন্।
জ' হে কৰতা ৰহহে ভৰতা হে
ৰঁহা কা য়েহ চালান।

**(ভাবানুবাদ ঃ** মৰমৰ হিয়া, জীৱন ইয়াত বৰ জটিল, ইয়াত তুমি য'লৈকে যোৱা সচেতন হ'ব লাগিব যদিহে তুমি জীয়াই থাকিব বিচৰা। মোৰ জান, এইখনেই বম্বে ! তুমি ইয়াত অট্টালিকা দেখিবা, ট্ৰাম গাড়ী দেখিবা, মটৰগাড়ী দেখিবা, ৰেলগাড়ী, উদ্যোগ সকলো পাবা। ইয়াত মাথো নোপোৱা, এখন দৰদী অন্তৰ। ইয়াত মানৱতাৰ কোনো পৰিচয় নাই। ইয়াত যিয়েই নকৰা সকলো অৰ্থহীন। ইয়াত আছে ক্ষমতা, অৰ্থ, চুৰি বা ঠগবাজী। চহকীসকলে গৃহহীনসকলক ঠিকনাবিহীন বুলি ইতিকিং কৰে। আনহাতে ইজনে সিজনৰ ডিঙি চেপি ধৰে। ইয়াক ব্যৱসায় বুলি কোৱা হয়। ইয়াত এটা কৰ্মকে বিভিন্ন নামেৰে নামকৰণ কৰে।)

**ক্ৰিয়া কলাপ-৪ (Activity-4)**

তোমালোকে পৰ্যবেক্ষণ কৰি চোৱাচোন ঔদ্যোগিক বিপ্লৱৰ ফলস্বৰূপে বৃটেইনৰ গ্ৰাম্য সমাজখন খৰতকীয়াভাৱে কেনেকৈ নগৰীয়া সমাজ হৈ পৰিল। একে প্ৰক্ৰিয়া ভাৰতবৰ্ষৰ ক্ষেত্ৰতো হৈছিল নেকি? পুৰণি পৰিসংখ্যা চালে দেখা যায় ১৮১০ চনত ২০ শতাংশ মানুহ নগৰ-মহানগৰত বসবাস কৰিছিল। ১৯১০ চনত ৮০ শতাংশ মানুহ নগৰ-চহৰবোৰত বসবাস কৰিবলৈ ল'লে। তাৎপৰ্যপূৰ্ণভাৱে একে প্ৰক্ৰিয়াৰ প্ৰভাৱ ভাৰতবৰ্ষত পৃথক আছিল। নগৰবোৰ বাঢ়ি আহিবলৈ ললে। কিন্তু বৃটিছ সামগ্ৰী প্ৰৱেশৰ লগে লগে অধিকাংশ মানুহ কৃষিক্ষেত্ৰলৈ যাবলৈ ধৰিলে।

বৃটিছ সকলৰ উদ্যোগ, কল-কাৰখানা বিলাকত তৈয়াৰ হোৱা সামগ্ৰীবোৰ ভাৰতবৰ্ষলৈ আহিবলৈ লোৱাৰ পৰা ভাৰতবৰ্ষৰ হস্তশিল্প ক্ষেত্ৰখনলৈ ভাৱিব নোৱাৰা ধৰণে পৰিৱৰ্তন আহিল। ভাৰতবৰ্ষত পৰম্পৰাগতভাৱে চলি থকা সৰু সৰু উদ্যোগবোৰ ধ্বংসমুখী হবলৈ ধৰিলে। ইয়াৰ ফলত সৰু সৰু হস্ত শিল্প ক্ষেত্ৰখনত নিয়োজিত হৈ থকা শ্ৰমিক শ্ৰেণীটোৱে জীৱন ধাৰণৰ সমল হিচাপে কৃষি কৰ্মত নিয়োজিত হ'ব লগা হ'ল। (Desai 1975 : 7)

এইটো উল্লেখনীয় যে — কাৰখানা আৰু যান্ত্ৰিক শ্ৰম বিভাজনে কৃষক সকলক ধ্বংস কৰি পেলালে। সমাজখনৰ খেতিয়ক, শিল্পী, পৰিয়াল আৰু স্থানীয় সম্প্ৰদায় বিলাককো ধ্বংসৰ লক্ষ্য হিচাপে বাছি লোৱা হ'ল। কাৰখানাবোৰ অৰ্থনৈতিক পল্টনৰ বাসভূমি হৈ পৰিল। বিখ্যাত সমাজতত্ত্ববিদ কাৰ্ল মাৰ্ক্সৰ মতে উদ্যোগবোৰ দমনমূলক কৰ্তা হৈ পৰিল। তথাপিতো শ্ৰমিকসকলৰ নিজকে স্বাধীন কৰাৰ বাসনা জাগ্ৰত হৈ পৰিছিল। শ্ৰমিক সকলে ঐক্যবদ্ধভাৱে কাম কৰাৰ কৌশল আয়ত্ব কৰিলে আৰু উন্নত অৱস্থাৰ বাবে মানসিকভাৱে সাজু হৈ পৰিছিল।

আধুনিক সমাজ সৃষ্টিৰ বাবে নিৰ্ণায়ক হ'ল ঘড়ীৰ কাটা অনুসৰি কামক আগবঢ়াই নিয়াৰ সামাজিক সংগঠনৰ ভিত্তি। এই ক্ষেত্ৰত তাৎপৰ্যপূৰ্ণ দিশটো হ'ল ১৮শ আৰু উনৈশ শতিকাত কৃষিগত আৰু নিৰ্মাণ ক্ষেত্ৰত শ্ৰমিকৰ হাতে ঘড়ীৰ কাটা আৰু কেলেণ্ডাৰৰ সৈতে কাম কৰাৰ কৌশল গ্ৰহণ কৰিলে। এই ধৰণৰ কাম-কাজবোৰ প্ৰাক্ আধুনিক কামৰ চৰিত্ৰৰ পৰা পৃথক আছিল। ঔদ্যোগিক পুঁজিবাদৰ লগে লগে মানুহৰ কৰ্ম আঁচনিবোৰৰ পৰিৱৰ্তন ঘটিল। প্ৰাক্ ঔদ্যোগিক সমাজৰ বিপৰীতে দিনৰ পোহৰৰ গতি ধাৰাৰ সৈতে কামৰ সময় নিৰূপণ কৰিছিল। ঘড়ীৰ কাটাৰ গতিয়ে শ্ৰমিকৰ কামৰ গতি নিৰূপণ কৰা দেখা গ'ল। শ্ৰমিক আৰু মালিক উভয়ৰে বাবে সময়েই হ'ল মূলধন। সময় অবাবত খৰচ নকৰি ইয়াৰ প্ৰকৃত ব্যৱহাৰৰ ওপৰত গুৰুত্ব আৰু সময় অবাবত পঠোৱাটো খৰচ হিচাপে গণ্য কৰিবলৈ ললে।

তলৰ ক্ৰিয়া কলাপ দুটা তোমালোকক দেখুৱাইছো আৰু ইয়াক পৰ্যবেক্ষণ কৰা —

**ক্ৰিয়া কলাপ-৫ (Activity-5)**

এখন পৰম্পৰাগত গাঁৱত কাৰখানা আৰু যোগাযোগ কেন্দ্ৰ (Call Centre)ৰ কাম-কাজবোৰ কেনেকৈ সংগঠিত হয় বিচাৰি চোৱা?

**ক্ৰিয়া কলাপ-৬ (Activity-6)**

ভাৰতবৰ্ষৰ গাঁও আৰু নগৰত বসবাস কৰা মানুহৰ ওপৰত ঔদ্যোগিক পুঁজিবাদে কেনেকৈ পৰিৱৰ্তন আনে বিচাৰ কৰি কোৱা।

### ইউৰোপত সমাজতত্ত্বৰ আৰম্ভণি আৰু বিকাশ সম্পৰ্কে আমি কিয় অধ্যয়ন কৰা উচিত? (Why should we study the begining and growth of Sociology in Europe)ঃ

সমাজতত্ত্বৰ উৎপত্তি আৰু বিকাশ ইউৰোপৰ দেশবোৰতে হৈছিল। ঔদ্যোগীকৰণৰ পৰা আৰম্ভ কৰি বৈজ্ঞানিক চিন্তা-চৰ্চাৰ উত্তৰণলৈকে ইউৰোপতেই ঘটিছিল। সমাজতত্ত্বৰ অধিকাংশ বিষয়বস্তু ইউৰোপৰ পৰাই লোৱা হৈছে। ১৮ শ আৰু ১৯ শতিকাত ইউৰোপৰ দেশ বোৰত ঔদ্যোগীকৰণ আৰু পুঁজিবাদৰ বিকাশ হৈছিল। ইয়াৰ ফলত সমাজত উল্লেখনীয় পৰিৱৰ্তন ঘটিছিল। সেই সময়ছোৱাত নগৰীকৰণ আৰু কল-কাৰখানাত উৎপাদিত সামগ্ৰীবোৰে চমক পদ সফলতা আনিছিল। এইবিলাকে সমাজখনলৈ পৰিৱৰ্তন আনিলে। ভাৰতবৰ্ষৰ সমাজ ব্যৱস্থাত ঔপনিৱেশিক ইতিহাস আৰু বিচিত্ৰতা প্ৰকট হৈ পৰিছিল আৰু এই বৈশিষ্ট্যবোৰ ভাৰতীয়

সমাজতত্ত্বত প্ৰতিফলিত হৈছে। পশ্চিমৰ সমাজখনত হোৱা অভূতপূৰ্ব পৰিৱৰ্তনে সমগ্ৰ বিশ্বৰ সমাজ ব্যৱস্থালৈ যি ৰূপান্তকৰণ ঘটালে তাৰ পটভূমিত সমাজতত্ত্বৰ উৎপত্তি আৰু ক্ৰমবিকাশৰ ধাৰাটো অধ্যয়ন কৰা বিষয়টো আহি পৰে।

আমি এই কথা অনুধাৱন কৰিব পাৰিছোঁ যে সেই সময়ৰ ইউৰোপক কিয় বিশেষভাৱে আলোকপাত কৰিব লাগে? সেই সময়ক লৈ কৰা আৰম্ভণিৰ গুৰুত্ব কি? এই সম্পৰ্কত অতি সহজ উত্তৰ পোৱা যায়। আমাৰ অতীতলৈ উভতি চালে দেখা যায় ভাৰতীয়সকল বৃটিছ পুঁজিবাদ আৰু ঔপনিবেশিকতাবাদৰ লগত ঘনিষ্ঠ ভাৱে সম্পৰ্কীত আছিল। পশ্চিমৰ পুঁজিবাদে সমগ্ৰ বিশ্বজুৰি প্ৰসাৰতা লাভ কৰিছিল। গোলকীয় অতীত আৰু ঔপনিবেশিক অনুভৱ আৰু গোলকীয় পুঁজিবাদৰ প্ৰসাৰতা সম্পৰ্কে তলত দুটা উদাহৰণ আগবঢ়োৱা হ'ল—

আৰ. কে. লক্ষ্মণ (R.K. Laxman)ৰ মৰিচাচ ভ্ৰমণ কাহিনীয়ে ঔপনিবেশিক আৰু গোলকীয় অতীতৰ অনুভৱ এনেদৰে ব্যক্ত কৰিছে —

"ইয়াত আফ্ৰিকান আৰু চীনা, বিহাৰী আৰু ডাচ্চ, পাৰ্চিয়ান আৰু তামিল, আৰবৰ লোক সকল, ফ্ৰান্স আৰু ইংৰাজ - সকলোৱে পাৰস্পৰিক মিলাপ্ৰীতিয়ে বসবাস কৰে। উদাহৰণস্বৰূপে এজন তামিল লোক, যাৰ মুখাৱয়বত এজন দক্ষিণ ভাৰতীয় চেহেৰা আছিল, ইয়াৰোপৰি তেওঁৰ নামটোৱেও বুজাত সহায় কৰিছিল। ৰাধা কৃষ্ণণ গোৱিন্দন মূলতঃ মাদ্ৰাজৰ। মই তেওঁৰ লগত তামিল ভাষাত কথা পাতিবলৈ আৰম্ভ কৰিলো। তেওঁ মোক আচৰিত কৰি মোৰ লগত ফৰাচী উচ্চাৰণেৰে ইংৰাজীত উত্তৰ দিবলৈ ল'লে। মিষ্টাৰ গোৱিন্দনৰ তামিল ভাষাৰ জ্ঞান নাছিল আৰু তেওঁ জিভা তামিল ভাষাত কথা পাতিবলৈ শতিকাৰ আগতেই কঁপি উঠিছিল (Laxman 2003)।

**গোলকীয় পুঁজিবাদ কিন্তু সমাজৰ অসমান ৰূপান্তৰকৰণ (Capitalism and its global but unever transformation of Societies)।**

১৭ আৰু ১৯ শতিকাৰ মাজৰ সময়খিনিত প্ৰায় ২৪ মিলিয়ন আফ্ৰিকান মানুহক দাস কৰা হৈছিল। ইয়াৰে মাথোন ১১ মিলিয়ন মানুহহে আমেৰিকালৈ কৰা যাত্ৰা পথত জীয়াই আছিল। আধুনিক ইতিহাসৰ পাতত এনে সৰ্ববৃহৎ জন প্ৰব্ৰজনক বিশেষ বিশেষত্বপূৰ্ণ হিচাপে গণ্য কৰা হয়। এই লোকসকলক নিজা বাসস্থান আৰু সংস্কৃতিৰ মূলৰ পৰা বিচ্ছিন্ন কৰি অনা হৈছিল। তেওঁলোকক পুঁজিবাদৰ পক্ষত কাম কৰিবলৈ কোৱা হৈছিল। তেওঁলোকৰ নিজৰ ইচ্ছাৰ বিৰুদ্ধে আধুনিকতা বিকাশৰ বাবে ধৰি নিছিল। দাস ব্যৱস্থাৰ দৰে সংস্থা ১৮০০ চনৰ পৰা হ্ৰাস পাবলৈ ধৰে। কিন্তু এই সময়ছোৱাতেই বৃটিছসকলে ভাৰতীয় শ্ৰমিকসকলৰ লগত লিখিত চুক্তি কৰি জাহাজেৰে কপাহ আৰু চেনিৰ বাবে কুঁহিয়াৰ খেতি কৰিবলৈ দক্ষিণ আমেৰিকাৰ ছুৰিনাম, ৱেষ্ট ইণ্ডিজ, ফিজি আদি দ্বীপপুঞ্জলৈ প্ৰেৰণ কৰিবলৈ লৈছিল। নোবেল বঁটা বিজয়ী বিখ্যাত ইংৰাজ লেখক ভি. এছ. নাইপল (V.S. Naipaul) আছিল তেনে এজন ব্যক্তি যি সেই হাজাৰ জনৰ মাজৰে এজন বংশোদ্ভৱ, যিসকলে ঘূৰি অহাৰ সুবিধা নাপালে আৰু বিদেশতে মৃত্যু হ'ল।

**ভাৰতবৰ্ষত সমাজতত্ত্বৰ বিকাশ (The Growth of Sociology in India) ঃ**

ভাৰতবৰ্ষৰ ইতিহাসলৈ লক্ষ্য কৰিলে দেখা যায় বৃটিছ ঔপনিবেশিকতাবাদে ভাৰতীয় সমাজখনলৈ বিশেষ কিছুমান পৰিৱৰ্তন কঢ়িয়াই আনিছিল। আধুনিক পুঁজিবাদ আৰু ঔদ্যোগীকৰণক ঔপনিবেশিকতাবাদৰ অন্যতম অংশ হিচাপে গণ্য কৰা হয়। ভাৰতবৰ্ষৰ প্ৰসংগতো পুঁজিবাদ আৰু অন্যান্য দিশৰ ওপৰত লিখনি আগবঢ়োৱা পশ্চিমীয়া সমাজতত্ত্ববিদ সকলৰ অৱদান ভাৰতীয় সমাজখনৰ পৰিৱৰ্তনৰ ক্ষেত্ৰতো প্ৰাসংগিক আছিল। অৱশ্যে এই কথা উল্লেখনীয় যে নগৰীকৰণ, ঔপনিবেশিকৰণৰ প্ৰসংগত লক্ষ্য কৰিলে ভাৰতবৰ্ষৰ ওপৰতো ঔদ্যোগীকৰণৰ প্ৰভাৱ পশ্চিমৰ দৰে একেধৰণৰ নাছিল। কাৰ্ল মাৰ্ক্সে এই কথা উল্লেখ কৰিছে যে এনে পাৰ্থক্যৰ মূল হ'ল ইষ্ট ইণ্ডিয়া কোম্পানী — মাৰ্ক্সে উদাহৰণসহ দেখুৱাইছে যে ভাৰতবৰ্ষ কপাহ উৎপাদনকাৰী দেশ হিচাপে চহকী আছিল। ইংৰাজ সকলে নতুন নতুন সা-সৰঞ্জাম আৰু কপাহৰ কেঁচা সামগ্ৰী এনেদৰে যোগান ধৰিবলৈ ল'লে যে ভাৰতৰ পুৰণি ঐতিহ্যৰ কপাহী বস্ত্ৰৰ ওপৰত তেওঁলোকৰ আধিপত্য বিস্তাৰিত হ'ল।

উল্লেখযোগ্য যে ভাৰতীয় সমাজতত্ত্বৰ পশ্চিমীয়া লিখনিৰাজি আৰু ধাৰণাসমূহৰ লগত সম্পৰ্ক আছে। কিন্তু ভাৰতীয় সমাজৰ বিষয়ে কৰা চিন্তা আৰু আদৰ্শসমূহ সদায় সত্য নাছিল। এই আদৰ্শবোৰ পশ্চিমীয়া পণ্ডিত আৰু ঔপনিবেশিক বিষয়াবৰ্গৰ মতে ব্যাখ্যা হৈছিল। ভাৰতীয় সমাজৰ লগত বহু ক্ষেত্ৰত ইয়াৰ বিপৰীত ধৰ্মস্বৰূপ দেখা গৈছিল। আমি এটা উদাহৰণ লব পাৰোঁ যে তেওঁলোকে ভাৰতীয় গাঁওবোৰক যিদৰে বুজি পাইছিল সেই অনুক্ৰমে অপৰিৱৰ্তনীয় ৰূপত প্ৰকাশ কৰিছিল।


সমসাময়িক ভিক্টোৰিয়ান ক্ৰমবিকাশৰ আদৰ্শৰ ভিত্তিত পশ্চিমৰ লেখক সকলে ভাৰতীয় গাঁৱক 'নাবালক সমাজ' (The infancy society) ৰ অংশস্বৰূপ হিচাপে দেখুৱাব বিচাৰিছিল। তেওঁলোকে উনৈশ শতিকাৰ ভাৰতীয় সমাজখনক ইউৰোপৰ অতীতৰ সমাজ হিচাপে চাব বিচাৰিছিল। ভাৰতবৰ্ষৰ দৰে ঔপনিবেশিক ঐতিহ্যৰ এখন দেশৰ উদাহৰণ সমাজতত্ত্ব আৰু সামাজিক নৃতত্ত্বৰ মাজত থকা প্ৰভেদৰ জৰিয়তে উলিয়াব পাৰি। পশ্চিমীয়া ভাল পাঠ্যপুথিবোৰত ঔদ্যোগিক পৃথিৱীখনৰ ভিত্তিত বিশেষভাৱে গুৰুত্ব দি সমাজতত্ত্বৰ সংজ্ঞা এনেদৰে আগবঢ়াইছে যে ব্যক্তিৰ সমূহ আৰু সমাজৰ অধ্যয়নেই সমাজতত্ত্ব (The study of human groups and societies, giving particular emphasis to the analysis of the industrialized world : Giddens 2001) দেখা যায় যে সামাজিক নৃতত্ত্বই অপশ্চিমীয়া সৰল সমাজক অধ্যয়ন কৰে আৰু সেয়েহে অন্য সংস্কৃতিৰ বাহিৰৰ বুলি গণ্য কৰে। কিন্তু ভাৰতবৰ্ষৰ ক্ষেত্ৰত একধৰণৰ পৃথক কাহিনী পোৱা যায়। বিখ্যাত ভাৰতীয় সমাজতত্ত্ববিদ এম, এন, শ্ৰী নিবাসে অৰ্ধ গোলাকাৰ ধৰণৰ এখন মেপ তৈয়াৰ কৰোঁতে লিখিছে — ভাৰতবৰ্ষখন আকাৰ আৰু বিচিত্ৰতাৰ দিশৰ পৰা বিশাল দেশ। এই বিশাল দেশখনত আঞ্চলিক, ভাষিক, ধৰ্মীয় ঠেক মনৰ (Sectarian), নৃগোষ্ঠীয় (জাতি অন্তৰ্ভুক্ত কৰি) আৰু গাঁও তথা নগৰৰ সীমাৰেখা বাদ দিও অন্যান্য সংস্কৃতি আছে। ভাৰতবৰ্ষৰ দৰে দেশৰ সমাজ আৰু সংস্কৃতি এনে ৰূপত আছে যে আক্ষৰিক অৰ্থত অন্যান্য সকলে পিছ দুৱাৰেদিহে সোমাব পাৰে ..." (Srinivas, 1966 : 205)

ইয়াৰোপৰি ভাৰতবৰ্ষৰ সামাজিক নৃতত্ত্ব ক্ৰমাগতভাৱে আদিম মানুহৰ প্ৰাক্ বৃত্তিৰ পৰা কৃষক, নৃগোষ্ঠীয়সমূহ, সামাজিক শ্ৰেণী, প্ৰাচীন সভ্যতাৰ বৈশিষ্ট্যৰাজি আৰু আধুনিক ঔদ্যোগিক সমাজলৈ অধ্যয়নৰ

পৰিৱৰ্তন ঘটিছে। ভাৰতবৰ্ষৰ ক্ষেত্ৰত সমাজতত্ত্ব আৰু সামাজিক নৃতত্ত্বৰ মাজত জটিল পাৰ্থক্য দেখা পোৱা নাযায়। এই দুয়োটা বিষয়ৰ চাৰিত্ৰিক বৈশিষ্ট্যৰাজি পশ্চিমীয়া সমাজৰ পৰিবৰ্তে আধুনিক আৰু পৰম্পৰাগত গাঁও-নগৰবোৰৰ মাজত থকা ভিন্নতাৰ কাৰণেই এনে মতামত প্ৰকাশ কৰা হয়।

**সমাজতত্ত্বৰ ক্ষেত্ৰ বা পৰিসীমা আৰু অন্যান্য সমাজ বিজ্ঞানৰ সৈতে ইয়াৰ সম্পৰ্ক (The Scope of Sociology and its Relationship to other Social Science Disciplines) ঃ**

সমাজতত্ত্ব হৈছে সমাজ বিজ্ঞানৰ অন্তৰ্গত অন্যতম এটা বিষয়। ইয়াৰ অধ্যয়ন ক্ষেত্ৰ বা পৰিসীমা ব্যাপক। সমাজতত্ত্বৰ অধ্যয়নৰ মূল প্ৰতিপাদ্য বিষয় হৈছে সমাজ। সমাজত বসবাস কৰা ব্যক্তি সকলৰ মাজৰ আন্তঃ সম্পৰ্কৰ বিষয়ে ই বিশ্লেষণ কৰে। উদাহৰণস্বৰূপে— দোকানীৰ সৈতে গ্ৰাহকৰ, শিক্ষক আৰু ছাত্ৰৰ মাজৰ সম্পৰ্ক, দুজন বন্ধু বা পৰিয়ালৰ সদস্যসকলৰ সৈতে সম্পৰ্ক ইত্যাদি। একেদৰে সমাজতত্ত্বই ৰাষ্ট্ৰীয় বিষয় যেনে — নিবনুৱা, জাতি সংঘৰ্ষ, ৰাষ্ট্ৰীয় নীতিৰ কাৰণে জনজাতিসকলে অৰণ্যৰ ওপৰত থকা অধিকাৰ খৰ্ব, গ্ৰাম্য ঋণ গ্ৰস্ততা আদি সামৰি লয়। সমাজতত্ত্বই গোলকীয় সামাজিক প্ৰক্ৰিয়াকো অধ্যয়ন কৰে। উদাহৰণস্বৰূপে, শ্ৰমিক শ্ৰেণীৰ ওপৰত নতুন শ্ৰম আইনৰ শিথিলতাৰ প্ৰভাৱ বা যুৱ প্ৰজন্মৰ ওপৰত ইলেকট্ৰনিক মাধ্যমৰ প্ৰভাৱ বা দেশৰ শিক্ষা ব্যৱস্থাৰ ওপৰত বিদেশী বিশ্ববিদ্যালয়ৰ প্ৰভাৱ ইত্যাদি। গতিকে এই কথা কব পাৰি যে সমাজতত্ত্বই ইয়াৰ সংজ্ঞা অনুযায়ী কি অধ্যয়ন কৰিছে তাৰ পৰিবৰ্তে নিৰ্বাচন কৰা অধ্যয়ন ক্ষেত্ৰত কেনেকৈ অধ্যয়ন কৰিছে সেইয়াহে গুৰুত্বপূৰ্ণ।



*বুৰঞ্জী, সমাজতত্ত্ব, ৰাজনীতি বিজ্ঞান, অৰ্থনীতিয়ে কেনেকৈ ফেশ্বন/বস্ত্ৰ, বজাৰ অঞ্চল আৰু মহানগৰৰ পথ অঞ্চল অধ্যয়ন কৰিব সেই বিষয়ে তুমি কি ভাবা ?*

সমাজ বিজ্ঞানৰ সমূহটোৰ ভিতৰত সমাজতত্ত্ব হ'ল অন্যতম। ই নৃতত্ত্ব, অৰ্থনীতি, ৰাজনীতি বিজ্ঞান, ইতিহাস আদি সমাজ বিজ্ঞানৰ লগত অৱস্থান কৰি আছে। অৱশ্যে বিভিন্ন সমাজ বিজ্ঞানৰ মাজৰ বিভাজন স্পষ্ট বুলিব নোৱাৰি। প্ৰত্যেক সমাজ বিজ্ঞানৰে কিছুমান সাধাৰণ উদ্দেশ্য, ধাৰণা আৰু অধ্যয়ন পদ্ধতিৰ ক্ষেত্ৰত উমৈহতীয়া সাদৃশ্যতা আছে। সেয়েহে এইটো বোধগম্য হোৱাটো গুৰুত্বপূৰ্ণ যে এই বিভাগবোৰৰ প্ৰভেদ কিছু পৰিমাণে সুকীয়াভাৱে গঢ় লৈ উঠা

আৰু এইবোৰক কোনো বাহ্যিক আৱৰণেৰে প্ৰকাশ কৰিব পৰা নাযায়। ইয়াৰ মাজত পাৰ্থক্যবোৰ বহু সময়ত অতিৰঞ্জিত কৰি দেখুওৱা হয় আৰু ইয়াৰ সাদৃশ্যতাখিনি আৱৰণ দি ৰখা হয়। কিছুমান বিষয় অধ্যয়নৰ বেলিকা আন্তঃ বিষয়ক সম্পৰ্কক এৰাই চলিব নোৱাৰি। উদাহৰণ স্বৰূপে নাৰীবাদী তত্ত্ব বিলাক আন্তঃ বিষয়ক দৃষ্টিভঙ্গীৰ দ্বাৰাহে দেখুওৱা হয়। এজন ৰাজনীতি বিজ্ঞানী বা অৰ্থনীতিবিদে লিঙ্গ ভূমিকা আৰু প্ৰয়োগ সম্পৰ্কত অধ্যয়ন কৰিলে পৰিয়াল বা লিঙ্গ ভিত্তিক শ্ৰম বিভাজনৰ সমাজতাত্ত্বিক দৃষ্টিভঙ্গীক এৰাই চলিব নোৱাৰে।

**সমাজতত্ত্ব আৰু অৰ্থনীতি (Sociology and Economics) ঃ**

অৰ্থনীতিয়ে ঘাইকৈ দ্ৰব্যজাত আৰু সেৱা (Service) ৰ উৎপাদন বিতৰণৰ বিষয়ে অধ্যয়ন কৰে। ধ্ৰুপদীয় অৰ্থনৈতিক দৃষ্টিভঙ্গী অনুসৰি বিশুদ্ধ অৰ্থনৈতিক চলক সমূহৰ আন্তঃ সমন্ধৰ বিষয়ে অধ্যয়ন কৰিছিল। বিশুদ্ধ অৰ্থনৈতিক চলক যেনে দৰ (Price), চাহিদা আৰু যোগান (Demand and Supply), মূলধনৰ প্ৰবাহ (Money Flow), বহিঃগমন আৰু আন্তঃ গমন (Output and Input fows) ইত্যাদিবোৰৰ আন্তঃ সমন্ধৰ বিষয়ে অধ্যয়ন কৰে। ধ্ৰুপদীয় বা পৰম্পৰাগত অৰ্থনীতিবিদসকলে অৰ্থনৈতিক কাৰ্যাৱলীক সংকীৰ্ণ দৃষ্টিৰে বিবেচনা কৰিছিল। তেওঁলোকে সমাজৰ অন্তৰ্গত দ্ৰব্যজাত আৰু সেৱামূলক সামগ্ৰীৰ দুস্প্ৰাপ্যতাৰ বিষয়ে অধ্যয়ন কৰিছিল। যিসকল অৰ্থনীতিবিদৰ ওপৰত ৰাজনৈতিক অৰ্থনীতিৰ দৃষ্টিভঙ্গীৰ প্ৰভাৱ পৰিছিল তেওঁলোকে ব্যাপক পৰিসৰত উৎপাদনৰ মালিকীস্বত্ব আৰু উৎপাদনৰ মাধ্যম সম্পৰ্কে অধ্যয়ন কৰিবলৈ বিচাৰিছিল। অৰ্থনৈতিক বিশ্লেষণৰ প্ৰভাৱশালী ধাৰাটোক এনেদৰে বিশ্লেষণ কৰি অৰ্থনৈতিক আচৰণৰ সংক্ষিপ্ত বিধি প্ৰস্তুত কৰে।

অৰ্থনৈতিক আচৰণক সমাজতাত্ত্বিক দৃষ্টিৰে ব্যাপক পৰিসৰত চাবলৈ বিচৰা হয়। এই প্ৰসঙ্গত সামাজিক প্ৰতিমান, মূল্য, অনুশীলন আৰু সামাজিক স্বাৰ্থক সামৰি লোৱা হয়। বৃহৎ ঔদ্যোগিক (Corporate Sector) পৰিচালক সকল এই দিশত অধিক সচেতন। বৰ্তমান বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ প্ৰভাৱত উদ্যোগ বিলাকৰ বিনিয়োগত প্ৰত্যক্ষ ভাৱে জীৱন শৈলী আৰু উপভোক্তাৰ আচৰণৰ ভিত্তিত পুনৰ গঠন কৰা হৈছে। অৰ্থনীতিৰ ধাৰাটোত বিশেষ ভাৱে নাৰীবাদী অৰ্থনীতিয়ে বহল ভাৱে সামাজিক লিঙ্গক সমাজৰ মূল নীতি হিচাপে গ্ৰহণ কৰিছে। উদাহৰণ স্বৰূপে তেওঁলোকে বহিঃ জগতৰ উৎপাদনশীলতাৰ লগত ঘৰুৱা কামবোৰ কেনেকৈ সম্পৰ্কিত তাক চাবলৈ বিচাৰে।

অৰ্থনীতিৰ ক্ষেত্ৰখনে উন্নয়নত বিশেষভাৱে গুৰুত্ব আৰোপ কৰে। সমাজতত্ত্ববিদ সকলে প্ৰায়ে অৰ্থনীতিবিদসকলক আক্ষৰিক অৰ্থত উপযুক্ত আৰু সঠিক ভাৱে পৰিমাপ কৰাত সহায় কৰে। তদুপৰি তেওঁলোকৰ তাত্ত্বিক কৰ্মৰ ফলাফলক প্ৰায়োগিক দিশত কাৰ্যকৰী ৰূপ দিবলৈ ৰাজহুৱা নীতি প্ৰয়োগ কৰে। তথাপি অৰ্থনীতিবিদসকলে পূৰ্বকথনীয় ক্ষমতা কেতিয়াবা হেৰুৱাই পেলায়। ইয়াৰ মূল কাৰণ হ'ল সমাজতত্ত্ববিদসকলে অধ্যয়ন কৰা ব্যক্তিগত আচৰণ, সাংস্কৃতিক প্ৰতিমান আৰু সংস্থাগত সক্ষমতা ইত্যাদিবোৰক অৰ্থনীতিত গুৰুত্ব দিয়া নহয়। এই প্ৰসঙ্গত পিয়েৰ বোৰ্ডিও (Pierre Bougdieu) এ ১৯৯৮ চনত আগবঢ়োৱা উক্তি উল্লেখনীয়। তেওঁ লিখিছিল— "প্ৰকৃত অৰ্থনীতি বিজ্ঞানে অৰ্থনীতিৰ সকলো দিশ চাব লাগিব। কেৱল বৃহৎ প্ৰতিষ্ঠান বিলাকেই নহয়, ইয়াৰ লগতে আত্মহত্যা, অপৰাধ আদি দিশবোৰকো অধ্যয়ন কৰা উচিত। আমি

সুখ-আনন্দৰ অৰ্থনীতিকো আগবঢ়াই নিব লাগিব। ই সকলো প্ৰকাৰৰ লাভালাভ, যেনে - ব্যক্তিগত আৰু সামূহিক বস্তুগত আৰু প্ৰতীকাত্মক তথা অন্যান্য সুৰক্ষা আদি সকলো প্ৰকাৰৰ ব্যয় সামৰি লব লাগিব। ফ্ৰান্সৰ দৰে দেশে উত্তেজনা প্ৰশমনৰ বাবে ঔষধ ব্যৱহাৰ কৰাৰ কাৰণে বিশ্ব অভিলেখ স্থাপন কৰিছিল। (Cited in swedberg, 2003) সমাজতত্ত্বই অৰ্থনীতি বিজ্ঞানৰ দৰে কাৰিকৰী দিশত সমাধান নকৰে। কিন্তু গুৰুত্বপূৰ্ণ কথাটো হ'ল সমাজতত্ত্বই প্ৰশ্নৰ অৱতাৰণা আৰু সমালোচনাত্মক দৃষ্টিভঙ্গীৰে অধ্যয়ন কৰিবলৈ প্ৰেৰণা যোগায়। সমাজতত্ত্বই প্ৰশ্নৰ ভিত্তিত মূল অৱধাৰণা প্ৰস্তুত কৰাত সহায় কৰে। গতিকে ক'ব পাৰি যে এটা নিৰ্দিষ্ট লক্ষ্যত উপনীত হবৰ বাবে কাৰিকৰীগত দিশৰ পৰা সমাধানেই নহয়, বৰঞ্চ সামাজিক প্ৰত্যাশা পূৰণৰ লক্ষ্যত উপনীত কৰায়। বৰ্তমান সময়ত সমাজতত্ত্বৰ ব্যাপক আৰু সমালোচনাত্মক দৃষ্টি ভঙ্গীৰ আধাৰত অৰ্থনৈতিক সমাজতত্ত্ব (Economic Sociology) ৰ দৰে বিষয়ৰ বিকাশ হৈছে।

সমাজতত্ত্বই আগতকৈ অধিক স্পষ্ট আৰু সঠিক ৰূপত সামাজিক সমস্যাবোৰ বোধগম্য হোৱাত সহায় কৰিছে। ইয়াৰ মূল কাৰণ হিচাপে এইটো ক'ব পাৰি যে তথ্য ভিত্তিক জ্ঞান বা সমস্যাবোৰক নিজৰ আয়ত্বৰ ভিতৰত আনি সমস্যাবোৰ সংঘটিত হোৱাৰ তাত্বিক বোধগম্যতা আহৰণৰ কৌশল প্ৰয়োগ কৰাত সফল হৈছে।

**ক্ৰিয়া কলাপ-৭ (Activity-7)**

* তোমালোকে এইটো ভাৱানেকি যে প্ৰকৃততে বিজ্ঞাপনে ব্যক্তিৰ উপভোগৰ আচৰণত প্ৰভাৱ পেলাইছে?
* সুন্দৰ জীৱন (Good life) কেৱল অৰ্থনৈতিক ভাৱে প্ৰকাশিত হয় বুলি ভাৱা নেকি?
* তোমালোকে ভাবানেকি 'ব্যয় আৰু সঞ্চয়' (Spending and savings) ৰ অভ্যাস সাংস্কৃতিক ভাৱে গঢ় লয়?

### সমাজতত্ত্ব আৰু ৰাজনীতি বিজ্ঞান (Sociology and Political Science) ঃ

অৰ্থনীতি বিজ্ঞানৰ দৰে সমাজতত্ত্ব আৰু ৰাজনীতি বিজ্ঞানৰ পদ্ধতি আৰু দৃষ্টিভঙ্গীৰ ক্ষেত্ৰত থকা আন্তঃক্ৰিয়া বাঢ়ি আহিছে। ধ্ৰুপদীয় বা পৰম্পৰাগত (Classical) ৰাজনীতি বিজ্ঞানৰ মূলত দুটা দিশত উপাদান আছিল। ইয়াৰ এটা হ'ল ৰাজনৈতিক তত্ত্ব আৰু আনটো হ'ল চৰকাৰ প্ৰশাসন। ইয়াৰ কোনো এটা শাখাই ব্যাপক ভাৱে ৰাজনৈতিক আচৰণৰ লগত জড়িত নাছিল। তত্ত্বগত দিশটোত প্লেটোৰ পৰা মাৰ্ক্সলৈকে চৰকাৰ সম্বন্ধে আলোচনা কৰাৰ বিপৰীতে প্ৰশাসন সম্পৰ্কীয় পাঠ্যক্ৰমত সাধাৰণতে প্ৰকৃত কাৰ্যকৰী দিশটোৰ ওপৰত গুৰুত্ব দিয়াৰ পৰিবৰ্তে চৰকাৰক আনুষ্ঠানিক সংৰচনা হিচাপে অধ্যয়ন কৰা হৈছিল।

ইয়াৰ বিপৰীতে সমাজতত্ত্বই সমাজৰ সকলো দিশকে সামৰি লৈ অধ্যয়ন কৰে। আনহাতে ধ্ৰুপদীয় ৰাজনীতি বিজ্ঞানে ঔপচাৰিক বা আনুষ্ঠানিক সংগঠন হিচাপে কেৱল ক্ষমতা সম্পৰ্কে কৰা অধ্যয়নতে সীমাবদ্ধ আছিল। সমাজতত্ত্বই চৰকাৰকে ধৰি বিভিন্ন খণ্ড বিলাকৰ আন্তঃ সম্বন্ধক অধ্যয়নৰ ভিতৰত অন্তৰ্ভুক্ত কৰি লয় আৰু ৰাজনীতি বিজ্ঞানে চৰকাৰৰ আভ্যন্তৰীণ প্ৰক্ৰিয়াৰ ওপৰত দৃষ্টি নিক্ষেপ কৰে।

অৱশ্যে এই কথা উল্লেখনীয় যে সমাজতত্ত্বই গৱেষণামূলক দিশত ৰাজনীতি বিজ্ঞানৰ লগত সাদৃশ্যপূৰ্ণ ভাৱে সহযোগিতা আগবঢ়াইছে। মেক্সৱেবাৰৰ দৰে সমাজতত্ত্ববিদে আগবঢ়োৱা অৱদানবোৰক ‘ৰাজনৈতিক সমাজতত্ত্ব’ হিচাপে আখ্যা দিব পাৰি। ৰাজনৈতিক সমাজতত্ত্বই ৰাজনৈতিক আচৰণবোৰক যথাৰ্থ ভাৱে লক্ষ্য হিচাপে গ্ৰহণ কৰিছে। শেহতীয়াকৈ ভাৰতবৰ্ষৰ নিৰ্বাচনত ভোটদাতাৰ ৰাজনৈতিক আচৰণক গভীৰভাৱে অধ্যয়ন কৰা দেখা গৈছে। এই অধ্যয়ন বিলাকে ৰাজনৈতিক সংগঠনৰ সদস্য, সংগঠনত সিদ্ধান্ত লোৱাৰ প্ৰক্ৰিয়া, ৰাজনৈতিক দলক সমৰ্থন জনোৱাৰ সমাজতাত্ত্বিক কাৰক, ৰাজনীতিত লিঙ্গ ভূমিকা ইত্যাদি সামৰি লৈছে।

**ক্ৰিয়া কলাপ-৮ (Activity-8)**

শেহতীয়া নিৰ্বাচন সমূহত কেনে ধৰণৰ অধ্যয়ন কৰিছে বিচাৰ কৰি চোৱাচোন। তোমালোকে এনে ধৰণৰ অধ্যয়নবোৰ কৰিলে সমাজতত্ত্ব আৰু ৰাজনীতি বিজ্ঞানৰ মাজৰ সম্ভাব্য সম্পৰ্কবোৰ বিচাৰি পাবা। এই দুয়োটাৰ মাজৰ আন্তঃক্ৰিয়া আৰু পাৰস্পৰিক প্ৰভাৱ সম্পৰ্কে আলোচনা কৰা।

**সমাজতত্ত্ব আৰু বুৰঞ্জী (Sociology and History) ঃ**

সমাজতত্ত্ব আৰু বুৰঞ্জী সম্পৰ্কে আলোচনা কৰিলে দেখা যায় যে বুৰঞ্জীবিদসকলে অতীতৰ বিষয়ে অধ্যয়ন কৰাটো নিয়মত পৰিণত হৈছে। আনহাতে সমাজতত্ত্বই সমসাময়িক আৰু কিছু আগৰ সময়ৰ ঘটনা প্ৰবাহৰ বিষয়ে অধ্যয়ন কৰাত গুৰুত্ব আৰোপ কৰে। সাধাৰণ ভাৱে চাবলৈ গ'লে বুৰঞ্জীয়ে অতীত সমাজখনৰ বিষয়ে অধ্যয়ন কৰাৰ বিপৰীতে সমাজতত্ত্বই বৰ্তমান সমাজখনৰ বিষয়ে অধ্যয়ন কৰে। বুৰঞ্জীৰ অধ্যয়নবিলাক স্পষ্ট তথা মূৰ্ত (Concrets) ৰূপত প্ৰকাশ হয়। আনহাতে, সমাজতত্ত্ববিদসকলে মূৰ্ত অৱস্থাৰ আধাৰত অমূৰ্ত (Abstract) ৰূপ বিচাৰি উলিওৱাৰ প্ৰয়াস কৰে, অমূৰ্ত ৰূপটোৰ আধাৰত শ্ৰেণী বিভাগ আৰু সাধাৰণীকৰণ কৰে। বৰ্তমান সময়ত বুৰঞ্জীবিদ সকলে সমাজতাত্ত্বিক পদ্ধতি আৰু ধাৰণা সমূহক সমানে গুৰুত্ব দি বিশ্লেষণ কৰে। ধ্ৰুপদীয় বুৰঞ্জীবিদ সকলে অতীতৰ ৰজা-মহাৰজা সকলৰ জীৱনৰ বিভিন্ন ঘটনা প্ৰবাহ, ইতিহাসৰ বিভিন্ন স্তৰত সামাজিক-অৰ্থনৈতিক অৱস্থা কেনেদৰে গঢ় লৈ উঠিছিল ইত্যাদিৰ বিষয়ে অধ্যয়ন কৰে। বুৰঞ্জীবিদ সকলে তুলনামূলক ভাৱে কম বিখ্যাত আৰু কম উত্তেজনাৰ বিষয়, যেনে — ভূমি সম্পৰ্ক, পৰিয়ালত লিঙ্গ সম্পৰ্ক আদি বিষয়বোৰ অধ্যয়ন কৰা নাছিল। কিন্তু সমস্যাবোৰ সমাজতত্ত্ববিদসকলৰ অধ্যয়নৰ মূল বিষয়বস্তুৰ অন্তৰ্গত আছিল।

ইতিহাসৰ ওপৰত ভিত্তি কৰি সমাজতত্ত্বই বৰ্তমানৰ সমাজখনৰ বিষয়ে পদ্ধতিগত ভাৱে অধ্যয়ন কৰে। এনে দিশৰ পৰা ইতিহাসক সমাজতত্ত্বৰ ভঁৰাল বুলি ক'ব পাৰি। ঐতিহাসিক সমলৰ আধাৰত সমাজতত্ত্বই বিজ্ঞানসন্মত ভাৱে সমাজ এখনৰ বিষয়ে অধ্যয়ন কৰিবলৈ সুবিধা পায়। অতীত আৰু বৰ্তমানৰ সমন্বয়ৰ জৰিয়তে ভৱিষ্যতৰ বিষয়ে সমাজতত্ত্বই অধ্যয়ন কৰে। বৰ্তমান সময়ত বুৰঞ্জী অধিক সমাজতাত্ত্বিক আৰু ঐতিহাসিক সমলবোৰ হৈ পৰিছে সামাজিক বুৰঞ্জী। অতীতৰ ৰজা-মহাৰজা, যুদ্ধ-বিগ্ৰহৰ পৰিৱৰ্তে বুৰঞ্জীয়ে

সামাজিক আৰ্হি, লিঙ্গ সম্পৰ্ক, জনৰীতি, প্ৰথা আৰু গুৰুত্বপূৰ্ণ সংস্থাবিলাকৰ ওপৰত অধিক গুৰুত্ব দিছে।

**ক্ৰিয়া কলাপ-৯ (Activity-9)**

তোমালোকে বিচাৰি উলিওৱাচোন বুৰঞ্জীবিদসকলে কেনেকৈ কলা, ক্ৰিকেট, পোছাক, ফেশ্বন, স্থাপত্য, গৃহ নিৰ্মাণৰ আৰ্হি ইত্যাদি বিষয়বোৰ আলোকপাত কৰি লিখিছে।

**সমাজতত্ত্ব আৰু মনোবিজ্ঞান (Sociology and Psychology) ঃ**

সমাজতত্ত্ব আৰু মনোবিজ্ঞান দুয়োটা পৃথক বিষয় যদিও দুয়োটাৰ মাজত স্পষ্ট সম্পৰ্ক আছে। মনোবিজ্ঞানক মানৱ আচৰণৰ বিজ্ঞান বুলি ক'ব পাৰি। ই মূলত ব্যক্তিক সামৰি লয়। ই সাধাৰণতে ব্যক্তিৰ বুদ্ধিমত্তা আৰু শিক্ষণ, আকাংক্ষা আৰু স্মৃতি শক্তি, স্নায়ুতন্ত্ৰ আৰু প্ৰতিক্ৰিয়া, আশা আৰু ভয় ইত্যাদি বিষয়ৰ ওপৰত গুৰুত্ব দিয়ে। সামাজিক মনোবিজ্ঞানে সমাজতত্ত্ব আৰু মনোবিজ্ঞানৰ মাজত এডাল সাঁকোৰ দৰে কাম কৰে। যদিও মনোবিজ্ঞান মূলত ব্যক্তিগত বিষয়বোৰৰ লগত জড়িত হয় তথাপি ব্যক্তিয়ে সামাজিক সমূহ, সংঘবদ্ধতা আৰু অন্যান্য ব্যক্তিসকলৰ মাজেদি কেনেদৰে আগবাঢ়ি যায় তথা আচৰণ প্ৰকাশ কৰে সেই সম্পৰ্কে আলোচনা কৰে।

সমাজতত্ত্বৰ আলোচনাত ব্যক্তি বিশেষৰ পৰিবৰ্তে সমাজখনে গুৰুত্ব পায়। ই সমাজৰ সংগঠিত ৰূপত ব্যক্তিৰ আচৰণক গুৰুত্ব দিয়ে। সমাজৰ বিভিন্ন দিশত ব্যক্তিৰ ব্যক্তিত্বই কেনেদৰে গঢ় লয় তাক সমাজতত্ত্বই অধ্যয়ন কৰে। উদাহৰণ স্বৰূপে, অৰ্থনৈতিক আৰু ৰাজনৈতিক পদ্ধতি, পৰিয়াল আৰু স্বজন পদ্ধতি, সংস্কৃতি, প্ৰতিমান, মূল্যবোধ আদি দিশবোৰৰ ওপৰত সমাজতত্ত্বই অধ্যয়ন কৰে। এই ক্ষেত্ৰ ত সমাজতত্ত্ববিদ দুৰখেইমে আত্মহত্যাৰ দৰে বিষয়ৰ ওপৰত পদ্ধতিগত ভাৱে অধ্যয়ন কৰোঁতে ব্যক্তিৰ পৰিৱৰ্তে সামাজিক বিশেষত্ববোৰে আত্মহত্যাৰ ওপৰত পেলোৱা প্ৰভাৱ সম্পৰ্কে পৰিসংখ্যাৰ দ্বাৰা প্ৰকাশ কৰিছে। ইয়াৰ জৰিয়তে দুৰখেইমে সমাজতত্ত্বৰ ক্ষেত্ৰ আৰু অধ্যয়ন পদ্ধতিক স্পষ্টভাৱে প্ৰতিষ্ঠা কৰিব বিচাৰিছে।

**সমাজতত্ত্ব আৰু সামাজিক নৃতত্ত্ব (Sociology and Social Anthropology) ঃ**

প্ৰায়বোৰ দেশতে নৃতত্ত্বৰ লগত পুৰাতত্ত্ব, ভৌতিক নৃতত্ত্ব, সাংস্কৃতিক ইতিহাস, ভাষিক দিশ ইত্যাদি বিষয়বোৰ সম্পৰ্কিত হৈ আছে। এখন সৰল সমাজৰ এই ধৰণৰ সকলোবোৰ বিষয়ক লৈ সামাজিক নৃতত্ত্বই অধ্যয়ন কৰে। আমাৰ আলোচনাৰ মূল বিষয় সামাজিক নৃতত্ত্ব আৰু সাংস্কৃতিক নৃতত্ত্ব সমাজতত্ত্বৰ অধ্যয়নৰ লগত গভীৰভাৱে সংপৃক্ত হৈ আছে। সাধাৰণতে সমাজতত্ত্বই আধুনিক জটিল সমাজখনৰ বিষয়ে অধ্যয়ন কৰাৰ বিপৰীতে সামাজিক নৃতত্ত্বই প্ৰাচীন সহজ-সৰল সমাজখনৰ বিষয়ে অধ্যয়ন কৰে। প্ৰত্যেক বিষয়ৰে নিজা এক ইতিহাস বা জীৱনী আছে। যি সময়ত পশ্চিমৰ সামাজিক নৃতত্ত্ববিদ সকলে ইউৰোপৰ বাহিৰৰ সমাজখনৰ বিষয়ে অধ্যয়ন কৰিছিল, সেই সময়তে সামাজিক নৃতত্ত্বৰ বিকাশ হৈছিল। অনা ইউৰোপীয় দেশবোৰক বৰ্বৰ অসভ্য আদি ধৰণে ধৰি লোৱা হৈছিল আৰু এনে সমাজবোৰৰ ওপৰত ইউৰোপৰ নৃতত্ত্ববিদ সকলে অধ্যয়নৰ ক্ষেত্ৰত মনোনিবেশ কৰিছিল। এই অধ্যয়নবোৰৰ পৰা এটা কথা দেখা গৈছিল যে যিসকলে অধ্যয়ন কৰিছিল আৰু যিসকলৰ ওপৰত অধ্যয়ন কৰা হৈছিল তেওঁলোকৰ মাজৰ সমন্ধৰ মিল নাছিল। কিন্তু সময়ৰ

পৰিৰ্বৰ্তনৰ লগে লগে এইবিলাকৰো পৰিৰ্বৰ্তন হৈছিল। আমি যিসকল লোকক থলুৱা (Native) বুলি ধৰি লওঁ, তেওঁলোক ভাৰতীয় বা চুডানিজ (Sudanse) বা নগা বা চাওতাল (Santhals) হ'ব পাৰে। এই সকল লোকে নিজৰ সমাজখনৰ সম্পৰ্কে ক'ব বা লিখিব পাৰে। অতীতৰ সম্পৰ্কে তথ্য আগবঢ়োৱা নৃতত্ত্ববিদ সকলে নিৰপেক্ষ, বিজ্ঞানসন্মত আৰ্হিত সৰল সমাজৰ বিৰৰণ দাঙি ধৰিছে। বাস্তৱিকতে সেই সমাজ বিলাকৰ ওপৰত পশ্চিমীয়া আধুনিক সমাজৰ আৰ্হি স্বৰূপে ধাৰাবাহিকভাৱে তুলনামূলক অধ্যয়ন কৰিছিল।



*চাহ বাগিচাত পাত টোকাৰ দৃশ্য*

**ক্ৰিয়া কলাপ-১০ (Activity-10)**

অসমৰ চাহ বাগিছাবোৰত কাম কৰা চাওঁতাল বনুৱাসকলৰ পূৰ্বপুৰুষসকল ভাৰতৰ কোন অঞ্চলৰ পৰা আহিছিল বিচাৰ কৰি উলিওৱা। অসমৰ কোন ঠাইত প্ৰথমে চাহ খেতি আৰম্ভ হৈছিল? ইংৰাজসকলে ঔপনিবেশিক শাসনকালৰ আগতে চাহ খাইছিল নে?

অন্যান্য পৰিৰ্বৰ্তনীয় দিশ বিলাকক সমাজতাত্ত্বিক আৰু সামাজিক নৃতত্ত্বৰ প্ৰকৃতিৰ নতুন সংজ্ঞাৰে সামৰি লবলৈ বিচাৰিছে। আধুনিকতাক এক প্ৰক্ৰিয়া হিচাপে পৰ্যবেক্ষণ কৰিলে সৰু সৰু গাঁও বিলাককো গোলকীয় প্ৰক্ৰিয়াই প্ৰভাৱান্বিত কৰা দেখা যায়। ইয়াৰ উদাহৰণ স্বৰূপে ঔপনিবেশিকতাৰ কথা ক'ব পাৰি। ভাৰতবৰ্ষৰ ভিতৰুৱা গাঁওবিলাকত বৃটিছ ঔপনিবেশিকতাৰ অধীনলৈ অনাৰ পিছত ভূমি আইন আৰু প্ৰশাসনিক

ক্ষেত্ৰত পৰিৱৰ্তন দেখা গৈছে। ইয়াৰ ৰাজহ সংগ্ৰহৰ কৌশলৰ ক্ষেত্ৰতো পৰিৱৰ্তন আহিল। অন্য দিশত থলুৱা উৎপাদন পদ্ধতিৰ ক্ষেত্ৰতো পৰিৱৰ্তন আহিল। সমসাময়িক গোলকীয় প্ৰক্ৰিয়াই সমগ্ৰ বিশ্বৰ আকাৰ সৰু কৰি তোলে। সৰল এখন সমাজৰ অভিধাৰণাক অধ্যয়ন কৰিবলৈ যাওঁতে আগতে অনুমান কৰি লোৱা হৈছিল যে ই এটা নিৰ্দিষ্ট সীমাৰ ভিতৰতে আবদ্ধ আছিল।

সামাজিক নৃতত্ত্বই সহজ সৰল, অশিক্ষিত সমাজখনৰ বিষয়ে কৰা পৰম্পৰাগত অধ্যয়নৰ জৰিয়তে নৃতত্ত্বৰ বিষয়বস্তুৰ ওপৰত গভীৰ প্ৰভাৱ পেলাইছিল। সামগ্ৰিকভাৱে সামাজিক নৃতত্ত্বই সকলো সমাজ সম্পৰ্কে অধ্যয়ন কৰাৰ প্ৰতি আগ্ৰহী নাছিল। একোটা বিশেষ অঞ্চল, যেনে আন্দামান দ্বীপপুঞ্জ, নোৱেৰ (Nuers) বা মেলানেছিয়া (Melanesia) ইত্যাদি অঞ্চলৰ বিষয়ে কৰা অধ্যয়নবোৰৰ কথা উল্লেখ কৰিব পাৰি। কিন্তু সমাজতত্ত্বই জটিল সমাজখনক লৈ অধ্যয়ন কৰে আৰু ই আমোলাতন্ত্ৰ, ধৰ্ম, জাতি, গতিশীলতাৰ প্ৰক্ৰিয়া ইত্যাদি দিশবোৰক অধ্যয়ন কৰে।

সামাজিক নৃতত্ত্বৰ অধ্যয়নৰ ক্ষেত্ৰত কিছুমান বিশেষত্ব পৰিলক্ষিত হয়। এনে বিশেষত্বৰ ভিতৰত দীঘলীয়া ক্ষেত্ৰ অধ্যয়নৰ পৰম্পৰা, সম্প্ৰদায় অধ্যয়ন আৰু নৃ-গোষ্ঠীয় গৱেষণা পদ্ধতি আদি বিষয় অন্তৰ্ভুক্ত হৈ আছে। সমাজতত্ত্ববিদ সকলে জৰীপ পদ্ধতি (Survey method) আৰু পৰিসংখ্যাৰ সহায়ত পৰিমাণগত তথ্য ব্যৱহাৰ কৰাৰ উপৰি প্ৰশ্নসূচীৰ দৰে প্ৰণালী ব্যৱহাৰ কৰে। তোমালোকে পঞ্চম অধ্যায়ত এই সম্পৰ্কীয় পদ্ধতিবোৰৰ বিষয়ে সবিশেষ জানিব পাৰিবা।

আজিৰ প্ৰেক্ষাপটত সৰল সমাজ আৰু জটিল সমাজৰ মাজৰ পাৰ্থক্য নতুনকৈ চিন্তা কৰাৰ প্ৰয়োজন আহি পৰিছে। ভাৰতবৰ্ষৰ দৰে দেশৰ পৰম্পৰা আৰু আধুনিকতা, গাঁও আৰু নগৰ, জাতি আৰু জনজাতি, শ্ৰেণী আৰু সম্প্ৰদায় আদিৰ উপাদানৰ সংমিশ্ৰিত স্বৰূপত সোমাই পৰিছে। দেশৰ ৰাজধানী দিল্লী মহানগৰতো গ্ৰাম্য বাসিন্দাৰ অৱস্থিতি দেখা যায়। দেশৰ যোগাযোগ কেন্দ্ৰবোৰে (Call centres) নগৰ-চহৰবোৰৰ বিভিন্ন অংশৰ পৰা ইউৰোপ আৰু আমেৰিকাৰ দৰে দেশৰ লগত সেৱা আগবঢ়াই আহিছে।

ভাৰতীয় সমাজতত্ত্বই উভয় পৰম্পৰাৰ সমল আহৰণ কৰে। ভাৰতীয় সমাজতত্ত্বই প্ৰায়ে এটা দিশৰ সংস্কৃতি আহৰণ কৰাৰ পৰিবৰ্তে দুয়োটা দিশকে অধ্যয়ন কৰে। ভাৰতীয় সমাজতত্ত্বই জটিল নগৰীয়া সংস্কৃতিৰ সমান্তৰাল ভাৱে জনজাতীয় সমাজখনৰ স্বৰূপৰ বিষয়ে সামগ্ৰিক অধ্যয়ন কৰে। এই কথা সন্দেহ কৰা হৈছে যে সৰল সমাজ ব্যৱস্থা ক্ৰমান্বয়ে হেৰাই যোৱাৰ কাৰণে নৃতত্ত্বৰ স্বকীয় বিশেষত্ব হেৰাই গৈ সমাজতত্ত্বৰ বুকুত বিলীন হ'ব। অৱশ্যে দুয়োটা বিভাগৰ মাজত ফলদায়ক সাল-সলনি ঘটিব। বৰ্তমান দুয়োটা বিষয়ৰ অধ্যয়ন পদ্ধতি আৰু কৌশল উভয় দিশৰ পৰাও সালসলনি ঘটিছে। সাম্প্ৰতিক সময়ত দেখা গৈছে যে নৃতাত্ত্বিক অধ্যয়ন বিলাকে ৰাষ্ট্ৰ আৰু গোলকীকৰণৰ দৰে বিষয়ক সামৰি লৈছে। এনেবোৰ অধ্যয়ন সামাজিক নৃতত্ত্বৰ বিষয়বস্তুৰ পৰা পৃথক। আনহাতেদি, সমাজতত্ত্বইও পৰিমাণগত আৰু গুণগত কৌশল, সমষ্টিগত (Macro) আৰু ব্যষ্টিগত (Micro) দৃষ্টিভঙ্গী, আধুনিক জটিল সমাজৰ অধ্যয়নত ব্যৱহাৰ কৰা দেখা গৈছে। ভাৰতবৰ্ষৰ পটভূমিত বিশ্লেষণ কৰি চালে নৃতত্ত্ব আৰু সামাজিক নৃতত্ত্বৰ মাজত অতি ঘনিষ্ঠ সম্বন্ধ দেখা যায়।

**পৰিভাষা (Glossary) ঃ**

- **পুঁজিবাদ (Capitalism) ঃ** পুঁজিবাদ এক অৰ্থনৈতিক প্ৰতিষ্ঠান (Enterprise) আৰু এনে ব্যৱস্থা ব্যৱসায় বাণিজ্যৰ আধাৰত গঢ় লৈ উঠে। মূলধনে যি কোনো সম্পদক সূচায়। ইয়াৰ লগত টকা-পইচা (Money), সম্পত্তি , যন্ত্ৰপাতি ইত্যাদি অন্তৰ্ভুক্ত হৈ থাকে। এই বিলাক দ্ৰব্য উৎপাদন, বজাৰ বিক্ৰী, বিনিয়োগ আৰু ইয়াৰ দ্বাৰা লাভ অৰ্জনৰ উদ্দেশ্যে ব্যৱহাৰ কৰা হয়। এনে ব্যৱস্থা সম্পদৰ ব্যক্তিগত মালিকীস্বত্ব আৰু উৎপাদনৰ উপায়ৰ লগত জড়িত থাকে।
- **দ্বন্দ্ববাদ (Dialectic) ঃ** বিপৰীত সামাজিক শক্তিৰ লগত হোৱা ক্ৰিয়া বা শক্তিৰ অস্তিত্বৰ কাৰণে হোৱা দ্বন্দ্ব। উদাহৰণ স্বৰূপে সামাজিক বাধ্যতা আৰু ব্যক্তিগত ইচ্ছাৰ কথা ক'ব পাৰি।
- **অভিজ্ঞতালব্ধ অনুসন্ধান (Empirical Investigation) ঃ** সমাজতাত্ত্বিক অধ্যয়নত যিকোনো ক্ষেত্ৰ বা অঞ্চলৰ পৰা সংগ্ৰহ কৰা তথ্যৰ অনুসন্ধান।
- **নাৰীবাদী সিদ্ধান্ত (Feminist Method) ঃ** সমাজখনৰ লিঙ্গ ভিত্তিক বিশ্লেষণৰ ওপৰত গুৰুত্ব দি সমাজতাত্ত্বিক দৃষ্টিভঙ্গীৰ প্ৰয়োগ। নাৰীবাদী তত্ত্ববিলাকৰ বহুতো দিশ আছে। কিন্তু এনে পদ্ধতিত সমাজৰ লিঙ্গ অসমতাৰ বিশ্লেষণ আৰু বৈষম্য দূৰ কৰিবৰ বাবে লোৱা পদক্ষেপক উমৈহতীয়া ভাৱে সামৰি লয়।
- **সামাজিক বাধ্যতা (Social Constraint) ঃ** সামাজিক বাধ্যতাই সমাজৰ সমূহ আৰু সমাজখনৰ তথ্য বিলাকক প্ৰকাশ কৰাক বুজায়। কোনো এখন সমাজে প্ৰতিজন ব্যক্তিৰ আচৰণত প্ৰভাৱ পেলায় আৰু ইয়াৰ বাধ্যতা নিতান্তই গুৰুত্বপূৰ্ণ।
- **প্ৰমূল্য (Value) ঃ** ব্যক্তি আৰু সমাজৰ আকাংক্ষিত, সঠিক, ভাল বা বেয়া আদি ধাৰণাবোৰ অক্ষুণ্ণ

## অনুশীলনী (Exercise)

১। সমাজতত্ত্বৰ উৎপত্তি আৰু বিকাশৰ বিষয়ে কিয় অধ্যয়ন কৰিব লাগে? আলোচনা কৰা।
Why we study about the origin and growth of Sociology? Discuss.

২। সমাজ সম্পৰ্কীয় বিভিন্ন দিশ সম্পৰ্কে আলোচনা কৰা।
Discuss about the various aspects of society.

৩। বৰ্তমান সময়ত বিভিন্ন বিষয়বোৰৰ মাজত আদান-প্ৰদান নীতি কেনেদৰে গুৰুত্বপূৰ্ণ বুলি ক'ব পাৰি? তোমাৰ উত্তৰৰ সমৰ্থনত যুক্তি আগবঢ়োৱা?
How can principles of exchange among the different disciplines is important in present time? Give arguement in support of your answer.

৪। তোমাৰ বন্ধু বা আত্মীয় সকলে সন্মুখীন হোৱা যিকোনো এটা ব্যক্তিগত সমস্যা চিনাক্ত কৰা। সমাজতাত্ত্বিক দৃষ্টিভঙ্গীৰে এনে সমস্যা চাবলৈ যত্ন কৰা।

Identify any personal problem faced by your friends or relatives. Try to see this type of problem from sociological perspectives.

৫। সমাজতাত্ত্বিক কল্পনা বুলিলে কি বুজা? সমাজতাত্ত্বিক কল্পনাৰ আধাৰত সামাজিক সমস্যা আৰু ব্যক্তিগত বিষয়ৰ ওপৰত চমুৰাই লিখা।

What do you mean by sociological imagination? On the basis of sociological imagination, write briefly about social problem and personal problem.

৬। সমাজৰ বহুত্বতাৰ অৰ্থ লিখা।

Write the meaning of plurality of society.

৭। সামাজিক অসমতাৰ দুটা কাৰণ উল্লেখ কৰা।

Mention two causes of social inequality.

৮। সমাজতত্ত্বৰ অৰ্থ প্ৰকাশ কৰা।

Express the meaning of sociology.

৯। সমাজতত্ত্বৰ সংজ্ঞা দিয়া। সমাজতত্ত্বৰ অধ্যয়ন ক্ষেত্ৰ সম্পৰ্কে চমুৰাই লিখা।

Define sociology. Write briefly about the scope of sociology.

১০। সমাজতত্ত্বক বিজ্ঞান হিচাপে ব্যাখ্যা কৰা।

Explain sociology as a science.

১১। সমাজতত্ত্ব আৰু ব্যৱহাৰিক জ্ঞানৰ মাজৰ মাজত দুটা পাৰ্থক্য লিখা।

Write two differences between sociology and common sense knowledge.

১২। সমাজতত্ত্বক বিজ্ঞান হিচাপে আখ্যা দিয়াৰ দুটা যুক্তি আগবঢ়োৱা।

Give two arguements sociology as a science.

১৩। সমাজতত্ত্ব গঠনত বৌদ্ধিক ধাৰণাৰ ভূমিকা সম্পৰ্কে চমুৰাই লিখা।

Write briefly the role of intellectual ideas that went in to making of sociology.

১৪। জ্ঞানোদয় যুগৰ বিকাশ কেতিয়া হৈছিল?

When the enlightment era developed?

১৫। জ্ঞানোদয় যুগৰ চিন্তাবিদসকলে কোন দুটা দিশত গুৰুত্ব দিছে উল্লেখ কৰা।

Mention two forces which are given importance by the thinkess of enlightment.

১৬। সমাজতত্ত্ব গঠনত সহায় কৰা দুটা বস্তুবাদী কাৰক লিখা।

Write two material issues that went in to the making of Sociology.

১৭। ইউৰোপত সমাজতত্ত্ব বিকাশৰ প্ৰধান কাৰক কেইটা লিখা।

Write the basic causes of growth sociology in Europe.

১৮। ভাৰতবৰ্ষত সমাজতত্ত্বৰ বিকাশ কিদৰে হৈছিল চমুৰাই আলোচনা কৰা।

Discuss briefly the growth of sociology in India.

১৯। সমাজতত্ত্ব আৰু অৰ্থনীতিৰ মাজত সম্পৰ্ক বিচাৰ কৰা।
Write the relationship between Sociology and Economics.

২০। সমাজতত্ত্ব আৰু ৰাজনীতি বিজ্ঞান কিদৰে পাৰস্পৰিক সম্পৰ্কযুক্ত, আলোচনা কৰা।
How can Sociology and Political Science related with each other?

২১। সমাজতত্ত্ব আৰু সামাজিক নৃতত্ত্বৰ মাজত থকা সম্পৰ্ক আলোচনা কৰা।
Discuss the relationship between Sociology and Social Anthropology.

২২। সমাজতত্ত্ব আৰু মনোবিজ্ঞানৰ মাজত থকা দুটা সম্পৰ্ক লিখা।
Write two relationship between Sociology and Psychology.

**References :**

1. Berger, Peter L. 1963. Invitation to Sociology : A Humanistic Perspective. Penguin, Harmondsworth.
2. Chaudhury, Matrayee. 2003. The Practice of Sociology. Orient Longman, New Delhi.
3. Desai, A.R. 1985. Social Background of Indian Nationalism. Popular Prakashan, Bombay.
4. Dube, S.C. 1977. Understanding Society : Sociology : The Discipline and its Significance : Part I, NCERT New Delhi.
5. Freeman, James M. 1978. Collecting the Life History of an Indian Untouchable from Vatuk, Silvia, ed., American Studies in the Anthropology of India. Manohar Publishers, Delhi.
6. Giddens, Anthony. 2001. Sociology. Fourth Edition, Polity Press, Cambridge.
7. Mills, C. Wright. 1959. The Sociological Imagination. Penguin, Harmondsworth.
8. Srinivas, M.N. 1966. Village, Caste, Gender and Method : Essays in Indian Social Anthropology. Oxford University Press, New Delhi.

**দ্বিতীয় অধ্যায়**

# সমাজতাত্ত্বিক পৰিভাষা, ধাৰণা আৰু ইয়াৰ ব্যৱহাৰ (Terms, Concepts and their use in Sociology)

**আৰম্ভণি (Introduction) ঃ**

আমি সকলো ব্যক্তিয়ে সমাজত বিভিন্ন যৌথ গোটৰ লগত সংপৃক্ত হৈ থাকোহঁক। উদাহৰণস্বৰূপে আমি সকলোৱে পৰিয়াল, জাতি, জনজাতি, শ্ৰেণী, ৰাষ্ট্ৰ ইত্যাদিৰ একো-একোটা অংশ। সমাজৰ এই অংশসমূহ আৰু ব্যক্তি অবিৰতভাৱে পাৰস্পৰিক ক্ৰিয়াত যুক্ত হৈ থাকে। সমাজতত্ত্বৰ এটা মূল উদ্দেশ্যই হৈছে সমাজ আৰু ব্যক্তিৰ মাজৰ পাৰস্পৰিক ক্ৰিয়াৰ বিষয়ে সবিশেষ অধ্যয়ন কৰা। এই পাঠটিত ব্যক্তিয়ে গঠন কৰা বিভিন্ন প্ৰকাৰৰ সামাজিকসমূহ, সমাজৰ অসমান ক্ৰম, স্তৰীকৰণৰ লগতে ব্যক্তি আৰু সমূহকনো সমাজে কি দৰে নিয়ন্ত্ৰণ কৰি ৰাখে, মানুহে প্ৰস্থিতি অনুসৰি ভূমিকা কেনেদৰে পালন কৰে সেই বিষয়ে জনাৰ চেষ্টা কৰিম।

সমাজতত্ত্বৰ বিকাশৰ প্ৰাৰম্ভিক সময়ছোৱাতো সমাজবোধৰ বিৰোধাত্মক আৰু সংঘাতপূৰ্ণ মতাদৰ্শ আছিল। শ্ৰেণী আৰু শ্ৰেণী সংঘাত কাৰ্লমাক্সৰ চিন্তাধাৰাৰ মূল  ভেটি  হোৱাৰ বিপৰীতে ইমাইল দুৰখেইমৰ বাবে সমাজ সংহতি  আৰু সামূহিক সচেতনতা আছিল সমাজবোধৰ মূল ভেটি। দ্বিতীয় বিশ্বযুদ্ধৰ পাছৰ সময় ছোৱাত সমাজতত্ত্ব সংৰচনাত্মক  কাৰ্যবাদী সকলৰ দ্বাৰা মূলত প্ৰভাৱান্বিত আছিল আৰু তেওঁলোকৰ সমাজবোধৰ ভেটি আছিল সামঞ্জস্যতা। জীৱদেহৰ বিভিন্ন অংগ-প্ৰতংগই নিজৰ নিজৰ কাম কৰি জীৱদেহটো একৰূপে যিদৰে চলাই থাকে, সমাজৰ অংশসমূহেও নিজ নিজ কাৰ্য কৰি সমাজ সংৰচনা একৰূপে বৰ্তাই ৰাখে । তাৰ বিপৰীতে কাৰ্লমাক্সৰ মতে সমাজ সদায়ে সংঘৰ্ষ পীড়িত। একেখন সমাজতে বিভিন্ন ধৰণৰ সংজ্ঞা,ধাৰণা ইত্যাদি প্ৰচলিত হৈ থকাটোৱে কোনো কেনো সময়ত অস্বস্তিৰ সৃষ্টি নকৰা নহয়। উদাহৰণ স্বৰূপে সংঘৰ্ষ সিদ্ধান্ত আৰু কাৰ্যাত্মবাদী সিদ্ধান্ত সমূহ। সমাজতত্ত্বত দৃষ্টিভংগীৰ এই বাহুল্যতা বহুত বেছি হোৱাটো স্বাভাৱিক কাৰণ সমাজ নিজেই বৈচিত্ৰ্যময়। এতিয়া  কথা হ'ল— সমাজে কেনেদৰে কাৰ্য সম্পাদন কৰে এই কাৰ্যবোৰ সমন্বয়াত্মক নে সংঘৰ্ষাত্মক? সামাজিক প্ৰস্থিতি আৰু ভূমিকাবোৰ স্থিতিশীল নে? সামাজিক নিয়ন্ত্ৰণ কি দৰে পৰিচালিত হয়?  বৈষম্যমূলক নীতিবোৰ কিদৰে বৰ্তি থাকে? এনেধৰণৰ প্ৰশ্নৰ অৱতাৰণা হ'লে সেইবোৰ বুজি পাবৰ বাবে বিশেষ শব্দাংশ আৰু অৱধাৰণাৰ প্ৰয়োজন হয়। তেনেক্ষেত্ৰত আমি এনেকুৱা বিশেষ অৰ্থ

থকা কিছুমান শব্দ ব্যৱহাৰ কৰোঁ। উদাহৰণস্বৰূপে ঃ প্ৰস্থিতি, ভূমিকা বা সামাজিক নিয়ন্ত্ৰণ। আমি দৈনন্দিন জীৱনত ব্যৱহাৰ কৰি থকা স্বত্বেও সমাজতত্ত্বৰ বাবে এই বিশেষ অৰ্থবাহক শব্দবোৰৰ প্ৰয়োজনীয়তা আছে।

সমাজতত্ত্বই যিহেতু মানৱ সমাজৰ বিষয়ে অধ্যয়ন কৰে সেইবাবে প্ৰায় সময়ত সমাজতত্ত্বৰ বিষয়বস্তুৰ সম্পৰ্কে আমাৰ পূৰ্ব নিৰ্ধাৰিত কিছুমান পক্ষপাতমূলক ধাৰণা থাকে। উদাহৰণস্বৰূপে আমি সমূহ পাতি বাস কৰোঁ। গতিকে সমূহৰ বিষয়ে সকলো জানো বুলি ধাৰণা কৰোহঁক অথবা আমি যিহেতু পৰিয়ালতেই বসবাস কৰি আহিছোঁ সেইবাবে আমি পৰিয়াল সম্পৰ্কীয় সকলো দিশৰ কথা জানো বুলি আমাৰ ভাব হয়। কিন্তু এইবোৰ কিছুমান পূৰ্ব নিৰ্ধাৰিত ধাৰণাহে। এয়া সমাজতাত্ত্বিক জ্ঞান নহয়। পিটাৰ বাৰ্গাৰে এই প্ৰসংগত কৈছে আমি সামাজিক সংস্থাসমূহৰ লগত ইমানেই অভ্যস্ত বা পৰিচিত যে সেই অভ্যস্ততা বা পৰিচিতিয়ে সংস্থা সমূহৰ সন্দৰ্ভত আমাক স্পষ্ট আৰু সঠিকভাৱে জনা বা বুজাৰ পৰা বঞ্চিতহে কৰে।

বিভিন্ন প্ৰাকৃতিক বিজ্ঞান, যেনে ৰসায়ন বিজ্ঞান, পদাৰ্থ বিজ্ঞান আদিয়ে সচৰাচৰ দৈনন্দিন জীৱনত আমি ব্যৱহাৰ নকৰা বিষয়সমূহ অধ্যয়ন কৰাৰ বাবে পৰিভাষাৰ ব্যৱহাৰ অতি প্ৰয়োজনীয় হৈ পৰে। কিন্তু সমাজতত্ত্বই আমাৰ পৰিচিত বিষয়সমূহৰ ওপৰত অধ্যয়ন কৰাৰ বাবেই বিশেষ পৰিভাষা প্ৰয়োজনীয় নহয় বুলি ভবাটো এটা ভুল ধাৰণা। সমাজতত্ত্বত স্পষ্ট আৰু উচিত ধাৰণা পাবৰ বাবে সমাজতাত্ত্বিক পৰিভাষা আৰু অভিধাৰণাসমূহ অত্যাৱশ্যকীয়।

এক বিষয় হিচাবে সমাজতত্ত্বৰ স্বকীয় বুৰঞ্জী আছে সেইদৰে সমাজতাত্ত্বিক ধাৰণাসমূহৰো কিছু নিজা কাহিনী নথকা নহয়। প্ৰাক্ আধুনিক যুগৰ পৰা আধুনিক সমাজত সংঘটিত হোৱা পৰিৱৰ্তনসমূহ বুজি উঠোতে আৰু সেই পৰিৱৰ্তনৰ নক্সাটো উদ্ভাৱন কৰোঁতে সমাজ দাৰ্শনিকসকলে বহুতো সমাজতাত্ত্বিক অৱধাৰণাৰ সৃষ্টি কৰিছিল। উদাহৰণস্বৰূপে সৰু, সৰল আৰু পাৰম্পৰিক সমাজখন সাধাৰণতে বন্ধ মুখামুখি সম্পৰ্কৰ বৈশিষ্ট্যযুক্ত। অন্যহাতেদি আধুনিক সমাজ আনুষ্ঠানিক আন্তঃক্ৰিয়া বৈশিষ্ট্যযুক্ত বুলি সমাজ দাৰ্শনিকসকলে পৰ্যবেক্ষণ কৰিছিল। সেইবাবে তেওঁলোকে প্ৰাথমিকসমূহ, গৌণসমূহ, সম্প্ৰদায়ৰ পৰা সমাজ বা সমিতিৰ পাৰ্থক্য বিচাৰিছিল। কিছুমান অৱধাৰণা যেনে— স্তৰীকৰণ ইত্যাদিয়ে সমাজতত্ত্ববিদ সকলৰ বিভিন্ন সামাজিক গোটৰ মাজৰ অসমানতা বুজাৰ প্ৰচেষ্টাক সূচায়।

বিভিন্ন ভৌতিক আৰু বৌদ্ধিক কাৰকে সমাজতাত্ত্বিক দৃষ্টিভংগী গঠন কৰি আহিছে। অৱধাৰণাসমূহ সমাজতে উদ্ভৱ হয়। যিহেতু সমাজখনত বিভিন্ন ধৰণৰ ব্যক্তি আৰু সমূহ থাকে সেইবাবে অৱধাৰণা, দৃষ্টিভংগী আৰু ধাৰণাৰ ক্ষেত্ৰতো বিচিত্ৰতা দেখিবলৈ পোৱা যায়। উদাহৰণস্বৰূপে কাৰ্লমাৰ্ক্সৰ যি সমাজ আৰু সমাজ বিৱৰ্তনৰ ধাৰণা সেয়া ইমাইল দুৰখেইমৰ দৃষ্টিভংগী আৰু ধাৰণাৰ পৰা পৃথক। মাৰ্ক্সৰ ধাৰণাত সমাজ বিৰোধাত্মক (Contradictory) হোৱাৰ বিপৰীতে ইমাইল দুৰখেইমৰ কাৰণে সমাজ সামঞ্জস্যপূৰ্ণ (Harmonious)।

সেইদৰে, কিছু সমাজতত্ত্ববিদে মানৱ সমাজ বুজিবলৈ হ'লে ব্যক্তিৰ আচৰণৰ বিষয়েহে অধ্যয়ন কৰিব

লাগিব বুলি বিশ্বাস কৰে। এইসকল হৈছে সামাজিক মনস্তাত্ত্বিক দৃষ্টিভংগীৰ পৰা সমাজক বুজিবলৈ চেষ্টা কৰা সমাজতত্ত্ববিদসকল। তাৰ বিপৰীতে কিছুৱে বৃহদায়তন সমাজ সংৰচনা যেনে শ্ৰেণী, জাতি, সম্প্ৰদায়ৰ মাজেদি অধ্যয়ন কৰাৰ পৃষ্ঠপোষকতা কৰিছিল। কিছু অৱধাৰণা যেনে— প্ৰস্থিতি, ভূমিকা, প্ৰাথমিক সমূহ ইত্যাদিৰ অধ্যয়ন ব্যক্তিৰ পৰা আৰম্ভ হৈছিল আৰু সামাজিক স্তৰীকৰণ, সমাজ নিয়ন্ত্ৰণ আদি অৱধাৰণাসমূহৰ অধ্যয়নৰ বহল পৃষ্ঠভূমি সমাজ সংৰচনাৰ পৰা আৰম্ভ হৈছিল।

গতিকে সমাজতত্ত্বৰ যিবোৰ ধাৰণা (Idea), ধাৰণা (Concept) সেইবোৰ হৈছে বাস্তৱ (Reality) ক বুজা একোটা আহিলা। সমাজৰ মাজত থকা বিভিন্ন বিচিত্ৰতাৰ কাৰণে সময় সাপেক্ষে সমাজত নানা পৰিৱৰ্তন দেখা পাওঁ। এই ধাৰণা, পৰিভাষা ইত্যাদিবোৰ সমাজতাত্ত্বিক জ্ঞান লাভৰ বাবে চাবি-কাঠি হিচাবে গণ্য কৰিব পৰা যায়। যিদৰে আমি কেতিয়াবা অনুপযুক্ত হ'লে চাবি-কাঠিটো পৰিৱৰ্তন কৰোঁ বা মেৰামতি কৰোঁ ঠিক সেইদৰে সমাজতত্ত্বইও ধাৰণা-অৱধাৰণাৰ ক্ষেত্ৰত নানান সম্পৰীক্ষা কৰাটো প্ৰয়োজনীয়। এই পাঠটিৰ জৰিয়তে সমাজতত্ত্বৰ বিশেষ কিছুমান প্ৰয়োজনীয় পৰিভাষা আৰু অৱধাৰণাৰ মূল জ্ঞান দিবলৈ বিচৰা হৈছে যাতে আমি সমাজতত্ত্বৰ বহল ক্ষেত্ৰখনত প্ৰৱেশ কৰিব পাৰোঁ।

**ক্ৰিয়া কলাপ-১ (Activity-1)**

তলত দিয়া বিষয়ৰ পৰা যিকোনো এটা বাছি লৈ তোমালোকৰ শ্ৰেণীত আলোচনা কৰা।

- গণতন্ত্ৰ সমাজৰ বিকাশ স্বৰূপ অথবা বিধিৰ সহায়ক স্বৰূপ।
- লিংগ সমানতাই সমাজত সমজাতীয়তা আনে অথবা অধিক বিভেদকাৰী কৰি তোলে।
- শাস্তি প্ৰয়োগ অথবা অধিক আলোচনা বিভেদ নিষ্পত্তিৰ সৰ্বোৎকৃষ্ট উপায়।

আন আন বিষয় সমূহ চিন্তা কৰা ঃ

সমাজত আৰু কি কি প্ৰকাৰৰ পাৰ্থক্যৰ উদ্ভৱ হয়?

এনে প্ৰকাৰৰ চিন্তাবোৰে এখন ভাল সমাজ কেনেধৰণে গঢ়ি তুলিব পাৰে?

এইবোৰে মানুহৰ বিভিন্ন ধ্যান-ধাৰণাক প্ৰতিফলিত কৰেনে?

**সামাজিক সমূহ আৰু সমাজ (Social Group and Society) ঃ**

সমাজতত্ত্ব হৈছে মানৱৰ সামাজিক জীৱনৰ অধ্যয়ন। মানৱৰ সমাজ জীৱনৰ বৈশিষ্ট্য হৈছে যে মানুহে আন্তঃক্ৰিয়া কৰে, সামাজিক গোট গঠন কৰে আৰু যোগাযোগ ৰক্ষা কৰে। সমাজতত্ত্বৰ তুলনামূলক আৰু ঐতিহাসিক দৃষ্টিভংগীয়ে ব্যক্তিৰ সামাজিক জীৱন সম্পৰ্কীয় দুটা অৱধাৰিত সত্য প্ৰকাশ কৰিছে।

**(ক)** প্ৰাচীন, আধুনিক জমিদাৰী, প্ৰাচ্য-পাশ্চাত্য যিকোনো ধৰণৰ সমাজতেই মানুহ গোট বা সমূহগত ভাৱে বসবাস কৰে অৰ্থাৎ মানুহৰ সমূহগত জীৱন অৱধাৰিত।

**(খ)** সমাজভেদে প্ৰচলিত থকা সামাজিক সমূহবোৰ ভিন্ন প্ৰকৃতিৰ।





*ফটোত দেখা সমূহবোৰ কেনেধৰণৰ*

যিকোনো ব্যক্তিৰ সমষ্টিয়েই একোটা সমূহ সৃষ্টি কৰিব নোৱাৰে। কোনোধৰণৰ আন্তঃসম্পৰ্ক নথকা কিছু ব্যক্তি একে সময়তে একে ঠাইতে গোট খাব পাৰে। ৰেল, বাছ ইত্যাদিৰ বাবে অপেক্ষা কৰি থকা এই মানুহৰ সমষ্টিবোৰক একোটা সামাজিক সমূহ আখ্যা দিব পৰা নাযায়। বৰঞ্চ এই গোট সমূহক অৰ্ধ সমূহ আখ্যা দিয়া হয়।

এই সমূহবোৰ হৈছে অৰ্ধ সমূহ যি সমূহৰ প্ৰয়োজনীয় সকলো বৈশিষ্ট্য পূৰণ কৰিব নোৱাৰা অ-সংগঠিত বা সংৰচনা ৰহিত ব্যক্তিৰ সমষ্টি। সাধাৰণতে অৰ্ধ সমূহ দুইধৰণৰ—

**(ক) সামাজিক সমষ্টি (Social Aggregate) ঃ** এইধৰণৰ অৰ্ধ বৈশিষ্ট্যযুক্ত সামাজিক সমষ্টিত দুই বা ততোধিক ব্যক্তি নিৰ্দ্দিষ্ট সময়ৰ বাবে নিৰ্দ্দিষ্ট ঠাইত সামাজিক অন্ত ঃ ক্ৰিয়াৰ অবিহনেও গোট খাই থাকিব পাৰে। উদাহৰণস্বৰূপে একেখন বাছতে যাত্ৰা কৰা যাত্ৰীসকলৰ দিনটো।

**(খ) একে বৰ্গৰ সমূহ সমষ্টি ঃ** ভৌতিক সান্নিধ্য অবিহনে কিছুমান বৈশিষ্ট্য একে হ'লে সেই ব্যক্তিসকলক অৰ্ধসমূহ আখ্যা দিয়া হয়। জীৱন-শৈলী, সামাজিক সংৰচনা, প্ৰতিমান একে; কিন্তু আন্তঃক্ৰিয়া নথকা ব্যক্তিৰ গোটসমূহ অৰ্ধ সমূহ হ'ব পাৰে। উদাহৰণ স্বৰূপে, এখন বিশ্ববিদ্যালয়ৰ সমূহ ছাত্ৰী। এই ধৰণৰ অৰ্ধ সমূহৰ সম্পূৰ্ণ সামাজিক সমূহৰ বৈশিষ্ট্য লাভ কৰাৰ সুযোগ থাকে।

সমাজতাত্ত্বিক অধ্যয়নসমূহত ব্যক্তিৰ সামাজিক জীৱন সম্পৰ্কীয় দুটা অৱধাৰিত তথ্য প্ৰকাশ পাইছে—

সামাজিক সমূহ এটাত তলত দিয়া বৈশিষ্ট্যসমূহ দেখিবলৈ পোৱা যায় ঃ

(ক) ধাৰাবাহিকতা অক্ষুণ্ণ ৰখাৰ বাবে ক্ৰমাগত আন্ত ঃ ক্ৰিয়া।

(খ) আন্ত ঃ ক্ৰিয়াৰ এক সুস্থিৰ আৰ্হি।

(গ) সমূহগত সচেতনতা, সমূহটোৰ অন্যান্য সদস্যৰ প্ৰতি সচেতন হোৱাৰ লগতে সমূহৰ নীতি-নিয়ম, প্ৰতীক আদিৰ প্ৰতি সচেতনতা ভাৱ প্ৰকাশ কৰা।

(ঘ) সহভাজনীয় আগ্ৰহ (Shared interest)।

(ঙ) সাধাৰণ নীতি আৰু মূল্যবোধ মানি চলা।

(চ) এক স্পষ্ট সংৰচনা।

**ক্ৰিয়া কলাপ-২ (Activity-2)**

প্ৰতিটো শিৰোনামৰ একোটাকৈ উপযুক্ত নাম বাছি উলিওৱা —

| | | | |
|---|---|---|---|
| জাতি | — | এটা জাতি বিৰোধী আন্দোলন | এটা জাতি আধাৰিত ৰাজনৈতিক দল |
| শ্ৰেণী | — | এটা শ্ৰেণী আধাৰিত আন্দোলন | এটা শ্ৰেণী আধাৰিত ৰাজনৈতিক দল |
| নাৰী | — | এটা নাৰী আন্দোলন | এটা নাৰী সংগঠন |
| জনজাতি | — | এটা জনজাতি আন্দোলন ৰাজনৈতিক দল | এটা জনজাতি বা বহু জনজাতিৰ |
| গাঁওবাসী | — | এটা পাৰিপাৰ্শ্বিক আন্দোলন | এটা পাৰিপাৰ্শ্বিকতাৰ সংগঠন |

উল্লিখিত সকলোবোৰ সামাজিক সমূহ হয়নে নহয় আলোচনা কৰা। অথবা কোন কোন ক্ষেত্ৰত তেওঁলোকে 'সমূহ' নামেৰে পৰিচয় দিব পাৰে সমাজতাত্ত্বিক জ্ঞানেৰে কোৰা।

**ক্ৰিয়া কলাপ-৩ (Activity-3)**

তোমালোকে জনা যিকোনো সমিতি বা সংগঠনৰ কিছুমান স্মাৰকপত্ৰ (Memorandum) সংগ্ৰহ কৰা। উদাহৰণস্বৰূপে এটা আৱাসিক কল্যাণ সমিতি (Residential Welfare Association), মহিলা সমিতি, বা কোনো এটা খেলৰ সংঘ। তোমালোকে সেই সমিতিবোৰৰ লক্ষ্য, উদ্দেশ্য, সদস্যতা আৰু কাৰ্যপ্ৰণালীৰ বাবে স্থিৰ কৰা নিয়মাৱলী সম্পৰ্কে জানিব পাৰিবা। এটা ডাঙৰ পৰিয়ালৰ সৈতে ইয়াক তুলনা কৰি চাবা।

তোমালোকে দেখিবলৈ পাবা সময় আগবঢ়াৰ লগে লগে বিভিন্ন সদস্যসকলৰ মাজত থকা আন্তঃসম্পৰ্কবোৰ পৰিয়াল আৰু বন্ধুবৰ্গৰ দৰে কাষ চাপি আহিছে। ইয়াৰ দ্বাৰাই বুজিব পাৰি যে অৱধাৰণাসমূহ স্থিৰ বা স্থবিৰ হৈ নাথাকে। সমাজ আৰু সামাজিক পৰিৱৰ্তনক বুজিবৰ বাবে অৱধাৰণাবোৰক চাবিকাঠী বা আহিলাৰূপে গ্ৰহণ কৰিব পাৰি।

### সমূহৰ প্ৰকাৰ (Types of Groups) ঃ


সমাজতত্ত্ববিদ আৰু নৃতত্ত্ববিদসকলে সমূহক বিভিন্ন প্ৰকাৰত ভাগ কৰিছে। প্ৰায়বোৰ ক্ষেত্ৰতে তেওঁলোকে সম্পৰ্কৰ আত্মীয়তা, মুখামুখি সম্পৰ্ক, আন্ত ঃ ক্ৰিয়াৰ স্বৰূপ ইত্যাদিৰ ওপৰত ভিত্তি কৰিয়েই সমূহৰ প্ৰকাৰসমূহ আগবঢ়াইছে। প্ৰাচীন অথবা পৌৰাণিক ক্ষুদ্ৰায়তন সমাজৰ সামাজিক সমূহৰ লগত পাৰ্থক্য আছে; কিন্তু সমাজত সম্পূৰ্ণ বিপৰীতমুখী সমূহ থকা বুলি কোৱাটো সম্পূৰ্ণ শুদ্ধ নহয়। যি কি নহওক তলত সমূহৰ কিছুমান প্ৰকাৰৰ বিষয়ে চমু আলোচনা কৰা হৈছে ।

### প্ৰাথমিক সমূহ আৰু গৌণ সমূহ (Primary and Secondary Group) ঃ

সকলো সমূহৰ প্ৰয়োজনীয়তা ব্যক্তিয়ে জীৱনত সমানে গুৰুত্বপূৰ্ণ বুলি অনুভৱ নকৰে। এনে কিছুমান সমূহ আছে যিবোৰে আমাৰ জীৱনত বিভিন্ন ধৰণেৰে প্ৰভাৱ পেলায়। সেই সমূহবোৰৰ ভিতৰত মুখ্য হৈছে

প্ৰাথমিক সমূহ। প্ৰাথমিক সমূহৰ ধাৰণাটো পোন-প্ৰথমবাৰৰ বাবে চি. এইচ কুলেই আগবঢ়াইছিল। কুলেই প্ৰাথমিক সমূহক ‘Seedbed of Society’ অৰ্থাৎ সমাজৰ কঠীয়া-তলি আখ্যা দিছে। কুলেৰ মতে প্ৰাথমিক সমূহত ঘনিষ্ঠতা, মুখামুখি সম্পৰ্ক, আৱেগিক উত্তাপ আৰু সহযোগিতা এইকেইটা বৈশিষ্ট্য থাকে। প্ৰাথমিক সমূহৰ আকাৰো সৰু হয়। পৰিয়াল, সমনীয়া সমূহ ইত্যাদি প্ৰাথমিক সমূহৰ উদাহৰণ। প্ৰাথমিক সমূহৰ মানৱ জীৱনত গুৰুত্ব সম্পৰ্কে কুলেই লিখিছে এইদৰে — “In this primary group human nature comes into existence. Man does not have it at birth, he can not acquired it except it through fellowship and it decays in isolation.”

অৰ্থাৎ “মানুহৰ মানৱীয় প্ৰকৃতি জন্মৰ লগতে গঢ় লৈ নুঠে, মানুহৰ সংস্পৰ্শতহে ই গঢ় লৈ উঠে বা আয়ত্ব কৰিবলৈ সক্ষম হয়। জন্মৰ লগে লগে শিশু এটা প্ৰাথমিক সমূহৰ সংস্পৰ্শলৈ আহে আৰু মানৱ প্ৰকৃতি বিকাশত প্ৰাথমিক সমূহে অৰিহণা যোগায়।”





*দুটা ব্যতিক্ৰমী সমূহ*

প্ৰকৃতিগতভাৱে প্ৰাথমিক সমূহবোৰ সমন্বয়ী মৰম-চেনেহেৰে পূৰ্ণ হোৱাৰ লগতে শিশুৱে প্ৰতিযোগিতা, আত্মবিশ্বাস, আৱেগপূৰ্ণ বিৰোধ ইত্যাদিবোৰো শিকে।

কুলেই গৌণ সমূহক অব্যক্তিগত, চুক্তিবদ্ধ, আনুষ্ঠানিক, যুক্তিযুক্ত আখ্যা দিছে। প্ৰাথমিক সমূহৰ প্ৰতি থকা অনানুষ্ঠানিক একাত্মবোধ ভাবৰ বিপৰীতে গৌণ সমূহৰ সদস্যসকলৰ সম্পৰ্ক আনুষ্ঠানিক। কোনো এক নিৰ্দিষ্ট লক্ষ্য প্ৰাপ্তিৰ উদ্দেশ্যে গৌণসমূহবোৰ গঠন হয়। ব্যক্তিয়ে নিজ ইচ্ছা অনুসৰি এই সমূহবোৰৰ সদস্য পদ ল’ব বা নল’বও পাৰে। গৌণ সমূহৰ কিছুমান উদাহৰণ হৈছে বিদ্যালয়, চৰকাৰী কাৰ্যালয়, ছাত্ৰ-সংগঠন ইত্যাদি।

**সম্প্ৰদায় আৰু সমাজ অথবা সমিতি (Community and Society or Association) ঃ**

পুৰণি পৰম্পৰাগত আৰু কৃষিভিত্তিক জীৱন প্ৰণালীৰ সৈতে নতুন আধুনিক নগৰীয়া জীৱনৰ সামাজিক সম্পৰ্ক, জীৱনশৈলী (lifestyle) আদিৰ পাৰ্থক্য আৰু বিপৰীতমুখী বৈশিষ্ট্যৰ সৈতে তুলনা কৰাটো প্ৰাচীন সমাজতত্ত্ববিদ সকলৰ দিনৰে পৰা প্ৰচলিত হৈ আহিছে।

সম্প্ৰদায় (community) অৱধাৰণাটিয়ে মানৱীয় সম্পৰ্কক সূচায়। যি সম্পৰ্ক বিশেষভাৱে ব্যক্তিগত,

আন্তৰিকতাপূৰ্ণ আৰু দীৰ্ঘম্যাদী। সেয়ে ইয়াত ব্যক্তিৰ সম্পৰ্ক আংশিকভাৱে পৰিয়াল, প্ৰকৃত বন্ধু আৰু স্বচ্ছ গোটৰ সৈতে মিলি পৰে।

সমাজ অথবা সমিতিক (Association) সম্প্ৰদায়ৰ সম্পূৰ্ণ বিপৰীত ৰূপে উল্লেখ কৰিব পাৰি। বিশেষকৈ স্পষ্টভাৱে ক'বলৈ গ'লে নগৰীয়া জীৱনৰ সামাজিক সম্পৰ্ক নৈব্যক্তিক, উপৰুৱা (Superficial) আৰু অস্থায়ী। বাণিজ্য আৰু উদ্যোগৰ ক্ষেত্ৰত যৌক্তিক আৰু স্ব-ইচ্ছাকৃত দৃষ্টিভংগীৰে আনৰ সৈতে লেন-দেনৰ প্ৰয়োজনীয়তাক বুজায়। আমি আনক জানিবলৈ চেষ্টা কৰাৰ পৰিৱৰ্তে চুক্তিৰ মাধ্যমেৰে আগবাঢ়িব পাৰো। তোমালোকে সম্প্ৰদায়ক প্ৰাথমিক সমূহ আৰু সমিতিক দ্বিতীয়ক সমূহৰ সমান্তৰাল ৰূপে গ্ৰহণ কৰিব পাৰা।

**ক্ৰিয়া কলাপ-৪ (Activity-4)**

আন আন দেশৰ পৰা অহা প্ৰব্ৰজনকাৰীসকলৰ অভিজ্ঞতাবোৰ জানিবলৈ চেষ্টা কৰা। অথবা দেশৰ বিভিন্ন প্ৰান্তৰ পৰা অহাসকলৰ।

তোমালোকে দেখিবলৈ পাবা সমূহবোৰৰ মাজত থকা সম্পৰ্কৰ পৰিৱৰ্তন আৰু শুধৰণি। এটা সময়ত যিসকল ব্যক্তিক বহিঃসমূহ ৰূপে গণ্য কৰা হৈছিল, তেওঁলোককে কালক্ৰমত অন্তঃসমূহৰ সদস্য ৰূপে গ্ৰহণ কৰা হয়। তোমালোকে ইতিহাসত তেনে প্ৰক্ৰিয়া দেখা পাইছেনে?

**অন্তঃসমূহ আৰু বহিঃসমূহ (In Groups and Out Groups)ঃ**

আমেৰিকান সমাজতত্ত্ববিদ ডব্লিউ. জি. চামনাৰে তেওঁৰ গ্ৰন্থ ফক্ৱেইজ (Folkways) ত সমূহক অন্তঃ সমূহ আৰু বহিঃ সমূহ এই দুটা ভাগত ভাগ কৰিছে। প্ৰায় ক্ষেত্ৰত সামাজিক সত্বা হিচাপে ব্যক্তিয়ে 'আমি', 'আমাৰ' ইত্যাদি ভাৱত একাত্ম হ'ব পাৰে; কিন্তু কিছু সমূহৰ প্ৰতি এই একাত্ম ভাৱ নাথাকে বা কম হয়। তেতিয়া সেই সমূহবোৰৰ প্ৰতি সিহঁত, তেওঁলোক ইত্যাদি পৰিভাষা আমি ব্যৱহাৰ কৰোঁহক। এই ক্ষেত্ৰত হৰ্টন আৰু হাণ্টে লিখিছে—

"There are some groups to which I belong, my family, my church, my clique, my profession, my race, my sex, my nation – any group, which I precece with the pronoun 'my'. These are 'in-group', because I feel I belong to them. There are other groups to which I do not belong others families, cliques, occupations, races, nationalities, religion, the other sex. These are 'out group' for I am outside them." (কিছুমান সমূহৰ লগত মই একাত্ম যেনে মোৰ পৰিয়াল, মোৰ ধৰ্মানুষ্ঠান, মোৰ অতি ওচৰৰ ব্যক্তিসকল, মোৰ বৃত্তি, মোৰ প্ৰজাতীয় সমূহ, মোৰ লিংগ, মোৰ জাতি— ইত্যাদি যিবোৰৰ ক্ষেত্ৰত 'মই', 'মোৰ' বিশেষণ ব্যৱহাৰ কৰোঁ। এইবোৰেই অন্ত ঃ সমূহ কাৰণ মই এই সমূহবোৰৰ ভিতৰুৱা অনুভৱ কৰোঁ। অন্যহাতেদি এনে কিছুমান সমূহো আছে যিবোৰৰ ভিতৰুৱা মই নহয় যেনে অন্যৰ পৰিয়াল, বৃত্তি, প্ৰজাতি, জাতীয়তা, ধৰ্মীয়, লিংগ ইত্যাদি। এইবোৰ বহিঃসমূহ কাৰণ মই এই সমূহৰ বাহিৰৰ।)

গতিকে অন্ত ঃ সমূহ হৈছে এজন ব্যক্তিয়ে নিজকে ভিতৰুৱা বুলি গণ্য কৰা একাত্মবোধ থকা তথা সমূহটোৰ প্ৰতি আমি/আমাৰ ইত্যাদি বিশেষণ ব্যৱহাৰ কৰা সমূহ। অন্যহাতেদি যিবোৰ সমূহৰ প্ৰতি ব্যক্তিয়ে

আত্মীক ভাৱ প্ৰদৰ্শন নকৰে বা সেই সমূহত নিজকে অন্তৰ্ভুক্ত বুলি নাভাৱে সেই সমূহবোৰক বহিঃসমূহ আখ্যা দিয়া হৈছে। বিখ্যাত সমাজতত্ত্ববিদ এম. এছ শ্ৰীনিবাসে ৰামপুৰত ১৯৪৮ চনত কৰা তাৰ জৰীপ কাৰ্যত গাঁওখনলৈ পূৰ্বতে অহা আৰু তাৰ পিছৰ পৰ্যায়ত প্ৰব্ৰজন কৰা প্ৰব্ৰজনকাৰীসকলৰ মাজত পাৰ্থক্য দেখা পাইছিল। তেওঁ লিখিছিল— 'মই শুনা অনুযায়ী গাঁওবাসীসকলে দুটা ভাৱ প্ৰকাশ কৰিছিল, যিটো মোৰ বাবে গুৰুত্বপূৰ্ণ অনুভৱ আছিল। — কেইদিনমানপূৰ্বে অহা প্ৰব্ৰজনকাৰীসকলক 'নেন্নে মন্নে বন ডাভাৰটো' (যোৱা কালি অহা অথবা এদিনক ডাভাৰটো' (যোৱা কালি অহা অথবা এদিনৰ আগতে অহা) আনহাতেদি পুৰণি প্ৰব্ৰজনকাৰীসকলক এইবুলি কোৱা হৈছিল যে 'আৰচেইণ্ডা বনবাভাৰো' (বহুদিনৰ আগতে অহা) অথবা 'খাদীম কুলাগালো' পুৰণি বংশৰ অৰ্থাৎ Old Lineages, (Srinivas 1996 :33)

**ক্ৰিয়া কলাপ-৫ (Activity-5)**

তোমাৰ বন্ধুবৰ্গ অথবা তোমাৰ সমবয়সীয়াই তোমাক প্ৰভাৱান্বিত কৰেনে? তুমি তেওঁলোকৰ অনুমোদন অথবা নামঞ্জুৰ অনুযায়ীহে সাজ-পোছাক, ব্যৱহাৰ, সংগীত শ্ৰৱণ অথবা বোলছবি চোৱাটো পছন্দ কৰানে? এয়া তুমি সামাজিক দাবী ৰূপে মানি লোৱানে? আলোচনা কৰা। তোমালোকে দেখিবলৈ পাবা সমূহবোৰৰ মাজত থকা সম্পৰ্কৰ পৰিৱৰ্তন আৰু শুধৰণি। এটা সময়ত যিসকল ব্যক্তিক বহিঃসমূহ ৰূপে গণ্য কৰা হৈছিল, তেওঁলোকক কালক্ৰমত অন্তঃ সমূহৰ সদস্য ৰূপে গ্ৰহণ কৰা হয়। তোমালোকে ইতিহাসত তেনে প্ৰক্ৰিয়া দেখা পাইছানে?

**প্ৰসংগ সমূহ (Reference Group) ঃ**

সামাজিক সত্তা হিচাপে সকলো ব্যক্তিয়েই আন ব্যক্তি, সমূহ ইত্যাদিক আদৰ্শ হিচাপে ল'ব পাৰে, অনুকৰণ কৰিব পাৰে, নিজৰ লগত তুলনাৰ মানদণ্ড হিচাপে গণ্য কৰিব পাৰে। এনেকুৱা ক্ষেত্ৰতেই প্ৰসংগ সমূহৰ ধাৰণাটোৰ ব্যৱহৃত হয়। সমাজতত্ত্বত প্ৰসংগ সমূহ ধাৰণাটো এটা গুৰুত্বপূৰ্ণ ধাৰণা।

আমি প্ৰসংগসমূহৰ অন্তৰ্ভুক্ত নহয় যদিও আমি সেইসময়ৰ দৰে চিনাকি দিব বিচাৰো। প্ৰসংগসমূহবোৰ সংস্কৃতি, জীৱন শৈলী, আকাংক্ষা, লক্ষ্য প্ৰাপ্তি ইত্যাদিৰ গুৰুত্বপূৰ্ণ উৎস। ব্যক্তিৰ প্ৰসংগসমূহৰ ধাৰণা সময়, পৰিস্থিতি অনুসৰি পৃথক হয়। উদাহৰণ স্বৰূপে ঔপনিৱেশিক কালত বহুতো মধ্যবিত্ত ভাৰতীয় লোকে ইংৰাজ ভদ্ৰলোকৰ দৰে আচৰণ, সাজ-পাৰ, খাদ্য আদিৰ অভ্যাস কৰিছিল; কিন্তু নাৰীক 'পৰম্পৰাগত ভাৰতীয়' নাৰী হৈ থকাৰ পোষকতা কৰিছিল। এই প্ৰক্ৰিয়াটো আছিল লিংগভিত্তিক। গতিকে সংস্কৃতি, সময়, পৰিস্থিতি ইত্যাদিয়ে প্ৰসংগ সমূহৰ ধাৰণাত প্ৰভাৱ পেলায়।

**সমবয়সী সমূহ (Peer Groups) ঃ**

সমবয়সী সমূহ হৈছে এক প্ৰকাৰৰ প্ৰাথমিক সমূহ। কিছুমান একে বৈশিষ্ট্যপূৰ্ণ ব্যক্তিক লৈ এই সমূহ গঠন হয়। এই সমূহৰ সদস্যসকল সমবয়সীয়া, সম প্ৰস্থিতিৰ, একে ধৰণৰ চখ, স্বাৰ্থৰ, একে কৰ্মস্থলী ইত্যাদিৰ হ'ব পাৰে।

শিশু অৱস্থাত সমনীয়া সমূহে সামাজিকীকৰণ প্ৰক্ৰিয়াত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। সমনীয়া সমূহৰ মাজতেই শিশুৱে ভূমিকা গ্ৰহণ আৰু ভূমিকা পালন কৰিবলৈ শিকে।

**ক্ৰিয়া কলাপ-৬ (Activity-6)**

পূৰ্বৰ ৰাষ্ট্ৰপতি স্বৰ্গীয় আৰ.কে. নাৰায়ণৰ জীৱন সম্পৰ্কে আৰু বেছিকৈ জানিবলৈ চেষ্টা কৰা। এই সন্দৰ্ভত জন্মসূত্ৰে লাভ কৰা (Ascribed) আৰু স্বলব্ধভাৱে লাভ কৰা (Acheived) প্ৰস্থিতি, জাতি আৰু শ্ৰেণীৰ বিষয়ে আলোচনা কৰা।

### সামাজিক স্তৰীকৰণ (Social Stratification) ঃ

প্ৰত্যেক সমাজতেই কিছু ব্যক্তি বা সমূহে অন্য সমূহ বা ব্যক্তিতকৈ বিত্ত, সম্পত্তি, শিক্ষা, স্বাস্থ্য, ক্ষমতা ইত্যাদি মহত্বপূৰ্ণ সমলসমূহৰ বৃহৎ অংশ উপভোগৰ সুবিধা পায়। সামাজিক, অৰ্থনৈতিক, সাংস্কৃতিক সমলৰ অংশ বিতৰণৰ এই পাৰ্থক্যই সমাজৰ ব্যক্তিসকলৰ মাজত অসমতাৰ সৃষ্টি কৰে। এই সামাজিক অসমানতা প্ৰাকৃতিক নহয়, ই সামাজিক। সামাজিক অসমানতাই ব্যক্তি বা সমূহক কিছু উচ্চ-নিম্ন সামাজিক স্থান দি এটা সংস্তৰণগত ক্ৰমৰ সৃষ্টি কৰে। যি প্ৰক্ৰিয়াই ব্যক্তিক সামাজিক সংস্তৰণত বিভিন্ন মৰ্যাদাক্ৰম দিয়ে সেই প্ৰক্ৰিয়াটো সমাজতত্ত্ববিদসকলে সামাজিক স্তৰীকৰণ আখ্যা দিছে। যিদৰে পৃথিৱীৰ ভূ-ভাগত কিছুমান স্তৰীকৃত শিলৰ তৰপ থাকে, ঠিক সেইদৰে মানৱ সমাজতো কিছুমান উচ্চ-নিম্ন স্তৰ থাকে। উচ্চ স্থানত থকাসকলে অধিক সা-সুবিধা আৰু নিম্ন স্থানৰসকলে তেওঁলোকতকৈ কম সুবিধা ভোগ কৰিবলৈ পায়।

সামাজিক স্তৰীকৰণ কিছুমান নীতিৰ দ্বাৰা পৰিচালিত হয়। সেইবোৰ যেনে —

(ক) সামাজিক স্তৰীকৰণ সকলো সমাজৰেই এটা বৈশিষ্ট্য।

(খ) এটা প্ৰজন্মৰ পৰা আন এটা প্ৰজন্মলৈ সামাজিক স্তৰীকৰণ চলি থাকে।

(গ) সামাজিক স্তৰীকৰণত প্ৰচলিত বিশ্বাস, আদৰ্শ ইত্যাদিয়ে সহায় কৰে।

অসমান ক্ষমতা আৰু প্ৰাধান্যতাক সমাজতত্ত্বই আলোচনাৰ কেন্দ্ৰ হিচাপে গণ্য কৰি আহিছে, কিয়নো সামাজিক স্তৰীকৰণ সমাজ সংগঠনত এক গুৰুত্বপূৰ্ণ অংশ হোৱাৰ লগতে প্ৰত্যেক ব্যক্তি, পৰিয়াল সামাজিক স্তৰীকৰণৰ দ্বাৰা প্ৰভাৱিত হয়।

ঐতিহাসিকভাৱে মানৱ সমাজত দাস, জাতি, এষ্টেট সামন্ত আৰু শ্ৰেণী পদ্ধতি এই চাৰিটা স্তৰীকৰণ পদ্ধতিৰ প্ৰকাৰ প্ৰচলিত আছিল তথা আছে।

দাস প্ৰথাত অসমতাৰ চৰম সীমা হিচাপে কিছু ব্যক্তি অন্য কিছু ব্যক্তিৰ মালিকীস্বত্বৰ অধীনত থাকিবলগীয়া হৈছিল। বিভিন্ন অঞ্চল, দেশত এই পদ্ধতি প্ৰচলিত আছিল যদিও ১৮ আৰু ১৯ শতিকাত গ্ৰীচ, ৰোম, আমেৰিকা যুক্তৰাষ্ট্ৰত দাস পদ্ধতি অতি বেছিকৈয়ে প্ৰচলিত আছিল। যদিও বৰ্তমান আনুষ্ঠানিক দাস প্ৰথাৰ বিলোপ সাধন কৰাৰ অবিৰত প্ৰচেষ্টা চলি আছে; কিন্তু বন্ধা বনুৱা (Bonded labour) হিচাপে এই প্ৰক্ৰিয়া বৰ্তমানো চলি আছে। এই ব্যৱস্থাত শিশুসকলো ভুক্তভোগী।

সামন্ত প্ৰথা মধ্যযুগীয় ইউৰোপত প্ৰচলিত আছিল য'ত মাটিৰ মালিকৰ খেতি কৰি বনুৱাসকলে কৰ-কাটল, ৰাজহ আদায় কৰিব লাগিছিল আৰু তেওঁলোক সামন্তসকলৰ অধীনত আছিল।

এই পাঠটিত জাতি আৰু শ্ৰেণীৰ বিষয়ে বহুলভাৱে আলোচনা কৰা হোৱা নাই মাথো জাতি আৰু শ্ৰেণী সামাজিক স্তৰীকৰণৰ দুটা প্ৰকাৰ হিচাপেহে আলোচনা কৰা হৈছে।

**জাতি (Caste) ঃ**

জাতিভিত্তিক স্তৰীকৰণ সম্পূৰ্ণৰূপে জন্মগতভাৱে লাভ কৰা প্ৰস্থিতিৰ ওপৰত নিৰ্ভৰশীল। ইয়াত ব্যক্তিৰ জীৱনত স্ব-লব্ধ হোৱা প্ৰস্থিতিৰ লগত কোনো সম্পৰ্ক নাই।

পৰম্পৰাগত ভাৰতীয় সমাজত বিভিন্ন জাতিৰ দ্বাৰা সামাজিক অগ্ৰাধিকাৰ বা প্ৰাধান্যতাৰ ক্ষেত্ৰত এক সামাজিক সংস্তৰণ গঢ় লৈ আছে। জাতি সংৰচনাত প্ৰত্যেক জাতিৰ সামাজিক স্থান অন্য জাতিৰ তুলনাত পবিত্ৰ নে অপবিত্ৰ সেইটো ধাৰণাৰ ওপৰত নিৰ্ভৰশীল। যিটো জাতিক সকলোকৈ পবিত্ৰ বুলি গণ্য কৰা হয় সেই জাতিটোৱেই সামাজিক, অৰ্থনৈতিক, সাংস্কৃতিক সমলৰ ক্ষেত্ৰত অগ্ৰাধিকাৰ পায় আৰু ক্ৰমাগতভাৱে সংস্তৰণৰ নিম্ন স্থানত অৱস্থান কৰা জাতিসমূহলৈ অগ্ৰাধিকাৰসমূহ কমি আহে। উদাহৰণ স্বৰূপে প্ৰায়বোৰ অঞ্চলতেই ধৰ্মীয় কাম-কাজৰ লগত জড়িত ব্ৰাহ্মণ জাতিক সবাতোকৈ পবিত্ৰ তথা উচ্চ; অন্যহাতেদি বহিঃ জাতিসকলক নিম্ন, অস্পৃশ্য, হীন ইত্যাদি বুলি গণ্য কৰা হৈছিল। পৰম্পৰাগত পদ্ধতিত ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য, শূদ্ৰক লৈ এক চাৰি তৰপীয়া ব্যৱস্থা আছিল; কিন্তু প্ৰকৃততে ভাৰতবৰ্ষত অসংখ্য জন্মপ্ৰদত্ত বৃত্তিগত গোট আছে যিবোৰকে 'জাতি' আখ্যা দিয়া হয়।

সময়ৰ লগে লগে জাতি ব্যৱস্থাত বহুতো পৰিৱৰ্তন ঘটিছে। উদ্যোগীকৰণ, নগৰীকৰণ, চৰকাৰী ব্যৱস্থা, বহিঃ বিবাহ ইত্যাদি নানান কাৰণবশত জাতি ব্যৱস্থাত উচ্চ জাতিসকলে তেওঁলোকৰ তথাকথিত শুদ্ধতা অটুট ৰক্ষা কৰাটো অত্যন্ত জটিল।

প্ৰখ্যাত সমাজতত্ত্ববিদ এ. আৰ. দেশাইয়ে ভাৰতীয় জাতি ব্যৱস্থাত নগৰীকৰণৰ প্ৰভাৱ সম্পৰ্কে লিখিছে এইদৰে—

"Modern industries brought into being modern cities honey combed with cosmopolitian hotels, restaurants, theatres, trams, buses, railways. The modern hotels and restaurants catued for the workers and middle classes became crowed in cities with persons belonging to all castes and creeds In trains and buses are occasionally rubbed shoulders with members of the depreased classes should not however be suppose that caste had vanished."

অৰ্থাৎ আধুনিক উদ্যোগে হোটেল, ৰেষ্টুৰেণ্ট, থিয়েটাৰ গৃহ, ট্ৰাম গাড়ী, বাছ আদিৰে মৌ-বাহৰ দৰে ঠাহ খাই থকা আধুনিক চহৰৰ সৃষ্টি কৰিলে। কম পৰিমাণে থকা হোটেল, ৰেষ্টুৰেণ্টত কৰ্মী, মধ্যবিত্ত শ্ৰেণী, জাতি-ধৰ্ম-বৰ্ণ নিৰ্বিশেষে ভৰি থাকিবলৈ ল'লে। জনসমাগমৰ ফলত ৰেল বা বাছত নীহকুলীয়া ব্যক্তিৰ গাতে গা লগাই বহিলেও বা ঠাহ খাই থকা হোটেল ৰেষ্টুৰেণ্টত একেলগে খালেও জাতি ব্যৱস্থাৰ অন্তৰ্ধান ঘটিছিল বুলি ক'ব নোৱাৰি।

পৰিৱৰ্তন ঘটাটো সত্য; কিন্তু বিভেদ যে আঁতৰা নাছিল সেইটোও সত্য। উদ্যোগসমূহত বোধহয় গাঁৱসমূহত দেখা পোৱাৰ দৰে মুকলি দ্বেষ নাথাকিব পাৰে; কিন্তু ব্যক্তিগত আন্ত ঃ ক্ৰিয়াত এই বৈষম্য

প্ৰকাশ পায়। উদাহৰণ স্বৰূপে নিম্ন জাতি বুলি গণ্য কৰা লোকৰ হাতৰপৰা পানী পৰ্যন্ত নোখোৱা নিজৰ প্ৰতি উচ্চাত্মিকা ভাৱ প্ৰদৰ্শন কৰি বাকীসকলৰ প্ৰতি নীচাত্মিকা ভাৱ দেখুওৱা, অপমানজনক শব্দ নিম্ন জাতিৰ ব্যক্তিৰ প্ৰতি ব্যৱহাৰ কৰা ইত্যাদি দৈনন্দিন জীৱনত নিম্ন জাতিৰ লোকে ভোগ কৰি অহা নৈমিত্তিক ঘটনা।

বৰ্তমান সময়তো তীব্ৰ জাতিগত বৈষম্য আছে; কিন্তু গণতান্ত্ৰিক পদ্ধতিয়ে জাতি ব্যৱস্থাত প্ৰভাৱ নেপেলোৱা নহয়। বঞ্চিত জাতিসমূহেও গণতান্ত্ৰিক অধিকাৰ পোৱাৰ লগতে জাতিভিত্তিক স্বাৰ্থ জড়িত সমূহবোৰেও শক্তি আহৰণ কৰিছে।

### শ্ৰেণী (Class) ঃ

সামাজিক শ্ৰেণী হৈছে সামাজিক স্তৰকৰণৰ এক প্ৰকাৰ। সামাজিক শ্ৰেণীৰ ব্যাখ্যা বিভিন্ন দৃষ্টিকোণৰ পৰা সমাজতত্ত্ববিদ তথা সমাজ বিজ্ঞানীসকলে দিছে। কাৰ্লমাক্স, মেক্স ৱেবাৰ আৰু কাৰ্যাত্মবাদত বিশ্বাসীসকলৰ শ্ৰেণী সম্পৰ্কীয় দৃষ্টিভংগীৰ বিষয়ে চমুকৈ এই অধ্যায়ত সন্নিৱিষ্ট কৰাৰ প্ৰচেষ্টা কৰা হৈছে। মাৰ্ক্সীয় সিদ্ধান্তমতে উৎপাদনৰ সাধন (Mode of production) ৰ লগত থকা সম্পৰ্কৰ ওপৰত ভিত্তি কৰি শ্ৰেণীবিভাজন হয়। কিছু সমূহে উৎপাদনৰ সকলো সমলৰে স্বত্ব অধিকাৰ কৰে অন্যহাতেদি কিছু সমূহৰ নিজৰ শাৰীৰিক পৰিশ্ৰমৰ বাদে অন্য কোনো ধৰণৰ সমল তেওঁলোকৰ নাথাকে যাৰ ফলত উৎপাদনৰ সমলৰ অধিকাৰী সকল আৰু কেৱল শাৰীৰিক শ্ৰমৰ অধিকাৰীসকল দুটা পৃথক শ্ৰেণীত অৱস্থান কৰে। সমলৰ অধিকাৰীসকল সকলো ধৰণৰ প্ৰাচুৰ্যৰ গৰাকী হোৱাৰ বিপৰীতে বাকীসকল সৰ্বহাৰা হয়। ফলত দুটা বিৰোধাত্মক শ্ৰেণী সমাজত অৱস্থান কৰে।

ৱেবাৰে 'জীৱন-সুবিধা' এই শব্দটো শ্ৰেণীৰ বিষয়ে ব্যাখ্যা কৰোঁতে ব্যৱহাৰ কৰিছে। এজন ব্যক্তিক সমূহে বজাৰ সামৰ্থ্যৰে প্ৰাপ্য হোৱা প্ৰতিফল বা সা-সুবিধাৰে তেওঁৰ শ্ৰেণী নিৰ্ধাৰণ কৰে। অৰ্থনৈতিক, ৰাজনৈতিক ক্ষমতা ইত্যাদি এই সামাজিক অসমতাৰ কাৰণ হ'ব পাৰে।

**ক্ৰিয়া কলাপ-৭ (Activity-7)**

বেচৰকাৰী সামাজিক নিয়ন্ত্ৰণে কেনেকৈ কাম কৰে তোমালোকৰ নিজৰ নিজৰ জীৱনৰ পৰা তেনে উদাহৰণ দাঙি ধৰিব পাৰিবানে? তোমালোকৰ শ্ৰেণীত অথবা খেলাৰ লগৰীয়াৰ,যাৰ ব্যৱহাৰত ব্যতিক্ৰম আছে আৰু তেওঁক কেনে ধৰণে যত্ন লোৱা হয়, তুমি মন কৰিছানে? তুমি তেনে ধৰণৰ কোনো ঘটনা মন কৰিছানে, য'ত কিছুমান শিশুক ইতিকিং কৰি খেলাৰ লগৰীয়াই আন শিশুৰ দৰে হ'বলৈ উদ্‌গনি যোগায়।

কাৰ্যাত্মিক চিন্তাধাৰাৰ চিন্তাবিদসকলে কোনো সমাজেই শ্ৰেণীবিহীন বা স্তৰীকৰণবিহীন হোৱাটো সম্ভৱপৰ বুলি বিশ্বাস নকৰে। তেওঁলোকৰ মতে সমাজ সংৰচনাত ব্যক্তিসকলে ভিন ভিন কামত নিয়োজিত হৈ সমাজৰ প্ৰয়োজনীয়তা সমূহ পূৰণ কৰাটো আৱশ্যম্ভাৱী। কাৰ্যাত্মিকবাদী চিন্তাবিদসকলে বিশ্বাস কৰে যে, অ-সচেতন ভাৱে হ'লেও উপযুক্ত ব্যক্তিক উপযুক্ত স্থান দি সমাজৰ ভাৰসাম্যতা ৰক্ষাত সামাজিক স্তৰীকৰণে সহায় কৰে।

পৰম্পৰাগত জাতি ব্যৱস্থাত সামাজিক সংস্তৰণ স্থিৰ আৰু এটা প্ৰজন্মৰ পৰা আন এটা প্ৰজন্মলৈ এই স্থিৰ প্ৰস্থিতি প্ৰবাহিত হয়। তাৰ বিপৰীতে আধুনিক শ্ৰেণী ব্যৱস্থা মুক্ত আৰু ব্যক্তিৰ প্ৰাপ্তিৰ ওপৰত নিৰ্ভৰশীল। গণতান্ত্ৰিক পদ্ধতিত আইনগতভাৱে নিষ্পেষিত শ্ৰেণী বা নিম্ন জাতিৰলোকে উচ্চ পদবী আধিষ্ঠিত হোৱাত কোনেও বাধা আৰোপ কৰিব নোৱাৰে।

সমগ্ৰ বিশ্বৰ লগতে ভাৰতবৰ্ষত এনে কিছুমান উদ্‌গনিমূলক ব্যক্তিৰ জীৱন কাহিনী আছে যিসকলে জাতি, শ্ৰেণীৰ সকলো বাধা অতিক্ৰম কৰি প্ৰাপ্তি লাভ কৰিছে।

সামাজিক স্তৰীকৰণৰ তলত অৱস্থান কৰা জাতি আৰু শ্ৰেণী দুয়োটাই অৰ্থনৈতিক, সামাজিক এই দুয়োধৰণৰ সুবিধাৰ পৰাই বঞ্চিত হয়। সমাজতত্ত্ব শ্ৰেণী, জাতি বৈষম্য ইত্যাদিৰ বিষয়ে সংবেদনশীল হৈ অধ্যয়ন কৰাটো প্ৰয়োজনীয়। গ্ৰাম্য ভাৰতত অনুসূচীত জনজাতিৰ আধা শতাংশই দৰিদ্ৰ সীমাৰেখাৰ তলত বাস কৰে।

**প্ৰস্থিতি আৰু ভূমিকা (Status and Role) ঃ**

প্ৰস্থিতি আৰু ভূমিকা দুয়োটাই আন্তঃ সম্পৰ্কযুক্ত ধাৰণা। প্ৰস্থিতি হৈছে ব্যক্তিৰ সমূহ অথবা সমাজত তেওঁৰ স্থান অৰ্থাৎ ব্যক্তিৰ সমূহগত বা সামাজিক স্থানেই হৈছে প্ৰস্থিতি (Status)।

ৰৰ্বাট বায়ৰষ্টেডে এই ক্ষেত্ৰত কৈছে — "প্ৰস্থিতি হৈছে কোনো ব্যক্তিৰ সমাজ বা সামাজিক সমূহত থকা অৱস্থান বা স্থিতি। কোনো এজন ব্যক্তিৰ প্ৰস্থিতি ব্যক্তিজনে আহৰণ কৰাৰ আগতেই সমূহ বা সমাজ সংৰচনাত সংস্থাপিত হৈ থাকে।"

এটা উদাহৰণসহ আমি বুজিবলৈ চেষ্টা কৰোঁ। ধৰা হ'ল, এজন মানুহ এটা উচ্চ জাতিত জন্ম গ্ৰহণ কৰিলে তেওঁ তেতিয়া সেই জাতিটোৰ বাবে নিৰ্ধাৰিত জাতিগত প্ৰস্থিতি লাভ কৰিব। জীৱনৰ পাছৰ পৰ্যায়ত পঢ়া-শুনা সমাপ্ত কৰি তেওঁ মহাবিদ্যালয়ৰ শিক্ষক হ'ল তেতিয়া তেওঁ জাতিগত প্ৰস্থিতিৰ লগতে সেইখন সমাজ বা সমূহত শিক্ষকৰ যিটো পূৰ্ব নিৰ্ধাৰিত প্ৰস্থিতি সেই প্ৰস্থিতিও লাভ কৰিব।

বায়ৰষ্টেডে তেওঁৰ সংজ্ঞাটোৰ দ্বাৰা কিদৰে প্ৰস্থিতি সমাজ, সমূহভেদে পূৰ্ব নিৰূপিত হৈ থাকে সেই কথা উল্লেখ কৰিছে।

**ডানকান মিচেলৰ** মতে সামাজিক প্ৰস্থিতি হৈছে কোনো ব্যক্তিয়ে, পৰিয়ালে বা স্বজনীয় সমূহে সমাজ পদ্ধতিত গ্ৰহণ কৰি থকা বা পোৱা সামাজিক স্থান। সামাজিক প্ৰস্থিতিয়ে অধিকাৰ, কৰ্তব্য আৰু অন্যান্য আচৰণৰ উপৰিও অন্য সামাজিক প্ৰস্থিতিত থকা ব্যক্তিসকলৰ লগত সম্পৰ্ক কেনেকুৱা হ'ব এই সকলোবোৰ দিশ সূচায়।

এজন ব্যক্তিয়ে সমাজত কেৱল এটা নহয় বহুতো প্ৰস্থিতি আহৰণ কৰে। এগৰাকী কন্যা এটা সময়ত মাকলৈ, কালক্ৰমত আইতাকলৈ ৰূপান্তৰ হয়। এজন ছাত্ৰ শিক্ষকলৈ, পৰৱৰ্তী পৰ্যায়ত কোনো কোনো অধ্যক্ষৰ স্থানত অৱস্থিত হ'ব পাৰে। প্ৰস্থিতি আহৰণ এইদৰেই চলি থাকে আৰু ইয়াকে প্ৰস্থিতি অনুক্ৰম (Status sequence) বুলি কোৱা হয়।

এজন ব্যক্তিয়ে জন্মসূত্ৰে এটা সামাজিক স্থান লাভ কৰে। তাত তেওঁৰ ইচ্ছা-অনিচ্ছাৰ প্ৰশ্ন নাহে।

জন্মৰ দ্বাৰা লাভ কৰা প্ৰস্থিতিক কোৱা হয় জন্মলব্ধ প্ৰস্থিতি। জন্মলব্ধ প্ৰস্থিতিৰ মূল আধাৰবোৰ হৈছে বয়স, জাতি, প্ৰজাতি, স্বজন পদ্ধতি। সৰল আৰু পৰম্পৰাগত সমাজত জন্মলব্ধ প্ৰস্থিতিৰ গুৰুত্ব অধিক।

ব্যক্তিয়ে নিজ প্ৰচেষ্টাৰেও সমাজত স্থান লাভ কৰে সেই প্ৰস্থিতিক কোৱা হয় স্বলব্ধ প্ৰস্থিতি, স্বলব্ধ প্ৰস্থিতিৰ মূল আধাৰ হিচাবে শিক্ষাগত অৰ্হতা, উপাৰ্জন, বৃত্তিগত নিপুণতাৰ কথা উল্লেখ কৰিব পাৰি। আধুনিক সমাজত যোগ্যতাৰ ওপৰত অধিক গুৰুত্ব দিয়া হয়। গতিকে জন্মপ্ৰদত্ত প্ৰস্থিতিতকৈ আধুনিক সমাজত স্বলব্ধ প্ৰস্থিতিৰ গুৰুত্ব পাৰম্পৰিক সমাজতকৈ বেছি।

প্ৰস্থিতি আৰু মৰ্যাদা দুটা আন্তসম্পৰ্কযুক্ত পৰিভাষা। সামাজিক প্ৰস্থিতি লগত কিছুমান কৰ্তব্য আৰু প্ৰমূল্য আছে অৰ্থাৎ, প্ৰত্যেক সামাজিক স্থানৰ লগত প্ৰমূল্য জড়িত হৈ থাকে। ব্যক্তিজনতকৈ ব্যক্তিজন অৱস্থিত থকা স্থানৰ লগত যি প্ৰমূল্য সংৰোপিত কৰা থাকে তাকে কোৱা হয় মৰ্যাদা (Prestige)। মৰ্যাদা বেছি থকা স্থানত অৱস্থিত থকাজন সংস্তৰণত উচ্চস্থান আৰু মৰ্যাদা কম থকা স্থানত অৱস্থিত থকা জনে সমাজ সংৰচনাত নিম্নস্থান লাভ কৰে। এজন চিকিৎসকৰ তুলনাত আয় বেছি হ'লেও এজন দোকানীৰ মৰ্যাদা কম হ'ব পাৰে। সময়, সমাজ সাপেক্ষে বৃত্তিৰ মৰ্যাদাৰ ক্ষেত্ৰত পাৰ্থক্য আছে।

প্ৰস্থিতিত সংৰোপিত কাৰ্যই হৈছে ভূমিকা। সমাজত ব্যক্তিয়ে সমাজৰ আশানুৰূপ ভাৱে আচৰণ কৰাটো বিচাৰে অৰ্থাৎ ব্যক্তিয়ে ভূমিকা গ্ৰহণো কৰে আৰু পালনো কৰে। এটা শিশুৱে শিশু কালৰে পৰা তেওঁৰ আচৰণ অন্য ব্যক্তিয়ে কিদৰে বিচাৰ কৰিব সেই সাপেক্ষে আচৰণ কৰিবলৈ শিকে। কেতিয়াবা ব্যক্তিয়ে ভূমিকাসমূহ পালন কৰোঁতে দুই বা ততোধিক ভূমিকা পালনত বৈপৰীত্য ভাৱৰ সন্মুখীন হয়। এই পৰিস্থিতিটোকে কোৱা হয় ভূমিকা সংঘৰ্ষ (Role Conflict)। উদাহৰণস্বৰূপে পত্নী, মাতৃ, চাকৰিজীৱি হিচাবে মধ্যবিত্ত পিতৃতান্ত্ৰিক পৰিয়ালত নাৰীয়ে ভূমিকাসমূহ পালনত যথেষ্ট সংকটৰ সন্মুখীন হয় যদিও এটা সাধাৰণ ধাৰণা প্ৰচলিত যে পুৰুষ সাধাৰণতে ভূমিকা সংঘৰ্ষৰ দোমোজাত নপৰে কিন্তু Nongbri ৰ লেখাত খাচী মাতৃতান্ত্ৰিক পৰিয়াল ব্যৱস্থাত পুৰুষসকলে কিদৰে ভূমিকা সংঘৰ্ষত ভোগে উদাহৰণসহ স্পষ্টকৈয়ে লিখিছে— "খাচিয়াসকলৰ মাতৃয়াত্মক পৰিয়াল ব্যৱস্থাত পুৰুষৰ ভূমিকা-সংঘাতে গুৰুতৰ ৰূপ লয়। এহাতেদি তেওঁলোকৰ জন্মস্থানৰ ঘৰখনৰ দায়িত্ব আৰু আনহাতেদি পত্নী আৰু সন্তানৰ দায়িত্বৰ মাজত তেওঁলোক দুফাল হ'বলগাত পৰে। তেওঁলোক নিজ সন্তানৰ ওপৰত থাকিবলগীয়া কৰ্তৃত্বৰ পৰা বঞ্চিত হয়। আনকি নিজে আহৰণ কৰা সম্পত্তিও তেওঁলোকৰ মৃত্যুৰ পাছত নিজ সন্তানলৈ হস্তান্তৰিত হোৱাৰ ক্ষেত্ৰতো তেওঁলোকৰ স্বাধীনতা নাথাকে।

খাচিয়া মহিলাই আন এটা ধৰণে অধিক চাপৰ সন্মুখীন হ'ব লগা হয়। এগৰাকী নাৰী সম্পূৰ্ণকৈ নিশ্চিত হ'ব নোৱাৰে যে তেওঁৰ স্বামীয়ে ভগ্নীৰ ঘৰটো ভাল নাপাব, যিটো ঘৰ তাইৰ ঘৰটোতকৈ অধিক উপযোগী হোৱা সম্ভৱপৰ। (Nogbri 2003:190)

ভূমিকা সম্পৰ্কীয় বদ্ধমূলতা (Role Stenotyping) হৈছে কোনো বিশেষ লিংগৰ বাবে নিৰ্দ্দিষ্ট ভূমিকা স্থিৰ কৰি যোৱা এক প্ৰক্ৰিয়া। উদাহৰণ স্বৰূপে নাৰীক ঘৰুৱা যতনকাৰী আৰু পুৰুষক উপাৰ্জন কৰোঁতা হিচাবে শিশু অৱস্থাৰ পৰাই সামাজিকীকৰণ কৰা হয়। বহু সময়ত সামাজিক ভূমিকা আৰু প্ৰস্থিতি ক অ-পৰিৱৰ্তনীয় বুলি কিছু ভুল ধাৰণা সমাজত প্ৰচলিত হৈ থাকে। সামাজিকীকৰণ প্ৰক্ৰিয়াৰ দ্বাৰা সমাজৰ আশানুৰূপ

ভূমিকাবোৰ ব্যক্তিয়ে গ্ৰহণ কৰে আৰু সেইমতেই তেওঁলোকে ভূমিকা পালন কৰে। সাধাৰণতে সমাজ এখনে ব্যক্তিক সমাজ, সংস্কৃতিয়ে স্থিৰ কৰা ভূমিকা কোনো ওজৰ অবিহনে গ্ৰহণ কৰাটো আশা কৰে। সামাজিক আন্তঃক্ৰিয়াৰ জৰিয়তে স্বতঃস্ফুটভাৱে ব্যক্তিয়ে সামাজিক ভূমিকাবোৰ আভ্যন্তৰীণকৰণ (Internalise) কৰে। প্ৰস্থিতি আৰু ভূমিকা অপৰিৱৰ্তনীয় নহয়। বৈষম্যমূলক প্ৰস্থিতি আৰু ভূমিকাৰ বিপক্ষে মানুহে সদায় যুঁজ দি আহিছে। কিন্তু সমাজৰ এটা অংশই এনে পৰিৱৰ্তনৰ বিৰোধিতা কৰে। ব্যক্তিৰ ভূমিকা প্ৰস্থিতি পালনৰ ক্ষেত্ৰতো সমাজিক নিয়ন্ত্ৰণত আছে।

**সমাজ আৰু সামাজিক নিয়ন্ত্ৰণ (Society & Social Control) ঃ**

সামাজিক নিয়ন্ত্ৰণ হৈছে সমাজতত্ত্বত বহু আলোচিত এটা বিষয়। সামাজিক নিয়ন্ত্ৰণ হৈছে নিয়ম নমনা বা বিৰূপ প্ৰভাৱ পেলোৱা ব্যক্তিসকলক বিভিন্ন উপায় আৰু অভিকৰ্তাসহ নিয়ন্ত্ৰণলৈ অনা সামাজিক প্ৰচেষ্টা।

সমাজতত্ত্বত যিহেতু বিভিন্ন দৃষ্টিভংগী আছে সেইবাবে সামাজিক নিয়ন্ত্ৰণৰ বিষয়ে আলোচনা সমূহো বিভিন্ন দৃষ্টিকোণৰ পৰা কৰা হৈছে। কাৰ্যাত্মকবাদী সমাজতত্ত্ববিদসকলে সমাজক আৱশ্যম্ভাৱী ভাৱে সামঞ্জস্যপূৰ্ণ বুলি কৈছে। তথাপিও সমাজত কেতিয়াবা ক্ৰুটি দেখা দিয়ে। তেনেক্ষেত্ৰত সামাজিক নিয়ন্ত্ৰণৰ প্ৰয়োজন হয়। সেইবাবে ক্ৰিয়াত্মকবাদী দৃষ্টিভংগীৰে সমাজ নিয়ন্ত্ৰণৰ বিষয়ে ব্যাখ্যা কৰিছে এইদৰে —

(ক) ব্যক্তি বা সমূহৰ আচৰণ নিয়ন্ত্ৰণৰ বাবে শক্তিৰ প্ৰয়োগ।

(খ) মূল্যবোধ আৰু আৰ্হি দাঙি ধৰি ব্যক্তি আৰু সমূহৰ আচৰণ নিয়ন্ত্ৰণ কৰা।

সামাজিক নিয়ন্ত্ৰণে ব্যক্তিৰ বিপথগামী আচৰণ নিয়ন্ত্ৰণ কৰে। ব্যক্তি আৰু সমূহৰ মাজত উত্তেজনা আৰু সংঘৰ্ষ নিয়ন্ত্ৰণ কৰি সামাজিক ক্ৰম আৰু সম্প্ৰীতি ৰক্ষা কৰে। গতিকে সামাজিক নিয়ন্ত্ৰণ সমাজৰ সুস্থিৰতাৰ বাবে নিতান্তই প্ৰয়োজন। সামাজিক নিয়ন্ত্ৰণক দমনশীল শ্ৰেণীয়ে সমাজৰ অন্যান্য ব্যক্তিক নিয়ন্ত্ৰণ কৰা এটা ব্যৱস্থা হিচাবে গণ্য কৰে। তেওঁলোকৰ মতে দমনশীল শ্ৰেণীয়ে অন্য এটা শ্ৰেণীৰ ওপৰত আদেশ, বাধা আদি আৰোপ কৰিহে লাভ কৰিব পাৰে।

গতিকে সামাজিক নিয়ন্ত্ৰণ ব্যক্তি আৰু সমূহৰ আচৰণ নিয়ন্ত্ৰণৰ প্ৰক্ৰিয়া, কৌশল বা নীতি। শক্তি প্ৰয়োগ আৰ্হি বা মূল্যবোধৰ শিক্ষাৰ এই দুয়োধৰণেই সামাজিক নিয়ন্ত্ৰণ কৰা হয়।

সামাজিক নিয়ন্ত্ৰণ আনুষ্ঠানিক বা অনানুষ্ঠানিক এই দুই ধৰণেই হ'ব পাৰে। যেতিয়া সামাজিক নিয়ন্ত্ৰণৰ কৌশলসমূহ আইনভুক্ত, পদ্ধতিগত আৰু এই সমূহ প্ৰয়োগৰ বাবে কিছুমান আনুষ্ঠানিক ব্যৱস্থা থাকে তেতিয়া এনেকুৱা প্ৰকাৰৰ নিয়ন্ত্ৰক আনুষ্ঠানিক সামাজিক নিয়ন্ত্ৰণ আখ্যা দিয়া হয়। উদাহৰণস্বৰূপে এখন দেশৰ আৰক্ষী ব্যৱস্থা, আদালত বা বহল অৰ্থত আইনী ব্যৱস্থা বা ৰাষ্ট্ৰ হৈছে আনুষ্ঠানিক সামাজিক নিয়ন্ত্ৰণৰ প্ৰকাৰ।

যেতিয়া ব্যক্তিগত, বেচৰকাৰী, আইনৰ গণ্ডীৰ বাহিৰত সমাজ নিয়ন্ত্ৰণ কৰা হয় সেইবোৰক কোৱা হয় অনানুষ্ঠানিক সামাজিক নিয়ন্ত্ৰণ। অনানুষ্ঠানিক সামাজিক নিয়ন্ত্ৰণৰ অভিজ্ঞতা সমূহৰ ভিতৰত পৰিয়াল, স্বজন, ধৰ্ম ইত্যাদি হ'ব পাৰে। এখন সমাজত অনানুষ্ঠানিক সামাজিক নিয়ন্ত্ৰণৰ প্ৰসাৰ বিভিন্ন পৰ্যায়লৈকে হ'ব পাৰে। শাৰীৰিক ভংগীমাৰ পৰা আৰম্ভ কৰি 'সন্মান ৰক্ষাৰ বাবে হত্যা' লৈকে।

কিন্তু বহুসময়ত অনানুষ্ঠানিক সামাজিক নিয়ন্ত্ৰণতকৈ আনুষ্ঠানিক নিয়ন্ত্ৰণ পদ্ধতি সমাজৰ সকলোৰে বাবে সমান কিন্তু অনানুষ্ঠানিক পদ্ধতিত কাৰোবাক নিয়ন্ত্ৰণ কৰিবলৈ গৈ মৌলিক অধিকাৰৰ পৰাও বঞ্চিত হ'ব পাৰে। উদাহৰণস্বৰূপে ঘৰৰ অমতত অন্যজাতিৰ লগত বিবাহপাশত আৱদ্ধ হোৱাৰ বাবে হত্যাৰ নিচিনা ঘটনাও ঘটে। এইবোৰৰ জৰিয়তে এচাম ব্যক্তিয়ে ব্যক্তিৰ ইচ্ছাক নিয়ন্ত্ৰণ কৰিব খোজে যিটো ভাৰতবৰ্ষৰ আনুষ্ঠানিকৰ নিয়ন্ত্ৰণ প্ৰণালী অৰ্থাৎ আইন বিৰুদ্ধ।

নিঃসন্দেহে ক'ব পাৰি সামাজিক নিয়ন্ত্ৰণৰ সবাতোকৈ পুৰণি আৰু শেষ পৰ্যায়ৰ মাধ্যমটো হৈছে শাৰীৰিক বলপ্ৰয়োগ। আনকি আধুনিক গণতান্ত্ৰিক ভদ্ৰ সমাজতো শেষ যুক্তিৰ অন্তত বল প্ৰয়োগৰ প্ৰচেষ্টা দেখা যায়। কোনো সমাজেই আৰক্ষী শক্তিৰ অবিহনে বৰ্তি থাকিব নোৱাৰে অথবা বিকল্পৰূপে বলপ্ৰয়োগক শেষ অস্ত্ৰৰূপে ব্যৱহাৰ কৰে। এই সৰ্বশেষ বলপ্ৰয়োগৰ ভীতিগ্ৰস্ততাই দৈনন্দিন সামাজিক নিয়ন্ত্ৰণক অটুত ৰাখে।.... য'ত জনসমূহে একেলগে বাস কৰে অথবা সীমিতসমূহৰ মাজত কাম কৰে, তেওঁলোকে ব্যক্তিগতভাৱে এজনে -আনজনৰ সৈতে পৰিচিত হৈ থাকে আৰু আনুভূতিকতাৰে অনুৰাগীসকল বান্ধ খাই থাকে। (সমাজতত্ত্বত ইয়াক প্ৰাথমিক সমূহ বুলি কোৱা হয়। ) প্ৰতাপী আৰু নিয়ন্ত্ৰণৰ চতুৰ কৌশলে অৱিৰতভাৱে প্ৰকৃত চতুৰ বিপথগামীসকলক আয়ত্বত ৰাখে... সামাজিক নিয়ন্ত্ৰণৰ আন এটা দিশ হৈছে ছলাহীজনৰ দাবী কৌশল প্ৰয়োগ।.... এটা সৰু ল'ৰাই তাৰ "ডাঙৰ ককায়েকৰ নাম" লৈ লগৰীয়াবোৰক নিয়ন্ত্ৰণত ৰাখিবলৈ বিচাৰে আৰু প্ৰয়োজন অনুসৰি কোনোবা বিৰোধীক প্ৰহাৰো কৰিব পাৰে। তেনেকুৱা "ককায়েক" নাথাকিলে আন এজনক আৱিষ্কাৰ কৰিও ল'ব পাৰে। এইখিনিতে মন কৰিবলগীয়া কথাষাৰ হৈছে ৰাজহুৱা সম্বন্ধৰ (public relations) জৰিয়তে মেধাৰ প্ৰশ্নৰ উদয় হ'ব পৰা অৱস্থাটো। সঁচাকৈয়ে এটা সৰু ল'ৰাৰ আৱিষ্কাৰক সঁচা নিয়ন্ত্ৰণলৈ ৰূপান্তৰ ঘটাব পাৰিছেনে (Berger84-90) তোমালোকে কেতিয়াবা মন কৰিছানে? এটা সৰু ল'ৰাই আনক ভয় দেখুৱাবৰ বাবে কোৱা কথা এফাঁকি 'মই মোৰ ডাঙৰ দাদাক কৈ দিম'। তুমি এনেধৰণৰ উদাহৰণ ভাবিব পাৰানে?

সেইবাবেই সামাজিক নিয়ন্ত্ৰণৰ ইতিবাচক আৰু নেতিবাচক দুয়োটা দিশেই আছে। যিসকল ব্যক্তিয়ে সমাজৰ আশানুৰূপ আচৰণ কৰে তেওঁক পুৰস্কাৰ আৰু যি নকৰে তেওঁক শাস্তি প্ৰদান কৰা, তিৰস্কাৰ কৰা দুয়ো ব্যৱস্থা সমাজত প্ৰচলিত আছে। তাকে কোৱা হয় সামাজিক অনুশাসন (Sanction)। অনুশাসনৰ জৰিয়তে বিপথগামী ব্যৱহাৰ অৰ্থাৎ সামাজিক প্ৰতিমান বিৰোধী কাৰ্য ৰোধ কৰা হয়।

সমাজ সংস্কৃতিভেদে প্ৰতিমান প্ৰমূল্যৰ ভিন্নতা আছে বা বিপথগামী আচৰণ বুলি গণ্য কৰা আচৰণ সময় সাপেক্ষে প্ৰত্যাহ্বান জনোৱা হয়। উদাহৰণ স্বৰূপে এসময়ত নাৰী এগৰাকীয়ে শিক্ষা গ্ৰহণ কৰাটো বিপথগামী আচৰণ বুলি গণ্য কৰা হৈছিল কিন্তু বৰ্তমান এই আচৰণ গ্ৰহণীয় আচৰণহে।

গতিকে ওপৰৰ আলোচনাৰ পৰা আমি সমাজতাত্ত্বিক কিছু পৰিভাষা আৰু ধাৰণাৰ বিষয়ে জ্ঞান লাভ কৰিলোহঁক সমাজতত্ত্ব কিদৰে এক পৃথক সমাজবিজ্ঞান এই ধাৰণা, পৰিভাষা সমূহে আমাৰ জনাত সহায় কৰিব।

**পৰিভাষা (Glossary) ঃ**

- **সংঘৰ্ষৰ সিদ্ধান্ত (Conflict Theories) ঃ** এই সিদ্ধান্ত অনুসৰি ই হ'ল এক সমাজতত্ত্বীয় পৰিপ্ৰেক্ষ, যি সমাজত থকা বিভিন্ন শ্ৰেণীৰ লোকৰ মাজৰ বিভাজন, প্ৰতিযোগিতা আৰু সংঘাতক অধ্যয়ন কৰে।
- **ক্ৰিয়াত্মকবাদ (Functionalism) ঃ** ই হ'ল এক সমাজতাত্ত্বিক পৰিপ্ৰেক্ষ, যাৰ জৰিয়তে সমাজৰ ভিন্ন ব্যক্তি আৰু সংস্থাসমূহৰ মাজৰ পাৰস্পৰিক কাৰ্যসমূহ অধ্যয়ন কৰে।
- **পৰিচয় (Identity) ঃ** সমাজৰ ব্যক্তিক লিংগ, জাতীয়তা, নৃ-গোষ্ঠীয়তা, সামাজিক শ্ৰেণী ইত্যাদিৰ দ্বাৰা চিনাক্তকৰণ প্ৰক্ৰিয়া।
- **উৎপাদনৰ আহিলা (Means of Production) ঃ** যিসমূহ আহিলাৰ যোগে উৎপাদিত সামগ্ৰী সমাজলৈ যোগান ধৰা হয়।
- **সূক্ষ্ম সমাজতত্ত্ব আৰু বৃহৎ সমাজতত্ত্ব (Microsociology and Macrosociology) ঃ** সূক্ষ্ম সমাজতত্ত্বই ক্ষুদ্ৰসমূহ আৰু ব্যক্তিগত পৰ্যায়ৰ সামাজিক আন্তঃক্ৰিয়াক অধ্যয়ন কৰে আৰু বৃহৎ সমাজতত্ত্বই বৃহৎ সমাজ বা বৃহৎ সামাজিক পদ্ধতিত যেনে— ৰাজনৈতিক পদ্ধতিক অধ্যয়ন কৰে।
- **জন্মকালীন (Natal) ঃ** এজন ব্যক্তিৰ জন্মস্থান বা জন্মৰ সময়ৰ লগত এই শব্দ জড়িত।
- **প্ৰতিমান (Norms) ঃ** সমূহৰ সদস্যবৰ্গই আশা কৰা যিবোৰ আচৰণ বা কৰ্মৰ নীতি সেইবোৰক সামাজিক প্ৰতিমান বুলি কোৱা হয়।

## অনুশীলনী (Exercise)

১। সমাজতত্ত্বত কিয় কিছুমান বিশেষ পৰিভাষা আৰু অৰধাৰণা ব্যৱহাৰ কৰোঁ ?
Why do we need to use special terms and concepts in Sociology?

২। সমাজৰ একোজন সদস্য হিচাপে তুমি ভিন্নসমূহত বা ভিন্নসমূহৰ লগত আন্তঃক্ৰিয়া কৰিব লাগে। এই সমূহবোৰে কেনেকৈ এটি সমাজতত্ত্বীয় পৰিপ্ৰেক্ষ গঠন কৰিছে, আলোচনা কৰা।
As a member of society you must be integrating with and in different groups. How do you see these groups from a socialogical perspective ?

৩। সামাজিক নিয়ন্ত্ৰণ মানে কি ? এইক্ষেত্ৰত ভিন্ন অঞ্চলৰ ভিন্ন সমাজত সামাজিক নিয়ন্ত্ৰণৰ ধৰণসমূহ ভিন্ন ধৰণৰ বুলি ভাবানে ?

What is social contorl? Do you think the modes of social control in different spheres of society are different? Discuss.

৪। তুমি পালন কৰা ভিন্ন সামাজিক ভূমিকা আৰু সেইমতে পোৱা প্ৰস্থিতিসমূহ চিনাক্তকৰণ কৰা। এই সামাজকি ভূমিকা আৰু প্ৰস্থিতি পৰিৱৰ্তনীয় বুলি ভাবানে? যদি ভাবা, তেন্তে কেতিয়া আৰু কেনেকৈ পৰিৱৰ্তন হয় আলোচনা কৰা।

Identify the different roles and status that you play and are located in. Do you think roles and status change? Discuss when and how they change.

**References :**


- BERGER, L. PETER. 1976.' Invitation to Sociology : A Humanistic Perspective. Penguin, Harmondsworth.
- BOTTOMORE, TOM. and ROBERT, NISBET. 1978. A History oj Sociological Analysis. Basic Books, New York.
- BOTTOMORE, TOM. 1972. Sociology. Vintage Books, New York.
- DESHPANDE, SAllSH. 2003. Contemporary India: A Sociological View. Viking, Delhi.
- FERNANDO, FRANCO. MACWAN, JYOTSNA. and RAMANATHAN, SUGUNA. 2004. Journeys to Freedom Dalii Narratives. Samya, Kolkata.
- GIDDENS, ANTHONY. 2001. Sociology. Fourth Edition, Polity Press, Cambridge.
- JAYARAM, N. 1987. Introductory Sociology. Macmillan India Ltd, Delhi.
- NONGBRI, TiPLUT. 2003. 'Gender and the Khasi Family Structure: The Meghalaya Succession to Self-Acquired Property Act, 1984', in ed. REGE, SHARMILA. Sociology oj Gender The Challenge oj Feminist Sociological Knowledge. Sage Publications, New Delhi, pp.182-194.
- SRINIVAS, M.N. 1996. Village, Caste, Gender and Method. Oxford University Press, New Delhi.

তৃতীয় অধ্যায়

# সামাজিক সংস্থাবোধ
# (Understanding Social Institutions)

**পৰিচয় (Introduction) ঃ**

দেখা যায়, সমাজখনত প্ৰতিজন লোকৰে একোটা নিৰ্দিষ্ট স্থান (Status) আছে। সেইমতে, প্ৰতিজন ব্যক্তিয়ে পালন কৰিবলগীয়া একোটা ভূমিকাও (Role) থাকে। অৱশ্যে, এই ভূমিকা চিনেমাই-নাটকে অভিনেতাসকলে পালন কৰা ভূমিকাৰ দৰে নহয়।

আমাৰ সমাজখনত এনে কিছুমান অনুষ্ঠান আছে যিবোৰে আমাৰ স্বাধীনতা সীমিত বা নিয়ন্ত্ৰিত কৰি ৰাখে আৰু প্ৰয়োজন সাপেক্ষে পুৰস্কাৰ বা শাস্তিৰো বিধান কৰে। এনে ধৰণৰ কাৰ্য সম্পাদন কৰা বৃহৎ অনুষ্ঠানটি হৈছে ৰাষ্ট্ৰ আৰু ক্ষুদ্ৰ অনুষ্ঠানটি হৈছে আমাৰ পৰিয়াল।

এই অধ্যায়ত আমি কিছুমান সামাজিক অনুষ্ঠানৰ বিষয়ে আলোচনা কৰিম যি ধৰণেৰে সমাজশাস্ত্ৰ (Sociology) আৰু সামাজিক নৃ-তত্ত্ব বিভাগ (Social Anthropology)এ এই বিষয়বোৰ আলোচনা কৰে। যেনে—

(১) পৰিয়াল, বিবাহ আৰু সম্বন্ধ
(২) ৰাজনীতি
(৩) অৰ্থনীতি
(৪) ধৰ্ম
(৫) শিক্ষা

বহল ভিত্তিত ক'বলৈ গ'লে, এটি সামাজিক অনুষ্ঠান হৈছে এনে এক ব্যৱস্থা যি কিছুমান নিৰ্দিষ্ট নীতি-নিয়ম প্ৰণয়ন আৰু প্ৰয়োগ কৰি সেইবোৰক আইনৰ দ্বাৰা স্বীকৃতি দি সমাজখনক নিয়ন্ত্ৰিত কৰি ৰাখে। এই নিয়মখিনি ভংগ কৰাৰ অধিকাৰ দেশৰ আইনে কাকো নিদিয়ে। এই অনুষ্ঠানসমূহে মানুহৰ ব্যক্তি-স্বাধীনতা খৰ্ব কৰে যদিও তেওঁলোকক অনেকখিনি সুযোগ-সুবিধাও প্ৰদান কৰে।

একোটা সামাজিক অনুষ্ঠান কেতিয়াবা আমাৰ বাবে একোটা আকাংক্ষিত লক্ষ্যও হৈ পৰে। উদাহৰণ স্বৰূপে, পৰিয়াল, ধৰ্ম, ৰাষ্ট্ৰ, শিক্ষা আদি কোনো মানুহৰ বাবে একোটা আকাংক্ষিত লক্ষ্য হৈ পৰে।

**ক্ৰিয়া কলাপ-১ (Activity-1)**

ৰাষ্ট্ৰ বা ধৰ্মৰ বাবে মানুহে কেনেকৈ ত্যাগ স্বীকাৰ কৰে, আলোচনা কৰা।

দেখা যায় যে সামাজিক অনুষ্ঠানসমূহ সমাজশাস্ত্ৰত ভিন্ন ভিন্ন ধাৰণাৰ আধাৰত অধ্যয়ন কৰা হয়। কাৰ্যাত্মক ভাবাদৰ্শী (Functionalist) আৰু সংঘাতবাদী (Conflicting) শ্ৰেণীটোৱে এই বিষয়সমূহ ভিন্ন দৃষ্টিকোণৰ পৰা অধ্যয়ন কৰে। উদাহৰণ স্বৰূপে, শ্ৰেণী বিভাজন আৰু সামাজিক নিয়ন্ত্ৰণৰ বিষয়টি ল'ব পৰা যায়। এইদৰে সামাজিক অনুষ্ঠানসমূহ ভিন্ন ভিন্ন দৃষ্টিকোণৰ পৰা অধ্যয়ন কৰা হয়।

কাৰ্যাত্মক দৃষ্টিকোণৰ পৰা চালে দেখা যায় যে সামাজিক অনুষ্ঠান একোটা কিছু নীতি-নিয়ম, বিশ্বাস, মূল্যবোধ আদিৰ এক জটিল বিন্যাস হয় আৰু সামাজিক অনুষ্ঠান একোটা দৰাচলতে কিছুমান সামাজিক প্ৰয়োজন পূৰণ কৰাৰ স্বাৰ্থতহে গঢ়ি তোলা হয় বুলিব পাৰি। ইয়াৰে কিছুমান অনুষ্ঠান, যেনে— আইন ব্যৱস্থা, শিক্ষা ব্যৱস্থা আদিক বিধিসন্মত অনুষ্ঠান বুলি ধৰা হয় আৰু পৰিয়াল, বিবাহ আদিক অনানুষ্ঠানিক বিষয় বুলি ধৰা হয়।

সংঘাতবাদী দৃষ্টিভংগীৰে চোৱাসকলে কয় যে সমাজত সকলো মানুহে সমান স্থান লাভ কৰিবলৈ নাপায়। শ্ৰেণীভেদ ব্যৱস্থা, জাতিভেদ ব্যৱস্থা, জনজাতীয় ব্যৱস্থা, লিংগ বৈষম্য আদিৰ বাবে সমাজ এখনত কিছু লোকে সম-মৰ্যাদা নাপায় কাৰণ এই বিষয়বিলাকক লৈ মুখ্য ভূমিকা পালন কৰাসকলেহে সমাজখনত অধিক গুৰুত্ব লাভ কৰে। এতিয়া মুখ্য ভূমিকা পালন কৰা শ্ৰেণীটোৱে সামাজিক, ৰাজনৈতিক আৰু অৰ্থনৈতিকভাৱে সমাজখনৰ দিক নিৰ্ণয় কৰিব পাৰে বাবে তেওঁলোকেই সমাজখনৰ নিয়ন্ত্ৰণ নিজৰ হাতলৈ নিব পাৰে।

এই দিশৰ পৰা চালে দেখা যায় যে বৃহত্তৰ সমাজখনৰ প্ৰয়োজনৰ খাতিৰতহে সামাজিক অনুষ্ঠানসমূহ গঢ় লৈ উঠে বোলা ধাৰণাটি সত্য নহয়।

এই অধ্যায়টি অধ্যয়ন কৰোঁতে তোমালোকে কেইটিমান উদাহৰণ দাঙি ধৰিবলৈ চেষ্টা কৰা য'ত সামাজিক অনুষ্ঠানসমূহে ব্যক্তি-স্বাধীনতা খৰ্ব কৰাৰ সমান্তৰালভাৱে কিছু কিছু ক্ষেত্ৰত সুযোগ-সুবিধাও প্ৰদান কৰিছে। লগতে, এই অনুষ্ঠানসমূহে কেনেকৈ সমাজৰ বিভিন্ন শ্ৰেণীক ভিন্ন ভিন্ন ধৰণেৰে প্ৰভাৱান্বিত কৰে, দেখুওৱা।

উদাহৰণ স্বৰূপে, পাৰিবাৰিক জীৱনে কেনেকৈ এহাতে ব্যক্তি-স্বাধীনতা সীমিত কৰে আৰু আনহাতে তেওঁক কিছু সুযোগ-সুবিধাও প্ৰদান কৰে, আলোচনা কৰা, অথবা, আইনী ব্যৱস্থাটোৱে ব্যক্তি-স্বাধীনতা সীমিত কৰাৰ সমান্তৰালভাৱে কেনেকৈ সুযোগ-সুবিধাও প্ৰদান কৰে, আলোচনা কৰা।

### পৰিয়াল, বিবাহ আৰু স্বজন (Family, Marriage and Kinship) ঃ

পৰিয়ালেই হৈছে অতি স্বাভাৱিকভাৱে গঢ় লৈ উঠা সামাজিক অনুষ্ঠান আৰু প্ৰায়বোৰ পৰিয়ালৰ আন্তঃগাঁথনি প্ৰায় একে। অন্য কোনো সামাজিক অনুষ্ঠানেই পৰিয়ালৰ দৰে বিশ্বব্যাপ্ত আৰু অপৰিৱৰ্তনীয় নহয়। বহু যুগধৰি সমাজশাস্ত্ৰ আৰু সামাজিক নৃতত্ত্ব বিভাগে ক্ষেত্ৰ অধ্যয়ন কৰি পৰিয়াল, বিবাহ আৰু স্বজনতাই সকলো ধৰণৰ সমাজতে কেনেকৈ মূল ভেটি এটা গঢ়ি তোলে, তাৰ বিষয়ে অধ্যয়ন কৰিছে। একোটা পৰিয়াল

কেনেকৈ সংস্কাৰ-সংস্কৃতি, শিক্ষা-ৰাজনীতি আৰু অৰ্থনীতিৰ লগতো জড়িত, সেই বিষয়েই তেওঁলোকে সুন্দৰকৈ ফঁহিয়াই দেখুৱাইছে। এই ক্ষেত্ৰত আমি প্ৰথম অধ্যায়ত পাই অহাৰ দৰেই এটা দিশৰ অধ্যয়নে কেনেকৈ আন এটা দিশকো সামৰি লয়, সেই কথা আমাক মনত পেলাই দিছে।

কাৰ্যাত্মক ভাবাদৰ্শীসকলৰ মতে, সমাজখনৰ প্ৰয়োজনীয়খিনি পূৰণ কৰাত আৰু সামাজিক শৃংখলা বৰ্তাই ৰখাত পৰিয়ালে অতি গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। তেওঁলোকে লক্ষ্য কৰিছে যে আধুনিক উদ্যোগ-নিৰ্ভৰ সমাজখনত মহিলাসকলে যদি পৰিয়ালটিৰ দায়িত্ব কান্ধ পাতি লয় আৰু পুৰুষসকলে যদি উপাৰ্জন কৰিবলৈ ওলাই যায়, তেতিয়াহে উত্তম ফল এটি লাভ কৰি পাৰে।

আমাৰ দেশখনত কিন্তু দেখা গৈছে যে একক পৰিয়ালসমূহ বেছি ফলদায়ক হয়। (সিং, ১৯৯৩ ঃ ৮৩) ইয়াৰ পৰা ইয়াকে ক'ব পাৰি যে সমাজ এখনৰ পাৰিবাৰিক গাঁথনিটোৰ আমি সাধাৰণীকৰণ কৰিব নোৱাৰোঁ। কাৰ্যাত্মবাদী (Functionalist) সকলে কোৱামতে, আধুনিক উদ্যোগপ্ৰধান সমাজখনত একক পৰিয়ালেই হৈছে সৰ্বোত্তম। এনে পৰিয়ালৰ এজন সদস্যই উপাৰ্জনৰ বাবে ঘৰৰ বাহিৰলৈ যাব পাৰে আৰু আনজনে পৰিয়ালটিৰ শিশু-সন্তানসকলৰ দায়িত্ব ল'ব পাৰে। বাস্তৱ ক্ষেত্ৰত দেখা যায়, এনে পৰিয়ালত সাধাৰণতে পুৰুষ সদস্যজনেই অৰ্থ উপাৰ্জনকাৰী হয় আৰু মহিলা সদস্যাগৰাকীয়ে পাৰিবাৰিক আৱেগ-অনুভূতিবোৰৰ তদাৰক কৰি পৰিয়ালটি একতাৰ ডোলেৰে বান্ধি ৰাখে। (গীডেনচ্, ২০০১)

এই কথাটো অৱশ্যে সম্পূৰ্ণ শুদ্ধ নহয় কাৰণ ইয়াত লিংগ বৈষম্যৰ কথা প্ৰকাশ পাইছে আৰু লগতে পৃথিৱীৰ বহুখিনি সমাজতে ইয়াৰ বিপৰীত চিত্ৰ এখনহে দেখিবলৈ পোৱা যায়। এতিয়া, ঔদ্যোগিক ক্ষেত্ৰখনতো দেখা গৈছে যে বস্ত্ৰ উদ্যোগকে আদি কৰি অনেক ক্ষেত্ৰত মহিলাসকলে এক উল্লেখযোগ্য বৰঙণি আগবঢ়াই আহিছে। সেয়েহে, পুৰুষ সদস্যজনেই পৰিয়ালৰ মুৰব্বীৰ দায়িত্বখিনি পালন কৰিব লাগিব বুলি কোনো কথা নাই।

**পৰিয়াল গঠনত ভিন্নতা (Variations in Family Forms) ঃ**

আমাৰ দেশত একক পৰিয়াল আৰু যৌথ পৰিয়ালৰ মাজৰ সুবিধা-অসুবিধাখিনিক লৈ যথেষ্ট বিতৰ্ক হোৱা দেখা যায়। সমাজবিজ্ঞানে পিছে প্ৰায়বোৰ ক্ষেত্ৰতে আমাৰ সাধাৰণ জ্ঞানখিনিক লৈ প্ৰশ্ন উত্থাপন কৰে। আমাৰ দেশত সাধাৰণতে দৰিদ্ৰ শ্ৰেণীটোৰ মাজত একক পৰিয়ালসমূহ বেছিকৈ দেখা পোৱা যায়। এম.এ. শ্বাহ নামৰ সমাজ বিজ্ঞানীজনৰ মতে স্বাধীনোত্তৰ ভাৰতত যৌথ পৰিয়ালৰ সংখ্যাহে বৃদ্ধি পাইছে। তেওঁৰ মতে ইয়াৰ প্ৰধান কাৰণ হৈছে জীৱন-কালৰ দৈৰ্ঘ্য, যিটো পুৰুষসকলৰ ক্ষেত্ৰত ১৯৪১-৫০ ৰ পৰা ১৯৮১-৮৫ বৰ্ষৰ সময়ছোৱাত ৩২ - ৫৫ বছৰলৈ আৰু মহিলাৰ ক্ষেত্ৰত ৩১ - ৫৫ বছৰলৈ বৃদ্ধি পাইছিল।

ফলস্বৰূপে, আমাৰ দেশত মানুহৰ গড় আয়ুস ৬০ বছৰতকৈয়ো অধিক হৈছে। তেওঁ লিখিছে, 'কেনে ধৰণৰ পৰিয়ালত এই বয়সস্থ লোকসকলক দেখা পোৱা যায়? মই ভাবোঁ, যৌথ পৰিয়ালত।' তেওঁৰ এইটো কথা অৱশ্যে সাধাৰণীকৰণ (Generalisation) ৰ দোষেৰে দূষিত হৈ পৰিছে। কিন্তু, সমাজ-বিজ্ঞানৰ দৃষ্টিকোণৰ পৰা চালে দেখা যায় যে আমাৰ দেশত বৰ্তমান যৌথ পৰিয়াল ব্যৱস্থাৰ অৱনতি ঘটিছে বুলি অন্ধভাৱে বিশ্বাস কৰি থকাটোও শুভ লক্ষণ নহয়। সেয়ে আমি এই দিশত ক্ষেত্ৰত অধ্যয়ন (Field Study) কৰাৰ প্ৰয়োজনীয়তা

আহি পৰিছে। ক্ষেত্ৰ অধ্যয়নৰ পৰা ইতিমধ্যে দেখা পোৱা গৈছে যে ভিন্ন ভিন্ন সমাজত ভিন্ন ধৰণৰ পৰিয়াল গঢ় লৈ উঠিছে। তাৰে কিছুমান পৰিয়াল মাতৃপ্ৰধান বা মাতৃকেন্দ্ৰিক (Matrilocal) আৰু আন কিছুমান পৰিয়াল পিতৃপ্ৰধান বা পিতৃকেন্দ্ৰিক (Patrilocal) হিচাপে গঢ় লৈ উঠে। মাতৃপ্ৰধান পৰিয়াল ব্যৱস্থাত কোনো নৱ-দম্পত্তি মহিলাগৰাকীৰ গৃহতহে বাস কৰাৰ বিপৰীতে পিতৃপ্ৰধান পৰিয়ালত নৱ-দম্পত্তি পুৰুষজনৰ পিতৃ-গৃহতহে থাকিবলৈ লয়। পিতৃতান্ত্ৰিক পৰিয়ালত পুৰুষ-সদস্যজনে যিকোনো সিদ্ধান্ত গ্ৰহণ কৰাৰ কৰ্তৃত্ব লাভ কৰাৰ বিপৰীতে মাতৃপ্ৰধান পৰিয়ালত সেই কৰ্তৃত্ব মহিলাগৰাকীয়েহে লাভ কৰা দেখা যায়।

**নাৰী নেতৃত্বাধীন ঘৰ (Female headed households) ঃ**

পুৰুষসকলে যেতিয়া নগৰ অঞ্চললৈ প্ৰব্ৰজন কৰে তেতিয়া মহিলাসকলে হাল বোৱা আৰু খেতিপথাৰ পৰিচালনাৰ কামো কৰিব লাগে। বহু সময়ত তেওঁলোকেই পৰিয়ালৰ একমাত্ৰ জীৱিকা অৰ্জনৰ গৰাকী হয়। তেনে ধৰণৰ পৰিয়ালকে নাৰী নেতৃত্বাধীন পৰিয়াল বুলি কোৱা হয়। বিধৱা অৱস্থায়ো এনে পৰিয়াল গঠনত ভূমিকা ল'ব পাৰে। কেতিয়াবা আকৌ এনেকুৱাও হ'ব পাৰে, পুৰুষজন পুনৰ বিবাহ পাশত আবদ্ধ হয় আৰু তেওঁৰ পূৰ্বৰ পৰিয়ালটিক ভৰণ-পোষণ দিয়াটো বন্ধ কৰি দিয়ে। এনে অৱস্থাত নাৰীগৰাকীয়ে পৰিয়ালটিৰ ভৰণ-পোষণৰ সমস্ত দায়িত্বই ল'বলগীয়া হয়। দক্ষিণ-পূৰ মহাৰাষ্ট্ৰত বসবাস কৰা কালামচ্ (Kolams) জনজাতি আৰু অন্ধ্ৰ প্ৰদেশৰ উত্তৰ অঞ্চলত বসবাস কৰা জনজাতিসকলৰ মাজত এনে নাৰী নেতৃত্বাধীন পৰিয়ালক প্ৰতিমান হিচাপে লোৱা হয়।

**অন্যান্য সামাজিক স্তৰৰ লগত পৰিয়ালৰ সম্পৰ্ক আৰু পাৰিবাৰিক পৰিৱৰ্তন (Families Linked to other Social Spheres and Family changes) ঃ**

দেখিবলৈ পাওঁ যে সমাজৰ ৰাজনৈতিক আৰু অৰ্থনৈতিক ক্ষেত্ৰসমূহৰ পৰা পৰিয়াল-ব্যৱস্থাটো সম্পূৰ্ণ পৃথকৰূপে গঢ় লৈ উঠে যদিও যিকোনো প্ৰকাৰে হ'লেও পৰিয়াল এটি বা গৃহস্থী ঘৰ এখন সমাজখনৰ বাকীবোৰ ক্ষেত্ৰৰ সৈতে জড়িত হৈ পৰে।

এইক্ষেত্ৰত এটি আমোদজনক কথা উদাহৰণ হিচাপে দাঙি ধৰিব পৰা যায়। যোৱা শতিকাৰ ৯০ ৰ দশকত পূৱ-জাৰ্মানী আৰু পশ্চিম জাৰ্মানী একত্ৰিত হোৱাৰ পৰৱৰ্তী পৰ্যায়ত সেই দেশৰ চৰকাৰে সকলো ধৰণৰ সমাজ-কল্যাণমূলক আৰু পৰিয়াল-কল্যাণমূলক আঁচনি প্ৰত্যাহাৰ কৰাত দেশৰ যুৱক-যুৱতীসকলে বিবাহ-পাশত আবদ্ধ হৈ পৰিয়াল একোটি গঢ়ি তোলাৰ চিন্তাটো পৰিত্যাগ কৰিছিল যাতে তেওঁলোক কোনো ধৰণৰ অৰ্থনৈতিক সংকটৰ সন্মুখীন হ'বলগীয়া নহয়। এনেদৰে দেখা যায় যে পৰিয়াল আৰু পাৰিবাৰিক কথাবোৰ দেশৰ অৰ্থনৈতিক ব্যৱস্থাৰ দ্বাৰা প্ৰভাৱিত হয়। তথাপিও অৱশ্যে পৰিৱৰ্তন আৰু প্ৰগতি সমান্তৰালভাৱেই আগবাঢ়ে।





*পৰিয়াল আৰু বাসস্থানৰ পাৰ্থক্য লক্ষ্য কৰা*





*কাম আৰু ঘৰ*

**পৰিয়ালত কেনেকৈ লিংগভেদ হয় (How Gendered Family is?) ঃ**

সাধাৰণতে মানুহে ভাবে, ল'ৰা-সন্তান এটিয়েহে তেওঁলোকক বৃদ্ধকালত চোৱা-চিতা কৰিব আৰু কন্যা সন্তানটি বিবাহৰ জৰিয়তে আঁতৰি যাব। সেয়েহে, সাধাৰণ মানুহখিনিয়ে সদায় ল'ৰা সন্তানত অধিক গুৰুত্ব প্ৰদান কৰে আৰু তেওঁলোকৰ ভৰণ-পোষণ আৰু শিক্ষা-দীক্ষাত অধিক ধন আৰু সময় বিনিয়োগ কৰে, যদিও পুত্ৰ-সন্তান এটিতকৈ কন্যা-সন্তান এটিৰ জীৱনকাল স্বাভাৱিকভাৱেই বেছি হোৱা দেখা যায়। তথাপিও দেখা যায়, আমাৰ দেশত কন্যা-সন্তানৰ মৃত্যুৰ হাৰ যথেষ্ট বেছি।

**১৯০১ চনৰ পৰা ২০১১ চনৰ ভিতৰত ল'ৰা-ছোৱালীৰ অনুপাত ঃ**

| বৰ্ষ | লিংগ অনুপাত | বৰ্ষ | লিংগ অনুপাত | বৰ্ষ | লিংগ অনুপাত |
|---|---|---|---|---|---|
| ১৯০১ | ৯৭২ | ১৯১১ | ৯৬৪ | ১৯২১ | ৯৫৫ |
| ১৯৩১ | ৯৫০ | ১৯৪১ | ৯৪৫ | ১৯৫১ | ৯৪৬ |
| ১৯৬১ | ৯৪১ | ১৯৭১ | ৯৩০ | ১৯৮১ | ৯৩৪ |
| ১৯৯১ | ৯২৬ | ২০০১ | ৯৩৩ | ২০১১ | ৯৪০ |

কন্যা-শিশু হত্যাৰ ঘটনা বৃদ্ধি হোৱা বাবে আমাৰ দেশত ল'ৰা-ছোৱালীৰ অনুপাতৰ যথেষ্টই অৱনতি ঘটিছে। ১৯৯১ চনত এই অনুপাত ১০০০ জনৰ বিপৰীতে ৯৩৪ হোৱাৰ পৰা ২০০১ চনত ৯২৭ হে হয়গৈ। শতাংশ হিচাপত এই লিংগ বৈষম্যৰ ছবিখন যথেষ্ট ভয়াবহ। পাঞ্জাৱ, হাৰিয়ানা, মহাৰাষ্ট্ৰ, উত্তৰ প্ৰদেশ আদি উন্নত ৰাজ্যসমূহতো এই লিংগ অনুপাত যথেষ্ট হতাশাজনক। পঞ্জাৱত প্ৰতি ১০০০ জন ল'ৰাৰ বিপৰীতে ছোৱালীৰ সংখ্যা হৈছে ৭৯৩ মাত্ৰ।

**বিবাহৰ অনুষ্ঠান (Institution of Marriage) ঃ**

ঐতিহাসিকভাৱে ভিন ভিন সমাজত ভিন ভিন পদ্ধতিৰে বিবাহ-কাৰ্য সম্পন্ন কৰা হয়। আনকি বিবাহ অনুষ্ঠানত দৰা-কইনাৰ উপস্থিতিৰ ক্ষেত্ৰতো সমাজভেদে ভিন ভিন নীতি-নিয়ম পালন কৰা হয়।

**ক্ৰিয়া কলাপ-২ (Activity-2)**

তেলেগু ভাষাত কোৱা হয়, কন্যা শিশু এটি ডাঙৰ-দীঘল কৰাটো গছপুলি এটি সাৰ-পানী দি ডাঙৰ-দীঘল কৰাৰ নিচিনাই। এই ধৰণৰ বাক্যৰ বিপৰীত অৰ্থ প্ৰকাশ কৰা উক্তি বিচাৰি উলিওৱা আৰু লগতে এনে উক্তিৰ মাজেৰে প্ৰকাশ পোৱা সমাজৰ লিংগ বৈষম্যৰ ছবি এখন দাঙি ধৰা।

**ক্ৰিয়া কলাপ-৩ (Activity-3)**

বিভিন্ন সমাজত জীৱন-সংগী বাচি লোৱাৰ ক্ষেত্ৰত প্ৰচলিত নিয়মসমূহ আলোচনা কৰা।

**বিবাহৰ বিভিন্ন স্বৰূপ (Forms of Marriage) ঃ**

সমাজভেদে বিবাহৰ ক্ষেত্ৰত ভিন ভিন নীতি-নিয়ম পালন কৰা হয়। প্ৰধানকৈ, বিবাহৰ বাবে সংগী নিৰ্বাচনৰ ক্ষেত্ৰতে এই নীতি-নিয়মবোৰ পালন কৰা হয়। কিছুমান সমাজত একগামী বিবাহৰ (Monogamy) পৰম্পৰা থকাৰ বিপৰীতে আন কিছু সমাজত বহুগামী বিবাহৰো (Polygamy) পৰম্পৰা থাকে। একগামী ব্যৱস্থাত মাত্ৰ এজন পুৰুষ আৰু এগৰাকী মহিলাৰ মাজতহে বিবাহ অনুষ্ঠিত হয়। কিন্তু, বহুগামী বিবাহ ব্যৱস্থাত এজন পুৰুষে একাধিক নাৰী বা এগৰাকী মহিলাই একাধিক পুৰুষৰ সৈতে বিবাহ পাশত আবদ্ধ হ'ব পাৰে।

অৱশ্যে, একগামী বিবাহ ব্যৱস্থাতো জীৱন-সংগীৰ মৃত্যু বা বিবাহ-বিচ্ছেদ আদিৰ পৰৱৰ্তী সময়তহে পুনৰ বিবাহৰ সুযোগ লাভ কৰে। প্ৰধানকৈ, পুৰুষসকলৰ ক্ষেত্ৰত এনে বিবাহৰ উদাহৰণ যথেষ্ট দেখা যায় যদিও বিধৱা-বিবাহৰ ক্ষেত্ৰত উচ্চ শ্ৰেণীৰ হিন্দু সমাজখন এতিয়াও ইমান উদাৰ হোৱা নাই, যদিও বিগত ১৯ শতিকাত বিধৱা-বিবাহৰ সপক্ষে এক আন্দোলন গঢ় লৈ উঠিছিল। সেয়ে হয়তো দেশৰ প্ৰায় ১০ শতাংশ মহিলা আৰু ৫০ বছৰৰ ঊৰ্দ্ধৰ ৫৫ শতাংশ মহিলাই বিধৱা হিচাপেই জীৱন কটাবলগীয়া হয়।

বহু-বিবাহৰ ক্ষেত্ৰতো দুই ধৰণৰ পৰম্পৰা দেখিবলৈ পোৱা যায়। বহুপত্নী (Polygamy) ব্যৱস্থাত এজন পুৰুষে একে সময়তে একাধিক মহিলাক বিয়া কৰাব পাৰে আৰু বহুপতি (Polyandry) ব্যৱস্থাত এজনী

মহিলাই একাধিক পুৰুষক বিয়া কৰাব পাৰে। প্ৰধানকৈ, আৰ্থিক দীনতাৰ বাবেই বহুতো পুৰুষে বহুপতি (Polyandry) ব্যৱস্থাটো মানি লয়।

**সামাজিক বিবাহৰ নীতি-নিয়মসমূহ (Arranged Marriages, Rules and Prescriptions) ঃ**

বেছিভাগ সমাজতে বিবাহৰ বাবে দৰা-কইনাৰ নিৰ্বাচন তেওঁলোকৰ পিতৃ-মাতৃ বা সম্পৰ্কীয় লোকসকলে কৰে আৰু কিছু কিছু সীমিত ক্ষেত্ৰতহে পাত্ৰ-পাত্ৰীসকলে নিজৰ পচন্দমতে জীৱন-সংগী বাচি ল'ব পাৰে। এই ক্ষেত্ৰত সাধাৰণতে দুই ধৰণৰ সামাজিক ব্যৱস্থা দেখিবলৈ পোৱা যায়। এবিধ হৈছে অন্তঃবিবাহ (Endogamy) আৰু আনবিধ হৈছে বহিঃবিবাহ (Exogamy)।

অন্তঃবিবাহ ব্যৱস্থাত একেই গাঁৱৰে জাত-ধৰ্মৰ পাত্ৰ-পাত্ৰীৰ মাজতহে বিবাহ অনুষ্ঠিত হয়। ইয়াৰ বিপৰীতে বহিঃবিবাহ ব্যৱস্থাত নিজৰ গাঁৱৰ বাহিৰৰ সমাজৰ পৰা পাত্ৰ-পাত্ৰী নিৰ্বাচন কৰা হয়। বিশেষ কিছুমান গোট, জাতি, বৰ্ণ, ধৰ্ম আদিৰ মাজতহে অৱশ্যে এই ধৰণৰ বিবাহ ব্যৱস্থা থাকে।

প্ৰধানকৈ, পাত্ৰীগৰাকীৰ বিবাহ কোনো দূৰণিবটীয়া গাঁৱৰ পাত্ৰৰ লগতহে সম্পন্ন কৰা হয় যাতে কইনাগৰাকীৰ দাম্পত্য জীৱনত তেওঁৰ মাতৃ পৰিয়ালে কোনো ধৰণৰ প্ৰভাৱ পেলাব নোৱাৰে, কাৰণ দুইখন ঘৰৰ মাজৰ দূৰত্বৰ হেতু সদস্যসকলৰ আহ-যাহ যথেষ্ট কম হয়। সেয়েহে বিবাহ-বাহৰত কইনাঘৰীয়া আয়তীসকলে কিছুমান দুখলগা বিয়ানাম গোৱা শুনিবলৈ পোৱা যায়।

'দেউতা ঐ, আমি এজাক চৰাইৰ দৰে, আমি দূৰলৈ উৰি গুচি যাম।
আমাৰ এই যাত্ৰা দীঘলীয়া।
আমি নাজানো কোন স্থানলৈ আমি উৰি যাম।
দেউতা, মোৰ ৰাজকীয় ৰথ তোমাৰ ৰাজকাৰেঙৰ পৰা নোলায় (কাৰণ দুৱাৰখন বৰ সৰু)।
মোৰ জী, মই ইটা এচপৰা এৰুৱাই দিওঁ (তোমাৰ ৰথৰ বাবে পথ বহল কৰিবৰ উদ্দেশ্যে)
তুমি তোমাৰ ঘৰলৈ যাবই লাগিব।
হে' মোৰ বিদায়ী কন্যা, তোমাৰ কোমল ধুনীয়া চুলি
তোমাৰ দৰা সোনকালেই আহিব আৰু তোমাক লৈ যাব।
ঢোল ডাঙৰকৈ বাজিছে, চেহনাই কোমলকৈ বাজিছে
এজন অচিনাকি লোকৰ পুত্ৰ মোক নিবলৈ আহিব।'

**ক্ৰিয়া কলাপ-৪ (Activity-4)**

বিভিন্ন বিয়াগীত সংগ্ৰহ কৰা য'ত পাত্ৰীগৰাকীৰ মনৰ দুখখিনিৰ প্ৰতিফলন ঘটে।

**ক্ৰিয়া কলাপ-৫ (Activity-5)**

বিবাহৰ বিভিন্ন বিজ্ঞাপন সংগ্ৰহ কৰা আৰু অন্তঃবিবাহ (Endogamy) ব্যৱস্থা এতিয়াও প্ৰচলিত হৈ আছে নেকি, লক্ষ্য কৰা।

বিবাহৰ ক্ষেত্ৰত পাত্ৰ-পাত্ৰীৰ নিজা পচন্দ-অপচন্দ কিমান দূৰ খাটে, আলোচনা কৰা। লগতে, বিবাহৰ ক্ষেত্ৰত বৰ্তমান সময়ত কি কি পৰিৱৰ্তন আহিছে, আলোচনা কৰা।

**কিছু মূল ধাৰণা ঃ পৰিয়াল, স্বজনতা আৰু বিবাহ ( Some Basic Concepts : Family, Kinship and Marriage) ঃ**

পৰিয়াল হৈছে অতি ওচৰ সম্পৰ্কৰ ব্যক্তি বিশেষৰ একোটা গোট য'ত প্ৰাপ্তবয়স্কসকলে বাকীসকল সদস্যৰ লগতে সতি-সন্তানসকলৰ ভৰণ-পোষণৰ দায়িত্ব লয়। পৰিয়াল এটিৰ সদস্যসকলৰ মাজত সাধাৰণতে তেজৰ সম্পৰ্কই মূল যদিও বিবাহৰ জৰিয়তেও দুই-এক সদস্য পৰিয়াল এটিৰ অন্তৰ্ভুক্ত হৈ পৰে।

জন্মসূত্ৰে পৰিয়াল এটিৰ সদস্য হোৱাটো হৈছে প্ৰাথমিক সদস্য (Primary) হোৱা আৰু বিবাহৰ জৰিয়তে পৰিয়াল এটিৰ অন্তৰ্ভুক্ত হোৱাটো প্ৰজনন (Procreation) ৰ জৰিয়তে সদস্যভুক্ত হোৱা বুলি কোৱা হয়। দেখা যায় যে পৰিয়াল এটিৰ অৰ্থনৈতিক অৱস্থাটো সদস্যসকলৰ ওপৰত প্ৰত্যক্ষভাৱে নিৰ্ভৰশীল।

টাইনীৰ আইতাকে জীৱনত জীৱিকাৰ বাবে বহু ধৰণৰ কামেই কৰিছিল। বৃদ্ধকালত গৈ থৈ তেওঁ মানুহৰ ঘৰে ঘৰে চাকৰণীৰ কামো কৰিবলগীয়া হ'ল। যিটো বয়সত তেওঁ নাতি-নাতিনীৰ লগত খেলা-ধূলা কৰি হাঁহি-মাতি থাকিব লাগিছিল সেইটো বয়সত তেওঁ আনৰ ল'ৰা ছোৱালীৰ আপডাল কৰাৰ লগতে মালিকনীৰ হাত-ভৰিও মালিচ কৰি দিবলগীয়া হৈছিল।


এনে ধৰণৰ কাম কিছুমানৰ উল্লেখ কৰা।

**কৰ্ম আৰু অৰ্থনৈতিক জীৱন ঃ কৰ্ম কি ? (Work and Economic Life : What is Work) ঃ**

ছাত্ৰ-ছাত্ৰী হিচাপে বা যুৱক-যুৱতী হিচাপে আমি ভৱিষ্যতে কৰিবলৈ ইচ্ছা কৰা কামবোৰৰ পৰিকল্পনা কৰা। এই কৰ্ম কিন্তু মাননি বা ধনৰ বিনিময়ত কৰা কাৰ্যহে। বিনা দৰমহাত কৰা কাম নহয়। (এইটো অৱশ্যে কৰ্ম সম্পৰ্কে অতি সৰলীকৃত এক ধাৰণাহে। বহু ধৰণৰ এনে কাম আছে য'ত মাননি বা দৰমহাৰ কথাটো নাহে।) এই ধৰণৰ কামবোৰ চৰকাৰীভাৱে স্বীকৃত জীৱিকা বুলিও ধৰা নহয়।

অনানুষ্ঠানিক অৰ্থনীতি (Informal economy) বুলিলে এনে ধৰণৰ কামসমূহক বুজায় যিবোৰ নিয়মিত চাকৰি (Regular job) বুলি ধৰা নহয় যদিও এই ধৰণৰ কামৰ বিনিময়ত কেতিয়াবা কিছু পৰিমাণৰ ধন আগবঢ়োৱা হ'ব পাৰে।

কৰ্ম বুলিলে এতিয়া সেইবোৰ কামকে বুজোৱা হয় যিবোৰত শাৰীৰিক বা মানসিক শক্তি প্ৰয়োগ কৰা হয় আৰু যিবোৰৰ বিনিময়ত মাননি বা দৰমহা আগবঢ়োৱা হয় বা কেতিয়াবা নহয়ো।



*বিভিন্ন প্ৰকাৰৰ কাম*

**কৰ্মৰ আধুনিক ৰূপ আৰু কৰ্ম-বিভাজন (Modern Forms of Work and Division of Labour) ঃ**

প্ৰাক্-আধুনিক সমাজখনত সৰহ সংখ্যক লোকেই কৃষি-কাৰ্য আৰু জীৱ-জন্তু পোহা কামতে ব্যস্ত আছিল। কিন্তু ঔদ্যোগিকভাৱে উন্নত সমাজ এখনত খুব কম সংখ্যক লোকহে কৃষি কাৰ্যত জড়িত হয়। তদুপৰি, এনে সমাজত কৃষি খণ্ডতো কাৰিকৰী ব্যৱস্থা প্ৰয়োগ কৰা হয়। অৱশ্যে, আমাৰ দেশত বেছি সংখ্যক লোক আজিৰ দিনতো সেই তাহানিৰ দৰেই অনুন্নত প্ৰক্ৰিয়াৰে কৰা কৃষি-কাৰ্যতে ব্যস্ত হৈ থকা দেখা যায়।

আমাৰ দেশত অৱশ্যে বৰ্তমান সময়ত সেৱাখণ্ডৰ যথেষ্ট পৰিমাণে বিস্তৃতি হোৱা দেখিবলৈ পোৱা গৈছে।

আধুনিক যুগত দেখা পোৱা অন্য এটি বিষয় হৈছে কৰ্ম বিভাজন পদ্ধতি। প্ৰায় প্ৰতিটো কামেই অনেক ক্ষুদ্ৰ ক্ষুদ্ৰ ভাগত ভাগ কৰা হয় আৰু সেই প্ৰতিটো ভাগতে কিছু সংখ্যক বিশেষজ্ঞ শ্ৰমিক গঢ় দি লোৱা হয়। পৰম্পৰাগত সমাজত কৃষি-বৰ্হিভূত কাম বুলিলে কোনো এটা বিশেষ শিল্পকলাত দক্ষতা আহৰণ কৰাটোকে

বুজাইছিল। তেনে দক্ষতা আহৰণৰ হেতু এজন ব্যক্তিয়ে আন কোনো এজন দক্ষ ব্যক্তিৰ অধীনত বহুদিনৰ বাবে শিক্ষা-নবিচৰ দৰে চৰ্চা কৰিবলগীয়া হৈছিল আৰু তেওঁ সেই কামটো সম্পূৰ্ণৰূপে আয়ত্ব কৰি ল'ব লাগিছিল।

**ক্ৰিয়া কলাপ-৬ (Activity-6)**

গ্ৰাম্য জীৱনৰ বিভিন্ন কৰ্মত জড়িত থকা ব্যক্তিসকলৰ এক অনুপাত উলিওৱা আৰু তেওঁলোকৰ সেই কামবোৰৰ এখনি তালিকা প্ৰস্তুত কৰা।

**ক্ৰিয়া কলাপ-৭ (Activity-7)**

বৰ্তমান যুগত সেৱাখণ্ডলৈ আগবাঢ়ি যোৱা ক্ষেত্ৰসমূহ কি কি?

আধুনিক সমাজখনত বহুখিনি কামেই সেৱাখণ্ডলৈ পৰিৱৰ্তিত হৈ পৰিছে। ঔদ্যোগীকৰণৰ পূৰ্বতে বহুখিনি কাম মানুহৰ নিজৰ ঘৰতে সম্পন্ন হৈছিল আৰু তেওঁলোকে কাম এটাৰ সকলোখিনি দিশেই সামৰি লৈছিল। কিন্তু, ঔদ্যোগীকৰণৰ পিছত বিজুলী আৰু তেল-কয়লা আদি শক্তিৰ সহায়ত চলা যন্ত্ৰ-পাতিবোৰৰ প্ৰভাৱহে বৃদ্ধি পালে। ডাঙৰ ডাঙৰ পুঁজিপতিৰ অধীনত গঢ় লৈ উঠা কল-কাৰখানাবিলাকে আধুনিক সমাজখনৰ প্ৰায় সকলোখিনি দিশেই সামৰি ল'বলৈ আগবাঢ়ি আহিছে।

**ক্ৰিয়া কলাপ-৮ (Activity-8)**

শ্বল এখন প্ৰস্তুত কৰি উলিয়াওঁতে এজন তাঁতীক কিমান সময়ৰ প্ৰয়োজন হয়, লক্ষ্য কৰা।

আধুনিক কল-কাৰখানাত কাম কৰিব বিচৰা লোকসকলক বিশেষ এটা কামৰ বাবেহে প্ৰশিক্ষণ দিয়া হয় আৰু তেওঁক সেইমতেহে মাননি দিয়া হয়। যিহেতু এজন কৰ্মীৰ পৰা যিমান পৰা যায় সিমানখিনি কাম আদায় কৰি লোৱাটোৱেই মালিক আৰু পৰিচালকজনৰ মুখ্য উদ্দেশ্য, সেয়েহে এজন পৰিচালকে কৰ্মীসকলৰ কাম-কাজবোৰ পৰিদৰ্শন কৰি থাকে।

আধুনিক সমাজখনৰ আন এটি বিশেষ লক্ষ্যণীয় দিশ হৈছে অৰ্থনৈতিক সহযোগিতা আৰু আন্তঃনিৰ্ভৰশীলতা।

প্ৰতিটো কামৰ বাবেই সমাজখন বিভিন্ন দিশৰ আৰু পৰ্যায়ৰ দক্ষ ব্যক্তিৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হয়।

উদাহৰণ স্বৰূপে, আধুনিক সমাজখনৰ বেছিভাগ লোকে নিজৰ খাদ্য নিজেই প্ৰস্তুত নকৰে, নিজৰ বাসগৃহ নিজেই নাসাজে আৰু তেওঁলোকৰ দৈনন্দিন ব্যৱহাৰ্য বস্তুবোৰো নিজেই উৎপাদন নকৰে।

**ক্ৰিয়া কলাপ-৯ (Activity-9)**

তুমি খোৱা বিভিন্ন খাদ্যৰ লগতে তুমি থকা ঘৰটোৰ নিৰ্মাণত ব্যৱহাৰ কৰা বস্তুবোৰৰ এখন তালিকা প্ৰস্তুত কৰা আৰু তুমি পৰিধান কৰা বিভিন্ন সাজ পোচাকৰো তালিকা এখন প্ৰস্তুত কৰা।


এতিয়া এই বস্তুবিলাক কোনে কোনে উৎপাদন কৰে, জানিবলৈ চেষ্টা কৰা।

**কামৰ পৰিৱৰ্তন (Transformation of Work) ঃ**


ঔদ্যোগিক কাম-কাজবোৰ কিছুমান সৰু সৰু ভাগত বিভক্ত কৰি লোৱা হয় যাতে সেই কামবোৰ সময়ত সুক্ষ্মভাৱে আৰু নিয়াৰিকৈ চোৱা-চিতা কৰিব পৰা হয়। লগতে, বৃহৎ পৰিমাণৰ উৎপাদন আৰু বিপণনৰ বাবে বৃহৎ আকাৰৰ বজাৰ এখনৰো সন্ধান কৰিবলগীয়া হয়।

ঔদ্যোগিক যুগৰ এটি উল্লেখযোগ্য আৱিষ্কাৰ হৈছে অৱধাৰিতভাৱে দৃষ্টি ৰখা ব্যৱস্থাটি। আধুনিক ঔদ্যোগিক উৎপাদনৰ বাবে বহু ধৰণৰ ব্যয়বহুল যন্ত্ৰ-পাতিৰ লগতে সেইবোৰৰ কাম-কাজখিনিৰ ওপৰত তীক্ষ্ণ দৃষ্টি ৰখাৰো প্ৰয়োজনীয়তা আহি পৰিছে। লগতে, বিগত দশককেইটাত কৰ্মৰ বিকেন্দ্ৰীকৰণ আৰু নমনীয় ধৰণৰ উৎপাদন ব্যৱস্থাৰ প্ৰতিও মনোযোগ বৃদ্ধি পাইছে। কোৱা হৈছে যে এতিয়াৰ যুগটো হৈছে বিশ্বায়নৰ যুগ। সেয়ে, বৰ্তমান বজাৰ ব্যৱস্থাৰ পৰিৱৰ্তনৰ প্ৰতি লক্ষ্য ৰাখি উদ্যোগসমূহে নিজৰ নিজৰ উৎপাদিত সা-সামগ্ৰীসমূহ গ্ৰাহকমুখী কৰিবৰ বাবে এক প্ৰতিযোগিতাত অৱতীৰ্ণ হৈছে।

এই বিষয়ে সহজকৈ বুজিবৰ বাবে বাংগালোৰৰ বস্ত্ৰ উদ্যোগটোৰ বিষয়ে কিছু কথা আলোচনা কৰিব পাৰি।



*ছবি চাই দুই প্ৰকাৰৰ বস্ত্ৰ উদ্যোগৰ আলেচনা কৰা*



*গাঁৱত শস্য চপোৱাৰ দৃশ্য*

এই গোটেই উদ্যোগটোৰেই এক অদৃশ্য শিকলিৰে বান্ধি ৰখা এক ব্যৱস্থা আৰু ইয়াত উৎপাদনকাৰী গোটৰ ভালেখিনি সীমাবদ্ধতা আছে। বস্ত্ৰ উদ্যোগৰ আৰ্হি প্ৰস্তুত কৰোঁতাজন আৰু গ্ৰাহকজনৰ মাজত শতাধিক স্তৰৰ কাম-কাজ সম্পন্ন কৰা হয়। এই ব্যৱস্থাটোত উৎপাদনকাৰীজনৰ হাতত মাত্ৰ ১৫ শতাংশ মানহে দায়িত্ব আৰু কৰ্তৃত্ব থাকে।

এনে উদ্যোগত যদিহে দৰমহা বৃদ্ধিৰ দাবীত এক আন্দোলন গঢ় লৈ উঠে, তেতিয়া উৎপাদনকাৰীজনে উদ্যোগটি আন ঠাইলৈ উঠাই নিবৰ বাবে বাধ্য হৈ পৰে য'ত সেই আন্দোলনকাৰীসকলৰ প্ৰভাৱ নাথাকে।

দেখা যায় যে ব্যৱসায়ক লৈ এক প্ৰকাৰ আন্তৰ্জাতিক চক্ৰ গঢ় লৈ উঠে। (ৰয় চৌধুৰী, ২০০৫ ঃ ২২৫৪)

(ওপৰৰ ৰিপৰ্টটো সুক্ষ্মভাৱে পঢ়া যাতে উৎপাদন ব্যৱস্থা আৰু উপভোক্তাসকলৰ মাজৰ এই জটিল সম্পৰ্কই দেশখনৰ অৰ্থনীতিৰ লগতে ৰাজনীতিতো কিদৰে প্ৰভাৱ পেলায়, বুজিব পাৰা।)

**ৰাজনীতি (Politics) ঃ**

ৰাজনীতি বুলিলে সাধাৰণতে ক্ষমতা আৰু কৰ্তৃত্বৰ কথাই বুজায় আৰু ৰাজনৈতিক অনুষ্ঠানসমূহ প্ৰধানকৈ ক্ষমতা বিতৰণৰ লগতে জড়িত হৈ থাকে। ক্ষমতা হৈছে প্ৰচণ্ড বাধাকো আওকাণ কৰি নিজৰ ইচ্ছাক সাকাৰ ৰূপ দিব পৰা এক শক্তি।

গতিকে, ক্ষমতাই সদায় আনৰ পৰাজয়ৰ কথাকে বুজায়। সমাজ এখনৰ পিছে নিৰ্দিষ্ট পৰিমাণৰহে ক্ষমতা থাকে। গতিকে, কোনো এজন ব্যক্তিয়ে সেই ক্ষমতাখিনি হস্তগত কৰাৰ অৰ্থটো হৈছে বাকীসকলক সেই ক্ষমতাৰ পৰা বঞ্চিত কৰি ৰখা। অৰ্থাৎ, কোনো ব্যক্তি বা অনুষ্ঠানেই অকলশৰীয়াভাৱে ক্ষমতা আয়ত্ব বা প্ৰয়োগ কৰিব নোৱাৰে। এই ক্ষমতা সদায় আনৰ লগত সম্পৰ্কিত অৱস্থা এটাতহে প্ৰয়োগ কৰিব পাৰি। উদাহৰণ স্বৰূপে, পৰিয়াল এটিত মুৰব্বীজনে বাকীসকল সদস্যৰ মাজত ঘৰুৱা দায়িত্বখিনি ভাগ-বতৰা কৰি দিওঁতে বা অধ্যক্ষ এজনে বিদ্যালয়ত নিয়মানুৱৰ্তিতা প্ৰৱৰ্তন কৰোঁতে এই ক্ষমতাৰেই প্ৰয়োগ কৰে। গতিকে, এই ক্ষমতাৰ জোৰতে অধ্যক্ষ এজনে বিদ্যালয়খনত নিয়মানুৱৰ্তিতা বাহাল ৰখাৰ দৰে ৰাজনৈতিক দল এটাৰো অধ্যক্ষজনে নিজৰ ক্ষমতা প্ৰয়োগ কৰিয়েই কোনো এজন নিয়ম নমনা সদস্যক দলৰ পৰা বহিষ্কাৰ কৰিব পাৰে।

এইদৰে দেখা যায় যে ৰাজনৈতিক কাম-কাজবোৰ সদায়ে ক্ষমতাৰ লগতে জড়িত।

কোনো এক লক্ষ্য প্ৰাপ্তিৰ ক্ষেত্ৰত ক্ষমতাই কেনেকৈ সহায় কৰে বা কি কাৰণে বেছি সংখ্যক মানুহেই ক্ষমতাবানজনৰ নীতি-নিৰ্দেশনাখিনি মানি লয়?

ইয়াৰ উত্তৰটো পোৱা যায় কৰ্তৃত্বৰ ওচৰত। কৰ্তৃত্বৰ দ্বাৰাহে ক্ষমতাৰ প্ৰয়োগ কৰা হয় আৰু এনে ধৰণেৰে প্ৰয়োগ কৰা ক্ষমতাহে বৈধ আৰু নীতি-সন্মত বুলি ধৰা হয়।

সেয়েহে, সৰ্ব-সাধাৰণ লোকে সদায় কৰ্তৃপক্ষৰ দ্বাৰা প্ৰয়োগ কৰা ক্ষমতাহে বৈধ আৰু শুদ্ধ বুলি মানি লয়।

**ৰাষ্ট্ৰবিহীন সমাজ-ব্যৱস্থা (Stateless Society) ঃ**

পৰীক্ষামূলক অধ্যয়নে আমাক জানিবলৈ দিছে কেনেকৈ চৰকাৰবিহীন বা ৰাষ্ট্ৰবিহীন অৱস্থাতো সমাজ এখনত নিয়মানুৱৰ্তিতা বাহাল ৰাখিব পৰা যায়। সেই অৱস্থাত সমাজখনত বিপৰীতমুখী বিষয়সমূহ, যেনে— গৃহস্থী-ঘৰ, বিবাহ-সম্বন্ধ আৰু অন্যান্য সামাজিক নীতি-নিয়ম আৰু আদৰ্শসমূহে বন্ধু-শত্ৰুকো একত্ৰিত কৰি ৰাখে।

আমি দেখিছোঁ, আধুনিক ৰাষ্ট্ৰ এখনৰ এক নিৰ্ধাৰিত গাঁথনি থকাৰ লগতে আনুষ্ঠানিক নীতি-নিয়ম

কিছুমানো থাকে। গতিকে, বহুখিনি অনানুষ্ঠানিক বিষয়ত ৰাষ্ট্ৰবিহীন সমাজ এখনৰ প্ৰতিফলন বৰ্তমানৰ ৰাষ্ট্ৰবাদী সমাজখনতো মাজে মাজে দেখিবলৈ পোৱা যায়।

**ৰাষ্ট্ৰৰ ধাৰণা (The Concept of the State) ঃ**

ৰাজনৈতিক ব্যৱস্থা বুলিলে সাধাৰণতে সংসদীয় আৰু প্ৰশাসনিক ব্যৱস্থা এটা থাকে যি এক নিৰ্দিষ্ট ভৌগোলিক সীমাৰ ভিতৰত কৰ্তৃত্ব সহকাৰে ক্ষমতা প্ৰয়োগ কৰিব পাৰে। এই ক্ষেত্ৰত চৰকাৰী কৰ্তৃপক্ষৰ পিছত সদায় এক আইনী ব্যৱস্থা থাকে যি চৰকাৰখনক প্ৰয়োজন সাপেক্ষে সামৰিক বাহিনীক কামত খটুৱাবলৈয়ো কৰ্তৃত্ব প্ৰদান কৰে।

এই ফালৰ পৰা চালে দেখা যায়, যদিও ৰাষ্ট্ৰ এখনে সাধাৰণ নাগৰিকৰ কল্যাণ সাধন কৰে বুলি কোৱা হয় তথাপিও কিন্তু ই ক্ষমতাৰে বলীয়ান কিছু সংখ্যক লোকৰ স্বাৰ্থহে পূৰণ কৰে।

আগৰ দিনৰ ৰাষ্ট্ৰবিলাকতকৈ আধুনিক ৰাষ্ট্ৰবিলাক অৱশ্যে যথেষ্ট বেলেগ হয়। আধুনিক ৰাষ্ট্ৰবিলাকৰ সাধাৰণতে তিনিটা উপাদান থাকে ঃ সাৰ্বভৌমত্ব, নাগৰিকত্ব আৰু জাতীয়তাবোধ।

সাৰ্বভৌমত্ব মানে হৈছে এক নিৰ্দিষ্ট ভৌগোলিক সীমাৰ ভিতৰত কাৰ্যকৰী হোৱা চূড়ান্ত ক্ষমতা। প্ৰথম অৱস্থাত সাৰ্বভৌম ৰাষ্ট্ৰ এখনতো নাগৰিকসকলৰ ৰাজনীতিত অংশ গ্ৰহণৰ অধিকাৰ নাছিল। পৰৱৰ্তী কালত ৰজা-মহাৰজাসকলৰ কৰ্তৃত্বৰ বিৰুদ্ধে গঢ়ি তোলা প্ৰতিৰোধ আৰু সংঘাতৰ ফলশ্ৰুতিতহে আজিৰ এই অৱস্থা প্ৰাপ্ত হৈছে। ফৰাচী বিপ্লৱ আৰু ভাৰতৰ স্বাধীনতা আন্দোলন এনে সংঘাতৰ দুটি উদাহৰণ।

নাগৰিকৰ অধিকাৰ বুলিলে সাধাৰণতে সামাজিক, ৰাজনৈতিক আৰু অসামৰিক অধিকাৰসমূহ বুজায়। অসামৰিক অধিকাৰৰ ভিতৰত পৰে নাগৰিক এজনে নিজৰ ইচ্ছামতে দেশখনৰ যিকোনো ঠাইতে বসবাস কৰাৰ অধিকাৰ, বাক স্বাধীনতাৰ অধিকাৰ, পচন্দৰ ধৰ্ম পালনৰ অধিকাৰ, সম্পত্তি আহৰণৰ অধিকাৰ আৰু আইনৰ সেৱা সমভাৱে লাভ কৰাৰ অধিকাৰ। ৰাজনৈতিক অধিকাৰৰ ভিতৰত পৰে প্ৰধানকৈ নিৰ্বাচনত অংশ গ্ৰহণ কৰাৰ আৰু ৰাজহুৱা পদবীত অভিষিক্ত হোৱাৰ অধিকাৰ।

বহু সংখ্যক দেশত এসময়ত এক নিৰ্দিষ্ট পৰিমাণৰ ভূমি-সম্পত্তি নথকা লোকসকলক ভোটাধিকাৰ দিয়া হোৱা নাছিল। কিছু সংখ্যক দেশত সাধাৰণ নাগৰিকসকলক ভোটাধিকাৰৰ সুবিধা পিছে এতিয়াও প্ৰদান কৰা হোৱা নাই। বেছিভাগ দেশতে আৰম্ভণিৰ কালছোৱাত মহিলাসকলকো ভোটাধিকাৰ দিয়া হোৱা নাছিল।

নাগৰিকসকলৰ তৃতীয় অধিকাৰটো হৈছে সামাজিক অধিকাৰ। ইয়াৰ ভিতৰত পৰে প্ৰধানকৈ সামাজিক নিৰাপত্তা আৰু অৰ্থনৈতিক নিৰাপত্তাৰ অধিকাৰ। স্বাস্থ্য-ৰক্ষাৰ সুবিধা, কামৰ বিনিময়ত নিৰ্দিষ্ট পৰিমাণৰ মাননি, নিবনুৱা-ভাট্টা লাভ কৰা আদিও সামাজিক অধিকাৰৰ ভিতৰত পৰে।

২য় বিশ্বযুদ্ধৰ পৰৱৰ্তী সময়ত ইউৰোপৰ দেশবিলাকত সমাজ কল্যাণৰ ধাৰণাটিৰ বিস্তাৰৰ লগে লগে কল্যাণকামী ৰাষ্ট্ৰৰ ধাৰণাটিও গঢ় লৈ উঠে। পূৰ্বৰ সমাজবাদী ৰাষ্ট্ৰবিলাকত এনে ধৰণৰ কল্যাণকামী ৰাষ্ট্ৰৰ ভেটিটো ইতিমধ্যে গঢ় লৈ উঠিছিল বাবে সেইবোৰ দেশত এই ধাৰণাটিৰ কাৰ্যকৰীকৰণ যথেষ্ট খৰতকীয়া হৈছিল।

উন্নয়নশীল ৰাষ্ট্ৰসমূহত কিন্তু ইয়াৰ কাৰ্যকৰীকৰণ প্ৰক্ৰিয়াটো যথেষ্ট ধীৰ গতিতহে দেখিবলৈ পোৱা গৈছিল।

শেহতীয়াভাৱে প্ৰায় সমগ্ৰ বিশ্বতে নাগৰিকসকলৰ সামাজিক অধিকাৰৰ বিষয়টো দেশখনৰ উন্নয়নৰ পৰিপন্থী বুলিহে গণ্য কৰা হৈছে।

জাতীয়তাবোধৰ সংজ্ঞা নিৰূপণ কৰিবলৈ যাওঁতে কোৱা হৈছে যে ই হৈছে এক ধৰণৰ প্ৰতীকত স্থাপন কৰা বিশ্বাস (যেনে— ৰাষ্ট্ৰীয় গীত, ৰাষ্ট্ৰীয় পতাকা ইত্যাদি) যিয়ে নাগৰিকসকলক ৰাজনৈতিক দিশত একতাৰ ডোলেৰে বান্ধি ৰাখে। ফলস্বৰূপে, এখন দেশৰ নাগৰিকসকলে সেইখন দেশৰ নাগৰিক হিচাপে (যেনে— ভাৰতীয়, বৃটিছ, আমেৰিকান ইত্যাদি) গৌৰৱবোধ কৰে।

ঠিক সেইদৰেই কোনো এক ধৰ্ম বা গোট বা কোনো বংশ-পৰিয়ালৰ সদস্য হোৱাৰ সুবাদতো কোনো কোনো লোকে এক প্ৰকাৰ গৌৰৱ অনুভৱ কৰা দেখা যায়।

এই ধৰণৰ জাতীয়তাবোধ অৱশ্যে আধুনিক ৰাষ্ট্ৰ ব্যৱস্থাৰ আগমনৰ পৰাহে গঢ় লৈ উঠিছে। সেই কাৰণেই হয়তো দ্বিতীয় বিশ্বযুদ্ধৰ পৰৱৰ্তী সময়ত ইউৰোপৰ দেশবিলাকত সমাজ, ৰাজনীতি আৰু অৰ্থনীতিৰ বিশ্বায়নৰ ধাৰণাটিৰ দ্ৰুত বিকাশ ঘটা সত্বেও নাগৰিকসকলৰ মনত এক জাতীয়তাবোধো গঢ় লৈ উঠা দেখা গৈছিল।

সমাজশাস্ত্ৰত যেতিয়া ক্ষমতাৰ বিষয়ে আলোচনা কৰা হয় তেতিয়া অকল ৰাজনৈতিক শাসন ব্যৱস্থাটোৰ প্ৰসঙ্গতে আলোচনা কৰা নহয়। দেশখনত সক্ৰিয় হৈ থকা সকলো ধৰণৰ দল-সংগঠন, শ্ৰেণী গোষ্ঠী, জাতি, উপজাতি, ভাষা আৰু ধৰ্মীয় গোটসমূহৰ প্ৰসঙ্গও তাত উত্থাপিত হয়। সেয়ে বিধানসভা, নগৰ সমিতি আৰু ৰাজনৈতিক দলসমূহৰ উপৰি অন্যান্য কিছু অনুষ্ঠান যেনে— বিদ্যালয়, মহাবিদ্যালয়, বেংক আৰু ধৰ্মীয় প্ৰতিষ্ঠানসমূহ যিবোৰৰ প্ৰধান উদেশ্য কোনো কাৰণতেই ৰাজনৈতিক লাভালাভ নহয়, সেইবোৰকো হিচাপত ধৰিবলগীয়া হয়।

সেয়েহে, চাবলৈ গ'লে গ্ৰাম্য সমাজখনৰ পৰা আদি কৰি একেবাৰে আন্তৰ্জাতিক বিষয়সমূহলৈকে বৰ্তমান সময়ত সমাজশাস্ত্ৰৰ অধ্যয়নৰ পৰিসৰ বৃদ্ধি পাইছে।

**ক্ৰিয়া কলাপ-১০ (Activity-10)**

বিভিন্ন দেশত মহিলা নাগৰিকসকলে কেতিয়া কেতিয়া ভোটাধিকাৰ পাইছিল, দেখুওৱা।
ভোটাধিকাৰ আৰু নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা আগবঢ়াবলৈ সুযোগ পোৱা সত্বেও ৰাজনীতিৰ পথাৰখনত মহিলাসকলৰ প্ৰতিনিধিত্ব কিয় ইমান কম, আলোচনা কৰা।
এই ক্ষেত্ৰত সামাজিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক ক্ষমতাৰ বিষম বিতৰণৰ প্ৰসঙ্গ আহে নেকি?
পাৰিবাৰিক জগতখনত বৰ্তমানেও প্ৰচলিত হৈ থকা শ্ৰম-বিভাজনৰ ব্যৱস্থাটোও ইয়াৰ বাবে দায়ী নেকি?
বৰ্তমান সময়তো ৰাজনৈতিক ক্ষেত্ৰখনত মহিলাসকলৰ বাবে কিয় মাত্ৰ ৩৩ শতাংশ আসনহে সংৰক্ষিত কৰি ৰাখিবলগীয়া পৰিস্থিতি উদ্ভৱ হৈছে, আলোচনা কৰা।

**ক্রিয়া কলাপ-১১ (Activity-11)**

কোন কোন দেশে নাগৰিকসকলৰ সামাজিক অধিকাৰসমূহ মানি ল'বলৈ অস্বীকাৰ কৰিছে, সেইবোৰৰ এখন তালিকা প্ৰস্তুত কৰা। লগতে, তেওঁলোকে যি যুক্তিত এনে পদক্ষেপ লৈছে, আলোচনা কৰা।

**ক্রিয়া কলাপ-১২ (Activity-12)**

জাতিগত, গোষ্ঠীগত আৰু ধৰ্মীয় সংঘাত ঘটি থকা সত্বেও আন্তৰ্জাতিক স্তৰত কিয় আৰু কেনেকৈ পৰস্পৰ নিৰ্ভৰশীলতাৰ পৰিৱেশ এটি গঢ় লৈ উঠিছে, আলোচনা কৰা।

**ধৰ্ম (Religion) ঃ**

ধৰ্ম হৈছে এক পৱিত্ৰ জগতৰ বিষয়ে আমাৰ মনত জাগি উঠা কৌতূহলখিনিৰ নিবৃত্তিৰ বাবে কৰা প্ৰচেষ্টাৰে এক প্ৰতিফলন। ধৰ্ম এনেকুৱা এটি বিষয় যাৰ ওপৰত যুগ যুগ ধৰি আলোচনা-বিলোচনা হৈ আহিছে। ধৰ্মীয় দৃষ্টিকোণৰ পৰা লক্ষ্য কৰিলে সমাজশাস্ত্ৰৰ বিষয়বিলাকে কি ৰূপ ধাৰণ কৰে এই পুথিখনিৰ প্ৰথম অধ্যায়ত আমি পাই আহিছো। ধৰ্মীয় দৃষ্টিকোণৰ পৰা কোনো এটা ধৰ্মক বিশ্লেষণ কৰা আৰু সমাজশাস্ত্ৰৰ দৃষ্টিকোণৰ পৰা ধৰ্ম এটিক বিশ্লেষণ কৰাৰ মাজত এক আদৰ্শগত পাৰ্থক্য আছে। সমাজশাস্ত্ৰৰ দিশৰ পৰা লক্ষ্য কৰিলে ধৰ্ম এটিয়ে সমাজখনত কি কি ধৰণৰ কাৰ্যাৱলী সম্পাদন কৰে বা সমাজৰ অন্যান্য অনুষ্ঠানসমূহৰ লগত কি ধৰণৰ সম্পৰ্ক ৰাখে, এই বিষয়ে প্ৰমাণসিদ্ধ তথ্য আগবঢ়াব পাৰে।

দ্বিতীয়তে, ই বিষয়বোৰৰ এটি তুলনামূলক অধ্যয়নো কৰিব পাৰে।

তৃতীয়তে, আমাৰ সমাজ-সংস্কৃতি অন্যান্য অনুষ্ঠানসমূহৰ দ্বাৰা প্ৰচাৰিত ধ্যান-ধাৰণাসমূহৰ প্ৰেক্ষাপটত ধৰ্মীয় ধ্যান-ধাৰণাসমূহ আলোচনা কৰিব পাৰে।

প্ৰমাণসিদ্ধ অধ্যয়ন ব্যৱস্থা (Empirical Study)ত এটা চৰ্ত আৰোপ কৰা হয় যে ধৰ্মীয় বিষয়বিলাকত কোনো ধৰণৰ আগতীয়া সিদ্ধান্ত গ্ৰহণ কৰিব নোৱাৰিব। তুলনামূলক অধ্যয়ন (Comparative Study) প্ৰক্ৰিয়াটো গুৰুত্বপূৰ্ণ এই কাৰণেই যে ইয়াত সকলো ধৰণৰ সমাজ ব্যৱস্থাৰে ধাৰণা একোটা দিবলৈ যত্ন কৰা হয়।

গতিকে, ইয়াত কোনো ধৰণৰ পক্ষপাতিত্বৰ অৱকাশ নাথাকে বুলি ভাবিব পৰা যায়।

সমাজশাস্ত্ৰৰ দৃষ্টিকোণৰ পৰা চালে দেখা যায় যে মানুহৰ গাৰ্হস্থ্য জীৱন, অৰ্থনৈতিক জীৱন আৰু ৰাজনৈতিক জীৱনৰ লগত সম্পৰ্কিত কৰি অধ্যয়ন কৰিলেহে ধৰ্মীয় কথাবোৰ আমাৰ বাবে সহজবোধগম্য হয়।

আমি দেখা আৰু জনা সকলো স্তৰৰ সমাজত ধৰ্মৰ উপস্থিতি আৰু প্ৰভাৱ লক্ষ্য কৰা হয় যদিও সংস্কাৰ-সংস্কৃতি ভেদে ধৰ্মীয় আচাৰ-অনুষ্ঠানসমূহ বেলেগ বেলেগ হয়। যেনে— (ক) পূজা-পাৰ্বনৰ বাবে ব্যৱহৃত হোৱা প্ৰতীকসমূহ (খ) ধৰ্মীয় উপাসনাৰ অনুষ্ঠানসমূহ আৰু (গ) কোনো ধৰ্মবিশ্বাসীসকলৰ নিৰ্দিষ্ট গোটসমূহ।

সমাজভেদে ধৰ্মীয় ৰীতি-নীতিসমূহ বেলেগ বেলেগ হয়। ইয়াৰ ভিতৰত প্ৰাৰ্থনা কৰা, মন্ত্ৰ আবৃত্তি কৰা, গীত পৰিৱেশন কৰা, কিছুমান বিশেষ দিনত উপবাসে থকা আদি হৈছে উল্লেখযোগ্য।

ধৰ্মীয় ৰীতি-নীতিসমূহ যিহেতু বিশেষ কিছু সংখ্যক প্ৰতীকৰ লগত সম্পৰ্কিত, সেয়ে সেইবোৰ আমাৰ দৈনন্দিন কাৰ্যাৱলীৰ পৰা যথেষ্ট পৃথক হয়। উদাহৰণ স্বৰূপে, কোঠা এটা পোহৰাই তুলিবলৈ জ্বলোৱা এটি চাকি আৰু ধৰ্মীয় অনুষ্ঠান এটিৰ প্ৰয়োজনত জ্বলোৱা চাকিগছিৰ মাজত যথেষ্ট পাৰ্থক্য আছে। মানে, ধৰ্মীয় ৰীতি-নীতিত কিছু কিছু আনুষ্ঠানিকতা পালন কৰা হয় আৰু এই অনুষ্ঠানসমূহ সাধাৰণতে মন্দিৰ, মছজিদ, গীৰ্জা আৰু গুৰুদ্বাৰ আদিতহে পালন কৰা হয়।

ঠিক সেইদৰে, কোনো ধৰ্মীয় অনুষ্ঠানত প্ৰৱেশ কৰোঁতে জোতা খুলি লোৱা, মূৰত ওৰণি লোৱা বা কোনো বিশেষ ৰঙৰ বা গঠনৰ বস্ত্ৰ পৰিধান কৰা আদিয়ে আমাৰ মনত এক ভয়-ভক্তিৰ সূচনা কৰে।

এমিলি ডাৰখেইম (Emile Durkheim) ৰ অনুকৰণত ধৰ্মৰ সমাজশাস্ত্ৰবিদসকলে ধৰ্মৰ এই পৱিত্ৰ জগতখনৰ বিষয়ে অধ্যয়ন কৰিছে যিখন জগত সাধাৰণ বস্তুবাদী জগতখনৰ পৰা যথেষ্ট পৃথক হয়। এই পৱিত্ৰতাৰ ধাৰণাটোৰ লগত অতি-প্ৰাকৃত বিষয় কিছুমান সংপৃক্ত হৈ থাকে। উদাহৰণ স্বৰূপে, কোনো এটা মন্দিৰ বা কোনো এজোপা গছ পৱিত্ৰ বুলি এই কাৰণেই ধৰা হয় যে উক্ত মন্দিৰ বা গছজোপাত কোনো অতি-প্ৰাকৃতিক শক্তি বিৰাজ কৰে বুলি বিশ্বাস কৰা হয়। অৱশ্যে, বৌদ্ধ ধৰ্ম আৰু চীন দেশৰ কনফুচিয়াচৰ ধৰ্মত এই অতি-প্ৰাকৃতিক শক্তিসমূহৰ উপস্থিতিৰ বিষয়ে কোনো উল্লেখ নাই। তৎসত্বেও তেওঁলোকেও কিন্তু কিছুমান বস্তু পৱিত্ৰ বুলি জ্ঞান কৰি সন্মান কৰি চলে।

সমাজশাস্ত্ৰৰ দিশৰ পৰা ধৰ্মক আলোচনা কৰিবলৈ যাওঁতে সমাজখনৰ অন্যান্য অনুষ্ঠান-প্ৰতিষ্ঠানসমূহৰ লগত ধৰ্মৰ সম্পৰ্ক আৰু প্ৰাসঙ্গিকতাও আলোচনা কৰা হয়।

চাবলৈ গ'লে, দেশৰ ৰাজনীতি আৰু ক্ষমতাৰ লগত ধৰ্ম ওতঃপ্ৰোতভাৱে জড়িত হৈ থাকে। আকৌ, সামাজিক পৰিৱৰ্তনৰ স্বাৰ্থত মাজে সময়ে ধৰ্মীয় আন্দোলন একোটাও গঢ় লৈ উঠা দেখা যায়। প্ৰধানকৈ, সমাজৰ শ্ৰেণী-বিভাজন ব্যৱস্থা, জাত-পাতৰ সমস্যা, লিংগ বৈষম্য আদি বিষয়ত পৰিৱৰ্তন আনিবলগীয়া হ'লে সমাজখনত প্ৰচলিত ধৰ্মৰ বিশ্লেষণৰ ভিত্তিতহে কৰিবলগীয়া হয়।

এই ফালৰ পৰা চাবলৈ গ'লে, ধৰ্ম কোনো এক বিশেষ ব্যক্তিৰ ব্যক্তিগত ধ্যান-ধাৰণা আৰু বিশ্বাসৰ বিষয় হৈ নাথাকি এক ৰাজহুৱা বিষয় হৈ পৰে। সেই কাৰণে অন্যান্য ৰাজহুৱা অনুষ্ঠান-প্ৰতিষ্ঠানসমূহৰ বিষয়তো ধৰ্মৰ প্ৰাসঙ্গিকতা আহি পৰে।

ক্ষমতাৰ বিষয়ত সমাজশাস্ত্ৰবিদসকলৰ এক নিজস্ব দৃষ্টিভঙ্গী আছে কাৰণ ৰাজনীতিৰ লগত ধৰ্ম সদায় সংপৃক্ত হৈ থকা দেখা যায়। ক্লাছিকেল সমাজশাস্ত্ৰবিদসকলে বিশ্বাস কৰে যে যেতিয়া সমাজ এখনৰ আধুনিকীকৰণ হয়, জীৱনৰ বেছিভাগ দিশতে ধৰ্মৰ প্ৰভাৱ কমি অহা দেখা যায়। ইয়াকে ধৰ্ম নিৰপেক্ষতা বুলি কোৱা হয়।

বৰ্তমান সময়ত কিন্তু সমাজখনত এক ধৰ্মীয় আৱেগ-অনুভূতিৰ উত্থান হোৱাৰ লগতে সমাজখন ধৰ্মীয় মেৰুকৰণৰ দিশতো আগবাঢ়ি যোৱা দেখিবলৈ পোৱা গৈছে। ইয়াৰ কাৰণ কি, আলোচনা কৰা।

মেক্স ওৱেবাৰ (Max Weber, 1864 - 1920) আদি অগ্ৰগণ্য সমাজশাস্ত্ৰবিদে দেখুৱাই গৈছে কেনেকৈ

সমাজখনৰ ৰাজনীতি আৰু অৰ্থনীতিৰ ক্ষেত্ৰসমূহ ধৰ্মৰ দ্বাৰা প্ৰভাৱিত হয়। তেওঁ যুক্তি আগবঢ়াইছে যে খ্ৰীষ্টিয়ান ধৰ্মৰ প্ৰটেষ্টাণ্ট শাখাৰ অন্তৰ্গত কেলভিনিষ্টসকলে অৰ্থনীতিত পুঁজিবাদৰ উত্থানৰ ক্ষেত্ৰত এক উল্লেখযোগ্য বৰঙণি আগবঢ়াইছে। তেওঁলোকে বিশ্বাস কৰে যে ঈশ্বৰৰ গুণ-গান কৰিবৰ অৰ্থেই বিশ্ব-ব্ৰহ্মাণ্ডখন সৃষ্টি কৰা হৈছিল আৰু আমি যিয়েই কৰোঁ, সেয়া এক প্ৰকাৰে ঈশ্বৰ সেৱা বুলিয়েই ধৰিব পৰা যায়।

তেওঁলোকে লগতে মানুহৰ ভৱিষ্যতটো, প্ৰধানকৈ মৃত্যুৰ পিছত মানুহ এজনে স্বৰ্গযাত্ৰা কৰিব নে নৰক যাত্ৰা কৰিব, সেইটো কথাও পূৰ্ব-নিৰ্ধাৰিত হৈ থাকে বুলি ভাবিছিল। যিহেতু মানুহ এজনে মৃত্যুৰ পিছত স্বৰ্গ বা নৰকৰ ভিতৰত কোন ঠাইলৈ যাব, সেই বিষয়ে নাজানে, সেয়ে এই পৃথিৱীত থাকোঁতেই নিজৰ কৰ্মৰাজিৰ মাজতে মানুহে ঈশ্বৰৰ ইচ্ছাৰ প্ৰতিফলন ঘটাৰ কিছু চিন দেখা পায় নেকি, সেইটোকে জানিবলৈ বিচাৰিছিল।

এই দিশৰ পৰা লক্ষ্য কৰি তেওঁলোক এই সিদ্ধান্তলৈ আহিছিল যে মানুহ এজনে যদিহে জীৱনৰ প্ৰতিটো কামতে সফলতাৰ মুখ দেখিবলৈ পায়, তেন্তে সেয়া তেওঁৰ ওপৰত ঈশ্বৰে বৰিষণ কৰা এক আশীৰ্বাদ বুলি গণ্য কৰিব পৰা যায়।

অন্যহাতে, প্ৰায়বোৰ কামতে বিফলতাৰ মুখ দেখা কথাটোৱে তেওঁৰ নৰক যাত্ৰাৰহে ইঙ্গিত বহন কৰে। ধন অৰ্জনৰ ক্ষেত্ৰতো তেওঁ বিশ্বাস কৰিছিল যে ধনৰ বিনিয়োগ কৰাটো অতি প্ৰয়োজনীয় হোৱাৰ লগতে এক পৱিত্ৰ কৰ্তব্যও হয়। আকৌ দেখা যায়, পুঁজিবাদৰ মূল ধাৰণাটোৱেই হৈছে ধনৰ বিনিয়োগ কৰা যিটোৱে আমাক লাভ অৰ্জনৰ জৰিয়তে পুঁজি গঠন কৰাৰ এক সুবিধা দিয়ে।

এনেকৈ মেক্স ওৱেবাৰে দেখুৱাইছে যে কেলভিনিজমে সমাজখনৰ অৰ্থনৈতিক বিকাশত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। ইয়াৰ পৰা দেখা গৈছে যে সমাজখনৰ ৰাজনীতি, অৰ্থনীতি আদি বিষয়সমূহ একাষৰীয়া কৰি ধৰ্মক স্বতন্ত্ৰভাৱে আলোচনা কৰিব পৰা নাযায়।

ধৰ্মীয় কাম-কাজত সমাজৰ ৰাজনৈতিক পৰিৱেশ, অৰ্থনৈতিক অৱস্থা আৰু লিংগভেদৰ বিষয়সমূহ উত্থাপিত হয়। আকৌ, ধৰ্মীয় ধ্যান-ধাৰণাসমূহে মানুহৰ সামাজিক কাম-কাজসমূহৰ দিক-নিৰ্ণয় কৰে বুলিও কোৱা হয়।

উদাহৰণ স্বৰূপে, পৃথিৱীৰ মুঠ জনসংখ্যাৰ প্ৰায় আধাখিনিয়েই হৈছে মহিলা। কিন্তু এই মহিলাসকলক লৈয়ে বিভিন্ন ধৰ্মত বিভিন্ন বাধা-নিষেধ আৰোপ কৰা হয়।

পৰম্পৰাগত সমাজ এখনত ধৰ্মই হৈছে প্ৰধান চালিকাশক্তি। সেয়ে, সমাজখনৰ সাংস্কৃতিক ক্ষেত্ৰখনত ব্যৱহাৰ কৰা বেছিভাগ প্ৰতীক-চিহ্নই ধৰ্মৰ পৰা আহৰণ কৰা দেখা যায়।

**শিক্ষা (Education) ঃ**

শিক্ষা হৈছে এক জীৱনজোৰা সাধনা যি আনুষ্ঠানিক বা অনানুষ্ঠানিক হ'ব পাৰে।

এই অধ্যায়ত আমি অৱশ্যে আনুষ্ঠানিক শিক্ষাৰ দিশটোহে আলোচনা কৰিম।

বিদ্যালয় এখনত ভৰ্তি হ'ব পৰাটো ছাত্ৰ এজনৰ কাৰণে অতি গুৰুত্বপূৰ্ণ কাৰণ বিদ্যালয়ৰ মাধ্যমেৰে লাভ কৰা শিক্ষাইহে তেওঁক মহাবিদ্যালয়, বিশ্ববিদ্যালয় আদিত উচ্চ শিক্ষা লাভ কৰাৰ লগতে ভৱিষ্যৎ জীৱনত জীৱিকা অৰ্জন কৰাৰ পথটিৰো সন্ধান দিয়ে। শিক্ষাৰ এই গুৰুত্ব আৰু প্ৰয়োজনীয়তাখিনি অৱশ্যে এক পৰিৱৰ্তনৰ

প্ৰক্ৰিয়া বা সমাজখনৰ লগত যোগাযোগৰ এটি প্ৰাৰম্ভিক স্তৰ বুলিহে সমাজশাস্ত্ৰত ধৰা হয়। আকৌ, সৰল গ্ৰাম্য জীৱন আৰু জটিল আধুনিক নগৰীয়া জীৱনৰ মাজত কিছুমান গুণগত পাৰ্থক্য আছে। ইয়াৰে প্ৰথমখন সমাজৰ বাবে আনুষ্ঠানিক শিক্ষাৰ ইমান এটা প্ৰয়োজনীয়তা নাথাকে কাৰণ সেই সমাজখনত প্ৰচলিত সংস্কাৰখিনি ডাঙৰসকলৰ পৰা সৰুসকলে অতি স্বাভাৱিকভাৱেই আয়ত্ব কৰি ল'ব পাৰে।

কিন্তু জটিল আধুনিক নগৰীয়া সমাজখনত অৰ্থনৈতিক শ্ৰম-বিভাজনৰ নীতি অতি কঠোৰভাৱে পালন কৰা হয় বাবে প্ৰতিজন ছাত্ৰই একোটা বিভাগত বিশেষজ্ঞ হোৱাৰ প্ৰয়োজনীয়তা আহি পৰে। ইয়াৰ বাবে তেওঁ নতুন নতুন প্ৰতীক আৰু ধাৰণা আয়ত্ত কৰিবলগীয়া হয় যিটো অনানুষ্ঠানিক শিক্ষাত লাভ কৰিবলৈ পোৱা নাযায়। সেয়ে, জটিল আধুনিক সমাজখনত চলিবৰ বাবে আনুষ্ঠানিক শিক্ষা অতীব প্ৰয়োজনীয় হৈ পৰে।

আধুনিক জটিল সমাজখনত বিশ্বজনীন স্তৰৰ বিমূৰ্ত ধ্যান-ধাৰণা কিছুমানৰ চৰ্চা কৰা হয় আনহাতে সৰল সমাজ এখনত সদায় ধৰ্ম, জাতি, গোষ্ঠী বা পৰিয়ালকেন্দ্ৰিক ধ্যান-ধাৰণা কিছুমানৰহে চৰ্চা কৰা দেখা যায়। আধুনিক বিদ্যালয়সমূহত কিন্তু বিশ্বজনীন স্তৰৰ ধ্যান-ধাৰণাসমূহৰ লগত ছাত্ৰ-ছাত্ৰীসকলক পৰিচয় কৰাই দিয়াৰ লগতে তেওঁলোকৰ মনত উচ্চাকাংক্ষাৰ ভাব কিছুমানো জগাই দিবলৈ চেষ্টা কৰা হয়।

এই বাবেই আধুনিক শিক্ষাৰ বিদ্যালয় এখনত 'ইউনিফৰ্ম' বা ঐক্যপোচাক পৰিধান কৰিবলৈ দিয়া হয়।

এমিলি ডাৰখেইম (Emile Durkheim) ৰ মতে প্ৰতিখন সমাজেই নিৰ্দিষ্ট কিছুমান ধ্যান-ধাৰণা, বিশ্বাস আৰু আচৰণ-বিধি আয়ত্ব কৰি লয় যিসমূহ বিষয়ৰ জ্ঞান আনুষ্ঠানিক শিক্ষাৰ মাধ্যমেৰেহে ছাত্ৰ-ছাত্ৰীসকলে লাভ কৰিব পাৰে। (Durkheim 1956 ঃ 69)

শিক্ষাই শিশু এটিক ভৱিষ্যতে বিশেষ এটি জীৱিকাৰ বাবে প্ৰস্তুত কৰি তোলাৰ লগতে আধুনিক সমাজখনৰ বাবে প্ৰয়োজনীয় মূল্যবোধখিনিৰ লগতো পৰিচয় কৰাই দিয়ে। কাৰ্যাত্মক ভাবাদৰ্শী সমাজশাস্ত্ৰবিদসকলে সামাজিক প্ৰয়োজনীয়তাৰ লগতে সামাজিক মূল্যবোধসমূহৰ বিষয়েও আলোচনা কৰে। তেওঁলোকৰ মতে আনুষ্ঠানিক শিক্ষা-ব্যৱস্থাই সমাজ এখনৰ সংস্কাৰ-সংস্কৃতিসমূহ বৰ্তাই ৰখাৰ লগতে সেইবোৰৰ পৰিৱৰ্তনৰ বাটটোও মোকলাই দিয়ে।

এইদৰেই ব্যক্তি এজনে সমাজখনত পালন কৰিবলগীয়া ভূমিকাৰ সন্ধান পোৱাৰ লগতে তাৰ বাবে নিজকে প্ৰস্তুত কৰি তুলিবলৈয়ো আনুষ্ঠানিক শিক্ষাৰ পৰাহে সহায় পাব পাৰে। লগতে, ব্যক্তি এজনে নিজৰ যোগ্যতা বৃদ্ধি কৰাৰ সুবিধাও এনে শিক্ষানুষ্ঠান এটিতহে লাভ কৰিবলৈ পায়।

যিসকল সমাজশাস্ত্ৰবিদে সামাজিক বৈষম্যৰ কথা কয় তেওঁলোকে ইয়াৰ সমাধানৰ সন্ধান এই আনুষ্ঠানিক শিক্ষাৰ মাজতে কৰিব লাগিব। শিক্ষালাভৰ সুবিধাৰ ক্ষেত্ৰত দেখা পোৱা অসমতাখিনিৰ বাবে দৰাচলতে সমাজখনৰ উচ্চবিত্ত, মধ্যবিত্ত আৰু নিম্নবিত্ত শ্ৰেণীবিভাগসমূহেই অৱশ্যে দায়ী কাৰণ আমাৰ প্ৰত্যেকৰে আৰ্থ-সামাজিক ভেটিৰ ওপৰত নিৰ্ভৰ কৰিহে আমি কোনো এখন বিশেষ বিদ্যালয়ত নামভৰ্তি কৰাব পাৰোঁ বা নোৱাৰোঁ, যিবোৰ বিদ্যালয়ে নিজৰ সুবিধা-অসুবিধা মতেহে ছাত্ৰ-ছাত্ৰীসকলক সুযোগ-সুবিধাসমূহ দিব পাৰে।


সেই কাৰণেই কিছুলোকে ক'ব খোজে যে এখন উচ্চস্তৰীয় সমাজ আৰু সাধাৰণ সমাজ এখনৰ মাজৰ বৈষম্যখিনিৰ ভেটিটো বিদ্যালয় পৰ্যায়তে গঢ় লৈ উঠে। সেয়ে দেখা যায় যে প্ৰচুৰ সুবিধা সম্পন্ন বিদ্যালয় এখনৰ ছাত্ৰ-ছাত্ৰীসকল সাধাৰণ বিদ্যালয় এখনৰ ছাত্ৰ-ছাত্ৰীতকৈ অধিক আত্মবিশ্বাসী হৈ পৰে। (পাঠক ২০০২ঃ ১৫১)





*ছৱিত দেখা দুই প্ৰকাৰৰ স্কুল সম্পৰ্কে আলোচনা কৰা*

অৱশ্যে, দেশখনত বিভিন্ন কাৰণত অনেকখিনি ল'ৰা-ছোৱালী শিক্ষা লাভৰ পৰা বঞ্চিত হৈ ৰয়। সাধাৰণতে দেখা যায় যে খেতিৰ দিনত অনুসূচিত জাতি-জনজাতিৰ অনেকখিনি ল'ৰা-ছোৱালীকে বিদ্যালয়লৈ পঠিওৱাৰ পৰিৱৰ্তে খেতি-পথাৰলৈহে অভিভাৱকসকলে লৈ যায়। আকৌ, সেই শ্ৰেণীসমূহৰ কন্যা-সন্তানসকলক সাধাৰণতে পাকঘৰত ৰন্ধা-বঢ়াৰ কামতে ব্যস্ত কৰি ৰখাৰ বাবে তেওঁলোক শিক্ষা-দীক্ষাৰ পৰা সমূলঞ্চে বঞ্চিত হৈ ৰয়।



*ছৱিখনত কি দেখিছা?*

**ক্ৰিয়া কলাপ -১৩ (Activity-13)**

প্ৰাক-প্ৰাথমিক স্তৰৰ (কেঃজিঃ) বিদ্যালয় এখনৰ ছাত্ৰ-ছাত্ৰীসকলৰ বিষয়ে অধ্যয়ন কৰি জানিবলৈ পোৱা গৈছে যে খেলা-ধূলাতকৈ কৰ্মৰ লগত চিনাকি হোৱাটো অধিক প্ৰয়োজনীয়। কৰ্ম বুলিলে শিক্ষক-শিক্ষয়িত্ৰীসকলে তেওঁলোকৰ সুবিধামতে কৰিবলৈ নিৰ্দেশ দিয়া কামসমূহ বুজাব। ছাত্ৰ-ছাত্ৰীসকলৰ শিক্ষণকালত কৰ্ম-আঁচনিত অধিক গুৰুত্ব দিয়াটো প্ৰয়োজনীয় আৰু আজৰি সময়খিনিহে খেলা-ধূলাত খৰচ কৰিব লাগে।

এইদৰে দেখা গৈছে, ভৱিষ্যতৰ জীৱিকাৰ বাবে নিজকে প্ৰস্তুত কৰিবলৈ যাওঁতে লিংগ বৈষম্য আৰু জাতিভেদ প্ৰথা আদি এশ এটা কাৰকৰ ওপৰত ছাত্ৰী এগৰাকীয়ে কেনেদৰে নিৰ্ভৰ কৰিবলগীয়া হয়।

**পৰিভাষা (Glossary) ঃ**

- **নাগৰিক (Citizen) ঃ** নাগৰিক শব্দৰ অৰ্থ যদিও নগৰবাসী, ৰাজনীতি বিজ্ঞানত নাগৰিক শব্দটি কোনো এখন ৰাষ্ট্ৰত বসবাস কৰা লোকসকলক বুজাবলৈহে ব্যৱহাৰ কৰা হয়। গতিকে, ৰাষ্ট্ৰ এখনৰ এজন সদস্য হিচাপে অধিকাৰৰ লগতে কৰ্তব্য বা দায়িত্ব আদিও ব্যক্তিজনৰ সদস্য পদৰ লগত সংযুক্ত হৈ পৰে।
- **শ্ৰম বিভাজন (Division of Labour) ঃ** কৰ্মক বিশেষভাৱে বিভাজন কৰা এক প্ৰক্ৰিয়া হৈছে শ্ৰম বিভাজন নীতি। ইয়াৰ বাবে উৎপাদন গোটবোৰৰ কাম-কাজবোৰ কোনো বিশেষ গুণৰ ভিত্তিত বিভাজন কৰি লোৱা হয় যাতে উৎপাদন পদ্ধতিটো চলাই নিয়া বৃত্তিবোৰ (Occupations)ৰ সংযোজন কৰাৰ এক ব্যৱস্থা থাকে। সকলো সমাজতে প্ৰাথমিক পৰ্যায়ৰ শ্ৰম বিভাজন নীতি এটা থাকেই। উদ্যোগীকৰণৰ গতি আগবঢ়াৰ লগে লগে প্ৰাথমিক পৰ্যায়ৰ সৰল ব্যৱস্থাবোৰ ক্ৰমে জটিলতৰ হ'বলৈ ধৰে আৰু আধুনিক যুগত এনে শ্ৰম-বিভাজনে আন্তৰ্জাতিক পৰ্যায় এটিও লাভ কৰিবলৈ সক্ষম হৈছে।
- **লিংগ (Gender) ঃ** সাধাৰণ অৰ্থত পুৰুষ আৰু মহিলা বেলেগে বেলেগে বুজাবলৈ ব্যৱহাৰ কৰা শব্দটিয়েই হৈছে লিংগ। কিন্তু, আজিকালি ই এটা সামাজিক অৱধাৰণা হৈ পৰিল। লিংগভেদৰ ব্যৱস্থাটো থাকিলেও প্ৰতিটো লিংগৰ প্ৰতিজন সদস্যৰ পৰা সমাজে কোনো বিশেষ আচৰণ আশা কৰে। সেইবাবে লিংগক সমাজ-গঠনৰ মূল ভেটি হিচাপে ধৰা যায়।
- **তথ্যভিত্তিক অন্বেষণ (Empirical Investigation) ঃ** কোনো বিশেষ অঞ্চলত চলোৱা সমাজ-তাত্ত্বিক অধ্যয়নৰ তথ্যভিত্তিক অনুসন্ধানকে তথ্যভিত্তিক অন্বেষণ বোলা হয়।
- **অন্তঃবিবাহ (Endogamy) ঃ** ই এক বিবাহ পদ্ধতি য'ত একেটা জাতি, একে সামাজিক শ্ৰেণী বা একে জনজাতিসমূহৰ পুৰুষ আৰু মহিলাৰ মাজতে বিবাহ সম্পন্ন কৰা হয়।
- **বহিঃবিবাহ (Exogamy) ঃ** অন্তঃবিবাহৰ বিপৰীত বিবাহ পদ্ধতিটোৱেই হৈছে বহিঃবিবাহ। এই ব্যৱস্থাত এজন পুৰুষ বা এগৰাকী মহিলাৰ নিজৰ জাতি, শ্ৰেণী বা জনজাতিৰ পৰিৱৰ্তে অন্য এটা জাতি,

শ্ৰেণী বা জনজাতিৰ সদস্যৰ লগত বিবাহ অনুষ্ঠিত কৰা হয়।

- **মতাদৰ্শ (Ideology)** ঃ মতাদৰ্শ হৈছে কোনো ভাবধাৰা বা বিশ্বাসৰ অংশীদাৰ হোৱা যিয়ে প্ৰভাৱশালী দলৰ স্বাৰ্থক ন্যায়সংগত বুলি বিবেচনা কৰে। গতিকে, কোনো বিশেষ মতাদৰ্শ স্থাপন কৰোঁতে সমাজৰ সৰু-বৰ বা গোটবোৰৰ মাজত থকা অসমতাক পদ্ধতিগতভাৱে একেলগ কৰা হয়। মতাদৰ্শৰ অৱধাৰণাটো ক্ষমতাৰ লগত জড়িত হৈ থাকে, কাৰণ আদৰ্শৰ বিভিন্ন পদ্ধতিবোৰে ক্ষমতাক আইনসংগত বুলি প্ৰচাৰ কৰাত সহায় কৰি থাকে।
- **ন্যায্যতা (Legitimacy)** ঃ কোনো বিশেষ ৰাজনৈতিক ব্যৱস্থাক ন্যায়সঙ্গত বা বৈধ বুলি বিশ্বাস কৰাকে ন্যায্যতা প্ৰদান কৰা বুলি কোৱা হয়।
- **এক পতি-পত্নী বিবাহ (Monogamy)** ঃ এই বিবাহ হৈছে এজন পুৰুষে কেৱল এগৰাকী মহিলাকহে বা এগৰাকী মহিলাই কেৱল এজন পুৰুষকহে বিবাহ কৰাব পৰা এক ব্যৱস্থা।
- **বহু পতি-পত্নী বিবাহ (Polygamy)** ঃ এইবিধ বিবাহ হৈছে এজন পুৰুষে বা এগৰাকী নাৰীয়ে একে সময়তে একাধিক পুৰুষ বা মহিলাৰ লগত বিবাহ পাশত আবদ্ধ হোৱা এক ব্যৱস্থা।
- **বহুপতি বিবাহ (Polyandry)** ঃ এগৰাকী নাৰীয়ে একে সময়তে এজনতকৈ অধিক পুৰুষক বিবাহ কৰা ব্যৱস্থাটিকে বহুপতি বিবাহ ব্যৱস্থা বোলা হয়।
- **বহুপত্নী বিবাহ (Polygyny)** ঃ এজন পুৰুষে একে সময়তে একাধিক নাৰীক পত্নী হিচাপে গ্ৰহণ কৰা ব্যৱস্থাটিক বহুপত্নী বিবাহ ব্যৱস্থা বোলা হয়।
- **চাকৰি উদ্যোগ (Service Industry)** ঃ যিবোৰ উদ্যোগ সামগ্ৰী উৎপাদনতকৈ চাকৰি উৎপাদনৰ লগতহে জড়িত সেইসমূহ উদ্যোগ এই শ্ৰেণীত ধৰা হয়। উদাহৰণ ঃ পৰ্যটন উদ্যোগ।
- **ৰাষ্ট্ৰ সমাজ (State Society)** ঃ ই হৈছে এনে এখন সমাজ যিখনে এক আনুষ্ঠানিক পদ্ধতি হিচাপে দেশখনত চৰকাৰ এখন চলাই ৰাখে।
- **ৰাষ্ট্ৰবিহীন সমাজ (Stateless Society)** ঃ ই হৈছে এনে এখন সমাজ য'ত চৰকাৰ বুলি আনুষ্ঠানিক কোনো এটা সংস্থা নাথাকে যদিও সমাজখন বৰ্তি থাকে।
- **সামাজিক গতিশীলতা (Social Mobility)** ঃ ই হৈছে এক সামাজিক প্ৰস্থিতি বা বৃত্তিৰ পৰা আন এটা প্ৰস্থিতি বা বৃত্তিলৈ গতি কৰা কাৰ্য।
- **সাৰ্বভৌমত্ব (Sovereignty)** ঃ ই হৈছে এক নিৰ্দিষ্ট ভূখণ্ডত ৰাষ্ট্ৰ এখনে বিবাদহীনভাৱে ৰাজনৈতিক শাসন চলাব পৰা এক অধিকাৰ।

# অনুশীলনী (Exercise)

১। তোমাৰ সমাজখনত বিবাহকাৰ্যত প্ৰচলিত হৈ থকা নীতি-নিয়মসমূহ উল্লেখ কৰা। লগতে, তোমাৰ সহপাঠীসকলে লাভ কৰা তথ্যৰাজিও তুলনা কৰি চোৱা।
Mention the rites and rituals prevalent in the marriage ceremonies in your society. Compare your findings with those of your class mates.

২। যিসমূহ পৰিয়ালে অৰ্থনৈতিক, ৰাজনৈতিক আৰু সাংস্কৃতিক ক্ষেত্ৰত পৰিৱৰ্তনৰ মুখ দেখিছে, সেইসমূহ পৰিয়ালৰ সদস্য, গৃহ-নিৰ্মাণৰ ধৰণ আৰু আন্তঃব্যক্তি সম্পৰ্কত কি কি পৰিৱৰ্তন আহিছে, উল্লেখ কৰা।
Mention the changes occurring in the families who have lately undergone an uplift in their economic, political and cultural standards, with regard to their family structure, house building and inter personal relations.

৩। কৰ্মৰ বিষয়ে এখনি ৰচনা লিখা আৰু লগতে জীৱিকাৰ বিভিন্ন পথ আৰু পৰিধিৰ পৰিৱৰ্তনৰ বিষয়ে আলোচনা কৰা।
Write an essay on ‘Work’ and discuss the latest changes in the fields of livelihood in the present society.

৪। তোমাৰ সমাজখনৰ সদস্যসকলক কি কি অধিকাৰ প্ৰদান কৰা হৈছে আৰু সেইবোৰে তোমাৰ জীৱনত কেনেদৰে প্ৰভাৱ পেলাইছে, উল্লেখ কৰা।
What rights have been given to the member of your society and mention how they have influenced your life.

৫। সমাজশাস্ত্ৰত ধৰ্মৰ আলোচনা কেনেদৰে কৰে, লিখা।
How does Sociology discuss religion?

৬। এটি সামাজিক অনুষ্ঠান হিচাপে তোমাৰ বিদ্যালয়খনিৰ বিভিন্ন দিশ আলোচনা কৰা।
Discuss the various aspects of your school as a social institution.

৭। বিভিন্ন সামাজিক অনুষ্ঠানে পৰস্পৰে পৰস্পৰৰ লগত কিদৰে সহযোগিতা কৰে, আলোচনা কৰা।
Discuss how different social institutions co-operate with one another to reach their goal.

**References :**


- Acharya Hemlata 1974. 'Changing Role of Religious Specialists in Nasik – The Pilgrim City', in ed. Rao. M.S.A., An Urban Sociology in India : Reader and Source Book, Orient Longman, New Delhi, pp - 391-403.
- Apple, Michael W. 1979, Ideology and Curriculum, Routhledge and Kegan Paul, London.
- Chugtai, Ismat. 2004. Tiny's Granny in Contemporary Indian Short Stories : Series 1. Sahitya Akademi, New Delhi.
- Dube, Leela. 2001. Anthropological Exploration in Gender : Intersecting Fields, Sage Publications, New Delhi.
- Durkheim, Emile. 1956. Education and Sociology. The Free, New York.
- Pathak, Avijit. 2002, Social Implications of Schooling : Knowledge, Pedagogy and Consciousness. Rainbow Publishers, Delhi.
- Pratichi. 2002. The Pratichi Education Report. Pratichi Trust, Delhi.


●●●

চতুৰ্থ অধ্যায়

# সংস্কৃতি আৰু সামাজিকীকৰণ
# (Culture and Socialisation)

**পৰিচয় (Introduction) ঃ**

সংস্কৃতি ধাৰণাটো 'সমাজ' শব্দটোৰ দৰেই আমি প্ৰায়ে ব্যৱহাৰ কৰি আহিছো। সমাজৰ দৰে এই শব্দটোও আমাৰ বাবে পৰিচিত। তোমালোকক এই অধ্যায়টোত সংস্কৃতি আৰু ইয়াৰ লগত সম্পৰ্কিত বিভিন্ন দিশসমূহৰ বিষয়ে সংক্ষিপ্তভাৱে বুজাবলৈ বিচৰা হৈছে। আমাৰ দৈনন্দিন জীৱনৰ কথা-বাৰ্তা আৰু আলাপ আলোচনাবোৰত সংস্কৃতি শব্দটোক কলা (Art) অৰ্থত ব্যৱহাৰ কৰা হয়। বিশেষ কিছুমান শ্ৰেণী বা কোনো এখন দেশৰ জীৱন প্ৰণালীৰ লগত সংস্কৃতি জড়িত হৈ আছে। সমাজতত্ত্ববিদ আৰু নৃতত্ত্ববিদসকলে সংস্কৃতিক সামাজিক প্ৰসঙ্গত অধ্যয়ন কৰিবলৈ বিচাৰে আৰু এইক্ষেত্ৰত সংস্কৃতিৰ স্থিতি অন্তৰ্ভুক্ত হৈ আছে। সমাজতত্ত্ববিদ আৰু নৃতত্ত্ববিদসকলে সমাজৰ বিভিন্ন দিশবোৰৰ লগত সম্পৰ্ক ৰাখি সংস্কৃতিক বুজাবলৈ যত্ন কৰে।

তোমালোকে কোনো এখন অচিনাকি ঠাই ফুৰিবলৈ গ'লে সেই ঠাইখনৰ এখন মেপ বা মানচিত্ৰৰ প্ৰয়োজন অনুভৱ কৰাৰ দৰে এখন সমাজৰ ব্যক্তিসকলৰ আচৰণ, চলন-ফুৰণ জানিবৰ বাবে সংস্কৃতিৰ প্ৰয়োজনীয়তা আহি পৰে। এখন সমাজৰ সংস্কৃতি হৈছে সেই সমাজখনৰ ব্যক্তিসকলৰ উমৈহতীয়া বোধগম্যতা (common understanding)। সমাজৰ ব্যক্তিসকলৰ মাজত হোৱা আন্তঃক্ৰিয়াৰ মাধ্যমেদি সংস্কৃতিৰ শিক্ষণ লাভ কৰিব পাৰি আৰু এনেদৰে ইয়াৰ বিকাশ হয়। এটা সমূহৰ মাজত থকা সংস্কৃতিৰ উমৈহতীয়া বোধৰ জৰিয়তে অন্যান্য সমূহৰ পৰা পৃথক কৰিব পাৰি। এনে পৃথক স্বৰূপে স্বকীয় পৰিচয় দিয়ে। কিন্তু এই কথা উল্লেখনীয় যে সংস্কৃতিৰ শেষ বা অন্তিম পৰ্যায় নাই। সংস্কৃতি প্ৰবাহমান। ই সদায় পৰিৱৰ্তন হয় আৰু স্বকীয় ৰূপত উদ্ভৱ হয়। সংস্কৃতিৰ গতিশীলতাৰ ধাৰাটোত ধাৰাবাহিক ৰূপত সংযোজন ঘটে, বিলুপ্তি হয়, কেতিয়াবা সম্প্ৰসাৰণ, সংকোচন আৰু পুনৰ সজ্জিতকৰণো হয়। এনেদৰে সংস্কৃতিৰ গতিশীল স্বৰূপে কাৰ্যকৰী একক হিচাপে স্থিতি লাভ কৰে।

**ক্ৰিয়া কলাপ-১ (Activity-1)**

আমি এজন মানুহক লগ পালে কেনেদৰে অভিবাদন বা সম্ভাষণ জনাওঁ? এনে অভিবাদন তোমালোকৰ নিজৰ সংস্কৃতি অনুসৰি কিদৰে কৰা? বিভিন্ন ধৰণৰ ব্যক্তি (বন্ধু-বান্ধৱ, সম্পৰ্কীয়

বয়সীয়াল লোক, বিপৰীত লিঙ্গ, অন্যসমূহ বা সম্প্ৰদায়ৰ পৰা অহা লোকক বিভিন্ন ৰূপত অভিবাদন জনোৱা হয়। তোমালোকে বাৰু নিজৰ অজ্ঞতাৰ বাবে অসুবিধাজনক অভিজ্ঞতাৰ সন্মুখীন হৈছানে? এনে অভিজ্ঞতাৰ লগত সংস্কৃতিগত মিল নথকাৰ বাবেই হোৱা নাইনে? কিন্তু পৰৱৰ্তী সময়ত এনে অসুবিধা নহয়। ইয়াৰ কাৰণ হ'ল যে তোমালোকে এই বিষয়ে জানিব পাৰিলা। তোমাৰ সংস্কৃতিগত জ্ঞান আহৰণ হোৱাৰ লগে লগে ই আপোনা আপুনি ঠিক হৈ যাব।

উমৈহতীয়া বোধ ক্ষমতা গুণৰ জৰিয়তে একোটা চিহ্ন আৰু প্ৰতীকক একেই অৰ্থত বুজিব পৰা ক্ষমতাই মানুহক অন্যান্য জীৱৰ পৰা পৃথক কৰিছে। এটা অৰ্থ সৃষ্টি কৰিব পৰাটো এক প্ৰকাৰ সামাজিক গুণ। এই গুণ পৰিয়াল, সমূহ আৰু সম্প্ৰদায়ৰ লগত সম্পৰ্ক ৰাখি আমি আয়ত্ত কৰিব পাৰোঁ। আমি পৰিয়ালৰ সদস্য, বন্ধু-বৰ্গ সমনীয়া আদি লোকসকল, যি বিলাক বিভিন্ন সামাজিক পটভূমিত অৱস্থান কৰি আছে তেওঁলোকৰ লগত হোৱা আন্তঃক্ৰিয়াৰ জৰিয়তে বিভিন্ন আহিলা আৰু কৌশল, অবস্তুগত চিহ্ন-প্ৰতীক আদি বুজিব পাৰোঁ। এনেধৰণৰ অধিক জ্ঞানেই পদ্ধতিগতভাৱে লিখিত বা মৌখিক ৰূপত প্ৰবাহিত হৈ আহিছে।

তলত উল্লেখ কৰা আন্তঃক্ৰিয়াত কেনেকৈ শব্দ আৰু মুখৰ ভঙ্গীমা প্ৰকাশিত হৈছে মন কৰাচোন।

ৰাস্তাত ৰৈ থকা এজন বাটৰুৱাই কঁপালখন কোঁচখোৱা ৰূপত আহি থকা এজন অটোচালকক সুধিলে 'ইন্দ্ৰ নগৰ'? এই প্ৰশ্নটোত 'আপুনি যাবনে?' কথাষাৰ সম্পূৰ্ণ এটা বাক্যৰ ৰূপত নোকোৱাকৈ আটোচালকজনে চকুৰ ইঙ্গিতেৰে যদি পিছৰ আসনখন দেখুৱাই দিয়ে তেতিয়া সন্মতি সূচক হ'ব। ইয়াৰ বিপৰীতে কোনো অভিব্যক্তি প্ৰকাশ নকৰাকৈ যদি অটোচালক জন গুছি যায় নাইবা এটা বেয়া শব্দ শুনাৰ দৰে ভঙ্গীমা প্ৰকাশ কৰে বা মিচিকিয়া হাঁহি এটা মাৰি মূৰটো জোকাৰে তেনেক্ষেত্ৰত দুখিত বুলি কোৱা অভিব্যক্তি প্ৰকাশিত হ'ব। এই ধৰণৰ আন্তঃক্ৰিয়া ক্ষন্তেক সময়ৰ মানসিকতাৰ ওপৰত নিৰ্ভৰ কৰিব।

এনেধৰণৰ শিক্ষণে সমাজত আমাৰ ভূমিকা আৰু দায়িত্ববোধৰ বাবে প্ৰস্তুত কৰি তোলে। তোমালোকে ইতিমধ্যে প্ৰস্থিতি আৰু ভূমিকাৰ লগত সম্পৰ্কিত হৈছা। আগৰ অধ্যায়ত সমাজত ব্যক্তিৰ ভূমিকা আৰু প্ৰস্থিতি সম্পৰ্কে জানি আহিছা। আমি পৰিয়ালত কি শিক্ষা গ্ৰহণ কৰোঁ? প্ৰকৃততে পৰিয়ালৰ পৰা লাভ কৰা শিক্ষাক প্ৰাথমিক সমাজিকীকৰণ (Primary socialisation) আৰু বিদ্যালয় তথা অন্যান্য সংস্থাত যি শিক্ষা গ্ৰহণ কৰা হয় তাক দ্বিতীয়ক সামাজিকীকৰণ (secondary socialisation) বুলি কোৱা হয়। আমি এই অধ্যায়টোৰ শেষৰ ফালে এই বিষয়ে সবিশেষ আলোচনা কৰিম।


**বৈচিত্ৰ্যময় পটভূমি, ভিন্ন সংস্কৃতি (Diverse Settings and Different Cultures) ঃ**

মানুহে ভিন্ন প্ৰাকৃতিক পটভূমিত বাস কৰি আহিছে। এই ভিন্ন প্ৰাকৃতিক পটভূমি বুলি ক'লে পৰ্বত -পাহাৰ, সমভূমি অঞ্চল, মুকলি ঠাই, নদী উপত্যকা আৰু মৰুভূমি অঞ্চল ইত্যাদিকে বুজা যায়। তদুপৰি মানুহৰ বসতি স্থাপনৰ ক্ষেত্ৰত সামাজিক পটভূমিৰ ভিন্নতাৰ কথাও আহি পৰে। উদাহৰণস্বৰূপে, গাঁও, চহৰ, মহানগৰ আদি

ভিন্ন সামাজিক পটভূমিৰ কথা উল্লেখ কৰিব পাৰি। বিভিন্ন পটভূমিত প্ৰাকৃতিক আৰু সামাজিক অৱস্থাৰ লগত খাপ খুৱাই মানুহে বিভিন্ন কৌশল অৱলম্বন কৰে। এই বিলাকে মানুহৰ ভিন্ন জীৱন প্ৰণালী বা সংস্কৃতি গঢ়ি উঠাত 'ইন্ধন' যোগায়।

এই ভিন্নতাৰ সাক্ষী হিচাপে ২০০৪ চনৰ ২৬ ডিচেম্বৰত তামিলনাডু আৰু কেৰেলাৰ উদাহৰণ দিব পাৰোঁ। উল্লিখিত চুনামিয়ে কেৰেলা উপকূল তথা আন্দামান-নিকোবৰ দ্বীপপুঞ্জৰ ক্ষতি সাধন কৰাৰ সময়ত পৰিস্থিতি সাপেক্ষে মোকাবিলা কৰাৰ কৌশলগত তাৰতম্য প্ৰমাণিত হৈছিল এই অঞ্চলবোৰৰ মূল ভূ-ভাগ আৰু দ্বীপপুঞ্জত বসবাস কৰা লোক সকলে সংহত ৰূপত আধুনিক জীৱন প্ৰণালীৰে পৰিচালিত হৈছিল। অন্যহাতেদি আদিম জনজাতি সম্প্ৰদায় যেনে ওংজেছ (Onges) , জাৰাৱাচ(Jarawas) গ্ৰেট -আন্দামানীজ (Great Andamanese) বা ছম্পেনচ (Shompens) আদি লোক সকলে আধুনিক বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা ব্যৱহাৰ কৰা নাছিল। তেওঁলোকৰ অভিজ্ঞতাপুষ্ট জ্ঞানৰ ভিত্তিত সম্ভাব্য বিপদৰ আগজাননী লাভ কৰিব পাৰিছিল আৰু ওখ ঠাইলৈ গৈ আত্মৰক্ষা কৰিছিল। এই কথাই প্ৰমাণিত কৰে যে জনজাতীয় সংস্কৃতি আধুনিক সংস্কৃতিৰ তুলনাত নিম্ন বা আধুনিক সংস্কৃতি জনজাতীয় সংস্কৃতিতকৈ উচ্চ এইদৰে সংস্কৃতিক উচ্চ-নিম্ন হিচাপত ভাগ কৰিব নোৱাৰি।

ইয়াৰ বিপৰীতে প্ৰাকৃতিক প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব পৰাকৈ কোনটো সংস্কৃতি উপযোগী বা অনুপযোগী সেইটোক নিৰ্ধাৰণ কৰিব লাগে।



*প্ৰাকৃতিক পৰিবেশে কিদৰে সংস্কৃতিক প্ৰভাৱিত কৰে আলোচনা কৰি চোৱাচোন।*

**ক্রিয়া কলাপ-২ (Activity-2)**

ছাত্র-ছাত্রীসকল, নিজৰ অঞ্চলক বাদ দি তোমাৰ ওচৰৰ অঞ্চলবোৰ পৰ্যবেক্ষণ কৰা। তোমালোকে দেখিবা মানুহৰ খাদ্যাভ্যাস, ঘৰ নিৰ্মাণৰ প্ৰণালী। পোছাক- পৰিচ্ছদ, ঈশ্বৰ উপাসনা কৰা পদ্ধতিত কেনেদৰে প্ৰভাৱ পেলাইছে।

**সংস্কৃতিৰ সংজ্ঞাকৰণ (Defining Culture)** ঃ

আমি সাধাৰণভাৱে সংস্কৃতি বুলিলে নৃত্য-গীত, চিত্ৰকলা আদিৰ কথাকে বুজাব বিচাৰোঁ। কেতিয়াবা সংস্কৃতি শব্দটো ৰুচিগত উপলব্ধিক বুজাবলৈ ব্যৱহাৰ কৰোঁ। এই অৰ্থত শাস্ত্ৰীয় সংগীত, নৃত্যশৈলী, চিত্ৰকলা আদিক সংস্কৃতিৰ অৰ্থত বুজাবৰ বাবে ব্যৱহাৰ কৰা হয়। আমি ৰুচিগত উপলব্ধি বা মাৰ্জিত আচাৰ-আচৰণ আদিৰ মাধ্যমেদি এখিনি মানুহক অন্য এচাম মানুহৰ পৰা সংস্কৃতিসম্পন্ন বুলি পৃথকে বিবেচনা কৰোঁ। চাহতকৈ কফি ভাল পাওঁ ধৰণৰ ব্যক্তিগত ৰুচিবোধ সম্পন্ন কথাবোৰো ইয়াৰ বিবেচনাৰ ভিতৰলৈ অনা হয়। অৰ্থাৎ আমাৰ বাবে ব্যক্তিগত ৰুচিবোৰো আগতে বিশেষ ৰুচিবোধ সম্পন্ন বুলি বিবেচনা কৰা হৈছিল।

সমাজতাত্ত্বিক দিশৰ পৰা সংস্কৃতি ধাৰণাটো এনেধৰণৰ ব্যক্তিৰ ৰুচি-অভিৰুচিবোৰ, যিবোৰৰ জৰিয়তে ব্যক্তিসকলক পৃথক কৰা হয় সেইবোৰক আলোচনা কৰা নহয়। সাধাৰণ অৰ্থত নৃত্য-গীত, চিত্ৰকলা আদিবোৰক যিদৰে সংস্কৃতি বুলি কোৱা হয় সমাজতাত্ত্বিক দিশৰ পৰা ইয়াৰ বিপৰীতে সংস্কৃতিক ব্যাপক অৰ্থ ব্যৱহাৰ কৰা হয়। সংস্কৃতি হ'ল এক জীৱন চৰ্যা (Way to life) আৰু ইয়াত সমাজৰ সকলো মানুহে অংশ গ্ৰহণ কৰে। প্ৰত্যেক সামাজিক সংগঠনে নিজৰ সংস্কৃতিৰ উত্তৰণ ঘটায়।

**ক্রিয়া কলাপ-৩ (Activity-3)**

তোমালোকে ইংৰাজী culture শব্দটোৰ সমাৰ্থক শব্দ কিছুমান ভাৰতীয় ভাষাত বিচাৰি উলিওৱা। এই শব্দবিলাকৰ মাজত কিবা মিল পাইছা নেকি?

সংস্কৃতি সম্পৰ্কে এডৱাৰ্ড টাইলৰ (Edward Tylor) এ সংজ্ঞা আগবঢ়াইছে এনেদৰে — ''Culture is that complex whole which includes knowledge, belief, art, morals, law, custom and anyother capabilities and habits acquired by man as a member of society'' (Tylor 1871) অৰ্থাৎ সংস্কৃতি হৈছে এক জটিল সংমিশ্ৰণ, য'ত জ্ঞান, বিশ্বাস, কলা, নৈতিকতা, আইন, আচাৰ ব্যৱহাৰ আদি অন্তৰ্ভুক্ত হৈ থাকে আৰু সমাজৰ এজন সদস্য হিচাপে মানুহে আহৰণ কৰিবলগীয়াখিনি সামৰি লয়।




*ওপৰৰ ছবিখনত কেনেধৰণৰ জীৱনধাৰা প্ৰকাশ হৈছে আলোচনা কৰা।*

প্ৰায় দুটা প্ৰজন্মৰ পিছত ‘ক্ৰিয়াত্মক চিন্তাধাৰাৰ (Functional School) প্ৰতিষ্ঠাপক পোলেণ্ডৰ নৃতত্ত্ববিদ ব্ৰনচিল মেলিনস্কি (Bronislaw Malinowski) এ লিখিছিল ‘‘Culture comprises inherited artifacts, goods, technical process, ideas, habits and values’’. (Malinowski 1931: 621-46) অৰ্থাৎ সংস্কৃতিয়ে বংশানুক্ৰমিক ভাৱে হস্তান্তৰিত কৰা শিল্প, দ্ৰব্য-বস্তু, কাৰিকৰী প্ৰক্ৰিয়া ধাৰণা, অভ্যাস আৰু মূল্যবোধক সামৰি লয়।

ক্লিফৰ্ড গাৰটজ (Clifford Geertz) এ পৰামৰ্শ দিছে যে আমি এখন কিতাপত থকা শব্দবিলাকৰ দৰে মানৱীয় কাৰ্যকলাপবোৰক চাব বিচাৰোঁ, মানুহ এনে এক জীৱ যে নিজে গুঠি লোৱা অৰ্থৰ জালখনত নিজে ওলমি থাকে। মই সংস্কৃতিক তেনেখন জাল বুলি ধৰি লওঁ। ‘‘..... Man is an animal suspended in webs of Significance he himself has spun. I take culture to be those webs.’’

ইয়াৰ কোনো কাৰণাত্মক বিশ্লেষণ বিচৰা নাই। ইয়াৰ অন্তনিৰ্হিত অৰ্থ বিচাৰ হৈছে। (Geertz 1973:5)

একেধৰণে লেচনি হোৱাইটে (Leslie White) সংস্কৃতিক বস্তুনিষ্ঠ অৰ্থ বুজোৱা মাধ্যম হিচাপে তুলনা কৰিছে। উদাহৰণ হিচাপে কোনো বিশেষ ঠাইৰ পানীক পবিত্ৰ হিচাপে গণ্য কৰা ধাৰণাটোক লব পাৰি।

তোমালোকে ইতিমধ্যে মেলিনস্কি আৰু টাইলৰে দিয়া সংজ্ঞা দুটা পঢ়ি চাই দুয়োটাৰ মাজত কি পাৰ্থক্য লক্ষ্য কৰিছা?

টাইলৰে আগবঢ়োৱা সংজ্ঞাটোত কলাৰ বাহিৰে অন্যান্য উপাদানবোৰক অবস্তুবাদী (non-material) বুলি কোৱা হৈছে। ইয়াৰ কাৰণ এইটো নহয় যে বস্তুবাদী ৰূপ (material form) টাইলৰৰ দৃষ্টিগোচৰ হোৱা নাছিল। তেওঁ প্ৰকৃততে এজন সংগ্ৰহালয়ৰ তত্ত্বাৱধায়ক (musium curator) আছিল আৰু তেওঁৰ বেছিভাগ নৃতাত্ত্বিক লিখনি তেওঁ কেতিয়াও নেদেখা পৃথিৱীৰ বিভিন্ন সমাজৰ শিল্প আৰু আহিলা (artifacts and tools)ৰ পৰীক্ষা-নিৰীক্ষাৰ ওপৰত আধাৰিত আছিল। আমি তেওঁৰ সংস্কৃতিৰ সংজ্ঞাটো অস্পৰ্শনীয় আৰু অমূৰ্ত্ত (inlangible and abstract) দিশবোৰক ভিত্তি কৰি বিবেচনা কৰিব পাৰোঁ। আনহাতে মেলিনস্কিৰ সংজ্ঞাটো লক্ষ্য কৰিলে দেখা যায় যে তেওঁ ব্যক্তিগত অভিজ্ঞতাৰ ভিত্তিত সংস্কৃতি সম্পৰ্কে আলোকপাত কৰিছে। পৰিস্থিতিগত কাৰণত মেলিনস্কিয়ে প্ৰথম মহাসমৰৰ সময়ছোৱাত পশ্চিম প্ৰশান্ত মহাসাগৰীয় দ্বীপ এটাত বসবাস কৰিছিল। সেই সময়ছোৱাত তাৰ সমাজখনৰ বিষয়ে অধ্যয়ন কৰি গুণগত দিশৰ মূল্য অনুভৱ কৰিছিল। ইয়াৰ ভিত্তিত ক্ষেত্ৰ কৰ্মৰ (Field work) পৰম্পৰা প্ৰতিষ্ঠা কৰিছিল। এই সম্পৰ্কীয় কিছুকথা তোমালোকে পঞ্চম অধ্যায়ত পঢ়িবলৈ পাবা।

সংস্কৃতি সম্পৰ্কে আগবঢ়োৱা সংস্কৃতিৰ বিভিন্ন সংজ্ঞাবোৰক সামৰি ১৯৫২ চনত যুক্তৰাষ্ট্ৰৰ আলফ্ৰেড ক্ৰোৱেবাৰ (Alfred Kroeber) আৰু ক্লাইড ক্লোক হনে (Clyde Klucklohn) এক জৰীপ প্ৰকাশ কৰে।

তলত বিভিন্ন সংজ্ঞাবোৰৰ নমুনা দাঙি ধৰা হৈছে।

এই সংজ্ঞাবোৰ তুলনা কৰি চোৱা কোনটো বা কোনকেইটা সংজ্ঞা তোমালোকৰ বাবে অধিক সন্তোষজনক হব। তোমালোকে প্ৰথমে ধাৰা (way), শিকণ (learning) আৰু আচৰণ (behaviour) শব্দবোৰ লক্ষ্য কৰা। অৱশ্যে, প্ৰতিটো শব্দ কেনেদৰে ব্যৱহাৰ হৈছে লক্ষ্য কৰিলে দেখিবা যে প্ৰতিবাৰতেই পৃথক পৃথক দিশত গুৰুত্ব দিয়া হৈছে। প্ৰথম খণ্ডটোৱে মানসিক দিশত গুৰুত্ব দিয়াৰ বিপৰিতে দ্বিতীয়টোৱে সামগ্ৰিক জীৱন প্ৰণালীৰ ওপৰত গুৰুত্ব দিছে। সংজ্ঞাসমূহৰ (d), (e) আৰু (f) এই তিনিটাই সংস্কৃতিক এটা সমূহৰ ব্যক্তিসকলে অংশ গ্ৰহণ কৰা আৰু ইয়াক বংশানুক্ৰমিকভাৱে হস্তান্তৰিত কৰিব পৰা বুলি উল্লেখ কৰিছে। শেষৰ দুয়োটা খণ্ড বাক্যই সংস্কৃতিক আচৰণ বিধি নিৰ্দেশ কৰা এক মাধ্যম বুলি উল্লেখ কৰিছে। সংস্কৃতিৰ সংজ্ঞা সম্পৰ্কিত এই খণ্ড বাক্য কেইটা তলত উল্লেখ কৰা হ'ল —

সংস্কৃতি হ'ল (Culture is) —

(a) চিন্তা চৰ্চা, অনুভৱ, বিশ্বাসৰ এক ধাৰা।
(a way of thinking, feeling, believing)

(b) ব্যক্তিৰ সামগ্ৰিক জীৱন প্ৰণালী।
(the total way of life of people)

(c) আচৰণ প্ৰণালীৰ এক আভাস।
(an abotraction from behaviour)

(d) শিক্ষণীয় আচৰণ।
(learned behiviour)

(e) শিকি আয়ত্ব কৰা জ্ঞান ভাণ্ডাৰ।
(a store house of pooled learning )
(f) ব্যক্তিয়ে নিজৰ সমূহৰ পৰা আহৰণ কৰা সামাজিক ইচ্ছা পত্ৰ।
(the social legacy the individual acquires from his group)
(g) পুনৰাবৃত্তি হোৱা সমস্যাবোৰৰ সমাধানৰ পথ নিৰ্দেশক।
(a set of standardised orientations to reculrrent problems)
(h) আচৰণৰ স্বাভাৱিক বিধি ব্যৱস্থাৰ এক কৌশল।
(a mechanism for the normative regulation of behiviour)

**ক্ৰিয়া কলাপ-৪ (Activity-4)**

সংস্কৃতিৰ বিভিন্ন সংজ্ঞাবোৰ তুলনা কৰি চাই কোনটো বা কোনকেইটা সংমিশ্ৰণ তোমাৰ সন্তুষ্টিদায়ক হৈছে। তোমালোকে সংস্কৃতি শব্দটো পৰিচিত অৰ্থত ব্যৱহাৰ কৰি যেনে— পশ্চিমীয়া সংস্কৃতি, অতিথি শুশ্ৰূষা কৰা সংস্কৃতি, অষ্টাদশ শতিকাৰ লক্ষ্ণৌৰ সংস্কৃতি ইত্যাদি এখন তালিকা যুগুত কৰিব পাৰা। চোৱাচোন কোনটো সংজ্ঞাই প্ৰতিটোৰে অৰ্থ প্ৰকাশ কৰিছে।

**সংস্কৃতিৰ পৰিধি (Dimensions of Culture) ঃ**

সাধাৰণতে সংস্কৃতিক তিনিটা পৰিধিত ভাগ কৰিব পাৰি। এই তিনিটাৰ বিষয়ে এক চমু পৰিচয় দাঙি ধৰা হ'ল—

**(ক) বোধাত্মক (Cognitive) ঃ**

বোধাত্মক চিহ্নটোৱে আমি কেনেদৰে দেখা বা শুনা কথাৰ অৰ্থ বুজিবলৈ শিকো সেই প্ৰক্ৰিয়াক বুজায়। (যেনে — আমাৰ ম'বাইলৰ ৰিং টিউন শুনাৰ লগে লগে নিজৰ বুলি চিনাক্ত কৰা, বিশেষ একোটা ব্যঙ্গ চিত্ৰৰ দ্বাৰা ৰাজনীতিকক চিনাক্ত কৰা ইত্যাদি)

**(খ) প্ৰতিমান সূচক (Normative) ঃ**

সংস্কৃতিৰ প্ৰতিমান সূচক দিশটোৱে কিছুমান নীতি-নিয়ম মানি চলাটোক বুজায়। যেনে— অন্য ব্যক্তিৰ নামত অহা চিঠিপত্ৰ খুলিব নালাগে, ধৰ্মীয় নীতি-নিয়মবোৰ পালন কৰিব লাগে ইত্যাদি।

**(গ) বস্তুগত বা ভৌতিক (Material) ঃ**

সংস্কৃতিৰ ভৌতিক বা বস্তুগত দিশটোত বস্তুৰ মাধ্যমত সম্পাদিত সকলো কাৰ্যক সামৰি লয়, বস্তুগত বা ভৌতিক দিশটোৰ ভিতৰত সকলো আহিলা-যন্ত্ৰপাতি সামৰি লোৱা হয়। উদাহৰণস্বৰূপে, ইণ্টাৰনেটৰ জৰিয়তে কাৰোবাৰ লগত কথা-বাৰ্তা বিনিময় কৰা, কোনো মাংগলিক অনুষ্ঠানত মজিয়াৰ আল্পনা আঁকিবৰ বাবে চাউল গুড়িৰ প্ৰলেপ ইত্যাদি।

**সংস্কৃতিৰ বোধাত্মক দিশবোৰ (Cognitive Aspects of Culture) ঃ**

সংস্কৃতিৰ বোধাত্মক দিশবোৰ এজন ব্যক্তিৰ কাৰণে চিনাক্ত কৰাটো ভৌতিক বস্তুৰ তুলনাত জটিল। (ভৌতিক বস্তুৰ উদাহৰণ হিচাপে স্পৰ্শ কৰিব পৰা, দৃষ্টিগোচৰ হোৱা বা শুনিব পৰা বস্তুৰ কথা কব পাৰি। একেদৰে প্ৰতিমান সূচক দিশবোৰ (যিবোৰ স্পষ্টভাৱে নিৰ্ধাৰিত)ৰ তুলনাতো বোধাত্মক দিশবোৰ জটিল প্ৰকৃতিৰ বোধগম্যতাই আমাৰ পৰিবেশৰ পৰা অহা বাৰ্তাবোৰ বুজি পোৱাটোক বুজায়। এখন সু-সভ্য সমাজত ধাৰণাবোৰ গ্ৰন্থ বা তথ্য আকাৰত পুথিভঁৰাল, প্ৰতিষ্ঠান তথা নথি ভঁৰালত সংৰক্ষণ কৰি ৰখা হয়। কিন্তু অশিক্ষিত আৰু নিৰক্ষৰ সমাজত সেইবিলাক মানুহৰ মুখে মুখে প্ৰচলিত হৈ থাকে। এই বিলাক ধৰ্মীয় অনুষ্ঠান, উৎসৱ-পাৰ্বনত মৌখিকভাৱে বিৱৰণী দিব পৰা দক্ষ মানুহ থাকে আৰু তেওঁলোকক পৰম্পৰাগত ভাৱে মনত ৰাখিবৰ বাবে প্ৰশিক্ষণ দিয়া হয়।

বিভিন্ন লিখনি বিলাকে উৎপাদন আৰু উপভোগত কেনেদৰে প্ৰভাৱ পেলায় তাক চোৱা যাওক। ৱল্টাৰ এঙে (Walter Ong) তেওঁৰ বহু প্ৰভাৱিত গ্ৰন্থ ‘Orality and Literacy’ শীৰ্ষক গ্ৰন্থত ১৯৭২ চনত কৰা এটা অধ্যয়নত এইটো দেখুৱাইছে যে ৩০০০ টা প্ৰচলিত ভাষাৰ ভিতৰত কেৱল মাত্ৰ ৭৮ টা ভাষাৰহে নিজা সাহিত্য আছে। তেওঁৰ ধাৰণা অনুসৰি অলিখিত বস্তুবোৰৰ কিছুমান নিৰ্ধাৰিত বিশেষ বৈশিষ্ট্য আছে।

একেবোৰ শব্দৰ একাধিক ব্যৱহাৰে মনত ৰখাত সহায় কৰে। কোনো এক অজ্ঞাত সংস্কৃতিৰ বিষয়ে জানিবৰ বাবে কিতাপৰ তুলনাত এজন ব্যক্তিৰ বক্তৃতাই অধিক আকৰ্ষণ কৰে। এনেবোৰ কথা লিখিত ৰূপত প্ৰকাশ কৰিলে বেছি দীঘলীয়া হয়।

আমাৰ সমাজবোৰত ঐতিহাসিকভাৱে সুবিধাভোগী শ্ৰেণীটোৰ বাবেহে শিক্ষা আহৰণৰ পথ মুকলি আছিল। সমাজতাত্ত্বিক অধ্যয়ন বিলাকত যিমানবোৰ অনুসন্ধান কৰা হৈছে সেইবিলাকত পঢ়াশালিৰ মুখ নেদেখা বা বিদ্যালয়লৈ নোযোৱা লোক সকলৰ পৰিয়ালবোৰক লৈ অধ্যয়ন সামৰি লোৱা দেখা যায়। এনে অধ্যয়ন বিলাকে ভাবিব নোৱাৰা ধৰণৰ কিছুমান কথাৰ সম্ভেদ দিয়ে। এনে অধ্যয়নবোৰৰ পৰা লাভ কৰা এটা উদাহৰণ দাঙি ধৰা হৈছে। এজন শাক-পাচলি বিক্ৰী কৰা অশিক্ষিত মানুহক পঢ়াৰ কথা ক'লে এনে উত্তৰ দিব বিচাৰে যে তেওঁ গ্ৰাহক সকলৰ পৰা কিমান ধন পাবলগীয়া আছে সেই কথা মনত ৰাখিব পাৰিলে তেওঁ নতুনকৈ আখৰ শিকাৰ কি প্ৰয়োজন আছে।

সমসাময়িক বিশ্বই আমাক অধিক পৰিমাণে লিখিত, শ্ৰাব্য আৰু দৃশ্য তথ্যক বিশ্বাস কৰিবলৈ শিকাইছে তথাপিতো ভাৰতীয় শাস্ত্ৰীয় সংগীতৰ শিক্ষাৰ্থী সকলৰ শিকা কথাবোৰ লিখাৰ সলনি মনত ৰাখিবলৈহে শিক্ষা দিয়ে। আমি এতিয়াও বৈদ্যুতিক মাধ্যম, অজস্ৰ এনে মাধ্যমৰ চেনেলবোৰক মূল্যাংকন কৰিবলৈ সমৰ্থ নহওঁ বা এই বিলাকৰ মাজত নিৰ্মজিত হওঁ। তোমালোকে বাৰু এই কথা ভাৱানে যে এনেধৰণৰ নতুন ৰূপবোৰে আমাৰ মনোযোগ আৰু বোধাত্মক সংস্কৃতিত প্ৰভাৱ পেলাইছে।

**সংস্কৃতিৰ প্ৰতিমান সূচক দিশসমূহ (Normative Aspects of Culture) ঃ**

সংস্কৃতিৰ প্ৰতিমান সূচক দিশবোৰৰ ভিতৰত জনৰীতি, লোকাচাৰ, প্ৰথা, পৰম্পৰাগত ৰীতি আৰু আইনক লৈ গঠিত হয়। এই মূল্যবোধ বা নীতি-নিয়মসমূহে বিভিন্ন ক্ষেত্ৰত আমাৰ সামাজিক আচৰণ পৰিচালনা কৰে।

আমি প্ৰায়ে সামাজিক প্ৰতিমানসমূহ অনুসৰণ কৰোঁ। কিয়নো এইবিলাক মানি চলাত আমি অভ্যস্ত হওঁ। সামাজিকীকৰণ প্ৰক্ৰিয়াই এইবিলাক মানি চলাত আমাক সহায় কৰে। সকলো সামাজিক প্ৰতিমান পালন কৰাৰ নিৰ্দেশে এইবিলাক সুনিশ্চিত কৰাত সহায় কৰে। আমি ইতিমধ্যে দ্বিতীয় অধ্যায়ত সামাজিক নিয়ন্ত্ৰণ সম্পৰ্কে আলোচনা কৰি আহিছো।

প্ৰতিমানবোৰ অন্তৰ্নিহিত নীতি-নিয়ম (implicit rules) হোৱাৰ বিপৰীতে আইন হৈছে স্পষ্ট নীতি নিয়ম(explicit rules)ৰ সমষ্টি। তোমালোকে আগলৈ ফ্ৰান্সৰ আধুনিক সমাজতত্ত্ববিদ পিয়েৰ বোৰ্ডিও(Pierre Bourdieu)ৰ নাম আৰু তেওঁৰ তত্ত্বৰ বিষয়ে জানিব পাৰিবা। এই গৰাকী ফ্ৰান্সৰ সমাজতত্ত্ববিদে এই কথা প্ৰকাশ কৰিছে যে আমি অন্য এক সংস্কৃতিৰ প্ৰতিমানবোৰ বুজিবলৈ চেষ্টা কৰোঁতে কিছুমান অন্তৰ্নিৰ্হিত জ্ঞানৰ বিষয়ে মনত ৰাখিব লাগিব। উদাহৰণস্বৰূপে এজন ব্যক্তিয়ে অন্য এজন ব্যক্তিৰ পৰা কিবা এটা উপহাৰ পোৱাৰ পিছত কৃতজ্ঞতা স্বৰূপে ব্যক্তিজনক এটা উপহাৰ দিব নালাগে। কিয়নো এনে কাযই বন্ধুত্বপূৰ্ণ ভাৱ প্ৰকাশৰ চিন প্ৰকাশ কৰাৰ সলনি ঋণমুক্ত হোৱাৰ চেষ্টা কৰাহে হব।

আইন হৈছে অনুষ্ঠানিকভাৱে অনুমোদন জনোৱা কিছুমান বিধি ব্যৱস্থা। এইবিলাক সকলো নাগৰিকে মানি চলা উচিত। সমাজৰ সকলো নাগৰিকৰ ওপৰত আইন আৰোপ কৰা হয়। আইন অমান্য কাৰী জনক শাস্তি প্ৰদান কৰাৰ ব্যৱস্থা থাকে। প্ৰতিমান সম্পৰ্কীয় এটা উদাহৰণ তোমালোকক দিব বিচাৰিছো। তোমালোকৰ ঘৰখনৰ লৰা-ছোৱালীবোৰ সন্ধ্যাৰ পিছত ঘৰৰ বাহিৰত থাকিলে পৰিয়ালৰ জ্যেষ্ঠসকলে বাধা আৰোপ কৰিব। ই হ'ল প্ৰতিমান। কিন্তু এই প্ৰতিমান তোমালোকৰ ঘৰখনতহে প্ৰযোজ্য হব। অন্য পৰিয়ালৰ ক্ষেত্ৰত ই প্ৰযোজ্য নহবও পাৰে। অৱশ্যে যদি, অন্য ঘৰৰ পৰা এডাল সোনৰ চেইন চুৰি কৰি অনা হয়, তেতিয়া সাৰ্বজনীনভাৱে গ্ৰহণযোগ্য ব্যক্তিগত সম্পত্তি আইন ভঙ্গৰ অপৰাধত তোমাক কাৰাগাৰলৈ প্ৰেৰণ কৰিব পাৰে।

আইন হৈছে চৰকাৰ বা ৰাজনৈতিক কৰ্তৃত্বই প্ৰবৰ্তন কৰা এক বিধি ব্যৱস্থা। সকলোৰে বাবে গ্ৰহণযোগ্য আচৰণবোৰ আইনৰ দ্বাৰা নিৰ্ধাৰণ কৰা হয়। কিন্তু বিভিন্ন শিক্ষানুষ্ঠানবোৰে প্ৰৱৰ্তন কৰা প্ৰতিমান বোৰ বেলেগ বেলেগ ধৰণৰ হয়। কিন্তু ৰাষ্ট্ৰৰ কৰ্তৃত্বই প্ৰৱৰ্তন কৰা আইন সকলোৰে বাবে প্ৰযোজ্য আৰু গ্ৰহণযোগ্য। সমাজ এখনত প্ৰস্থিতি অনুসৰি প্ৰতিমানবোৰ পৃথক হয়। সমাজৰ ক্ষমতাশালী শ্ৰেণীটোৱে প্ৰতিমানবোৰ শক্তিশালী ৰূপত প্ৰৱৰ্তন কৰে। বহু সময়ত এই প্ৰতিমানবোৰ বৈষম্যমূলক হোৱাও দেখা যায়। উদাহৰণস্বৰূপে পৰম্পৰাগত সমাজখনত চলিত শ্ৰেণীটোৱে আন লোকসকলৰ লগত সমানে বা একেস্থানৰ পৰা খোৱা পানী ব্যৱহাৰ কৰা বা ধৰ্মীয় অনুষ্ঠানত ভাগ লোৱাত নিষেধাজ্ঞা, ৰাজহুৱা স্থানত পুৰুষৰ দৰে মহিলা সকলে মুকলিকৈ চলা-ফুৰা কৰাত বাধা আৰোপ কৰা প্ৰতিমান দেখা যায়।

### সংস্কৃতিৰ ভৌতিক বা বস্তুগত দিশসমূহ (Material Aspects of Culture)ঃ

সংস্কৃতিৰ বস্তুগত বা ভৌতিক দিশটোৱে বিভিন্ন আহিলা, প্ৰযুক্তিবিদ্যা, যন্ত্ৰপাতি, ঘৰ-দুৱাৰ, আচবাব-পত্ৰ, পৰিবহণ ব্যৱস্থা, উৎপাদনৰ আহিলা, যোগাযোগ মাধ্যম সমূহক সামৰি লয়। নগৰীয়া সমাজবোৰত অধিক পৰিমাণে দৈনন্দিন জীৱন প্ৰণালীত মোবাইল ফোন, বাদ্যযন্ত্ৰ, সৰু গাড়ী, বাছ, এ. টি. এম (Auto mated Teller Machine), ৰেফ্ৰিজাৰেটৰ, কম্পিউটাৰ আদিয়ে প্ৰযুক্তিবিদ্যাৰ ওপৰত নিৰ্ভৰশীল হোৱাটোকে

বুজায়। তদুপৰি, গ্ৰাম্য অঞ্চলত কৃত্ৰিম জলসিঞ্চনৰ ব্যৱস্থা, ৰেডিঅ' টেলিভিছনৰ ব্যৱহাৰ আদিয়ে প্ৰযুক্তি কৌশলৰ ওপৰত অধিক নিৰ্ভৰশীলতাক প্ৰকাশ কৰে।

ওপৰৰ কথাখিনিৰ পৰা এইটো বুজিব পৰা যায় যে সংস্কৃতিৰ দুটা প্ৰধান পৰিধি আছে। সামগ্ৰিকভাৱে এই দুটা হ'ল বস্তুবাদী (Material) আৰু অবস্তুবাদী(Non-material)। যেতিয়া বোধাত্মক আৰু প্ৰতিমান সূচক দিশবোৰ অবস্তুবাদী হয়, তেতিয়া ইয়াৰ বিপৰীতে বস্তুবাদী পৰিধি অধিক উৎপাদন আৰু জীৱন-ধাৰণৰ মানদণ্ড উন্নীতকৰণত ওতঃপ্ৰোতভাৱে জড়িত হৈ পৰে। সংস্কৃতিয়ে কাৰ্যকৰী ৰূপ পাবলৈ হ'লে বস্তুবাদী আৰু অবস্তুবাদী দুয়োটা পৰিসৰে সংঘবদ্ধ ভাৱে কাম কৰিব লাগিব। কিন্তু এই কথা লক্ষ্য কৰা যায় যে সংস্কৃতিৰ বস্তুবাদী দিশটো অবস্তুবাদী সংস্কৃতিৰ তুলনাত আগবাঢ়ি যায়। ইয়ে সাংস্কৃতিক দীৰ্ঘসূত্ৰীতাৰ সৃষ্টি কৰে। ডব্লিউ এফ অগবাৰ্ণ (W.F. Ogburn) নামৰ সমাজতত্ত্ববিদগৰাকীয়ে সাংস্কৃতিক দীৰ্ঘসূত্ৰীতা বা পশ্চাৎগামীতা নামৰ এটা তত্ত্ব আগবঢ়াইছে।

**সংস্কৃতি আৰু পৰিচয় (Culture and Identity) ঃ**

পৰিচয় উত্তৰাধিকাৰী সূত্ৰে লাভ কৰা নাযায়। এজন ব্যক্তিৰ পৰিচয় অন্যান্য লোকসকলৰ লগত কৰা সম্পৰ্কৰ জৰিয়তে গঢ় লৈ উঠে আৰু ইয়াৰ মাধ্যমেদি নিজৰ পৰিচয় বা চিনাকি প্ৰতিভাত হয়। আধুনিক সমাজত প্ৰতিজন ব্যক্তিয়ে বিভিন্ন ধৰণৰ সামাজিক ভূমিকাত অৱতীৰ্ণ হয় আৰু পালন কৰা ভূমিকাৰ জৰিয়তে পৰিচয় লাভ কৰা যায়। উদাহৰণস্বৰূপে এজন ব্যক্তিয়ে নিজৰ পৰিয়ালটোতে এজন পুৰুষ বা মহিলা, পিতৃ বা মাতৃ বা সন্তান হিচাপে পৰিচয় থাকিব পাৰে। ব্যক্তিয়ে নিজৰ স্থানৰ বাবেই বিশেষ বিশেষ ধৰণৰ ভূমিকা পালন কৰিব লগা হয়। এই ভূমিকাৰ লগত কিছুমান দায়িত্ব আৰু ক্ষমতা জড়িত থাকে।

ভূমিকা পালন কৰাটোৱেই যথেষ্ট নহয়। এই ভূমিকাবোৰ স্বীকৃতিপ্ৰাপ্ত হ'ব লাগিব আৰু ইয়াৰ প্ৰতি কৃতজ্ঞতা থাকিব লাগিব। ভূমিকা পালন কৰা ব্যক্তিসকলৰ মাজত বিশেষ ধৰণৰ ভাষাৰ প্ৰয়োগ হোৱা দেখা যায়। বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীসকলে তেওঁলোকৰ শিক্ষক আৰু অন্যান্য ছাত্ৰ-ছাত্ৰী তথা শ্ৰেণীৰ কাৰ্য সম্পাদনৰ বেলিকা নিজৰ শৈলী ব্যৱহাৰ কৰে। তেওঁলোকৰ মাজত স্বকীয় অৰ্থ আৰু তাৎপৰ্য থকা বিশেষ ধৰণৰ ভাষাক সাংকেতিক বাৰ্তা (Code) বুলি কোৱা হয়। একেদৰে গ্ৰাম্য সমাজখনত একো একোটা বিশেষ সমূহত নিজৰ কাৰ্য পৰিচালনাত সাংকেতিক ভাষা ব্যৱহাৰ কৰে।

সংস্কৃতিৰ আলোচনাত আন এটা আলোচনা কৰিব লগা বিষয় হ'ল এটা সংস্কৃতিৰ ভিতৰত বহুতো উপ-সংস্কৃতি (Sub-culture)দেখা পোৱা যায়। উদাহৰণস্বৰূপে ধনী বা অভিজাত শ্ৰেণীৰ লোক সকলৰ আৰু শ্ৰমিক শ্ৰেণীৰ জীৱন শৈলী ধৰণ-কৰণ ৰুচিবোধ ইত্যাদিৰ দ্বাৰা প্ৰকাশ পায়। একোটা বৃহৎ সংস্কৃতিৰ সমূহৰ মাজত নিৰ্দিষ্ট ব্যক্তি তথা ব্যক্তি সমষ্টিৰ বিশেষ কিছুমান কথা-বাৰ্তা, সাজ-পোছাক, বিশেষ সংগীতৰ প্ৰতি থকা ৰাপ, বিনিময় কৰা ধৰণ-কৰণৰ ভিত্তিত উপ-সংস্কৃতি চিনাক্ত কৰিব পাৰি।

উপ-সংস্কৃতিৰ আধাৰত চিনাক্ত হোৱা একোটা সমূহে একেলগে এটা গোট বা সমূহ হিচাপে কাম কৰি পৰিচয় দিয়ে। এনে সমূহৰ মাজত নেতৃত্ব বহনকাৰী লোক বা অনুগত সমূহ হিচাপে দুই ধৰণৰ ভূমিকা দেখা পোৱা যায়। কিন্তু সমূহৰ উদ্দেশ্য পূৰণৰ বাবে সদস্য সকলে একেলগে কাম কৰে। উদাহৰণ হিচাপে এটা

চুবুৰীৰ কম বয়সীয়া ল'ৰা ছোৱালী বিলাকে খেলা ধূলাৰ লগতে অন্যান্য কামত নিয়োজিত হোৱাৰ কথা কব পাৰি। এনেধৰণে সমূহৰ সদস্যসকলে একেধৰণৰ কাম-কাজত জড়িত থাকি নিজৰ ভাৱমূৰ্ত্তি উজ্জ্বল কৰাৰ লগতে ভৱিষ্যত সময়ত ভাল কাম কৰিবৰ বাবে অনুপ্ৰেৰণা পায়।

**ক্ৰিয়া কলাপ-৫ (Activity-5)**

তোমালোকে নিজৰ আবাসিক এলেকাত থকা উপ-সংস্কৃতিৰ বিষয়ে তুমি জানানে? এইবিলাক কেনেদৰে চিনাক্ত কৰিবা।

**গোষ্ঠীকেন্দ্ৰিকতাবাদ বা গোষ্ঠীকেন্দ্ৰিক মানসিকতা (Ethnocentism) ঃ**

গোষ্ঠীকেন্দ্ৰিকতাবাদ বা গোষ্ঠীকেন্দ্ৰিক মানসিকতা কেতিয়া গঢ় লৈ উঠে? ই এক সংস্কৃতিৰ লগত সম্পৰ্কিত বিষয়। যেতিয়া বেলেগ বেলেগ সংস্কৃতি পৰস্পৰৰ সম্পৰ্কলৈ আহে তেতিয়াই গোষ্ঠীকেন্দ্ৰিক মানসিকতাই থিতাপি লয়। গোষ্ঠীকেন্দ্ৰিক মানসিকতা বুলিলে নিজৰ সংস্কৃতিৰ মূল্যবোধেৰে অন্য সংস্কৃতিৰ লোকসকলৰ ব্যৱহাৰ আৰু বিশ্বাসক মূল্যাংকন কৰাক বুজায়। ইয়াৰ মূল অৰ্থ হৈছে অন্যান্য সংস্কৃতিৰ তুলনাত নিজৰ নিৰ্দিষ্ট মান বা প্ৰতিমান হিচাপে সংস্কৃতিৰ বিশ্বাস আৰু মূল্যবোধক উন্নত হিচাপে বিবেচনা কৰা। আমি ইতিমধ্যে প্ৰথম আৰু তৃতীয় অধ্যায়ত (বিশেষকৈ ধৰ্মৰ আলোচনাত) এই কথা আলোচনা কৰি আহিছো যে কেনেকৈ সমাজতত্ত্ব এক পৰীক্ষামূলক অধ্যয়ন।

সাধাৰণতে আনৰ লগত কৰা তুলনাৰ পৰা গোষ্ঠীকেন্দ্ৰিক মানসিকতাৰ সৃষ্টি হয়। ইয়াৰ অন্তৰালত সাংস্কৃতিক শ্ৰেষ্ঠতাবোধ অন্তৰ্নিৰ্হিত হৈ থাকে। এই ধাৰণা ঔপনিবেশিক সময়ছোৱাত স্পষ্টভাৱে প্ৰমাণিত হৈছে। থমাচ বেবিংটন মেকলেৰ (Thomas Babbington Macaklay) বিখ্যাত 'Minute on Education' ত গোষ্ঠীকেন্দ্ৰিক মানসিকতাৰ উদাহৰণ পোৱা যায়। তেওঁ এই টোকাত উল্লেখ কৰিছে যে বৰ্তমান সময়ত আমি এনে এটা শ্ৰেণী গঠন কৰিব লাগিব যিটোৱে আমাৰ আৰু আমি শাসন কৰা লক্ষ লক্ষ লোকৰ মাজত মাধ্যম হিচাপে কাম কৰিব। যি সকলৰ ভাৰতীয় তেজ আৰু শৰীৰত বৰণ থাকিব, কিন্তু ইংৰাজ সকলৰ ৰুচিবোধ, মতামত, নীতি কথা আৰু বুদ্ধিমত্তা থাকিব। (Quoted in Mukherji 1948/1979 -87 emphasis added.)

গোষ্ঠীকেন্দ্ৰিকতাবাদ সম্ভ্ৰান্ত অভিজাত বা কচমপলিটান (cosmpolitanism) ৰ বিপৰীতে। এই দুয়োটাই পৰস্পৰ বিপৰীতধৰ্মী মান্যতা প্ৰদান কৰে। কচমপলিটানৰ দৃষ্টিভংগীত অন্যান্য লোকসকলৰ মূল্যবোধ আৰু বিশ্বাসক নিজৰ মতে চাবলৈ নিবিচাৰে। ইয়াত বিভিন্ন সংস্কৃতিৰ উপাদান সংমিশ্ৰণ ঘটে যাৰ ফলত আদান-প্ৰদান প্ৰক্ৰিয়াৰে এক নতুন সংমিশ্ৰিত সংস্কৃতিয়ে গঢ় লয়। উদাহৰণ স্বৰূপে ইংৰাজী ভাষাই বৰ্তমান সময়ত আন্তৰ্জাতিক যোগাযোগৰ মাধ্যম হিচাপে নিজকে প্ৰতিষ্ঠা কৰাৰ কাৰক হিচাপে পৃথিৱীৰ বিভিন্ন বিদেশী ভাষা নিজৰ শব্দকোষত অন্তৰ্ভুক্ত কৰাৰ কথাটো কব পাৰি। একেদৰে হিন্দী বোলছবিৰ সংগীতে পশ্চিমৰ জনপ্ৰিয় সঙ্গীত (Western pop music) ভাংৰা (Bhangra) আৰু গজলৰ (Ghazal) ৰ দৰে ভাৰতীয় থলুৱা সংগীতৰ সংমিশ্ৰণেৰে জনপ্ৰিয়তা অৰ্জন কৰিছে।

আধুনিক সমাজে সাংস্কৃতিক বিভিন্নতাক আদৰি লয় আৰু ইয়াৰ দুৱাৰ বাহিৰৰ সংস্কৃতিৰ বাবে বন্ধ কৰি

নাৰাখে। একে সময়তে এনেধৰণৰ বাহ্যিক সংস্কৃতিৰ প্ৰভাৱে এক বিশেষ ৰূপত থলুৱা সংস্কৃতিৰ উপাদানৰ লগত একাত্ম হৈ পৰে। এই কথা উল্লেখনীয় যে ইংৰাজী ভাষাত বিদেশী শব্দ সন্নিবিষ্ট হৈ পৰিছে যদিও এই ভাষাই পৃথক ৰূপ পৰিগ্ৰহ কৰা নাই। একেধৰণে হিন্দী কথাছবিৰ গীতবোৰে আনৰ পৰা অনুসৰণ কৰিলেও, নিজস্ব বৈশিষ্ট্য হেৰুওৱা নাই। বৰঞ্চ ভিন্ন শৈলী, স্বৰূপ, শব্দ আৰু কলাৰ অন্তৰ্ভুক্তিকৰণে সাৰ্বজনীন সংস্কৃতিৰ পৰিচয়হে দিব পাৰিছে। বৰ্তমান সময়ত সমগ্ৰ বিশ্বতে যোগাযোগৰ বিভিন্ন কৌশলসমূহে বিভিন্ন সংস্কৃতিৰ মাজত দূৰত্ব কমাই সাৰ্বজনীন দৃষ্টিভংগীৰে বৰ্ণাঢ্য ৰূপত নিজা সংস্কৃতিক সমৃদ্ধ কৰিছে।

**সাংস্কৃতিক পৰিৱৰ্তন (Cultural Change) ঃ**

সাংস্কৃতিক পৰিৱৰ্তনে সমাজ এখনৰ সংস্কৃতিৰ ধাৰাটোৰ পৰিৱৰ্তন কৰে। পৰিৱৰ্তনৰ চালিকা শক্তি আভ্যন্তৰীণ কাৰকৰ উদাহৰণ স্বৰূপে কৃষি উৎপাদন বৃদ্ধিৰ বাবে কৃষি ক্ষেত্ৰত নতুন পদ্ধতিৰ প্ৰয়োগৰ কথা উল্লেখ কৰিব পাৰি।

এনে পদ্ধতিৰ প্ৰয়োগে খাদ্য উপভোগৰ প্ৰকৃতি হস্তান্তৰকৰণ আৰু কৃষক সম্প্ৰদায়ৰ জীৱন-ধাৰণৰ মানদণ্ডৰ ৰূপান্তৰ ঘটাইছে। আনহাতেদি, বিজয় সাব্যস্ত কৰি বশীভূত কৰা নাইবা ঔপনিবেশিক স্থাপন আদি বাহ্যিক কাৰণসমূহে এখন সমাজৰ সাংস্কৃতিক অভ্যাস আৰু আচৰণবিধিৰ পৰিৱৰ্তন কৰিছে।

সাংস্কৃতিক পৰিৱৰ্তন প্ৰাকৃতিক পৰিৱেশৰ পৰিৱৰ্তনৰ মাজেদিও ঘটিব পাৰে। এই ক্ষেত্ৰত অন্যান্য সংস্কৃতিৰ লগত সম্পৰ্ক আৰু অনুকূল প্ৰক্ৰিয়াৰ মাজেদিও হ'ব পাৰে। প্ৰাকৃতিক পৰিৱেশ বা পাৰিপাৰ্শ্বিক অৱস্থাৰ পৰিৱৰ্তনেও মানুহৰ জীৱন-ধাৰণৰ প্ৰণালীৰ আমূল পৰিৱৰ্তন আনিব পাৰে।

আনগত বাধা বা নিষেধাজ্ঞাৰ বাবে বনাঞ্চলত বসবাস কৰা জনসাধাৰণক হাবিত ফল-মূল, গছ-গছনিৰ পৰা বঞ্চিত কৰাৰ দৰে কাৰ্যই তেওঁলোকৰ জীৱন-প্ৰণালীত ক্ষতিগ্ৰস্ত কৰিছে। বিৱৰ্তনমূলক পৰিৱৰ্তনৰ লগে লগে বৈপ্লৱিক পৰিবৰ্তনো হ'ব পাৰে। যেতিয়া সংস্কৃতি দ্ৰুত গতিত ৰূপান্তৰকৰণ হয় আৰু ইয়াৰ লগে লগে মূল্যবোধৰ পৰিৱৰ্তন হৈ বৈপ্লৱিক পৰিৱৰ্তন ঘটিব পাৰে। উদাহৰণস্বৰূপে, ১৭৮৯ চনৰ ফৰাচী বিপ্লৱৰ ফলত সামন্ত প্ৰথাৰ বিলুপ্তিকৰণ কৰি নাগৰিকৰ মাজত স্বাধীনতা, সম অধিকাৰ, আৰু ভ্ৰাতৃত্ববোধৰ শিক্ষণে বৈপ্লৱিক পৰিৱৰ্তনৰ সূচনা কৰে। তদুপৰি পৃথক মূল্যবোধৰ স্থিতিয়েও সাংস্কৃতিক পৰিৱৰ্তন ঘটায়। এইক্ষেত্ৰত বৈদ্যুতিক আৰু ছপা মাধ্যমৰ দ্ৰুত প্ৰসাৰে বৰ্তমান সময়ত অনা পৰিবৰ্তনৰ কথা উনুকিয়াব পাৰি। তোমালোকে বাৰু এনে ধৰণৰ পৰিৱৰ্তন বিলাকক বিৱৰ্তনমূলক বা বৈপ্লৱিক পৰিৱৰ্তন অনা বুলি ভাবানে? আমি এই আলোচনাবোৰৰ পৰা সংস্কৃতি সম্পৰ্কত কিছু কথা জানিব পাৰিলোঁ। এতিয়া আমি সামাজিকীকৰণৰ বিষয়ে এক ধাৰণামূলক পৰিচয় দিবলৈ বিচাৰিম।

**সামাজিকীকৰণ (Socialisation) ঃ**

'মই এই কথা বিশ্বাস কৰোঁ যে আমাৰ চৌপাশৰ সকলো বিলাকক লৈ আমাৰ পৰিপূৰ্ণ জীৱন গঢ় লৈ উঠে। চৌপাশৰ সকলোবিলাক বুলি ক'লে গছ-গছনি, জীৱ-জন্তু, আলহী-অতিথি, উৎসৱ-পাৰ্বন, ৰাজহুৱা ভোজমেল, লগৰ সমনীয়া, বন্ধু-বান্ধৱ, খং-ৰাগ, প্ৰেম-ভালপোৱা ইত্যাদিবোৰক সামৰি লোৱা হয়। এই সকলোবিলাকৰ লগতে অন্যান্য ধৰণৰ বিষয়বোৰক একে স্থনতে লাভ কৰা ঠাইডোখৰ হৈছে আমাৰ ঘৰখন।

যদিও জীৱনলৈ কেতিয়াবা জটিলতা আহিছে তথাপি মই এই কথা বুজি পাওঁ যে মোৰ জীৱনটো পৰিপূৰ্ণ। এনে এটা ল'ৰালি কালৰ বাবে মই ধন্য যে আজিও মই আনৰ দুখত সামান্য ভাৱে হ'লেও সমভাগী হ'ব পাৰিছো।' (Vaidehi 1995)

জন্মতে কোনো মানৱ শিশুৱে একো নাজানে বা সামাজিক আচৰণক উপলব্ধি কৰিব নোৱাৰে। ক্ৰমান্বয়ে শিশু এটা যেতিয়া ডাঙৰ হৈ আহে তেতিয়া প্ৰাকৃতিক পৰিবেশক উপলব্ধি কৰিব পাৰে আৰু ল'ৰা-ছোৱালীৰ প্ৰভেদ, ভাল বা বেয়া ইত্যাদিবোৰ বুজি পোৱা হয়। এটা শিশুৱে ডাঙৰ হৈ অহাৰ লগে লগে কেনেধৰণৰ আচৰণ কৰাৰ বাবে তেওঁলোকক উৎসাহিত বা গৰিহণা দিয়া হয় সেইবোৰো বুজিব পৰা হয়। অৰ্থাৎ শিশুৱে ডাঙৰ হৈ অহাৰ লগে লগে সামাজিক শিক্ষা গ্ৰহণ কৰিব পৰা হয়। গতিকে সামাজিকীকৰণৰ সংজ্ঞা এনেদৰেও দিব পাৰি যে— ই হ'ল এনে এক প্ৰক্ৰিয়া যাৰ জৰিয়তে অসহায় শিশুৱে ক্ৰমাগতভাৱে আত্মসচেতন, আত্ম-অস্তিত্বৰ প্ৰতি সচেতন হয়, জ্ঞান আহৰণ কৰে আৰু শিশুৱে জন্ম গ্ৰহণ কৰা ঠাইখনৰ সাংস্কৃতিক কৌশলসমূহ আয়ত্ব কৰি লয়। গতিকে ক'ব পাৰি যে সামাজিকীকৰণৰ অবিহনে এজন ব্যক্তি প্ৰকৃত মানুহ হ'ব নোৱাৰে। তোমালোকৰ বহুতেই মিদনাপুৰৰ কুকুৰনেচীয়া ল'ৰা-ছোৱালীৰ (Wolf children of Midnapore) সাধুটো শুনিছা? এই তথ্য পোৱা যায় যে ১৯২০ চনত বংগত কুকুৰনেচীয়া বাঘৰ এটা গুহাত দুজনী সৰু ছোৱালী পোৱা গৈছিল। এই ল'ৰা-ছোৱালী দুটাই হাত দুখনো ভৰিৰ দৰে ব্যৱহাৰ কৰিছিল। অৰ্থাৎ সিহঁতে চাৰিখন ভৰিত ভৰ দি খোজ কাঢ়িছিল। সিহঁতে কেঁচাই মাংস খাইছিল, বাঘৰ দৰে চিঞৰিছিল আৰু কথা ক'ব নাজানিছিল। আচৰিত ধৰণে আন আন স্থানতো এনেধৰণৰ ঘটনাৰ অনুসন্ধান পোৱা গৈছিল। জন্তুৰ লগত থকা কাৰণে আচৰণ প্ৰকৃতি জন্তুৰ দৰে কৰিছিল।

আমি এই আলোচনাটোত সামাজিকীকৰণ আৰু সদ্যজাত শিশুৰ কথা কৈছো। এটা শিশু জন্ম হোৱাৰ পিছত শিশুটিক চোৱা-চিতা কৰা লোকসকলৰ জীৱনলৈও পৰিৱৰ্তন অহা দেখা যায়। তেওঁলোকেও নিজে নতুন অভিজ্ঞতা আহৰণ কৰে। ককাক-আইতাকে নাতি-নাতিনীক প্ৰতিপালন কৰাৰ লগে লগে তেওঁলোকৰ অভিজ্ঞতাও ইয়াত সাঙুৰ খাই থাকে। এই প্ৰক্ৰিয়াৰ মাজত ভিন্ন প্ৰজন্মৰ মাজত যোগসূত্ৰ স্থাপন হয়। আকৌ শিশু এটাৰ ভায়েক-ভনীয়েক ল'ৰা-ছোৱালী জন্ম হোৱাৰ লগে লগে তেওঁলোকৰ জীৱনলৈও পৰিৱৰ্তন আহে। সামাজিকীকৰণ এক জীৱন জোৰা প্ৰক্ৰিয়া। প্ৰাৰম্ভিক সময়ছোৱাত হোৱা অৰ্থাৎ প্ৰাথমিক সামাজিকীকৰণক (Primary Socialisation) অতি জটিল বুলি কোৱা হয়। দ্বিতীয়ক সামাজিকীকৰণ প্ৰক্ৰিয়া ব্যক্তিৰ সমগ্ৰ জীৱনত চলি থাকে। সামাজিকীকৰণৰ দ্বাৰা প্ৰতিজন ব্যক্তি প্ৰভাৱান্বিত হয়।

যেতিয়া ব্যক্তিৰ ওপৰত সামাজিকীকৰণৰ গুৰুত্বপূৰ্ণ ভূমিকাৰ কথা আহে তেতিয়া সাংস্কৃতিক কাৰ্যসূচী চাই শিকিবলগীয়া নহয়। এটা শিশুৱে ভোক লাগিলে কান্দিবলৈ লয় আৰু যেতিয়ালৈকে তাক খাবলৈ দিয়া নহয় তেতিয়ালৈকে শিশুটোৱে কান্দিয়েই থাকে। শিশু এটা জন্মৰ পৰা লাহে লাহে ডাঙৰ-দীঘল হৈ অহা সমগ্ৰ প্ৰক্ৰিয়াটো মন কৰিবাছোন।

তোমালোকে ইতিমধ্যে প্ৰস্থিতি, ভূমিকা, সামাজিক নিয়ন্ত্ৰণ, সমূহ আৰু সামাজিক স্তৰীকৰণ আদি ধাৰণাসমূহৰ লগত পৰিচয় হৈ আহিছা। তদুপৰি তোমালোকে সংস্কৃতি, প্ৰতিমান আৰু মূল্যবোধৰ সম্পৰ্কেও জানিব পাৰিছা। সামাজিকীকৰণ প্ৰক্ৰিয়া কেনেদৰে সম্পাদিত হয় তাক জানিবৰ বাবে এই ধাৰণাসমূহে সহায়

কৰিব। এটা শিশু জন্মৰ পিছতেই একোটা পৰিয়ালৰ সদস্য হয় আৰু শিশুটো ডাঙৰ-দীঘল হোৱাত পৰিয়ালৰ সদস্যসকল জড়িত হৈ থাকে। পৰিয়ালৰ বিভিন্ন সদস্যসকলে যেনে— মাক-দেউতাক, ককাক-আইতাক, ককাই-ভাই তথা পৰিয়ালৰ জ্যেষ্ঠ, আত্মীয়-স্বজন সমূহে তেওঁলোকৰ অভিজ্ঞতাৰে বিভিন্ন আচৰণ-প্ৰণালী, নীতি-নিয়ম আদিৰ শিক্ষা প্ৰদান কৰে। বিভিন্ন সদস্য পদৰ লগত পালন কৰিবলগীয়া ভূমিকাবোৰ পালন কৰে। উদাহৰণস্বৰূপে, এজন পুত্ৰ, এগৰাকী ছোৱালী, এজন নাতি হিচাপে থকা ভূমিকা প্ৰত্যেকেই পালন কৰে। এইবোৰক বহু বিকল্প ভূমিকা (Multiple Roles) বুলি কোৱা হয়। এজন ব্যক্তিয়ে একে সময়তে বহু ভূমিকা পালন কৰিবলগীয়া হয়।

এনেদৰে সমূহগত প্ৰতিমান, মূল্যবোধ, দৃষ্টিভংগী, আচৰণ প্ৰণালী আদিবোৰ শিশু অৱস্থাৰ পৰা আৰম্ভ হৈ সমগ্ৰ জীৱন জুৰি ধাৰাবাহিকভাৱে চলি থাকে।

একেখন সমাজতে বিভিন্ন সমূহ আৰু বিভিন্ন পৰিয়ালবোৰত প্ৰতিমান আৰু মূল্যবোধবোৰ বিভিন্ন ধৰণৰ হয়। বসতি অঞ্চল, জাতি, ধৰ্মীয় সমূহ, সামাজিক শ্ৰেণী অনুযায়ী প্ৰতিমান, মূল্যবোধৰ পাৰ্থক্য দেখা যায়। এনেবোৰ উপাদানৰ ওপৰত ভিত্তি কৰি গাঁৱত বাস কৰেনে মহানগৰত বাস কৰে, জনজাতি হ'লে কোনটো জনজাতিৰ অন্তৰ্ভুক্ত হয় ইত্যাদি জানিব পাৰি। পৰিয়াল আৰু পৰিয়ালৰ আৰ্থ-সামাজিক স্থিতিৰ ওপৰত ভিত্তি কৰি তেওঁলোকে ব্যৱহাৰ কৰা ভাষাটো, কথিত নে মান্যতা সম্পন্ন লিখিত ভাষা জানিব পৰা যায়।

### সামাজিকীকৰণৰ প্ৰতিনিধি (Agencies of Socialisation) ঃ

এটা শিশুৰ সামাজিকীকৰণ প্ৰক্ৰিয়াৰ লগত বিভিন্ন প্ৰতিনিধি আৰু সংস্থা জড়িত হৈ থাকে। এই প্ৰতিনিধি আৰু সংস্থাবোৰৰ ভিতৰত পৰিয়াল, বিদ্যালয়, সমনীয়া সমূহ, ওচৰ-চুবুৰীয়া, কৰ্মস্থানৰ সমূহ, সামাজিক শ্ৰেণী— জাতি, অঞ্চল, ধৰ্ম ইত্যাদি উল্লেখনীয়।

### পৰিয়াল (Family) ঃ

পৰিয়াল পদ্ধতি বেলেগ বেলেগ ধৰণৰ হোৱা বাবে পৰিয়ালৰ সংস্কৃতি অনুযায়ী শিশুৰ অভিজ্ঞতা পৃথক ৰূপৰ হয়। তোমালোকৰ নিজৰ পৰিয়ালবোৰলৈ লক্ষ্য কৰাছোন। কোনোবাই একক পৰিয়ালত আৰু আন কোনোবাই যৌথ পৰিয়ালত বাস কৰা। একক পৰিয়ালত পিতৃ-মাতৃয়েই সামাজিকীকৰণৰ প্ৰধান প্ৰতিনিধি হিচাপে কাম কৰাৰ বিপৰীতে যৌথ পৰিয়ালত ককাক-আইতাক, খুড়াক-খুড়ীয়েক তথা পৰিয়ালৰ অন্যান্য সদস্যসকলেও গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।

এখন সমাজত অন্যান্য সংস্থাবিলাকৰ ভিতৰত পৰিয়ালৰ স্থানো পৃথক পৃথক হয়। সাধাৰণতে অধিকাংশ পৰম্পৰাগত সমাজত ব্যক্তিয়ে যিটো পৰিয়ালত জন্ম গ্ৰহণ কৰে সিয়েই গোটেই জীৱন জুৰি তেওঁৰ সামাজিক স্থান নিৰ্ধাৰণ কৰে। তদুপৰি পৰিয়াল এটা যিখন সমাজৰ অন্তৰ্ভুক্ত হয়, সেই সমাজখনেও সামাজিকীকৰণত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। এজন শিশুৱে পৰিয়াল, ওচৰ-চুবুৰীয়া, বংশ-কুটুম্ব বা নিৰ্দিষ্ট সম্প্ৰদায়টোৰ আচৰণ প্ৰণালী তথা প্ৰকৃতি গ্ৰহণ কৰে আৰু সেই অনুসৰি নিজৰ জীৱন-প্ৰণালীত প্ৰয়োগ কৰে।

অৱশ্যে সামাজিকীকৰণ প্ৰক্ৰিয়াত গণসংযোগৰ বিভিন্ন মাধ্যমবোৰৰ প্ৰসাৰে সামাজিকীকৰণৰ প্ৰতিনিধিবোৰৰ ভূমিকালৈ পৰিৱৰ্তন আনিছে। তথাপি কিছুমান সন্তানে কোনো প্ৰশ্ন নোসোধাকৈ মাক-দেউতাকৰ আদৰ্শ আৰু দৃষ্টিভংগী অনুসৰণ কৰে। তোমালোকে এনেকুৱা কিছুমান উদাহৰণ দিব পাৰিবা য'ত নেকি পৰিয়ালত শিকা কথাবোৰ সমনীয়া সমূহ বা অন্যান্য মাধ্যমবোৰত শিকা কথাবোৰৰ মাজত পাৰ্থক্য

আছে।

**ক্ৰিয়া কলাপ-৬ (Activity-6)**

ঘৰুৱা কাম কৰা মানুহ এগৰাকীৰ সন্তানৰ লগত মালিকৰ সন্তানৰ তুলনা কৰিলে কেনেধৰণৰ পাৰ্থক্য পাম বুলি তোমালোকে ভাবিব পাৰা। এই দুয়োটা সন্তানৰ মাজত কেনেধৰণৰ বস্তুৰ আদান-প্ৰদান হ'ব পাৰে বা ভগাই ল'ব পাৰে?
নিশ্চিতভাৱে এইটো ধাৰণা কৰিব পাৰা যে মালিকৰ সন্তানে কাপোৰ-কানি কিনাত বেছি খৰছ কৰাৰ বিপৰীতে কাম কৰা মানুহ গৰাকীৰ ছোৱালীজনীয়ে খাৰু কিনিব। হয়তো সিহঁতে দূৰদৰ্শনৰ ধাৰাবাহিক আৰু চিনেমাৰ গীতসমূহ একেলগে উপভোগ কৰিব। ইজনে সিজনৰ পৰা বিভিন্ন ধৰণৰ গালি-গালাজবোৰ আয়ত্ব কৰিব। যদিহে দুয়োটা শিশুৰ পৰিয়াল, ওচৰ-চুবুৰীয়া আৰু ৰাস্তাই-পদূলিয়ে সিহঁতৰ নিৰাপত্তাৰ কথালৈ আহিবা তেতিয়া তোমালোকৰ চিন্তাধাৰাৰ সলনি হ'ব।

**ক্ৰিয়া কলাপ-৭ (Activity-7)**

তলৰ কোনটোৰ উপস্থিতি বা অনুপস্থিতিয়ে ব্যক্তি হিচাপে তোমাক বেছিকৈ প্ৰভাৱিত কৰিব পাৰে বুলি ভাৱা?
**সম্প্ৰতি (Possessions)** যেনে টেলিভিছন চেট/সংগীত ব্যৱস্থা (Musical system)
**স্থান (Space)** ঃ তোমাৰ নিজাববীয়াকৈ থকা এটা কোঠালি।
**সময় (Time)** ঃ পঢ়াৰ লগতে ঘৰুৱা আৰু অন্যান্য কোনো কামৰ বাবে সময়।
**সুযোগ-সুৱিধা (Opportunities)** ঃ ভ্ৰমণ, সংগীত চৰ্চা ইত্যাদি।
যিসকল মানুহে তোমাক আৱৰি আছে।

**সমনীয়া সমূহ (Peer Groups) ঃ**

সামাজিকীকৰণৰ আন এটা প্ৰতিনিধি হ'ল সমনীয়া সমূহ। সমমীয়া সমূহ বুলিলে একে বয়সৰ বন্ধু-বান্ধৱৰ সমূহক বুজায়। কিছুমান সংস্কৃতিত বিশেষকৈ সৰু আকাৰৰ পৰম্পৰাগত সমূহ বিলাকত বয়স অনুসৰি গ্ৰেড (Grade) বিচাৰ-বিবেচনা কৰা হয়। বয়সৰ ক্ষেত্ৰত কোনো আনুষ্ঠানিকতা নোহোৱাকৈ সাধাৰণতে চাৰি-পাঁচ বছৰীয়া শিশুৱে নিজৰ বন্ধু-বান্ধৱৰ লগতে সময় পাৰ কৰে। সাধাৰণতে 'সমনীয়া' শব্দটোৱে সমান অৰ্থ বুজায় আৰু সমান বা সমবয়সীয়া ল'ৰা-ছোৱালীৰ মাজত বন্ধুত্বপূৰ্ণ সম্পৰ্ক সমভাৱাপন্ন হয়।

সমনীয়া সমূহৰ মাজত থকা সম্বন্ধবোৰ প্ৰতিজন ব্যক্তিৰ বাবে জীৱনত গুৰুত্বপূৰ্ণ হিচাপে বিবেচিত হয়। বহু সময়ত কৰ্মস্থলী বা আন স্থানত থকা ব্যক্তিসকলৰ মাজত অনানুষ্ঠানিকভাৱে গঢ়ি উঠা সমূহবোৰে ব্যক্তিৰ জীৱনৰ দৃষ্টিভংগী আৰু আচৰণ গঢ় দিয়াত গুৰুত্বপূৰ্ণ ভূমিকা লয়।

**পঢ়াশালি বা বিদ্যালয় (Schools) ঃ**

পঢ়াশালি বা বিদ্যালয় আনুষ্ঠানিক সংগঠন। শিশুৱে ঘৰুৱা পৰিৱেশৰ পৰা আহি বিদ্যালয়ত নামভৰ্তি কৰাৰ লগে লগে আনুষ্ঠানিক শিক্ষণ প্ৰক্ৰিয়া আৰম্ভ হয়। বিদ্যালয়ৰ দৰে আনুষ্ঠানিক সংগঠনত ছাত্ৰ-ছাত্ৰীৰ সুনিৰ্ধাৰিত পাঠ্যক্ৰম থাকে। তথাপি পঢ়শালি বা বিদ্যালয় কৌশলগত প্ৰতিনিধি হিচাপে পৰিচিত হৈ আহিছে। সমাজতত্ত্ববিদ সকলৰ মতে আনুষ্ঠানিক পাঠদানৰ উপৰি কিছুমান সুপ্ত পাঠ্যক্ৰম অন্তৰ্ভুক্ত কৰা হয় আৰ এইবোৰে শিশুৰ সামগ্ৰিক বিকাশ সাধনত সহায় কৰে।

পঢ়াশালি বা বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীক সুকীয়া বা একেধৰণৰ কাম কৰিবলৈ দিয়া হয়। ভাৰতবৰ্ষ আৰু দক্ষিণ আফ্ৰিকা দুয়োখন দেশতে ছোৱালীক শ্ৰেণীকোঠা সাৰিবলৈ দিয়া হয়। আন কিছুমান পঢ়াশালিত ল'ৰা-ছোৱালীক একে ধৰণৰ কামকে কৰিবলৈ দিয়া হয়। এনেবোৰ কামৰ সৈতে তেওঁলোক অভ্যস্ত নহয়। তোমালোকে বাৰু এই দুয়োধৰণৰ মানসিকতা প্ৰতিফলিত হোৱা উদাহৰণ দিব পাৰিবানে?

**গণ মাধ্যম (Mass Media) ঃ**

আমাৰ দৈনন্দিন জীৱন প্ৰণালীত গণমাধ্যমবোৰ অতি প্ৰয়োজনীয় অংশ হৈ পৰিছে। বৰ্তমান সময়ত দূৰদৰ্শনৰ দৰে বৈদ্যুতিন মাধ্যমসমূহৰ সম্প্ৰসাৰণ ঘটিছে। তথাপি ছপা মাধ্যমৰ গুৰুত্ব সদায়েই আছে। ঊনৈশ শতিকাত 'Conduct books' নামৰ ভাৰতত মহিলাৰ বাবে কেইবাটাও ভাষাত ছপা কৰি উলিওৱা এখন গ্ৰন্থ অতি জনপ্ৰিয় হৈছিল। এই গ্ৰন্থখনত এগৰাকী নাৰী কেনেকৈ সুগৃহিণী আৰু পতিব্ৰতা (Attentive wife) হ'ব পাৰে সেই সম্পৰ্কত দিহা পৰামৰ্শ দিছিল। ইয়াৰ পৰা বৰ্তমান সময়তো ছপা মাধ্যমৰ জনপ্ৰিয়তা সম্পৰ্কে ধাৰণা কৰিব পাৰি। প্ৰচাৰ মাধ্যমে সকলোৰে কাৰণে তথ্য জনাৰ সুবিধা দিছে। ইয়াৰ জৰিয়তে গণতান্ত্ৰিক ভাৱধাৰা প্ৰতিজন নাগৰিকে সাব্যস্ত কৰিব পাৰিছে। আজিকালি যাতায়ত ব্যৱস্থা, শিক্ষানুষ্ঠান নথকা ঠাইবোৰতো বৈদ্যুতিন মাধ্যমৰ সংযোগ ঘটিছে। এই মাধ্যমসমূহে সামাজিকীকৰণ প্ৰক্ৰিয়াত বিশেষ ভূমিকা গ্ৰহণ কৰিছে।

শিশু আৰু প্ৰাপ্তবয়স্ক লোকসকলৰ ওপৰত দূৰদৰ্শনৰ প্ৰভাৱ সম্পৰ্কে এটা গৱেষণামূলক সমীক্ষা চলোৱা হৈছিল। ব্ৰিটেইনত চলোৱা এই সমীক্ষাত দেখুৱাইছে যে শিশুসকলে এটা বছৰত দূৰদৰ্শন কাৰ্যসূচী চাই কটোৱা এশ দিনৰ সমান। এইক্ষেত্ৰত প্ৰাপ্তবয়স্কসকলো পিছপৰি থকা নাই। এনেধৰণৰ পৰিমাণগত দিশক বাদ দিও এই গৱেষণামূলক সমীক্ষাটোৱে পৰ্দাতদেখা হিংসাত্মক ঘটনাই শিশুৰ আচৰণত কেনেদৰে প্ৰতিক্ৰিয়া কৰে সেই সম্পৰ্কত সমালোচনাৰ বিষয় হৈ আছে বুলি প্ৰকাশ কৰিছে।

প্ৰচাৰ মাধ্যমসমূহে জনসাধাৰণৰ ওপৰত কেনেদৰে প্ৰভাৱ পেলাই সেই সম্পৰ্কত ভৱিষ্যত বাণী কৰিব নোৱাৰিলেও এই কথা ঠিক যে নিজে নজনা কথা বা অভিজ্ঞতা নথকা দিশত এজন ব্যক্তিক প্ৰচাৰ মাধ্যমে বহুলভাৱে প্ৰভাৱান্বিত কৰে। ভাৰতবৰ্ষৰ দূৰদৰ্শনত সম্প্ৰচাৰিত ধাৰাবাহিক আৰু বোলছবিৰ এক বুজন সংখ্যক দৰ্শক হৈছে নাইজেৰিয়া, আফগানিস্তানৰ লোক তথা প্ৰবাসী ভাৰতীয় তিব্বতীয় সকল। দূৰদৰ্শনৰ প্ৰদৰ্শিত ধাৰাবাহিক মহাভাৰত টাচকেণ্টত (Tashkent) ডাবিং হোৱাৰ পিছতহে সম্প্ৰসাৰিত হৈছিল। কিন্তু লণ্ডনত অকল ইংৰাজী ভাষা কোৱা শিশুৱে সেইখন ডাবিং নোহোৱাকৈয়ে উপভোগ কৰিছিল।

**ক্ৰিয়া কলাপ-৮ (Activity-8)**

তোমালোকৰ বাৰু জানিবৰ মন নাযায়নে নিজৰ পৰিৱেশৰ লগত মিল নোহোৱা অন্য পৰিৱেশৰ ওপৰত নিৰ্মাণ কৰা ধাৰাবাহিকসমূহ মানুহে কিদৰে গ্ৰহণ কৰে? এনেকুৱা অৱস্থাও দেখা যায় যে ককাক-আইতাকৰ সৈতে শিশুসকলে দূৰদৰ্শনৰ কোনখন ধাৰাবাহিক চোৱাটো ভাল তাক লৈয়ো মতানৈক্য হয়। এনে পৰিস্থিতিত তেওঁলোকৰ পৰ্যবেক্ষণত কি কি পাৰ্থক্যৰ সৃষ্টি হয়? এইধৰণৰ পাৰ্থক্যবোৰ বাৰু ক্ৰমান্বয়ে সলনি হয়নে?

**সামাজিকীকৰণৰ অন্যান্য প্ৰতিনিধিবোৰ (Other Socialising Agencies) ঃ**

ওপৰত উল্লেখ কৰা সামাজিকীকৰণৰ বিভিন্ন প্ৰতিনিধিবোৰৰ উপৰিও এজন ব্যক্তিয়ে তেওঁলোকৰ জীৱনত অন্যান্য কিছুমান সমূহ আৰু সামাজিক প্ৰসংগৰ লগত দিন অতিবাহিত কৰে। সকলো সংস্কৃতিতে কৰ্মক্ষেত্ৰই সামাজিকীকৰণ প্ৰক্ৰিয়াত গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰি আছে। ঔদ্যোগিক সমাজবোৰত নিজৰ 'ঘৰখন' আৰু 'কৰ্মক্ষেত্ৰ' সম্পূৰ্ণ পৃথক ৰূপত দেখা যায়। পৰম্পৰাগত সমাজবিলাকত বহু মানুহে নিজৰ ঘৰখনৰ লগত সংলগ্ন থকা কৃষিভূমিত খেতি কৰে অথবা ঘৰতে কাৰখানা পাতি কাম কৰে। (তৃতীয় অধ্যায়ত এই সম্পৰ্কত ছবি দিয়া আছে।)

**তলৰ সংবাদটোলৈ মন কৰা আৰু গণমাধ্যমে শিশুক কেনেদৰে প্ৰভাৱান্বিত কৰে আলোচনা কৰা ঃ**

কেইবছৰ মানৰ আগতে দূৰদৰ্শনত সম্প্ৰচাৰ হোৱা 'শক্তিমান' নামৰ ধাৰাবাহিকখন চাই কিছুমান ল'ৰা-ছোৱালীয়ে কেইবা মহলাৰ অট্টালিকাৰ পৰা জপিয়াই মাৰাত্মক দুৰ্ঘটনা সংঘটিত কৰিছিল। মনস্তত্ত্ববিদসকলৰ মতে অন্তুকৰণ কৰি শিকা পদ্ধতিটো হৈছে ব্যক্তিয়ে প্ৰায়ে গ্ৰহণ কৰা এটা পদ্ধতি আৰু এই পদ্ধতিটো শিশুসকলৰ ক্ষেত্ৰত বিশেষভাৱে প্ৰয়োজন।

**সামাজিকীকৰণ আৰু ব্যক্তিগত স্বাধীনতা (Socialisation and Individual Freedom) ঃ**

এটা কথা স্পষ্টভাৱে ক'ব পাৰি যে স্বাভাৱিক অৱস্থাত কোনো ব্যক্তিকে সম্পূৰ্ণভাৱে অনুৰূপতা (Conformity) ক মানি চলিবলৈ বাধ্য কৰাব নোৱাৰে। কিছুমান কাৰকে সংঘৰ্যক উদ্‌গনি যোগায়। সামাজিকীকৰণৰ প্ৰতিনিধিবোৰৰ মাজত সংঘৰ্ষও হ'ব পাৰে। উদাহৰণস্বৰূপে— পঢ়াশালি আৰু পৰিয়াল বা সমনীয়া সমূহৰ মাজত এনে বিপৰীতমুখী কাৰ্য বা সংঘৰ্ষ হ'ব পাৰে। আমি বাস কৰা পৰিৱেশটোৱে আমাৰ আচৰণত প্ৰভাৱ পেলাব পাৰে। জন্মৰ পৰা মৃত্যুলৈকে সমগ্ৰ জীৱন প্ৰক্ৰিয়াত বিভিন্ন ব্যক্তিৰ লগত হোৱা আন্তঃক্ৰিয়াই আমাৰ ব্যক্তিত্ব, মূল্যবোধ, আচাৰ-ব্যৱহাৰ ইত্যাদিক নিৰ্ধাৰণ কৰে। আমাৰ ব্যক্তিত্ব আৰু স্বাধীনতাৰ আৰম্ভণি হৈছে সামাজিকীকৰণ। ইয়াৰ জৰিয়তে আমাৰ প্ৰত্যেকৰে আত্মপৰিচয় চেতনা, স্বাধীন চিন্তা আৰু কাৰ্য ক্ষমতাৰ বিকাশ হয়।

**সামাজিকীকৰণ কেনেকৈ লিঙ্গ ভিত্তিক (How gendered is socialisation) ঃ**

'আমি ল'ৰাবোৰে ৰাস্তা-ঘাটবোৰ বিভিন্ন ধৰণৰ কামৰ বাবে ব্যৱহাৰ কৰিছিল। যেনে— ৰাস্তাত থিয় হৈ চাৰিওফালে চাই থকা, খেলা-ধূলা কৰা আৰু দৌৰি ফুৰা, ইচ্ছা কৰি চাইকেল, মটৰ চাইকেল চলোৱা ইত্যাদি। কিন্তু ছোৱালীবোৰৰ ক্ষেত্ৰত সেইটো হোৱা নাছিল। এইটো মন কৰিবলগীয়া যে ছোৱালীবোৰে স্কুলৰ পৰা আহিবৰ বাবেহে ৰাস্তা ব্যৱহাৰ কৰিছিল। এনেধৰণৰ সীমিত ব্যৱহাৰ কৰোঁতেও ছোৱালীবোৰে দলবান্ধি অহা-যোৱা কৰিছিল। এই উদ্দেশ্য প্ৰণোদিত আচৰণৰ আঁৰত হয়তো অপদস্থ হোৱাৰ ভয় আছিল।' (Kumar L 1986)

**পৰিভাষা (Glossary) ঃ**

- **সাংস্কৃতিক ক্ৰমবিকাশবাদ (Cultural Evolutionism) ঃ** ই হৈছে সংস্কৃতিৰ এটা তত্ত্ব। এই তত্ত্ব অনুসৰি জীৱজগতৰ দৰে সংস্কৃতিৰো পৰিৱৰ্তন আৰু স্বাভাৱিক বাছনি প্ৰক্ৰিয়াৰ মাজেদি ক্ৰমবিকাশ হয়।
- **সামন্ত প্ৰথা (Estate System) ঃ** মধ্যযুগত ইউৰোপত এনে ব্যৱস্থা আছিল। এই ব্যৱস্থা অনুসৰি ইউৰোপৰ সমাজখনক প্ৰধানকৈ তিনিটা ভাগত ভাগ কৰিছিল। এই তিনিটা ভাগ বা শ্ৰেণী হ'ল— অভিজাত শ্ৰেণী (Nobility), পুৰোহিত (Clergy) আৰু তৃতীয় শ্ৰেণী (Third estate)। এই তৃতীয় শ্ৰেণীটোত মধ্যশ্ৰেণী আৰু বৃত্তিধাৰী লোকসকল অন্তৰ্ভুক্ত আছিল।
- **বৃহৎ পৰম্পৰা (Great tradition) ঃ** সমাজৰ উচ্চশিক্ষিত অভিজাত শ্ৰেণীয়ে গ্ৰহণ কৰা সাংস্কৃতিক চিহ্ন বা পৰম্পৰাৰ লিখিত ৰূপ।
- **ক্ষুদ্ৰ পৰম্পৰা (Little tradition) ঃ** মৌখিক ৰূপত গাঁও অঞ্চলত প্ৰচলিত পৰম্পৰা।
- **আত্ম প্ৰতিবিম্ব (Self image) ঃ** লোক দৃষ্টিত এজন ব্যক্তিৰ সত্ত্বা (Self) যিদৰে প্ৰতিফলিত হয় সেইয়াই ব্যক্তিজনৰ আত্ম প্ৰতিবিম্ব।
- **সামাজিক ভূমিকা (Social role) ঃ** ব্যক্তিৰ সামাজিক স্থান বা প্ৰস্থিতিৰ সৈতে জড়িত অধিকাৰ আৰু দায়িত্ব।
- **সামাজিকীকৰণ (Socialisation) ঃ** ই হৈছে এনে এক প্ৰক্ৰিয়া যাৰ জৰিয়তে সমাজৰ সদস্য হিচাপে পৰিচয় দিবলৈ শিক্ষা গ্ৰহণ কৰা হয়।
- **উপ-সংস্কৃতি (Sub-culture) ঃ** এক বৃহৎ সংস্কৃতিৰ মাজত গঢ় লৈ উঠা কিছুমান সমূহগত সংস্কৃতি যিবিলাক সমূহে বৃহৎ সংস্কৃতিৰ পৰা আহৰণ কৰা প্ৰতীক, মূল্যবোধ, বিশ্বাস আদিবোৰ নতুনত্বৰ সংযোজনেৰে কিছু সালসলনি ঘটাই তাক গ্ৰহণ কৰে। এই সমূহগত সংস্কৃতিয়ে জনমানসত এক সুকীয়া পৰিচয়েৰে আত্মপ্ৰকাশ কৰে।

# অনুশীলনী (Exercise)

১। সমাজ বিজ্ঞানত সংস্কৃতিৰ অৰ্থ দৈনন্দিন জীৱনত ব্যৱহৃত ‘সংস্কৃতি’ শব্দটোতকৈ কিদৰে পৃথক?
How does the understanding of culture in social sciences differ from the everyday use of the word ‘culture’.

২। সংস্কৃতিত বিভিন্ন পৰিধি সোমাই থকা কথাটো আমি কিদৰে প্ৰমাণ কৰিব পাৰোঁ?
How can we demonstrate that the different dimensions of culture comprises a whole?

৩। তোমাৰ পৰিচিত দুটা সংস্কৃতি তুলনা কৰা। গোষ্ঠীকেন্দ্ৰিক মানসিকতা নোহোৱা কৰাটো জটিল নেকি?
Compare two cultures with which you are familiar. Is it difficult not to be ethnocentric?

৪। সাংস্কৃতিক পৰিৱৰ্তন অধ্যয়ন কৰাৰ দুটা পৃথক দৃষ্টিভংগী আলোচনা কৰা।
Discuss two different approaches to studying cultural change.

৫। সাৰ্বজনীনতাক তুমি আধুনিকতাৰ সৈতে মিলাব পাৰিবানে? পৰ্যবেক্ষণ কৰি গোষ্ঠীকেন্দ্ৰিক মানসিকতাৰ এটা উদাহৰণ দিয়া।
Is cosmopolitanism something you associate with modernity? Observe and give examples of ethnocentrism.

৬। তোমাৰ মতে তোমালোকৰ প্ৰজন্মৰ সামাজিকীকৰণৰ বাবে কোনটো প্ৰতিনিধি বেছি কাৰ্যকৰী হৈছে? আগতে বেলেগ আছিল বুলি তুমি কেনেদৰে ভাৱা?
What in your mind is the most effective agent of socialisation for your generation? How do you think it was different before?

**References :**


1. ARMILLAS, PEDRO. 1968 ‘The Concept of Civilization’, in Sills, David ed. The International Encyclopedia of Social Sciences. Free Press - Macmillan, New York.
2. BEFGER, P.L. 1963, Invitation to Sociology : A Humanistic Perspective, Penguin Harmonds Worth.
3. GEERTZ, CLIFFORD 1973 : The Interpretation of Cultures. Basic Books, New York.
4. GIDDENS, ANTHONY. 2001, Sociology, Polity Press, Cambridge.
5. Indira Gandhi National Open University (IGNOU), Unit-9, Agencies of Socialisation.
6. Indira Gandhi National Open University (IGNOU), Unit-8, Nature of Socialisation.
7. KOTTAK, CONRAD, P. 1994. Anthropology : The Exploration of Human Diversity. Sixth Edition, McGraw Hill, New York.

8. KUMAR, KRISHNA, 1986 : ‘‘Growth up Male’ in Seminar, No. 318 February
9. MALINOWSRI, BRONISLAW, 1931, Culture in SELIGMAN ed. Encyclopedia of the Social Sciences, Macmilan, New York.
10. MUKHERJI, BRONISLAW, D.P. 1948/1979. Sociology of Indian Culture, Fawal Publication, Jaipur.
11. TYLOR, EDWARD. B 1871/1950 : Primitive Culture; Researches into the Development of Mythology, Philosophy, Religion, Art and Custom, 2 Volumes, Volume 1. Origins of Culture, Volume 2 Religion in Primitive Culture, Gloucester, Mass, Smith.
12. WILLIAMS, PAYMOND, 1976, Keywords : A Vocabulary of Culture and Society, Fontana/Croom Helm, London.

●●●

**পঞ্চম অধ্যায়**

# সমাজতত্ত্ব ঃ গৱেষণা পদ্ধতি (Doing Sociology : Research Methods)

**পৰিচয় (Introduction) ঃ**

তোমালোকে কেতিয়াবা ভাবিছানে, সমাজতত্ত্ব বিষয়টিক কিয় সমাজবিজ্ঞান বুলি কোৱা হয়? অন্য কিছুমান বিষয়ৰ নিচিনাকৈ সমাজতত্ত্বই এই সৰ্বসাধাৰণ লোকসকলৰ সদা পৰিচিত দিশসমূহকেই অধ্যয়ন কৰে। অৰ্থাৎ সমাজতত্ত্বই অধ্যয়ন কৰা বিষয়বস্তুবোৰ যেনে— সামাজিক সমূহ বা গোট (Social Group or Unit), সংস্থা (Institution), প্ৰতিমান (Norms), সামাজিক সম্বন্ধ (Social Relationship) আদি। সমাজৰ সকলো লোকেই কম-বেছি পৰিমাণে এই দিশসমূহ জানে, কাৰণ মানুহে সমাজত দৈনন্দিন জীৱন যাত্ৰাত এই দিশসমূহৰ সৈতে অভিজ্ঞতাপুষ্ট হৈ পৰিছে। প্ৰশ্ন হয়, সমাজতত্ত্ববিদ সকলক সমাজৰ আন ব্যক্তি বা সদস্যসকলৰ পৰা কিহে পৃথক কৰে? কিয় তেওঁলোকক 'সমাজ বিজ্ঞানী' (Social Scientists) বুলি কোৱা হয়?

বিজ্ঞানৰ আন আন শাখাৰ নিচিনাকৈ এই ক্ষেত্ৰত উল্লেখনীয় দিশটো হৈছে অধ্যয়নৰ প্ৰণালী আৰু পদ্ধতি, যি প্ৰণালী বা পদ্ধতিৰ সহায়ত সমাজৰ বিষয়ে জ্ঞান আহৰণ কৰিব পাৰে। সেয়েহে সমাজতত্ত্ববিদ সকলক বা সমাজ বিজ্ঞানীসকলক সমাজৰ সৰ্বসাধাৰণ লোকৰ পৰা কিছু পৃথক হিচাপে বিবেচনা কৰা হয়। ইয়াৰ কাৰণ হ'ল, এজন সমাজতত্ত্ববিদে কিমান জানে বা কি জানে সেইটো আচল কথা নহয়, কিন্তু তেওঁলোকে অধ্যয়নৰ বাবে কোনবোৰ পদ্ধতি ব্যৱহাৰ কৰি সমাজ সম্পৰ্কত জ্ঞান আহৰণ কৰে, সেইটোহে গুৰুত্বপূৰ্ণ বিষয়। অৰ্থাৎ সমাজতত্ত্ব বিষয়টো প্ৰতিষ্ঠা কৰোঁতে পদ্ধতিভিত্তিক অধ্যয়নৰ ওপৰত গুৰুত্ব আৰোপ কৰিয়েই স্বতন্ত্ৰ বিজ্ঞান হিচাপে প্ৰতিষ্ঠা কৰিছিল।

আগৰ অধ্যায়কেইটাত তোমালোকে দেখিলা যে সমাজতত্ত্বই মানুহৰ জীৱন্ত অভিজ্ঞতাবোৰ অধ্যয়ন কৰাত গুৰুত্ব দিয়ে। এজন সমাজতত্ত্ববিদে বহুতো সামাজিক পৰিঘটনা (Social phenomena) অধ্যয়ন কৰে। উদাহৰণস্বৰূপে— বন্ধুত্ব অথবা ধৰ্ম অথবা বজাৰত কৰা দৰদাম বা চুক্তি আদি। এজন সমাজতত্ত্ববিদে সমাজৰ ঘটনাবোৰ কেৱল এজন সাধাৰণ দৰ্শক ৰূপেই অধ্যয়ন নকৰে, বৰঞ্চ ঘটনাবোৰৰ লগত জড়িত ব্যক্তিৰ ভাৱ, মতাদৰ্শ আৰু অনুভূতিবোৰকো অধ্যয়নৰ ভিতৰুৱা কৰি লয়। সমাজতত্ত্ববিদসকলে যিবোৰ ব্যক্তিক অধ্যয়ন

কৰে, তেওঁলোকৰ মনোভাৱক প্ৰাধান্য দিবলৈ যত্ন কৰে সেইসকলৰ দৃষ্টিভংগীৰেই বহল পৃথিৱীখন চাবলৈ প্ৰয়াস কৰে। সংস্কৃতিভেদে মানুহে বন্ধুত্বক কিদৰে লয়? এজন ধাৰ্মিক মানুহে পূজা-পাতল সমাপন কৰোঁতে কি ভাৱে? কোনো এটা বস্তুৰ দৰ-দাম কৰোঁতে এজন বিক্ৰেতা আৰু এজন গ্ৰাহকে ইজনে সিজনৰ প্ৰতি কেনেকুৱা ভাব-ভংগী প্ৰকাশ কৰে? দৰাচলতে এই প্ৰশ্নবোৰৰ উত্তৰেই হৈছে একো একোজন ব্যক্তিৰ জীৱন্ত প্ৰকাশ মাত্ৰ আৰু সমাজতত্ত্বই এইবোৰক বিশেষ মনোযোগেৰে লয়। এইখিনিতে দুজন ব্যক্তিৰ দুটা বেলেগ বেলেগ দৃষ্টিভংগীৰ কথা আহি পৰে। ঘটনাৰ লগত প্ৰত্যক্ষভাৱে জড়িত ব্যক্তিজন হৈছে ঘটনাৰ ভিতৰুৱা ব্যক্তি (Insider) আৰু ঘটনাক প্ৰত্যক্ষ কৰা আন এজন ব্যক্তি যাক বাহিৰৰ ব্যক্তি (Outsider) বুলি ধৰা হৈছে। দুয়োজন ব্যক্তিৰ দৃষ্টিভংগী অধ্যয়ন কৰিবলৈ সমাজতত্ত্বই বিশেষ কিছুমান পদ্ধতি গ্ৰহণ কৰে। সেইবাবে সমাজতত্ত্ব অধ্যয়নত পদ্ধতি প্ৰয়োগৰ বিশেষ গুৰুত্ব আছে।

**পদ্ধতি সম্পৰ্কীয় কেইটিমান আলোচিত বিষয় (Some Methodological Issues) ঃ**

ইংৰাজী মেথড (Method) আৰু মেথড'লজী (Methodology) শব্দ দুটা সাধাৰণতে সলনা সলনিকৈ (বা কেতিয়াবা প্ৰতিশব্দ ৰূপে) ব্যৱহাৰ হয় যদিও মেথড'লজী শব্দই সুকীয়া অৰ্থ প্ৰকাশ কৰে। মেথড'লজী মানে পদ্ধতিবোৰৰ বিষয়ে অধ্যয়ন কৰা জ্ঞান বা পদ্ধতি বিজ্ঞান। সাধাৰণভাৱে চাবলৈ গ'লে দেখা যায় যে বিজ্ঞানভিত্তিক জ্ঞান আহৰণ কৰিবলৈ যাওঁতে বিজ্ঞানীসকলে এটাতকৈ অধিক পদ্ধতি, কৌশল প্ৰয়োগ কৰিব লগা হয়। সমাজতত্ত্ববিদসকলেও কেনেধৰণৰ পদ্ধতি প্ৰয়োগ কৰি জ্ঞান আহৰণ কৰে আৰু কেনেকৈ সেই জ্ঞানক বিজ্ঞানভিত্তিক জ্ঞানৰূপে প্ৰতিষ্ঠা কৰে সেই বিষয়ে আমি আমাৰ আলোচনা আৰম্ভ কৰিম।

**সমাজতত্ত্বত বস্তুনিষ্ঠতা আৰু ব্যক্তিনিষ্ঠতা (Objectivity and Subjectivity in Sociology) ঃ**

আমাৰ দৈনন্দিন কথা-বতৰাত 'বস্তুনিষ্ঠতা' শব্দই অপক্ষপাতিত্বমূলক, নিৰপেক্ষ অথবা তথ্যৰ আধাৰত প্ৰতিষ্ঠিত অৱস্থাকেই বুজায়। আমি কোনো বিষয়ত সম্পূৰ্ণ বস্তুনিষ্ঠ হ'বলৈ যাওঁতে সেই বস্তুটোৰ প্ৰতি আমাৰ ব্যক্তিগত মনোভাৱ বা ভাৱ-ভংগী আঁতৰাই ৰাখিব লাগে। আনহাতেদি, ব্যক্তিনিষ্ঠতাই (Subjectivity) ঘাইকৈ ব্যক্তিৰ নিজা ভাল পোৱা বা বেয়া পোৱা মনোভাৱ আৰু নিজৰ পচন্দ বা অপচন্দক আগস্থান দিয়াতো বুজায়। তোমালোকে ইতিমধ্যে বুজি পাইছা যে বিজ্ঞানৰ প্ৰধান বৈশিষ্ট্যই হৈছে বস্তুনিষ্ঠতা, যি গুণৰ দ্বাৰা বিজ্ঞানে তথ্যভিত্তিক জ্ঞান আহৰণ কৰে। কিন্তু প্ৰাকৃতিক বিজ্ঞানত এই বৈশিষ্ট্যটি যেনেকৈ সহজ, সামাজিক বিজ্ঞানত ই ইমান সহজ নহয়।

উদাহৰণস্বৰূপে, এজন ভূ-তত্ত্ববিদ (Geologist) বা এজন উদ্ভিদ বিজ্ঞানী (Plant Scientist) ৰ কথাকে ক'ব পাৰি। এজন ভূ-তত্ত্ববিদে যেতিয়া এডোখৰ শিলৰ বিষয়ে অধ্যয়ন কৰে বা এজন উদ্ভিদ বিজ্ঞানীয়ে যেতিয়া কোনো এবিধ উদ্ভিদৰ বিষয়ে অধ্যয়ন কৰে, এই দুয়োজন বিজ্ঞানীৰ বাবে এডোখৰ শিল বা এবিধ উদ্ভিদ হৈ পৰে অধ্যয়নৰ বস্তু। সেই বিজ্ঞানীসকলে তেওঁলোকৰ অধ্যয়ন অধিক সচেতনতাৰে কৰিব আৰু কোনো প্ৰকাৰে নিজৰ পক্ষপাতিত্বমূলক মনোভাৱক তেওঁলোকৰ অধ্যয়নত ঠাই নিদিব। তথ্যক অকণো

সাল-সলনি নকৰাকৈ তেওঁলোকে গৱেষণা কৰাৰ উপৰিও কোনো প্ৰচলিত বৈজ্ঞানিক সূত্ৰৰ দ্বাৰা প্ৰভাৱান্বিত হোৱা লক্ষণো পৰিলক্ষিত হ'ব নোৱাৰিব। উল্লেখ কৰা প্ৰয়োজন যে ভূতত্ত্ববিদজন বা উদ্ভিদ বিজ্ঞানীজন তেওঁলোক কোনোজনেই তেওঁলোকৰ অধ্যয়ন জগতৰ অংশবিশেষ নহয়। আন কথাৰে ক'বলৈ হ'লে শিল বা উদ্ভিদৰ জগতখন হৈছে প্ৰাকৃতিক জগত (Natural World)। আনহাতে ইয়াৰ ঠিক বিপৰীতে সমাজবিজ্ঞানী সকলে যিখন পৃথিৱীত অধ্যয়ন কৰে, তেওঁলোকে সেই পৃথিৱীৰে বাসিন্দা অৰ্থাৎ মানৱীয় সম্বন্ধৰে বান্ধ খাই থকা এখন সামাজিক জগত। সমাজবিজ্ঞানৰ এটা প্ৰধান শাখা ৰূপে পৰিগণিত হোৱা সমাজতত্ত্বই ইয়াৰ বস্তুনিষ্ঠতা গুণ ৰক্ষা কৰাত এইক্ষেত্ৰত প্ৰধান সমস্যা হৈ পৰে। ইয়াৰ কাৰণ বহুত।

প্ৰথমেই পক্ষপাতমূলক সমস্যাৰ কথা উল্লেখ কৰিব পাৰি। কাৰণ সকলো সমাজতত্ত্ববিদ সমাজৰে একো একোজন সদস্য। সৰ্বসাধাৰণ ব্যক্তিৰ যিবোৰ পচন্দ-অপচন্দ (Likes and Dislikes) ভাবধাৰা থাকে, সমাজতত্ত্ববিদ সকলো তেনে ভাবৰ পৰা কেতিয়াও মুক্ত নহয়। এগৰাকী সমাজতত্ত্ববিদে যেতিয়া কোনো পাৰিবাৰিক সম্পৰ্কৰ বিষয়ে অধ্যয়ন কৰে, তেনে অধ্যয়নত তেওঁৰ ব্যক্তিগত পাৰিবাৰিক জীৱনৰ অভিজ্ঞতাই প্ৰভাৱান্বিত কৰাতো নিতান্তই স্বাভাৱিক, কাৰণ অধ্যয়ন কৰা ব্যক্তিগৰাকীও একে সময়ত কোনো পৰিয়ালৰে সদস্য হৈ থাকে। সমাজতত্ত্ববিদজনে অধ্যয়ন কৰা গোট বা সমূহৰ লগত তেওঁৰ প্ৰত্যক্ষ সম্পৰ্ক নাথাকিবও পাৰে। অথচ প্ৰতিজন ব্যক্তিৰ নিজ নিজ সামাজিক মূল্যবোধ বা প্ৰতিকূল পৰিস্থিতিৰ দ্বাৰা প্ৰভাৱান্বিত হোৱাৰ সম্ভাৱনা থাকে। উদাহৰণস্বৰূপে যেতিয়া এজন সমাজতত্ত্ববিদে তেওঁৰ নিজৰ বাহিৰৰ অন্য কোনো জাতি (Caste) বা ধৰ্মীয় সম্প্ৰদায়ক অধ্যয়ন কৰে, তেতিয়া সেই সম্প্ৰদায় বা জাতিৰ প্ৰতি আনে পোষণ কৰা মনোভাৱ সমাজতত্ত্ববিদজনৰ বাবেও প্ৰভাৱৰ কাৰণ হৈ পৰিব পাৰে। সমাজতত্ত্ববিদসকলে এনেবোৰ বিপদৰ পৰা কেনেকৈ নিজকে সুৰক্ষা দিব?

এইবোৰ প্ৰত্যাহ্বান দূৰ কৰাৰ কিছুমান উপায় নথকা নহয়। ইয়াৰ প্ৰথম পদক্ষেপ হিচাপে ল'ব লগা ব্যৱস্থা হৈছে অধ্যয়ন কৰিব লগীয়া বিষয়বস্তু সম্পৰ্কে গৱেষকৰ ধাৰণা আৰু ভাৱাদৰ্শ নিশ্চিত কৰিব পাৰিব লাগিব। সমাজতত্ত্ববিদসকলে অধ্যয়নৰ বেলিকা কোনো ঘটনাৰ বিষয়ে সাধাৰণতে এজন বাহিৰৰ পৰ্যবেক্ষকৰূপে নিজকে নিয়োগ কৰে। একে সময়তে তেওঁৰ স্থিতি সম্পৰ্কেও অৱগত হৈ থাকি গৱেষণাক আনৰ দৃষ্টিভংগীৰে আগবঢ়াই নিবলৈ প্ৰয়াস কৰে। এনেবোৰ কৌশলক সাধাৰণতে আত্মপ্ৰতিফলন কৌশল (Self Reflexive Technique) বুলি অভিহিত কৰা হয়। সমাজতত্ত্ববিদজনে এই কৌশলৰ দ্বাৰা সংগৃহীত মনোভাৱবোৰক নিজ প্ৰতিফলনেৰে চাবলৈ যত্ন কৰে। এইদৰে দ্বিতীয়জনৰ দৃষ্টিভংগী অৰ্থাৎ অধ্যয়ন কৰা লোকসকলৰ মনোভাৱ পূৰ্ণ পৰ্যায়ত গ্ৰহণ কৰিবলৈ যত্ন কৰে।

আত্মপ্ৰতিফলন (Self Reflexive) ৰ এটা ব্যৱহাৰিক দিশ হৈছে গৱেষকজনে অধ্যয়ন কৰি যিবোৰ তথ্যৰ মুখামুখি হৈছে সেইবোৰ সযত্নে লিপিবদ্ধ কৰা। তাৰোপৰি সংগ্ৰহ কৰা তথ্যবোৰৰ উৎস নিৰ্ভুলভাৱে যথাস্থানত উল্লেখ কৰাটো উন্নত মানৰ গৱেষণাৰ আনটো প্ৰধান বৈশিষ্ট্য। এইবোৰৰ সহায়ত এইটো নিশ্চিত কৰিব পাৰি যে সমাজতত্ত্বই এটা সঠিক পথেৰে আগবাঢ়ি গৈ নিৰ্দিষ্ট মন্তব্য দিবলৈ সক্ষম হৈছে। গৱেষণাৰ

চিন্তাধাৰা বা যুক্তিবোৰ সঠিক দিশে আগবঢ়া কাৰ্যতো ই আমাক সহায় কৰে।

কিন্তু এইটো স্বীকাৰ কৰিব লাগিব যে গৱেষকজন যিমানেই আত্মপ্রতিফলনৰ দিশে আগনাবাঢ়ক কিয়, অৱচেতনভাৱেই কেতিয়াবা পক্ষপাতিত্বৰ অৱকাশো থাকি যায়। এনেধৰণৰ সম্ভাব্য বিপদক অতিক্রম কৰিবলৈও গৱেষকে কিছুমান উপায় অৱলম্বন কৰে। সেয়া হৈছে অধ্যয়ন কৰা ব্যক্তিসকলৰ সামাজিক পটভূমি, য'ৰপৰা পক্ষপাতিত্বৰ মনোভাৱ অহাৰ সম্ভাৱনা থাকে, সেইবোৰ কৌশলেৰে নিৰীক্ষণ কৰিব লাগে। ইয়াৰ সহায়ত পাঠক সমাজে সহজে আসোঁৱাহখিনি অতিক্রম কৰি যাব পাৰে। (তোমালোকে এই সন্দৰ্ভত প্ৰথম অধ্যায়ত আলোচিত হোৱা সাধাৰণ জ্ঞানবোধ আৰু সমাজতত্ত্বৰ পাৰ্থক্য পুনৰ পঢ়ি চাব পাৰা।)

**ক্ৰিয়া কলাপ-১ (Activity-1)**

তোমালোকে যিদৰে আনক নিৰীক্ষণ কৰা তেনেদৰে ই নিজকে কেতিয়াবা নিৰীক্ষণ কৰিছানে? (১) তোমালোকৰ বন্ধু-বান্ধৱসকলে, (২) তোমালোকৰ প্ৰতিদ্বন্দ্বীসকলে, (৩) তোমালোকৰ শিক্ষকে তোমালোকক যি দৃষ্টিভংগীৰে লয় তাৰ বিষয়ে এটি চমু বিৱৰণ যুগুত কৰা। তোমালোকে নিজকে সেই ব্যক্তিসকলৰ মাজৰে বুলি কল্পনা কৰা আৰু তেওঁলোকৰ দৃষ্টিকোণৰ ফালৰ পৰা তোমালোকৰ নিজৰ বিষয়ে ভাবা।

মনত ৰাখিবা, তোমালোকে নিজকে কওঁতে তৃতীয় পুৰুষত লিখিবা, অৰ্থাৎ 'মই' বা 'মোক' শব্দৰ পৰিৱৰ্তে 'সি' বা 'তাই' শব্দ ব্যৱহাৰ কৰিবা। তোমালোকৰ টোকাখিনি সম্পূৰ্ণ হ'লে শ্ৰেণীৰ আন আন বন্ধু-বান্ধৱে যুগুত কৰা টোকাবোৰৰ লগত মিলাই চোৱা। ইজনে সিজনৰ লগত বৰ্ণনাবোৰৰ আলোচনা কৰা। সেইবোৰ কিমান সঠিক বা মনোগ্ৰাহী হৈছে? সেই বিৱৰণবোৰত আচৰিত হ'ব লগা কিবা আছে নেকি?

বস্তুনিষ্ঠতা গুণ ৰক্ষা কৰাত আন এটা সমস্যাও উল্লেখ কৰিব পাৰি। প্ৰকৃত সত্য কি এই সম্পৰ্কে মানুহৰ মাজত বিভিন্ন ভাষ্য থাকে। প্ৰতিটো বস্তুকে নিজৰ সুবিধা অনুযায়ী বিভিন্ন দৃষ্টিভংগীৰে চায় আৰু সেয়ে বাস্তৱক (Reality) প্ৰতিষ্ঠা কৰোঁতে বহুত সামাজিক বিশ্লেষণ দাঙি ধৰাৰ উপৰি সেইবোৰৰ গ্ৰহণযোগ্যতাৰ বিষয়ে প্ৰতিযোগিতাৰ মনোভাৱেৰে প্ৰশ্নৰ অৱতাৰণা কৰে। উদাহৰণস্বৰূপে কোনো এটা বস্তুৰ উচিত মূল্যৰ ধাৰণাটো বিক্ৰেতা আৰু গ্ৰাহকৰ মতে বেলেগ বেলেগ হ'ব পাৰে। ঠিক সেইদৰে 'ভাল খাদ্য'ৰ ধাৰণাটো এজন বয়স্ক লোকৰ আৰু এজন যুৱক-যুৱতীৰ একে নহ'বও পাৰে। কোনটো ভাল বা কোনটো বেয়া এই সম্পৰ্কে বিচাৰ কৰিবলৈ নিৰ্ধাৰিত কোনো সহজ পথ নাই। সেইবাবে এনেধৰণৰ চিন্তাই অনেক সহায় নকৰিবও পাৰে। সমাজতত্ত্বই প্ৰকৃততে এই দিশেৰে বিচাৰ নকৰে, কাৰণ মানুহে কি ভাবে, কিয় তেনেকৈ ভাৱে, সেয়া স্বতঃস্ফূৰ্ত আকৰ্ষণীয় বিষয়।

বস্তুনিষ্ঠতা গুণ ৰক্ষা কৰাৰ ক্ষেত্ৰত আৰু কিছুমান সমস্যাই দেখা দিয়ে। সমাজ বিজ্ঞানৰ (Social Sciences) বিভিন্ন শাখাবোৰৰ নিজা নিজা অধ্যয়নৰ দৃষ্টিভংগী থাকে। সমাজ বিজ্ঞানৰ আন আন শাখাবোৰৰ দৰেই সমাজতত্ত্বৰো বহু বিকল্প নিৰ্দেশিত বিজ্ঞান (Multi-Paradigmatic Science) হিচাপে পৰিচয় আছে।

ইয়াৰ অৰ্থ হৈছে বিজ্ঞানৰ বিভিন্ন শাখাবোৰত নানা ধৰণৰ চিন্তা-চৰ্চাৰ কেন্দ্ৰবোৰ (Schools of Thought) ক্ৰমাগতভাৱে আগবাঢ়ি আহিছে। চিন্তা-চৰ্চাবোৰ ক্ৰমান্বয়ে প্ৰতিযোগিতামুখী হ'বলৈ ধৰিছে আৰু একেটা বিষয়তে কেতিয়াবা এনেধৰণৰ বহু চিন্তাকেন্দ্ৰৰ সমাৱেশ ঘটিছে।

উল্লিখিত বিৱৰণৰ পৰা এইটো দেখা যায় যে, সমাজতত্ত্বত বস্তুনিষ্ঠতা এটা কঠিন আৰু জটিল বিষয়। আচলতে এনেধৰণৰ পুৰণি ধাৰণাবোৰকো বহুল ভিত্তিত লাহে লাহে অপ্ৰচলিত বুলি জ্ঞান কৰি আহিছে। সাম্প্ৰতিক কালৰ সমাজবিজ্ঞানীসকলে পৰম্পৰাগতভাৱে অহা বস্তুনিষ্ঠ আৰু নিৰপেক্ষ সমাজবিজ্ঞান সম্ভৱ হোৱা কথাবোৰ বা ধাৰণাবোৰ সহজে বিশ্বাসত লয়। আচলতে এনেধৰণৰ ধাৰণাবোৰে বিপথে পৰিচালিত কৰে। এইটো মানি ল'ব নোৱাৰি যে সমাজতত্ত্বই বস্তুনিষ্ঠ জ্ঞানৰ যোগান ধৰিব নোৱাৰে অথবা বস্তুনিষ্ঠতা এটি ব্যৱহৃত অৱধাৰণা মাত্ৰ, আন কথাত ক'বলৈ হ'লে বস্তুনিষ্ঠতাৰ অৰ্থ হৈছে নিৰৱচ্ছিন্ন প্ৰক্ৰিয়াৰে উপনীত হ'বলৈ বিচৰা কোনো এক লক্ষ্য। বস্তুনিষ্ঠতা সেইবাবে প্ৰাপ্তি ফলাফল বুলি ভাবিব নোৱাৰি।

**বহুবিকল্প পদ্ধতি আৰু পদ্ধতিৰ বাছনি (Multiple Methods and Choice of Methods) ঃ**

সমাজতত্ত্বত বহুবিকল্প সত্য (Multiple truth) আৰু বহুবিকল্প দৃষ্টিভংগীৰ বিষয়ে উল্লেখ আছে, কিন্তু বহুবিকল্প পদ্ধতিৰ বিষয়ে বৰকৈ উল্লেখ নাই। সমাজতাত্ত্বিক দৃষ্টিভংগীৰে যিটো সত্য বুলি ভাবিব পাৰি সেয়া পাবলৈও কোনো লেখত ল'বলগীয়া প্ৰথা নাই। অৱশ্যে গৱেষণা সম্পৰ্কীয় ভিন ভিন প্ৰশ্নবোৰ চালি-জাৰি চাবলৈ কিছুমান পদ্ধতিক ব্যৱহাৰ কৰা হয়। তাৰোপৰি প্ৰতিটো পদ্ধতিৰে কিছুমান সীমাবদ্ধতা আছে। সেইদৰে প্ৰতিটো পদ্ধতি সবল বা দুৰ্বল হ'ব পাৰে। গতিকে শ্ৰেষ্ঠতা আৰু হীনতাৰ ভিত্তিত পদ্ধতিবোৰৰ মানদণ্ড নিৰ্ণয় কৰিবলৈ বিচৰাতো যুক্তিসংগত নহয়। এইটো অতি প্ৰয়োজনীয় কথা যে, গৱেষণাৰ প্ৰশ্ন অনুসাৰে যিবোৰ পদ্ধতিৰ প্ৰয়োগ নহয়, সেইবোৰ প্ৰশ্নৰ উত্তৰ অনুসন্ধান কৰোঁতে সেই পদ্ধতিবোৰৰ যথাৰ্থতা বিচাৰ কৰাটোহে আচল কথা।

উদাহৰণস্বৰূপে ধৰা হওঁক কোনো গৱেষকে অধ্যয়ন কৰিব বিচাৰিছে যে— ভাৰতৰ প্ৰায়বোৰ পৰিয়ালেই যৌথ পৰিয়াল নেকি? এইক্ষেত্ৰত পিয়ল বা জৰীপ (Census or Survey) পদ্ধতিকেই উপযুক্ত অধ্যয়ন প্ৰণালী হিচাপে ল'ব পাৰি। সি যি নহওক, যদি কোনোবাই যৌথ আৰু একক পৰিয়ালত মহিলাৰ প্ৰস্থিতি তুলনা কৰিব বিচাৰে, তেতিয়া সাক্ষাৎকাৰ, নমুনা অধ্যয়ন আৰু অংশগ্ৰহণকাৰী পৰ্যবেক্ষণ হ'ব উপযুক্ত পদ্ধতি।

সমাজতত্ত্ববিদসকলে সচৰাচৰ যিবোৰ পদ্ধতি প্ৰয়োগ কৰে, সেইবোৰক বিভিন্ন শ্ৰেণীত বা গোটত বিভক্ত কৰিব পাৰি। প্ৰচলিত ধাৰা অনুসৰি পদ্ধতিবোৰক প্ৰধানকৈ পৰিমাণবাচক (Quantitative) আৰু গুণাত্মক (Qualitative) শ্ৰেণীতেই বিভক্ত কৰা দেখা যায়। প্ৰথমবিধ পদ্ধতিৰ সহায়ত গণনা কৰিব পৰা সংখ্যা অথবা জোখ-মাখ কৰিব পৰা চলকবোৰক (যেনে— অনুপাত, গড় আদি) অধ্যয়ন কৰিব পাৰি। আনহাতে দ্বিতীয়বিধ পদ্ধতিৰ সহায়ত সমাজৰ অমূৰ্ত (Abstract) দিশবোৰ অৰ্থাৎ যিবোৰ সংখ্যাৰে গণনা কৰিব নোৱাৰি বা জুখিব নোৱাৰি, যেনে— মানুহৰ মনোভাৱ, আবেগ আদিক অধ্যয়ন কৰা হয়। পৰিমাণবাচক আৰু গুণাত্মক পদ্ধতিৰ মাজত মন কৰিবলগীয়া পাৰ্থক্যবোৰ হৈছে প্ৰথমবিধ পদ্ধতিৰ সহায়ত নিৰীক্ষণীয় (Observable) বস্তুক অধ্যয়ন কৰা হয় আৰু দ্বিতীয়বিধ পদ্ধতিৰ সহায়ত অনিৰীক্ষণীয় (Non-observable)

অৱস্থাটো যেনে সামাজিক মূল্য, প্ৰতিমান আদি আৰু অন্যান্য অৰ্থ প্ৰকাশক বস্তুক অধ্যয়ন কৰা হয়। গৱেষণাৰ পদ্ধতিবোৰক শ্ৰেণীকৰণ কৰাৰ আন উপায় থাকে।

সাধাৰণতে অধ্যয়নৰ বাবে দুবিধ তথ্য সংগ্ৰহ কৰা হয় প্ৰাথমিক (Primary) আৰু দ্বিতীয়ক (Secondary)। প্ৰাথমিক তথ্যবোৰ অধ্যয়নকাৰীয়ে নিজেই অধ্যয়নস্থলৰ পৰা পোনপটীয়াকৈ সংগ্ৰহ কৰে। আনহাতেদি দ্বিতীয়ক তথ্যবোৰ হৈছে পূৰ্বতে সংগ্ৰহ কৰি থোৱা কোনো নথিপত্ৰ বা টোকা। গতিকে দেখা যায় যে, প্ৰাথমিক তথ্য সংগ্ৰহ কৰিব পাৰি সাক্ষাৎকাৰৰ জৰিয়তে আনহাতে বুৰঞ্জীমূলক অধ্যয়নে প্ৰধানকৈ নিৰ্ভৰ কৰে নথিভঁৰালত (Archives) সংগৃহীত হৈ থকা দ্বিতীয়ক তথ্যৰ ওপৰত।

ইয়াৰ উপৰিও পদ্ধতিবোৰক আৰু অধিক গোটত শ্ৰেণীকৰণ কৰিব পাৰি। সেয়া হৈছে ক্ষুদ্ৰ পৰিসৰৰ অধ্যয়ন (Micro Study) আৰু বৃহৎ পৰিসৰৰ অধ্যয়ন (Macro Study)। প্ৰথমবিধ অধ্যয়ন হৈছে সৰু পৰিসৰৰ অঞ্চলত সম্পাদন কৰিবৰ বাবে প্ৰস্তুত কৰা গৱেষণা পদ্ধতি য'ত এজন মাত্ৰ গৱেষকে সমগ্ৰ অধ্যয়ন কাৰ্যক সামৰি ল'ব পাৰে। সেইক্ষেত্ৰত ব্যক্তিৰ লগত মুখামুখি সাক্ষাৎকাৰ আৰু অংশগ্ৰহণকাৰী পৰ্যবেক্ষণক ক্ষুদ্ৰ পদ্ধতি (Micro Methods) ৰূপে অভিহিত কৰা হয়। বৃহৎ পদ্ধতিবোৰ (Macro Methods) বহুল পৰিসৰৰ গৱেষণাত ব্ৰতী হয় য'ত সৰহসংখ্যক উত্তৰদাতা (Respondents) থকাৰ বাবে অধিকসংখ্যক অনুসন্ধানকাৰীক (Investigators) অন্তৰ্ভুক্ত কৰা হয়। বৃহৎ পৰিসৰৰ অধ্যয়নত সাধাৰণতে জৰীপ পদ্ধতিৰ (Survey Method) জনপ্ৰিয়তাই বেছি দেখা যায়, যদিও কিছুমান ঐতিহাসিক পদ্ধতিও বৃহৎ ঘটনাবোৰ অধ্যয়নত ব্যৱহাৰ কৰিব পাৰি।

পদ্ধতিবোৰক শ্ৰেণীকৰণ কৰাৰ প্ৰক্ৰিয়া যিয়েই নহওঁক এইটো মনত ৰখা উচিত যে এনেধৰণৰ শ্ৰেণীকৰণৰ নিয়মবোৰ তথা কথিতভাৱে প্ৰচলিত প্ৰক্ৰিয়া মাথোন। ইয়াৰ বিভিন্ন শ্ৰেণীৰ মাজৰ সীমাবোৰ অতি প্ৰকট বুলি ক'ব নোৱাৰি। কোনো এক প্ৰকাৰৰ পদ্ধতিক আন এক প্ৰকাৰলৈ ৰূপান্তৰ কৰিবলৈ বা এটাৰ অবিহনে আনটো পদ্ধতি প্ৰয়োগ কৰাৰ ক্ষেত্ৰত সম্ভাৱনা নথকাও নহয়।

অনুসন্ধানৰ বাবে কোনবোৰ পদ্ধতি বাছনি কৰিব সেয়া নিৰ্ভৰ কৰে প্ৰধানকৈ গৱেষণাৰ বাবে প্ৰস্তুত কৰা প্ৰশ্নসম্ভাৰৰ ওপৰতহে। এইক্ষেত্ৰত গৱেষকজনৰ নিজা সময়, সুবিধা আৰু সম্পদৰ কথাও জড়িত হৈ থাকে। সাম্প্ৰতিক কালৰ সমাজবিজ্ঞানৰ গতিধাৰাই বহুবিকল্প পদ্ধতিৰ আৱশ্যকতাৰ সপক্ষে মাত মাতিছে আৰু কৈছে যে গৱেষণাৰ একেটা বিষয়বস্তুকে সুবিধা অনুযায়ী বিভিন্ন কোণৰ পৰা চাব পাৰি। বহু সময়ত এইবিধ পদ্ধতিক 'ত্ৰিকোণীয়া' পদ্ধতি (Triangulation) বুলি অভিহিত কৰা দেখা যায়। অৰ্থাৎ সামাজিক ঘটনাক বহু দিশৰ পৰা নিৰ্ভুলভাৱে অধ্যয়ন কৰা প্ৰক্ৰিয়া। ইয়াক এইদৰে বুজিব পাৰি যে, কোনো এটা পদ্ধতিৰ অবিহনে আনটো অথবা "এটা আনটোৰ পৰিপূৰক হিচাপে সমাজতত্ত্বত বহুবিকল্প পদ্ধতিৰ প্ৰয়োগ হৈ আছে। অধ্যয়ন প্ৰক্ৰিয়াক অধিক শক্তিশালী কৰিবৰ বাবে অথবা গৱেষণাত ভাল ফলাফল নিৰ্ণয় কৰিবৰ বাবেই বহুবিকল্প পদ্ধতিবোৰ নিজস্ব বৈশিষ্ট্যৰে পৰিপূৰ্ণ। প্ৰাথমিক তথ্য সংগ্ৰহ কৰাটোৱেই এই পদ্ধতিবোৰৰ প্ৰধান বৈশিষ্ট্য। ক্ষেত্ৰভিত্তিক পদ্ধতিবোৰৰ ভিতৰত আমি প্ৰধানকৈ কেইটিমান পদ্ধতিৰ বিষয়ে তোমালোকৰ বাবে অৱগত কৰিম। সেইবোৰ হৈছে— জৰীপ (Survey), সাক্ষাৎকাৰ (Interview), আৰু অংশগ্ৰহণকাৰী পৰ্যবেক্ষণ (Participant Observation)।

**অংশগ্ৰহণকাৰী পৰ্যবেক্ষণ (Participant Observation) ঃ**

এইবিধ অধ্যয়ন পদ্ধতি সমাজতত্ত্ব, বিশেষকৈ সামাজিক নৃতত্ত্ব বিজ্ঞানত বিশেষভাৱে জনপ্ৰিয়। অংশগ্ৰহণকাৰী পৰ্যবেক্ষণ হৈছে জনসমাজৰ লগত অংশগ্ৰহণ কৰা প্ৰণালীবদ্ধ এবিধ বিশেষ প্ৰক্ৰিয়া যাৰ জৰিয়তে সমাজতত্ত্ববিদসকলে সমাজ, সংস্কৃতি আৰু ইয়াৰ ব্যক্তিসকলৰ বিষয়ে অধ্যয়ন কৰে। (প্ৰথম অধ্যায়ত আলোচনা কৰা সমাজতত্ত্ব আৰু সামাজিক নৃতত্ত্ব চোৱা।)

সমাজবিজ্ঞানৰ আন পদ্ধতিবোৰৰ পৰা বিভিন্ন কাৰণত এইবিধ পদ্ধতি অলপ বেলেগ। প্ৰাথমিক তথ্য সংগ্ৰহ কৰা আনবোৰ পদ্ধতি যেনে— জৰীপ বা সাক্ষাৎকাৰ আদিৰ সুকীয়া বৈশিষ্ট্য আছে। এই পদ্ধতিৰে লগত জড়িত হৈ আছে ক্ষেত্ৰ কৰ্ম (Field Work) । সেইবোৰ অধ্যয়নকাৰীয়ে যিবোৰ লোকক অধ্যয়ন কৰিব তেওঁলোকৰ লগত আন্তঃক্ৰিয়াৰ বাবে দীঘলীয়া সময় অতিবাহিত কৰিব লাগে। মনকৰিবলগীয়া যে সমাজতত্ত্ববিদ (sociologists) বা সামাজিক নৃতত্ত্ববিদসকলে (Social Anthropologists) ক্ষেত্ৰ অধ্যয়নত যথেষ্ট দীঘলীয়া সময় কটায়। কেতিয়াবা কেইবা মাহ পৰ্যন্ত, কেতিয়াবা বছৰ বা কেতিয়াবা তাতোকৈ বেছি। সামাজিক নৃতত্ত্ববিদসকলে বিশেষ অধ্যয়ন ক্ষেত্ৰৰ এজন বাহিৰৰ (Outsider) লোক হৈও তেওঁলোকে অধ্যয়ন কৰা লোকসকলৰ মাজত এজন থলুৱা লোক হৈ পৰে। প্ৰকৃত থলুৱা লোকসকলৰ ভাষা শিকে আৰু সেইসকলৰ দৈনন্দিন জীৱনৰ সকলো কাৰ্য-কলাপত আপোনভাৱেৰে অংশগ্ৰহণ কৰে। নৃতত্ত্ববিদসকলে এই প্ৰচেষ্টাৰ যোগেদি সমাজৰ সকলো প্ৰকাৰৰ স্পষ্ট (Explicit) আৰু অস্পষ্ট বা অসন্দিগ্ধ (Implicit) জ্ঞান আৰু ভিতৰুৱা (Insider) লোকসকলৰ কলা-কৌশলবোৰ আয়ত্ব কৰে। সমাজতত্ত্ববিদ বা নৃতত্ত্ববিদসকলৰ যদিও নিজা নিজা নিৰ্দিষ্ট মনঃপুত অধ্যয়নৰ গণ্ডী থাকে, অধ্যয়নৰত জনগোষ্ঠীৰ সামগ্ৰিক জীৱনৰ বিষয়ে সম্পূৰ্ণকৈ জনাটোহে হৈছে অংশগ্ৰহণকাৰী পৰ্যবেক্ষণৰ মূল লক্ষ্য। প্ৰকৃততে, সমাজতত্ত্ববিদ আৰু নৃতত্ত্ববিদসকলে পোষ্যৰূপে গ্ৰহণ কৰোঁতে তেওঁলোকৰ জনসমষ্টিৰ সকলো দিশ সমগ্ৰ ৰূপত (Holistic) শিকিব লাগিব বা জানিব লাগিব। যিদৰে কণমানি শিশুসকলে তেওঁলোকৰ চাৰিওফালৰ পৃথিৱীখনক জানিবলৈ প্ৰয়াস কৰে।

অংশগ্ৰহণকাৰী পৰ্যবেক্ষণক প্ৰায়ে ক্ষেত্ৰ কৰ্ম (Field Work) বুলিও কোৱা হয়। প্ৰাকৃতিক বিজ্ঞানৰ কেইটিমান শাখা যেনে— উদ্ভিদবিদ্যা (Botany), প্ৰাণীবিদ্যা (Zoology), ভূতত্ত্ব (Geology) আদিতেই ক্ষেত্ৰ কৰ্ম অৱধাৰণাটিৰ উৎপত্তি হৈছিল। বিজ্ঞানৰ এই শাখাবোৰত বিজ্ঞানীসকলে তেওঁলোকৰ গৱেষণাগাৰত কাম কৰাৰ উপৰিও তেওঁলোকৰ বিষয়বস্তু যেনে শিল, কীট-পতংগ অথবা গছ গছনি অধ্যয়ন কৰিবৰ বাবে ক্ষেত্ৰ কৰ্মলৈ যোৱাৰ নিয়ম আছে।

**সামাজিক নৃতত্ত্বত ক্ষেত্ৰ কৰ্ম (Field work in Social Anthropology) ঃ**

বৈজ্ঞানিক পদ্ধতিৰ এটি গুৰুত্বপূৰ্ণ অংশ হিচাপে ক্ষেত্ৰ অধ্যয়নে নৃতত্ত্ব (Anthropology) ক সমাজবিজ্ঞানৰূপে প্ৰতিষ্ঠা কৰাত উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰি আহিছে। প্ৰাচীন কালৰ নৃতত্ত্ববিদসকল প্ৰধানকৈ অবৃত্তিধাৰী, উদ্যমী আছিল আৰু তেওঁলোকে আদিম জনগোষ্ঠীৰ আচহুৱা সংস্কৃতিক অধ্যয়ন কৰাতে কেৱল ব্যস্ত আছিল। প্ৰকৃতাৰ্থত তেওঁলোক আছিল আৰামী চকীৰ পণ্ডিত (Armchair Scholar)। তেওঁলোকে অতিৰিক্ত অঞ্চলত বাস কৰা জনগোষ্ঠীৰ বিষয়ে তথ্য সংগ্ৰহ কৰিছিল আৰু সেইবোৰ সংগঠিত কৰিছিল। (যিবোৰ জনগোষ্ঠীৰ মাজলৈ তেওঁলোক নিজেও যোৱা নাছিল)। সেই তথ্যবোৰৰ প্ৰধান উৎস আছিল দেশ

বিদেশৰ ভ্ৰমণকাৰীৰ টোকা, মিচনেৰীসকলৰ বৰ্ণনা, সাম্ৰাজ্যবাদী শাসকৰ টোকা, যুদ্ধত ব্ৰতী হোৱা সৈনিকসকলৰ জীৱনৰ বৰ্ণনা আৰু বিভিন্ন চৰজমিন লোকৰ (Man on the Spot) অভিজ্ঞতাপুষ্ট বিৱৰণ আদি। উদাহৰণস্বৰূপে জেম্‌চ ফ্ৰেজাৰ (James Frazer)ৰ বিখ্যাত গ্ৰন্থ 'দা গোল্ডেন বাও' (The Golden Bough) আৰু ইমাইল দুৰখেইমৰ (Emile Durkheim) আদিবাসী ধৰ্মৰ বিষয়ে বৰ্ণনা কৰা গ্ৰন্থকেইখন বিশেষভাৱে উল্লেখযোগ্য। এই গ্ৰন্থবোৰে অতীতৰ ভালেমান নৃতত্ত্ববিদক প্ৰেৰণা যোগাইছিল বিশেষকৈ পূৰ্বতে আনে ব্যৱহাৰ কৰা তথ্য বা টোকা বহীয়ে। উনৈশ শতিকাৰ শেষভাগত আৰু কুৰি শতিকাৰ প্ৰথম ভাগত ভালেমান খ্যাতনামা নৃতত্ত্ববিদৰ আৱিৰ্ভাৱ হয়। এওঁলোকৰ কিছুমান প্ৰাকৃতিক বিজ্ঞান শিক্ষাৰে শিক্ষিত আছিল। এইসকল বিজ্ঞানীৰ হাতত নৃতত্ত্ববিজ্ঞানে কিছু নতুন গতিধাৰা লাভ কৰে। পৃথিৱীৰ চুকে-কোণে বসবাস কৰি থকা জনজাতিবোৰৰ ভাষা, ৰীতি-নীতি, উৎসৱ-পাৰ্বণ, বিশ্বাস আদিৰ বিষয়ে তেওঁলোকে কিছুমান জৰীপ পদ্ধতিগতভাৱে আৰম্ভ কৰে। পূৰ্বতে আনে যুগুত কৰা টোকা (second hand account) বোৰক পাণ্ডিত্যৰ দিশত লাহে লাহে কম গুৰুত্ব দিয়া হ'ল আৰু পোনপটীয়া অধ্যয়নৰ (first hand work) অন্তত লাভ কৰা সঠিক ফলাফলবোৰক অধিক গুৰুত্ব সহকাৰে ল'বলৈ ধৰিলে। (এইক্ষেত্ৰত বন্ধনীৰ ভিতৰত দিয়া কথাখিনি চোৱা)।

**ব্ৰনিচ্‌ল' মেলিন'চকি আৰু অধ্যয়নৰ আৱিষ্কাৰ'**

**(Bronislaw Malinwoski and the 'Invention' of Field Work)**

যদিও এই পদ্ধতিটো তেৰেঁই প্ৰথমবাৰৰ বাবে প্ৰয়োগ কৰা নাছিল, তথাপি এই পদ্ধতিটোৰ বিষয়ে ইতিমধ্যে সমগ্ৰ বিশ্বৰ ভালেমান পণ্ডিতৰ নানা ভাষ্য প্ৰকাশ পাইছে। ব্ৰনিচ্‌ল' মেলিন'চকি পোলেণ্ডৰ এজন নাগৰিক আছিল আৰুতেওঁ ব্ৰিটেইনত বাস কৰিছিল। এইটো গভীৰভাৱে বিশ্বাস কৰা হয় যে তেওঁৱেই প্ৰথম সামাজিক নৃতত্ত্বত ক্ষেত্ৰ অধ্যয়ন পদ্ধতিক প্ৰতিষ্ঠা কৰিছিল। ১৯১৪ চনত যেতিয়া প্ৰথম বিশ্ব মহাসমৰ আৰম্ভ হৈছিল মেলিন'চকি সেই সময়ত ব্ৰিটিছ সাম্ৰাজ্যবাদীৰ অধীনত থকা অষ্ট্ৰেলিয়া ভ্ৰমণৰ বাবে গৈছিল। যুদ্ধত জাৰ্মেনীয়ে পোলেণ্ড অধিকাৰ কৰিছিল আৰু সেইবাবে পোলেণ্ডক ব্ৰিটেইনৰ শত্ৰু দেশ বুলি ঘোষণা কৰিছিল। স্বাভাৱিকতে কাৰিকৰী কাৰণবশতঃ পোলেণ্ডৰ নাগৰিক হোৱাৰ বাবেই মেলিন'চকি হৈ পৰিল 'বহিৰাগত শত্ৰু' (Enemy alien) স্বৰূপ। তেওঁ অৱশ্যে লণ্ডন স্কুল অব ইকনমিকচ (London School of Economics) ৰ এজন সন্মানীয় অধ্যাপক আছিল আৰু ব্ৰিটেইন তথা অষ্ট্ৰেলিয়া কৰ্তৃপক্ষৰ লগত সু-সম্পৰ্ক ৰাখিছিল। যিহেতুকে কাৰিকৰী কাৰণবশতঃ তেওঁ এজন 'বহিৰাগত শত্ৰ' বুলি পৰিগণিত হ'ল, সেয়ে দেশৰ আইন অনুসৰি তেওঁক হয় অন্তৰীণ (Interned) কৰা হ'ব নতুবা কোনো বিশেষ ঠাইত আবদ্ধ কৰি ৰখা হ'ব।

মেলিন'চকিয়ে তেওঁৰ নৃতাত্ত্বিক অধ্যয়নৰ বাবে অষ্ট্ৰেলিয়াৰ বিভিন্ন অঞ্চল আৰু প্ৰশান্ত মহাসাগৰৰ দক্ষিণৰ দ্বীপপুঞ্জ ভ্ৰমণ কৰাৰ কথা আছিল। অন্তৰীণ কালছোৱা সেয়েহে তেওঁ প্ৰশান্ত মসাগাৰৰ দক্ষিণত থকা ব্ৰিটিছ-অষ্ট্ৰেলিয়াৰ অধীন ট্ৰব্ৰিয়াণ্ড (Trobriand) দ্বীপপুঞ্জতে থাকিবলৈ কৰ্তৃপক্ষক আবেদন কৰিলে। অষ্ট্ৰেলিয়া চৰকাৰে সেই আবেদন গ্ৰহণ কৰাই নহয়,

বৰঞ্চ তেওঁৰ ভ্ৰমণকালৰ সকলো ব্যয় বহন কৰিবলৈও সন্মতি প্ৰকাশ কৰে। সেইদৰে তেওঁ ট্ৰব্ৰিয়াণ্ড দ্বীপপুঞ্জত এবছৰ ছমাহ কটালে। তাত থকাৰ সময়ত স্থানীয় গাঁৱোৰত তেওঁ তম্বু সাজি বাস কৰিছিল, স্থানীয় ভাষা-জ্ঞান আয়ত্ব কৰিছিল আৰু তেওঁলোকৰ সংস্কৃতিৰ বিষয়ে জানিবলৈ স্থানীয় লোকৰ লগত ঘনিষ্ঠভাৱে আন্তঃক্ৰিয়া কৰিছিল। তেওঁ নিৰীক্ষণ কৰা কথাবোৰ অতি যত্নসহকাৰে দিনলিপিত লিখি গৈছিল। পিছত তেওঁৰ ক্ষেত্ৰ ভিত্তিক টোকা আৰু দিনলিপিৰ আধাৰত ট্ৰব্ৰিয়াণ্ডবাসী সকলৰ সংস্কৃতিৰ বিষয়ে কিছুমান গ্ৰন্থ লিখি উলিয়াইছিল। এই গ্ৰন্থসমূহ অতি সোনকালে জনপ্ৰিয় আৰু বিখ্যাত হৈ পৰিছিল। বৰ্তমান সময়তো এই গ্ৰন্থবোৰক উৎকৃষ্ট গ্ৰন্থৰূপে স্বীকৃতি দিয়া হয়।

ট্ৰব্ৰিয়াণ্ড অভিজ্ঞতাৰ আগতেও মেলিন'চকিয়ে বিশ্বাস কৰিছিল যে নৃতত্ত্ববিদসকলৰ লগত স্থানীয় সংস্কৃতিৰ প্ৰত্যক্ষ আৰু মধ্যস্থতাবিহীন আন্তঃক্ৰিয়া থাকিব লাগে, যিটোৱে নৃতত্ত্ব বিজ্ঞানৰ ভৱিষ্যত ৰক্ষা কৰিব। তেওঁ আৰু বিশ্বাস কৰিছিল যে এটা বিষয়ৰ শাখাৰূপে নৃতত্ত্বই ক্ৰমাগতভাৱে আগবাঢ়ি যোৱাৰ পথত কেৱল ব্যক্তিগতভাৱে বৌদ্ধিক উৎকৰ্ষতে সীমাবদ্ধ হৈ থাকিলে নহ'ব, বিষয়টিৰ অনুশীলনৰ লগত জড়িত লোকসকলে ভাষাজ্ঞান আয়ত্ব কৰিব লাগিব আৰু তাৰ পাছত পদ্ধতিগতভাৱে নিৰীক্ষণ কৰিব লাগিব। এই নিৰীক্ষণবোৰ আকৌ কোনো বিশেষ প্ৰসংগতহে কৰা হয়। নৃতত্ত্ববিদসকলে থলুৱা মানুহৰ লগতে একেলগে থাকিব লাগে আৰু জীৱনধাৰণৰ প্ৰণালীবোৰ প্ৰকৃততে কেনেকৈ ধাৰমান হৈছে সেই বিষয়ে প্ৰত্যক্ষভাৱে নিৰীক্ষণ কৰিব লাগে। সেই থলুৱা বাসিন্দাসকলক চহৰ বা নগৰৰ কোনো বিশেষ ঠাইলৈ বা পুলিচ চকীলৈ মাতি আনি সাক্ষাৎকাৰ গ্ৰহণ কৰাটো বাঞ্ছনীয় নহয়। নৃতত্ত্ববিদসকলে থলুৱা লোকসকলৰ লগত প্ৰত্যক্ষভাৱে আন্তঃক্ৰিয়া কৰি সংস্কৃতিৰ বিষয়ে যদি সঁচা আৰু নিৰ্ভৰশীল বিৱৰণ পাব পাৰে, তেনে পৰিস্থিতিত দোভাষীৰ সহযোগিতাও পৰিত্যাগ কৰিব লাগে।

লণ্ডন স্কুল অৱ ইকনমিকচ্ (London School of Economics) ত প্ৰভাৱশালী স্থান দখল কৰি আৰু ট্ৰব্ৰিয়াণ্ডৰ খ্যাতি সম্পন্ন কৰ্মৰাজিৰ জৰিয়তে মেলিন'চকিয়ে ক্ষেত্ৰকৰ্মক নৃতত্ত্ব বিজ্ঞানত আনুষ্ঠানিকতাৰ ৰূপ দিবলৈ সবল প্ৰচাৰ চলোৱাৰ উপৰি নৃতত্ত্বৰ ছাত্ৰ-ছাত্ৰীসকলক ক্ষেত্ৰকৰ্মৰ প্ৰশিক্ষণ বাধ্যতামূলক কৰাৰ প্ৰচেষ্টা চলাইছিল। সেইটোৱে বিষয়টিক বিজ্ঞানসন্মত গুণৰ অধিকাৰী কৰি তোলে আৰু পাণ্ডিত্য গুণবিশিষ্ট হৈ উঠাত সহায় কৰে।

১৯২০ চনৰ পৰা অংশগ্ৰহণকাৰী পৰ্যবেক্ষণ বা ক্ষেত্ৰকৰ্মক নৃতাত্ত্বিক প্ৰশিক্ষণৰ বাবে অপৰিহাৰ্য অংশৰূপে বিবেচনা কৰি ইয়াক জ্ঞান আহৰণৰ প্ৰধান পদ্ধতিৰূপে গণ্য কৰিবলৈ ধৰে। নৃতত্ত্ব বিজ্ঞানৰ প্ৰায় সকলো প্ৰভাৱশালী পণ্ডিতেই ক্ষেত্ৰকৰ্মক বিশেষ গুৰুত্ব সহকাৰে ল'বলৈ ধৰে। এক কথাত ক'বলৈ গলে পৌৰাণিক নৃতত্ত্ববিদসকলৰ কিছুমান স্মৰণীয় ক্ষেত্ৰকৰ্মৰ বাবেই বিশ্বৰ ভালেমান জনগোষ্ঠী অথবা ভৌগোলিক এলেকা নৃতত্ত্ব বিষয়টোৰ বাবে বিখ্যাত হৈ ৰ'ল।

প্ৰকৃততে সামাজিক নৃতত্ত্ববিদসকলে ক্ষেত্ৰকৰ্মত কি কৰিছিল? বিশেষকৈ, প্ৰথমে তেওঁলোকে অধ্যয়ন

কৰিবলগা জনগোষ্ঠী সম্পৰ্কে জৰীপ চলায়। তাৰ পিচত, সেই জনগোষ্ঠীৰ সকলো লোকৰে বিস্তৃত তালিকা প্ৰস্তুত কৰে। সেই তালিকাত ব্যক্তিসকলৰ লিংগ, বয়স আৰু পৰিয়ালবোৰৰ নামবোৰ সন্নিবিষ্ট কৰা হয়। অধ্যয়ন কৰিবলগীয়া জনগোষ্ঠী বা বাসস্থানৰ এখন ভৌতিক চানেকি প্ৰস্তুত কৰে, য'ত বাসস্থানবোৰৰ নাম, এলেকা আৰু সামাজিকভাৱে জড়িত অন্যান্য দিশবোৰ লিপিবদ্ধ কৰা হয়। নৃতত্ত্ববিদসকলে ক্ষেত্ৰ অধ্যয়নৰ আৰম্ভণিতে এটা গুৰুত্বপূৰ্ণ কৌশল অৱলম্বন কৰে। সেয়া হৈছে— জনগোষ্ঠীৰ বংশানুক্ৰমিক তালিকা যিখনৰ প্ৰধান উৎস হৈছে লোক পিয়লত সন্নিবিষ্ট তথ্য। এই তালিকাৰ আধাৰত পৰিয়াল বৃক্ষৰ (Family Tree) এখন তালিকা প্ৰস্তুত কৰা হয় আৰু তালিকাখন অধিক বিস্তৃত ৰূপত ব্যৱহাৰ কৰা হয়। উদাহৰণস্বৰূপে পৰিয়ালৰ মুৰব্বীজনক তেওঁৰ ভাই-ককাই, বাই-ভনী, আত্মীয়-কুটুম্বৰ বিষয়ে সোধা হয়। তাৰ পাছত মুৰব্বীজনৰ পিতৃপুৰুষৰ সম্পৰ্কে আৰু লগতে নাতি-নাতিনীৰ বিষয়ে সোধা হয়। এই সকলোবোৰ পৰিচয় লিপিবদ্ধ কৰা হয়। এইদৰেই ঘৰখনৰ মুৰব্বীজনে তেওঁ যিমান পুৰুষলৈকে (Generation) মনত পেলাব পাৰে সেই সকলোবোৰ বংশানুক্ৰমিকভাবে লিপিবদ্ধ কৰা হয়। এজন ব্যক্তিয়ে যোগান ধৰা তথ্যবোৰ আন এজন ব্যক্তিৰ লগত একে প্ৰশ্নৰে পুনঃপৰীক্ষা কৰা হয় যাতে পৰিয়াল বৃক্ষৰ সঁচা ৰূপটো পাব পাৰি। এই ব্যৱস্থাৰ দ্বাৰা সামাজিক নৃতত্ত্ববিদসকলে কোনো এক জনগোষ্ঠীৰ স্বজন পদ্ধতিৰ (Kinship System) বিষয়ে সম্যক জ্ঞান আহৰণ কৰিব পাৰে। তাৰোপৰি বিভিন্ন আত্মীয়জনে (Relatives) ব্যক্তিৰ জীৱনত কেনেকুৱা ভূমিকা পালন কৰে আৰু সেইবোৰ সমাজ জীৱনত কেনেদৰে পৰিচালিত কৰা হয় সেয়া জনাৰ সুবিধা হয়।

বংশ-বৃত্তান্তৰ অধ্যয়নে বা বংশতত্ত্বৰ জ্ঞানে (Geneology) নৃতত্ত্ববিদসকলক কোনো জনগোষ্ঠীৰ গাঁঠনিৰ বিষয়ে জনাৰ সুবিধা দিয়ে। এইদৰে ব্যৱহাৰিক দিশত তেওঁলোকে ব্যক্তিসকলক লগ পাবলৈ সুবিধা হোৱাৰ উপৰিও জনগোষ্ঠীসমূহৰ জীৱন প্ৰণালীৰ বিষয়েও জানিব পাৰে। ইয়াৰ ভিত্তিতেই নৃতত্ত্ববিদসকলে জনগোষ্ঠীৰ ভাষাজ্ঞান আয়ত্ব কৰাৰ সুবিধা কৰি লয়। তেওঁলোকে জনগোষ্ঠীৰ জীৱন-প্ৰণালী পৰ্যবেক্ষণ কৰে আৰু এইবোৰৰ বিস্তৃত বিৱৰণ টোকা প্ৰস্তুত কৰি সেই টোকাৰ গুৰুত্বপূৰ্ণ অংশবিশেষৰ বিৱৰণ দাঙি ধৰে। নৃতত্ত্ববিদসকলে তেওঁলোকৰ বিৱৰণত বিশেষভাৱে ঠাই দিয়া কিছুমান বিষয়বস্তু, যেনে, উৎসৱ-পাৰ্বন, ধৰ্মীয় বা তেনে কোনো সমূহীয়া অনুষ্ঠান, জীৱন-ধাৰণৰ প্ৰণালী, পাৰিবাৰিক সম্বন্ধ, ল'ৰা-ছোৱালীৰ প্ৰতিপালন আদি। সেই সংস্থা আৰু নীতি-নিয়মবোৰৰ বিষয়ে জ্ঞান আহৰণ কৰি নৃতত্ত্ববিদসকলে অসংখ্য প্ৰশ্নৰ অৱতাৰণা কৰে আৰু জানিবলৈ বিচাৰে যে জনগোষ্ঠীৰ সদস্যসকলে কোনবোৰ দিশত প্ৰাধান্য দিয়ে। এই কথা আগত ৰাখিয়েই ক'ব পাৰি যে নৃতত্ত্ববিদসকলে সদায় এটি শিশুৰ ৰূপত প্ৰশ্ন কৰে। এইটো কি ? এইটো কিয় ? ইত্যাদি ধৰণেৰে। এইখিনি কৰিবলৈ যাওঁতে নৃতত্ত্ববিদসকলে প্ৰায়ে এজন বা দুজন ব্যক্তিৰ যোগেদিয়েই বেছিভাগ খবৰ সংগ্ৰহ কৰে। সেই ব্যক্তিসকলক সাধাৰণতে 'নিবেদক' (Informants) বা 'মুখ্য নিবেদক' (Principal Informants) বুলি কোৱা হয়। আগৰ কালত তেনে লোকসকলক 'স্থানীয় নিবেদক' (Native Informants) বুলিও উল্লেখ কৰিছিল। নিবেদকসকলে নৃতত্ত্ববিদসকলৰ বাবে শিক্ষাগুৰুৰ দৰে কাম কৰে আৰু নৃতাত্ত্বিক গৱেষণাৰ সমগ্ৰ প্ৰক্ৰিয়াতে তেওঁলোকে গুৰুত্বপূৰ্ণ কাৰকৰূপে কাম কৰে। নৃতত্ত্ববিদসকলে ক্ষেত্ৰকৰ্মৰ যিবোৰ টোকা প্ৰস্তুত কৰে সেইবোৰো সমানে গুৰুত্বপূৰ্ণ বুলি বিবেচনা কৰা হয়। এই টোকাবোৰ পিচুৱাই নথৈ প্ৰতিদিনে প্ৰস্তুত কৰা হয় আৰু কেতিয়াবা দিনলিপি (Diary ) আকাৰেও ৰাখি যোৱা হয়।

**ক্রিয়া কলাপ-২ (Activity-2)**

ক্ষেত্র অধ্যয়ন ভিত্তিত যুগুত কৰা কেইটিমান বিখ্যাত উদাহৰণ হৈছে— ৰেডক্লিফ ব্ৰাউন (Radcliffe Brown) ৰ আন্দামান নিকোবৰ দ্বীপপুঞ্জ অধ্যয়ন; ইভান প্ৰিটচাৰ্ড (Evans Pritchard) ৰ ছুডানত বাস কৰা নুৱেৰ (Nuer) সকলৰ অধ্যয়ন; ফ্ৰাঞ্জবজ (Franz boas) ৰ আমেৰিকাৰ স্থানীয় জনজাতি অধ্যয়ন; মাৰ্গাৰেট মিড (Margaret Mead) ছাম'ৱা (Samoa) অধ্যয়ন; ক্লিফৰ্ড গাজ (Clifford Geertz) ৰ বালি দ্বীপপুঞ্জ অধ্যয়ন আদি।

তোমালোকে পৃথিৱীৰ মানচিত্ৰ এখনৰ সহায়ত উক্ত ঠাইসমূহ চিহ্নিত কৰা। এই ঠাইবোৰৰ সাধাৰণ বৈশিষ্ট্যবোৰ কি কি? নৃতত্ত্ববিদসকলে কেৱল এনে এক আচহুৱা (Strange) সংস্কৃতিৰ এলেকাত থাকিবলৈ কিয় বাছি ললে? এইবোৰ অধ্যয়নত তেওঁলোকে মুখামুখি হ'ব পৰা সম্ভাব্য সমস্যাবোৰ কেনেকুৱা আছিল বুলি ভাবিব পাৰা?

**সমাজতত্ত্ব অধ্যয়নত ক্ষেত্ৰকৰ্ম (Field Work in Sociology) ঃ**

সমাজতত্ত্ববিদসকলে তেওঁলোকৰ ক্ষেত্ৰভিত্তিক অধ্যয়নত কম বেছি পৰিমাণে প্ৰায় একেবোৰ কৌশলকে (Techniques) ব্যৱহাৰ কৰে। সমাজতাত্ত্বিক ক্ষেত্ৰকৰ্মৰ বিষয়বোৰো (contents) নৃতাত্ত্বিক বিষয়বোৰৰ পৰিসীমাৰ আঁতৰত নহয়। কিন্তু সমাজতাত্ত্বিক ক্ষেত্ৰকৰ্মবোৰ কেনেকুৱা প্ৰসংগত কৰিব বা ক'ত কৰিব সেইটোহে বিবেচনাধীন হব। তাৰ উপৰিও সমাজতত্ত্ববিদে অধ্যয়নৰ বিষয় অনুযায়ী বিশেষ গুৰুত্ব দিবলগীয়া দিশবোৰ আগত ৰাখে। এনেদৰে এজন সমাজতত্ত্ববিদে তেওঁ অধ্যয়ন কৰা জনগোষ্ঠীৰ মাজত থাকি সেই জনগোষ্ঠীৰ এজন ভিতৰুৱা (Insider) লোক হ'বলৈ প্ৰয়াস কৰে। নৃতত্ত্ববিদসকলে যিদৰে ক্ষেত্ৰকৰ্মৰ বাবে বিশেষ দুৰ্গম অঞ্চলত থকা জনজাতিসকলৰ ওচৰলৈ যায়, তাৰ বিপৰীতে সমাজতত্ত্ববিদসকলে সমাজৰ সকলো জনগোষ্ঠীৰ মাজত তেওঁলোকৰ ক্ষেত্ৰকৰ্ম সম্পাদন কৰে। তদুপৰি, ক্ষেত্ৰকৰ্মত যদিও জনগোষ্ঠীৰ সদস্যসকলৰ লগত অধিক সময় অতিবাহিত কৰে, সমাজতাত্ত্বিক ক্ষেত্ৰকৰ্মত দৰাচলতে অধ্যয়নৰত সমাজৰ ছবিখন একেবাৰে প্ৰাণবন্ত বা সজীৱ ৰূপত ফুটাই তোলাতো বাঞ্ছনীয় নহয়।

**সমাজতত্ত্ব অধ্যয়নত ক্ষেত্ৰকৰ্ম ঃ কিছু সমস্যা**
**(Field Work in Sociology : Some Difficulties)**

নৃতত্ত্ববিদসকলে বিশ্বৰ দুৰ্গম অঞ্চলৰ আদিম জনজাতিসকলৰ বিষয়ে কৰা অধ্যয়নবোৰতকৈ তুলনামূলকভাৱে আধুনিক আমেৰিকান সম্প্ৰদায়ৰ ছাত্ৰসকলে মুখামুখি হোৱা সমস্যাবোৰ স্বভাৱতে বেলেগ ধৰণৰ। প্ৰথমাৱস্থাত অধ্যয়নকাৰীয়ে এজন শিক্ষিত মানুহৰ সংস্পৰ্শলৈ আহে। এইটো নিশ্চিতভাৱে কব পাৰি যে সেইসকলৰ কিছুমানে বা বহুতেই গৱেষণাৰ প্ৰতিবেদন পঢ়িব পাৰিব। যদি তেওঁ অধ্যয়ন কৰা জিলাখনৰ নামটো মই কৰাৰ দৰে লুকুৱাই ৰাখে, সেই অধ্যয়নটো প্ৰকৃততে ক'ত কৰা হ'ল, বাহিৰৰ বহুলোকে হয়তো বিচাৰি নাপাব.....। জিলাখনৰ

> বাসিন্দাসকলৰ বাবে অৱশ্যে জ্ঞাত যে সেই অধ্যয়ন তেওঁলোকক লৈ কৰা অধ্যয়ন। সেই পৰিপ্ৰেক্ষিতত নাম সলনি হ'লেও মানুহবোৰ সলনি হ'ব নোৱাৰে। গৱেষকজনক তেওঁলোকে মনত ৰাখে আৰু কোন কোন ব্যক্তিৰ লগত ঘনিষ্ঠতা ৰাখিছিল, সেয়াও জানে। বিভিন্ন গোটসমূহৰ লগত জড়িত থকা ব্যক্তিসকলক কোন গোটৰ লগত মিলিত হ'ব সেই বিষয়েও তেওঁলোকৰ নিৰ্ভুল জ্ঞান থাকে।
> এনে এক পৰিস্থিতিত গৱেষকজনে এটি গধুৰ দায়িত্ব বহন কৰিবলগা হয়। তেওঁৰ গ্ৰন্থখনে অধ্যয়নৰত সমাজৰ ব্যক্তিসকলৰ বাবে কিছু সহায়ক হ'ব বুলি ভাবিব পাৰে আৰু অন্ততঃ যিকোনো ক্ষতি সাধন হ'ব পৰা সম্ভাব্য অৱকাশ থাকিলেও সেইবোৰ ভালকৈ চিনাক্ত কৰি যথাসম্ভৱ হ্ৰাস কৰিব লাগে। –William Foote Whyte, Street Corner Society, page 342

উদাহৰণস্বৰূপে, আমেৰিকাৰ সমাজতত্ত্ববিদ উইলিয়াম ফুট হোৱাইটে (William Foote Whyte) ইটালীয়ান-আমেৰিকান সম্প্ৰদায়ৰ লোকসকলৰ এক বস্তি অঞ্চলত (Slum area) ৰাস্তাত ঘূৰি ফুৰা এটি গোটৰ (Gang) সদস্যসকলক অধ্যয়ন কৰি ষ্ট্ৰীট কৰ্ণাৰ চ'চাইটি (Street Corner Society) নামৰ বিখ্যাত গ্ৰন্থখন লিখিছিল। তেওঁ সেই এলেকাত প্ৰায় চাৰে তিনিবছৰমান বাস কৰিছিল। তাৰ সদস্যসকলৰ লগত সময় কটাইছিল (Hanging Out)। এইসকল আছিল প্ৰধানকৈ দুখীয়া নিবনুৱা যুৱকৰ দল। তেওঁলোক আছিল এক বহিৰাগত জনগোষ্ঠীৰ আমেৰিকান বংশোদ্ভৱৰ প্ৰথম প্ৰজন্মৰ লোক। সমাজতাত্ত্বিক ক্ষেত্ৰ অধ্যয়নৰ এই উদাহৰণটিৰ নৃতাত্ত্বিক অধ্যয়নৰ লগত মিল আছে। আনহাতে দুয়োবিধ ক্ষেত্ৰ অধ্যয়নৰ মাজত কিছুমান মন কৰিবলগীয়া পাৰ্থক্য আছে (বন্ধনীৰ ভিতৰত থকা কথাখিনি চোৱা)। কিন্তু সমাজতাত্ত্বিক ক্ষেত্ৰ অধ্যয়নৰ ধৰণ কেৱল এইটোৱেই হ'ব নোৱাৰে। ই অন্য প্ৰকাৰৰো হ'ব পাৰে। উদাহৰণস্বৰূপে, আন এজন সমাজতত্ত্ববিদ মাইকেল বুৰাৱই চিকাগোৰ এটা কাৰখানাত এজন মেচিন নিৰ্মাতা (Machinist) হিচাপে কেইবা মাহো কাম কৰিছিল আৰু সেই কাৰখানাৰে বনুৱাসকলৰ দৃষ্টিভংগীৰে তেওঁৰ অভিজ্ঞতা সম্বলিত গ্ৰন্থখন লিখি উলিয়াইছিল।

ভাৰতীয় সমাজতত্ত্বত ক্ষেত্ৰ অধ্যয়নৰ গুৰুত্বপূৰ্ণ দিশবোৰ ফুটি উঠিছিল গাঁও অধ্যয়নৰ সময়ত। ১৯৫০ চনৰ সময়ছোৱাত ভাৰতীয় আৰু বিদেশী নৃতত্ত্ববিদ তথা সমাজতত্ত্ববিদে গ্ৰাম্য জীৱন-প্ৰণালী আৰু সমাজ-ব্যৱস্থাৰ বিষয়ে অধ্যয়ন আৰম্ভ কৰিছিল। আগৰ নৃতত্ত্ববিদসকলে জনজাতি সম্প্ৰদায়বোৰক অধ্যয়নৰ ক্ষেত্ৰ হিচাপে লোৱাৰ দৰে গ্ৰামীণ সমাজকো তেনেদৰেই লোৱা হৈছিল। গাঁওবোৰো বিশেষ পৰিধিৰে 'সীমিত সম্প্ৰদায়'ৰ দৰে আছিল আৰু কেৱল এজন ব্যক্তিৰ দ্বাৰাই অধ্যয়ন সম্ভৱ হৈছিল। ক'বলৈ গ'লে সমাজতত্ত্ববিদজনে গাঁওখনৰ সকলো দিশ বা ব্যক্তিক পুংখানুপুংখ ৰূপে বুজিবৰ চেষ্টা কৰিছিল আৰু নিৰীক্ষণ কৰিছিল। তদুপৰি ঔপনিবেশিক শাসনকালত নৃতত্ত্ব বিষয়টি ভাৰতীয় জাতীয়তাবাদীসকলৰ মাজত সিমান জনপ্ৰিয় নাছিল। কাৰণ তেওঁলোক আদিবাসী সমাজৰ অধ্যয়নৰ লগতহে অধিক ঘনিষ্ঠভাৱে জড়িত আছিল। ভালেমান শিক্ষিত ভাৰতীয় লোকে অনুভৱ কৰিছিল যে নৃতত্ত্ব বিজ্ঞানে ঔপনিবেশিকতাৰ পক্ষপাতিত্ব কৰিছিল। কাৰণ নৃতত্ত্ববিদসকলে ঔপনিবেশিক ভাৰতীয় সমাজৰ আধুনিকতাৰে চুব নোৱাৰা সমাজৰ বিষয়েহে বৰকৈ গুৰুত্ব দিছিল। সমাজৰ ক্ৰমাগত উন্নতি বা ইতিবাচক দিশটোক প্ৰাধান্য দিয়া নাছিল। সেইবাবে

সমাজতত্ত্ববিদসকলে জনজাতি সমাজ অধ্যয়ন কৰাৰ উপৰিও গাঁও বা গাঁওবাসী অধ্যয়নক গুৰুত্ব সহকাৰে আৰু আগ্ৰহেৰে লোৱা পৰিলক্ষিত হৈছিল। প্ৰাচীন নৃতত্ত্ব আৰু ঔপনিবেশিকতাবাদৰ মাজত যোগসূত্ৰৰ বিষয়ে অনেক সময়ত প্ৰশ্নও উত্থাপিত হৈছিল। ক্ষেত্ৰভিত্তিক অধ্যয়নৰ প্ৰসংগত মেলিন'চকি, ইভান প্ৰিটচাৰ্ড আৰু অন্যান্য অসংখ্য বিখ্যাত লিখকৰ নাম উদাহৰণ হিচাপে দাঙি ধৰিব পাৰি। এই উদাহৰণবোৰে এইটোকে সূচায় যে যিবোৰ এলেকা আৰু জন সমষ্টি নৃতত্ত্ববিদ সকলৰ বাবে অধ্যয়নৰ প্ৰধান ক্ষেত্ৰ স্বৰূপ আছিল, সেই ঠাইবোৰ বহু সাম্ৰাজ্যবাদী দেশৰ শাসনত আছিল আৰু নৃতত্ত্ববিদ সকলো সেই দেশৰে লোক আছিল।

**ক্ৰিয়া কলাপ-৩ (Activity-3)**

তুমি যদি গাঁৰৰ বাসিন্দা : যিসকলে কেতিয়াও গাঁও দেখা নাই, তেওঁলোকক তোমালোকৰ গাঁওখনৰ বিষয়ে বৰ্ণনা দিবলৈ চেষ্টা কৰা। গাঁওবাসী হিচাপে তোমালোকৰ জীৱন-ধাৰণৰ কোনবোৰ প্ৰধান বৈশিষ্ট্য তোমাৰ বৰ্ণনাত গুৰুত্ব দিবা? বোলছবি বা দূৰদৰ্শনত গাঁও বা গাঁৱৰ বিৱৰণ দিয়া তোমালোকে নিশ্চয় দেখিছা। সেই গাঁওবোৰৰ বিষয়ে তোমালোকে কি ভাবা আৰু সেইবোৰ গাঁও তোমালোকৰ গাঁওবোৰৰ পৰা কেনেকৈ বেলেগ বুলি ভাবা? তোমালোকে ৰূপালী পৰ্দাত বা দূৰদৰ্শনত দেখা পোৱা চহৰবোৰৰ কথাও ভাবাচোন। তোমালোকে তাত থাকিবলৈ বিচাৰা নেকি? কাৰণসহ উত্তৰবোৰ যুগুত কৰা।
তুমি যদি এখন নগৰ বা মহানগৰৰ বাসিন্দা তুমি বাস কৰা এলেকাটোৰ বাসিন্দাসকলৰ বিষয়ে কাৰোবাৰ আগত বৰ্ণনা কৰা যিসকলে তোমাৰ এলেকাটো কেতিয়াও দেখা নাই। নগৰবাসী হৈ তোমাৰ জীৱন-ধাৰণৰ কোনবোৰ প্ৰধান বৈশিষ্ট্য তোমাৰ বৰ্ণনাত গুৰুত্ব দিবা? বোলছবি বা দূৰদৰ্শনত দেখা পোৱা বিভিন্ন এলেকাবোৰ তোমাৰ নিজৰ এলেকাৰ লগত একেই নে বেলেগ? গোয়াছবি বা দূৰদৰ্শনত প্ৰদৰ্শন কৰা গাঁও তুমি নিশ্চয় দেখিছা। তুমি সেই গাঁওবোৰত থাকিবলৈ বিচৰা নেকি? কাৰণসহ তোমাৰ উত্তৰবোৰ যুগুত কৰা।

যি কি নহওক, প্ৰণালীভিত্তিক কাৰণৰ উপৰি গাঁও অধ্যয়নৰ এক সুকীয়া গুৰুত্ব আছে । বিশেষকৈ নতুনকৈ স্বাধীন হোৱা ভাৰতবৰ্ষত গাঁও অধ্যয়নৰ নিচিনা বিষয়বোৰে ভাৰতীয় সমাজতত্ত্বত প্ৰৱলভাৱে মনোযোগ আকৰ্ষণ কৰিছিল। গ্ৰাম্য সমাজক উন্নতিৰ পথত আগুৱাই নিবলৈ চৰকাৰো সমানে আগ্ৰহী। জাতীয় আন্দোলন বিশেষকৈ মহাত্মা গান্ধীয়ে দেশৰ 'গাওঁ উন্নয়ন' আঁচনিবোৰত সক্ৰিয় ভাৱে জড়িত হৈ পৰিছিল। পাৰিবাৰিক গ্ৰাম্য জীৱনৰ লগত শেহতীয়া ঐতিহাসিক যুগৰ বাবেও বহু শিক্ষিত ভাৰতীয়ই গ্ৰাম্য প্ৰণালীৰ প্ৰতি অধিক আকৃষ্ট হোৱা দেখা। মুঠৰ ওপৰত এইটো ক'ব পাৰি যে ভাৰতৰ প্ৰায়ভাগ মানুহৰ বসতিস্থান আছিল গাঁও আৰু আজিও অধিক সংখ্যক লোক গাৱত বাস কৰে। এইবোৰ কাৰণতে গাঁও অধ্যয়নে ভাৰতীয় সমাজতত্ত্বত এটা গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰিছিল আৰু ক্ষেত্ৰ অধ্যয়ন প্ৰণালীবোৰ গাঁও অধ্যয়নৰ বেলিকা প্ৰযোজ্য হৈ পৰিছিল।

**অংশগ্ৰহণকাৰী পৰ্যবেক্ষণৰ কিছুমান সীমাবদ্ধতা (Some Limitations of Participant Observation) ঃ**

তোমালোকে ইতিমধ্যে দেখা পালা যে অংশগ্ৰহণকাৰী পৰ্যবেক্ষণে কোনবোৰ কাম কৰিব পাৰে। অংশগ্ৰহণকাৰী পৰ্যবেক্ষণৰ প্ৰধান শক্তি হৈছে যে — ই ভিতৰৰ পৰা চাব পৰা এক দৃষ্টিভংগীৰ (Insider's perspective) সহায়েৰে জীৱনৰ বহুত মূল্যৱান আৰু বিস্তৃত ছবিখন আগলৈ আনিব পাৰে। ক্ষেত্ৰকৰ্মৰ প্ৰয়োজন অনুসাৰে যিখিনি সময় আৰু চেষ্টা ক্ষেত্ৰকৰ্মত বিনিয়োগ কৰা হয়, সেইখিনি বিনিয়োগৰ উপযুক্ত প্ৰতিদান লাভ কৰিব পাৰি একমাত্ৰ এজন ভিতৰুৱা হৈ চাব পৰা দৃষ্টিভংগীৰে। গৱেষণাৰ অন্যান্য প্ৰণালীসমূহে অধ্যয়ন ক্ষেত্ৰত দীৰ্ঘদিন থাকিও 'ক্ষেত্ৰ'ৰ জ্ঞান আয়ত্ব কৰাৰ দাবী কৰিব নোৱাৰে। কাৰণ সেইবোৰ গৱেষণাই চমু আৰু খৰতকীয়া ক্ষেত্ৰ অধ্যয়নহে কৰে। ক্ষেত্ৰ অধ্যয়নে পূৰ্বতে অনুমান কৰা ধাৰণাবোৰক শুধৰণি কৰাত সহায় কৰে, যিবোৰ ধাৰণা প্ৰায়ে ভুল বা পক্ষপাতিত্বমূলক হোৱাৰ সম্ভাৱনা থাকে। ক্ষেত্ৰ অধ্যয়নে গৱেষকক অধ্যয়ন কৰা বিষয়ত আকৰ্ষণ অনুযায়ী পথ পৰিৱৰ্তনৰ ইংগিতো দিব পাৰে আৰু বিভিন্ন পৰিস্থিতি বা প্ৰসংগৰ মুখামুখি হওঁতে সম্ভাব্য প্ৰভাৱৰ কথাও ক'ব পাৰে। উদাহৰণস্বৰূপে ধৰা হওক কোনো এখন সমাজত এবছৰত অধিক উৎপাদন আৰু অন্য এবছৰত কম উৎপাদন। উৎপাদনৰ তাৰতম্যৰ বাবে সামাজিক সংৰচনা (Structure) বা সংস্কৃতিৰ বিভিন্ন দিশবোৰো বেলেগে বেলেগে প্ৰকাশ পাব পাৰে। ঠিক সেইদৰে চাকৰিত নিয়োজিত ব্যক্তিসকলৰ আচৰণ আৰু নিবনুৱাসকলৰ আচৰণৰ মাজত পাৰ্থক্য থাকিব পাৰে ইত্যাদি।

**গাঁও অধ্যয়নৰ বিভিন্ন শৈলী**
**(Different Styles of Doing Village Studies)**

১৯৫০-১৯৬০ চনৰ সময়ছোৱাত ভাৰতীয় সমাজতত্ত্বত গাঁও অধ্যয়নক প্ৰধানকৈ পূৰ্ব নিৰ্ধাৰিত কৰ্মৰূপে গণ্য কৰা হৈছিল। ইয়াৰ ভালেমান আগতেও উইলিয়াম (William) আৰু চাৰ্লট ৱাইজাৰ (Charlotte Wiser) নামৰ এহাল মিচনেৰী দম্পতিয়ে তেওঁলোকৰ মিছনেৰী কামৰ বাবে উত্তৰ প্ৰদেশৰ এখন গাঁৱত পাঁচ বছৰ কাল অতিবাহিত কৰিছিল। তেওঁলোকে গাঁও অধ্যয়নৰ ভিত্তিত 'বিহাইণ্ড মাড ৱালচ' (Behind Mud Walls) নামেৰে এখন বিখ্যাত গ্ৰন্থ লিখিছিল। উইলিয়াম ৱাইজাৰ সমাজতত্ত্বৰ শিক্ষাৰে শিক্ষিত এজন অভিজ্ঞ ব্যক্তি আছিল আৰু তেওঁ ইয়াৰ আগতেও 'যজমানী প্ৰথা'ৰ (Jajmani System) বিষয়ে এখন বিদ্যায়তনিক গ্ৰন্থ লিখি উলিয়াইছিল।

১৯৫০ৰ সময়ছোৱাত গাঁও অধ্যয়নবোৰত ভিন্ ভিন্ বিষয়বস্তু সন্নিবিষ্ট হ'বলৈ ধৰে। এই অধ্যয়নবোৰ ভিন্ ভিন্ ৰূপত কৰা হৈছিল। প্ৰাচীন সামাজিক নৃতাত্ত্বিক অধ্যয়নবোৰ ৰচনাশৈলীৰ ফালৰ পৰা বিশেষভাৱে বিখ্যাত আছিল। পূৰ্বতে অধ্যয়নৰ গণ্ডীৰূপে মানি অহা 'জনজাতি' বা 'সীমিত সম্প্ৰদায়'ৰ ঠাই অধিকাৰ কৰিছিল গাঁও বা গ্ৰাম্যসমাজে। সম্ভৱত এনেধৰণৰ ক্ষেত্ৰ অধ্যয়নৰ আধাৰতে প্ৰস্তুত কৰা সকলোৰে পৰিচিত বিখ্যাত গ্ৰন্থখন হৈছে এম. এন. শ্ৰীনিবাসৰ (M.N. Srinivas) 'দা ৰিমেম্বাৰ্ড ভিলেজ' (The Remembered Village)। শ্ৰীনিবাসে মহীশূৰ

(Mysore) ৰ সমীপৰ ৰামপুৰ নামৰ এখন গাঁৱত এবছৰ কাল কটাইছিল। গ্ৰন্থখনৰ নামটোৱেই সূচায় যে, শ্ৰীনিবাসৰ ক্ষেত্ৰ সম্বলিত টোকাবোৰ ঘটনাক্ৰমে জুইত জাহ গৈ ধ্বংস হৈছিল আৰু স্মৃতি ৰোমান্থন কৰিয়েই তেওঁ সেই গাঁওখনৰ বিষয়ে গ্ৰন্থখন লিখি উলিয়াইছিল।

১৯৫০ৰ সময়ছোৱাত গাঁও অধ্যয়নৰ ভিত্তিত প্ৰস্তুত কৰা আন এখন বিখ্যাত গ্ৰন্থ হৈছে এছ. চি. ডুবে (S.C.Dube)ৰ 'Indian Village'। অন্ধ্ৰপ্ৰদেশৰ ওচমানিয়া বিশ্ববিদ্যালয়ৰ গৱেষক পণ্ডিত এছ. চি. ডুবেই চেকেন্দ্ৰাবাদৰ সমীপৰ 'ছমিৰপেট' (Shamirpet) নামৰ গাঁওখন অধ্যয়ন কৰিছিল। গাঁওখন অধ্যয়ন কৰিবৰ বাবে বহু বিষয় মিশ্ৰিত দলটোৰ (Multi Diciplinary team) অন্যতম সদস্য আছিল এছ. চি. ডুবে। সেই বিশেষজ্ঞ দলটোত ভালেমান বিজ্ঞানীৰ সংমিশ্ৰণ ঘটিছিল যেনে— কৃষিবিজ্ঞানী, অৰ্থনীতিবিদ, পশুচিকিৎসা বিজ্ঞানী আৰু স্বাস্থ্যখণ্ডৰ বিজ্ঞানীসকল। এয়া আছিল প্ৰকৃততে এটা বিশাল গোটৰ সামূহিক প্ৰকল্প (Project)। এই প্ৰকল্পৰ প্ৰধান উদ্দেশ্য কেৱল গাঁওখনক অধ্যয়ন কৰাটোৱেই নহয়, বৰং গাঁওখনক সকলো দিশত উন্নতিৰ পথত আগবঢ়াই নিয়াতো আছিল অন্যতম উদ্দেশ্য। প্ৰকৃততে 'ছমিৰপেট' নামৰ গাঁওখনক এটি গৱেষণাগাৰ ৰূপে গণ্য কৰা হৈছিল আৰু গ্ৰাম্য উন্নয়নৰ সকলোবোৰ আঁচনি যথাৰ্থ ৰূপত আগবঢ়াই নিবলৈ প্ৰচেষ্টা কৰা হৈছিল।

তদুপৰি ১৯৫০ চনত 'কৰ্ণেল ভিলেজ ষ্টাদি প্ৰজেক্ট' (Cornel Village Study Project) ত প্ৰকাশ পোৱা গাঁও অধ্যয়নৰ আন এটা শৈলীও মন কৰিবলগীয়া। কৰ্ণেল (Cornel) বিশ্ববিদ্যালয়ে আগভাগ লোৱা এই প্ৰকল্পত আমেৰিকাৰ সামাজিক নৃতত্ত্ববিদ, মনোবৈজ্ঞানিক আৰু ভাষাবিদসকলক অন্তৰ্ভুক্ত কৰি উত্তৰ প্ৰদেশৰ পূব অঞ্চলত ভালেমান গাঁও অধ্যয়ন কৰা হৈছিল। এই প্ৰকল্পটি বিদ্যায়তনিক দিশত উচ্চাভিলাষী প্ৰকল্প আছিল। একেদৰেই এই প্ৰকল্পটিৰ জৰিয়তে গ্ৰাম্য সমাজ আৰু সংস্কৃতিৰ বিষয়ে বহু বিষয় সংমিশ্ৰিতভাৱে অধ্যয়ন কৰা হৈছিল। এই প্ৰকল্পটিত ভালেকেইজন ভাৰতীয় পণ্ডিতো জড়িত আছিল। যিসকলে ভালেকেইজন আমেৰিকাৰ পণ্ডিতক ভাৰতীয় গ্ৰাম্য সমাজৰ বিষয়ে জ্ঞান দিছিল আৰু পিছলৈ আমেৰিকাৰ সেই পণ্ডিতসকল ভাৰতীয় সমাজ অধ্যয়নৰ বাবে বিখ্যাত হৈ পৰিছিল।

যিহেতুকে ক্ষেত্ৰকৰ্মীসকলে পূৰ্ণকালীন ব্যৱস্থাৰে ক্ষেত্ৰকৰ্মত দীঘলীয়াকৈ নিজকে নিয়োজিত কৰে, গতিকে অংশগ্ৰহণকাৰী পৰ্যবেক্ষকসকলে ক্ষেত্ৰকৰ্মত উদ্ভৱ হ'ব পৰা সম্ভাব্য অনেক ভুল-ত্ৰুটি বা পক্ষপাতিত্ব মনোভাববোৰ আঁতৰ কৰা সুবিধা তেওঁলোকৰ থাকে। সাধাৰণতে জৰীপ, প্ৰশ্নসূচী অথবা কম দিনৰ ব্যৱধানতে ক্ষেত্ৰকৰ্ম সমাপন কৰিব লগা প্ৰক্ৰিয়াবোৰত অনিবাৰ্য কাৰণত ভুল থকাৰ সম্ভাৱনা বেছি। কিন্তু গৱেষণাৰ সকলোবোৰ অধ্যয়ন পদ্ধতিৰ দৰেই ক্ষেত্ৰ অধ্যয়ন পদ্ধতিৰো কিছুমান দুৰ্বলতা আছে। অন্যথা সকলো সমাজ বিজ্ঞানীয়ে কেৱল এই পদ্ধতিকেই গ্ৰহণ কৰিলেহেঁতেন।

ক্ষেত্ৰকৰ্মৰ স্বাভাৱিক গুণবোৰলৈ চালে দেখা যায় যে এবিধ পুংখানুপুংখ অধ্যয়নৰ বাবে প্ৰস্তুত কৰা এক

দীঘলীয়া কামৰ তালিকা। এইটো কৰা হয় যেতিয়া গৱেষণা কাৰ্য এজন ব্যক্তিৰ দ্বাৰা চলাই নিয়া হয়। ক'বলৈ গ'লে এখন গাঁও বা এটা জনগোষ্ঠী অধ্যয়নৰ যোগেদি ক্ষেত্ৰকৰ্মই বহুল বিশ্বখনৰ কেৱল এটি অতি সৰু অংশকহে সামৰি লয়। আমি কেতিয়াও নিশ্চিত নহয় যে, নৃতত্ত্ববিদ অথবা সমাজতত্ত্ববিদসকলে ক্ষেত্ৰ অধ্যয়নৰ বেলিকা যিবোৰ নিৰীক্ষণ কৰে, সেইবোৰ বৃহৎ পৰিসৰতো (যেনে — আন গাঁওসমূহ, আঞ্চলিক এলেকা বা সমগ্ৰ ৰাষ্ট্ৰ) সাধাৰণতে একেদৰেই পাব পাৰি, অথবা এইবোৰ বিশেষভাৱেই অসাধাৰণ। সম্ভৱতঃ ক্ষেত্ৰ অধ্যয়নৰ এইটোৱেই আটাইতকৈ ডাঙৰ অসুবিধাজনক দিশ।

ক্ষেত্ৰ অধ্যয়ন পদ্ধতিৰ আন এটা সীমাবদ্ধতা থাকে। আমি এইটো নিশ্চিত হ'ব নোৱাৰো যে যুগুতাই তোলা টোকাবোৰ নৃতত্ত্ববিদসকলৰ প্ৰকাশভংগী নে অধ্যয়নৰত ব্যক্তিসকলৰ। অৱশ্যে অধ্যয়ন কৰা ব্যক্তিসকলৰ মনোভাৱক প্ৰতিনিধিত্ব কৰি প্ৰকাশ কৰাটোও গৱেষণাৰ এটা উদ্দেশ্য। কিন্তু হ'লেও এইটো সদায় সম্ভৱ যে কোনখিনি কথা টোকাবহীত লিপিবদ্ধ কৰিব বা কোনবোৰ তেওঁ গ্ৰন্থত বা প্ৰৱন্ধত প্ৰকাশ কৰিব সেয়া নৃতত্ত্ববিদসকলে চেতন বা অৱচেতন মনেৰে হ'লেও বিবেচনা কৰে। যিহেতুকে নৃতত্ত্ববিদসকলৰ লেখনিৰ বাহিৰে আন কোনো বিৱৰণ পাবলৈ নাই, সেয়ে এইবিলাকত পক্ষপাতিত্বৰ সুৰুঙা অথবা ভুল (Error) থকাতো সদায় স্বাভাৱিক।

ক্ষেত্ৰ অধ্যয়ন পদ্ধতিৰ একপক্ষীয় গুণৰ বাবে সাধাৰণতে অনেক সময়ত এই পদ্ধতিক সমালোচনাও কৰা হয়। নৃতত্ত্ববিদ বা সমাজতত্ত্ববিদ সকলে প্ৰশ্ন সোধে, উত্তৰবোৰ আগবঢ়ায় আৰু অধ্যয়ন কৰা লোকসকলৰ পক্ষে থিয় হৈ (For the People) বক্তব্য ৰাখে। এই ভাৱধাৰাক হস্তক্ষেপ কৰি আকৌ কিছুমান পণ্ডিতে কিছুমান কথোপকথন (Dialog) আৰ্হিৰ বিষয়ে পৰামৰ্শ আগবঢ়াইছে। এই আৰ্হি অনুসৰি ক্ষেত্ৰকৰ্মৰ সবিশেষ ফলাফলবোৰ উপস্থাপন কৰাৰ সময়ত উত্তৰদাতা আৰু অধ্যয়নৰ অন্তৰ্গত সকলো ব্যক্তিক সাঙুৰি লব পাৰি। নিশ্চিত ৰূপত ক'বলৈ গ'লে ইয়াৰ দ্বাৰা এইটো বুজিব লাগিব যে গৱেষকৰ অধ্যয়নখিনিক সাধাৰণ জনতাৰ ভাষ্যলৈ ৰূপান্তৰ কৰি তেওঁলোকৰ মতামতসহ বাণীবদ্ধ কৰা হয়। এই ব্যৱস্থাৰ দ্বাৰা এজন গৱেষক আৰু গৱেষণাৰত ব্যক্তিসকলৰ মাজত থকা সামাজিক, অৰ্থনৈতিক, ৰাজনৈতিক ব্যৱধানবোৰ সংকুচিত হ'ব ধৰিছে, সেইবাবে গৱেষণাৰত ব্যক্তিসকলৰ দ্বাৰা গৱেষকজনৰ অধ্যয়নখিনিক প্ৰশ্ন কৰা, শুধৰিণ কৰা বা গুণগত সন্দেহ প্ৰকাশ কৰাৰ প্ৰৱল সম্ভাৱনা দেখা যায়। এইটোৱে নিশ্চয়কৈ সমাজতাত্ত্বিক গৱেষণাক অধিক জটিলতৰ কৰাৰ উপৰিও বিতৰ্কমূলক কৰি তুলিব। কিন্তু অৱশেষত ই হয়তো এটা ভাল পদক্ষেপ হৈ উঠিব, কাৰণ ইয়াক সমাজবিজ্ঞানত অধিক গণতান্ত্ৰিক ধাৰাৰে আগবঢ়াই নিয়াৰ সুবিধা হ'ব। একেদৰেই বহুসংখ্যক লোকৰ অংশগ্ৰহণেৰে বিশ্লেষণাত্মক ভাৱে 'জ্ঞান' অৰ্জনৰ পথো প্ৰশস্ত হ'ব।

**জৰীপ (Survey) ঃ**

সমাজতাত্ত্বিক অধ্যয়ন পদ্ধতিবোৰৰ ভিতৰত সম্ভৱত জৰীপ পদ্ধতিয়েই সকলোৰে বাবে পৰিচিত। বৰ্তমান জৰীপ আধুনিক মানুহৰ ৰাজহুৱা জীৱনৰ এটি প্ৰধান অংগ হৈ পৰিছে। সমাজতত্ত্বৰ উপৰি আজিকালি সমগ্ৰ পৃথিৱীতে প্ৰায় সকলো প্ৰসংগতে জৰীপৰ ব্যৱহাৰ অতি প্ৰৱল হৈ পৰিছে। ভাৰততো বিদ্যায়তনিক ক্ষেত্ৰৰ উপৰিও বিভিন্ন উদ্দেশ্যত জৰীপৰ ব্যৱহাৰ ক্ৰমাগতভাৱে বাঢ়ি যোৱা পৰিলক্ষিত হৈছে। নিৰ্বাচনৰ প্ৰাক্মুহূৰ্তত

সম্ভাব্য ফলাফল নিৰ্ণয় কৰা, উৎপাদিত নতুন সামগ্ৰীবোৰ বিক্ৰীৰ বাবে বজাৰভিত্তিক কৌশল তৈয়াৰ কৰা আৰু বিভিন্ন বিষয় সম্পৰ্কে প্ৰস্তুত কৰা জনপ্ৰিয় মতামতবোৰ প্ৰচাৰ কৰা আদি অনেক ধৰণৰ কামৰ বাবে জৰীপ কাৰ্য হাতত লোৱা হয়।

জৰীপৰ শব্দগত অৰ্থই প্ৰকাশ কৰে যে, জৰীপ হৈছে কোনো পৰিস্থিতিৰ পুনঃ নিৰীক্ষণ কৰিবলৈ কৰা এক প্ৰচেষ্টা। জৰীপ হৈছে কোনো বিশেষ বিষয় অধ্যয়ন কৰিবৰ বাবে জন প্ৰতিনিধিক সাৱধানেৰে বাছনি কৰি, তেওঁলোকৰ পৰা তথ্য আহৰণ কৰি ইয়াৰ সৰ্বাত্মক আৰু বিস্তৃত পৰিসৰ অধ্যয়ন কৰা এক প্ৰক্ৰিয়া। এই জন প্ৰতিনিধিক সাধাৰণতে উত্তৰদাতা (Respondents) বুলি কোৱা হয়। গবেষকে সোধা প্ৰশ্নৰ উত্তৰ তেওঁলোকে যোগান ধৰে। সাধাৰণভাৱে জৰীপ কাৰ্য চলাই নিবৰ বাবে এটা অধ্যয়নকাৰী দলৰ প্ৰয়োজন হয়। দলটোৰ প্ৰথম গোটটো গঠিত হয় কিছুমান ব্যক্তিৰ দ্বাৰা যিসকলে জৰীপৰ মূল আঁচনি আৰু পদ্ধতি বা অভিকল্প প্ৰস্তুত কৰিব ‘গৱেষক দল’ আৰু দ্বিতীয় গোটটো হৈছে তেওঁলোকৰ সহযোগী দল (অনুসন্ধানকাৰী বা গৱেষণা সহায়কসকল)। জৰীপত সন্নিৱিষ্ট হোৱা প্ৰশ্নসমূহ বিভিন্ন প্ৰকাৰে অৱতাৰণা কৰা হয় আৰু সোধা হয়। কেতিয়াবা অনুসন্ধানকাৰী ব্যক্তিগতভাৱে মুখামুখি হওঁতেও প্ৰশ্নবোৰ মৌখিকভাৱে সুধি লয়। কেতিয়াবা এনেধৰণৰ প্ৰশ্নবোৰ টেলিফোনেৰে কথা-বতৰা হওঁতে সুধিব পাৰে। তদুপৰি লিখিতভাৱে যুগুত কৰা ‘প্ৰশ্নসূচীৰ’ (Questionnaires) সহায়েৰেও অনুসন্ধানকাৰীয়ে প্ৰশ্নবোৰৰ উত্তৰবোৰ সংগ্ৰহ কৰে।

**লোকপিয়ল আৰু ৰাষ্ট্ৰীয় নমুনা জৰীপ সংগঠন**

**(The Census and the National Sample Survey Organisation)**

ভাৰতবৰ্ষত প্ৰতি দহ বছৰৰ অন্তৰে অন্তৰে লোকপিয়ল কৰা হয়। ই বিশ্বৰ ভিতৰতে এটা বিস্তৃত কাৰ্যসূচী। (জনসংখ্যাৰ দিশত বিশ্বৰ সৰ্ববৃহৎ দেশ যদিও চীন দেশত এই ধৰণৰ নিয়মীয়া জৰীপ কৰা নহয়)। ভাৰতবৰ্ষত এই লোকপিয়লত বহু লাখ অনুসন্ধানকাৰী আৰু ৰচদপাতি যোগান ধৰা সংগঠনবোৰো জড়িত হৈ থাকে। এই কামত ভাৰত চৰকাৰে বহু ধনৰ খৰচ বহন কৰিব লাগে। যি কি নহওক, এই সামগ্ৰিক অৰ্থ ব্যয়ৰ ফলস্বৰূপে আমি দেশখনৰ এখন নিখুঁত আৰু সৰ্বাত্মক জৰীপ পাওঁ, য'ত প্ৰতিঘৰ মানুহ আৰু এক বিলিয়নতকৈ অধিক জনসংখ্যাক সাঙুৰি লোৱা হয়। স্বাভাৱিকতে এনেধৰণৰ বিশাল জৰীপ কাৰ্যবোৰ দেশত সঘনাই হাতত ল'ব নোৱাৰি। ক'বলৈ গলে বিশ্বৰ উন্নত দেশবোৰৰ বহুতেই এনেধৰণৰ পূৰ্ণাংগ লোকপিয়লৰ কাম হাতত নলয় । তাৰ পৰিবৰ্তে বহুত দেশে নমুনা জৰীপৰ ওপৰতে নিৰ্ভৰ কৰে, কাৰণ এনেধৰণৰ জৰীপবোৰক নিখুঁত বুলি ভবা হয়। ভাৰতবৰ্ষত ৰাষ্ট্ৰীয় নমুনা জৰীপ সংগঠনে (National Sample Survey Organisation NSSO) প্ৰতিবছৰে দৰিদ্ৰতা আৰু নিবনুৱা সমস্যা আৰু অন্যান্য বিষয় অধ্যয়ন কৰিবৰ বাবে এনেধৰণৰ নমুনা জৰীপ চলায়। প্ৰতি পাঁচ বছৰৰ অন্তত এই সংগঠনে প্ৰায় ১.২ লাখ ঘৰ আৰু ৬ লাখতকৈ অধিক জনসংখ্যাক সাঙুৰি লৈ বহল ভিত্তিত জৰীপ চলায়। সংখ্যাৰ ফালৰ পৰা ই যথেষ্ট বৃহৎ আকাৰৰ নমুনা সেইবাবে NSSO ৰ জৰীপবোৰক সমগ্ৰ বিশ্বত পৰিচালনা কৰা জৰীপবোৰৰ ভিতৰত অন্যতম বৃহৎ জৰীপ বুলি

> গণ্য কৰিব পাৰি। যিহেতু ভাৰতৰ মুঠ জনসংখ্যা ১০০ কোটিতকৈও অধিক, তোমালোকে দেখিছা যে NSSO ৰ পাঁচ বছৰীয়া জৰীপে দেশৰ মুঠ জনসংখ্যাৰ কেৱল ০.০৬ শতাংশ অথবা এক শতাংশৰ বিশ ভাগৰ এভাগতকৈ অলপহে বেছি সামৰি ল'ব। NSSO ৰ দ্বাৰা বাছনি কৰা নমুনা অনুপাত হিচাপত অতি ক্ষুদ্ৰ হ'লেও ইয়াৰ আধাৰত ভাৰতবৰ্ষৰ জনসংখ্যাৰ বিভিন্ন বৈশিষ্ট্যৰ সম্ভেদ পাব পাৰি । কাৰণ এইখিনি নমুনা মুঠ জনসংখ্যাৰ উপযুক্ত প্ৰতিনিধি হোৱাকৈ বিজ্ঞানভিত্তিক পদ্ধতিৰে বাছনি কৰা হয়।

কেতিয়াবা ডাকযোগেও সেইবোৰ উত্তৰদাতালৈ পঠোৱা হয়। আজিৰ যুগত ক্ৰমাগতভাৱে বাঢ়ি অহা কম্পিউটাৰ আৰু দূৰসংযোগ প্ৰযুক্তিৰ সহায়েৰে তথ্য সংগ্ৰহৰ সুবিধা অধিক খৰতকীয়া হৈ উঠিছে। এইবোৰ প্ৰক্ৰিয়াৰে উত্তৰদাতাই ই-মেইল বা ইণ্টাৰনেট বা অন্যান্য প্ৰযুক্তি কৌশলৰ মাধ্যমেৰে প্ৰশ্নবোৰ পাব আৰু উত্তৰ দিব পাৰে।

সামাজিক অধ্যয়নত বৈজ্ঞানিক পদ্ধতি হিচাপে জৰীপৰ কিছুমান সুবিধা আছে। জনসমষ্টিৰ ক্ষুদ্ৰ অংশ অধ্যয়ন কৰা হয় যদিও জৰীপৰ ফলাফলবোৰ সমাজৰ বৃহৎ জনসমষ্টিৰ বাবে প্ৰযোজ্য হোৱাকৈ সাধাৰণীকৰণ (Generalisation) কৰিব পাৰি। এইদৰে দেখা যায় যে, সীমিত সময়, প্ৰচেষ্টা আৰু ধন বিনিময় কৰি সমাজৰ বৃহৎ জনসমষ্টিক জৰীপৰ সহায়ত অধ্যয়ন কৰিব পাৰি। এই সুবিধাৰ বাবেই সমাজ বিজ্ঞান তথা অন্যান্য ক্ষেত্ৰত জৰীপ পদ্ধতি ক্ৰমান্বয়ে জনপ্ৰিয় হৈ পৰিছে।

নমুনাভিত্তিক জৰীপৰ (Sample Survey) সহায়ত লাভ কৰা ফলাফলবোৰে সাধাৰণীকৰণত অধিক সুফল লাভ কৰিছে। পৰিসংখ্যা বিজ্ঞানৰ এটি বিশেষ শাখা নমুনা সংগ্ৰহ সূত্ৰ (Sampling Theory) আৱিষ্কাৰৰ লগে লগে নমুনাভিত্তিক অধ্যয়নবোৰ অধিক উচ্চমানবিশিষ্ট হৈ পৰিছে। সূত্ৰবোৰে প্ৰধান উপাদান হিচাপে এটা চমু পথ দিছে অৰ্থাৎ নমুনাৰ প্ৰতিনিধিত্ব গুণবোৰক প্ৰাধান্য দিয়া হয়। কোনো জনসমষ্টিৰ মাজৰ পৰা আমি প্ৰতিনিধি নমুনা কেনেকৈ বাছনি কৰিম? বহলভিত্তিত ক'বলৈ হ'লে নমুনা বাছনি প্ৰক্ৰিয়া দুটা প্ৰধান সূত্ৰৰ (Principles) ওপৰত নিৰ্ভৰ কৰে।

প্ৰথম সূত্ৰ অনুসৰি জনসংখ্যাৰ প্ৰাসংগিক উপগোটবোৰ (Sub groups) চিনাক্ত কৰিব লাগে আৰু নমুনাত প্ৰতিনিধিত্ব কৰিব পৰা হ'ব লাগে। প্ৰায়বোৰ বৃহৎ জনসমষ্টিয়েই সমজাতীয় (Homogenous) নহয় বা হ'ব নোৱাৰে, সেইবোৰত নিৰ্দিষ্ট উপ গোট থাকিবই। ইয়াকে স্তৰীকৰণ কৰা বোলে । কিন্তু এইখিনিতে মন কৰিবা যে এইটো পাৰিসাংখ্যিক দৃষ্টিৰে বৰ্ণনা কৰা স্তৰীকৰণ যিটো তোমালোকে আগৰ অধ্যায়ত পঢ়া স্তৰীকৰণৰ সমাজতাত্ত্বিক অৱধাৰণা নহয় বা সমাজতাত্ত্বিক অৱধাৰণা 'সামজিক স্তৰীকৰণ'ৰ পৰা পৃথক। উদাহৰণস্বৰূপে আমি ভাৰতৰ জনসংখ্যাৰ বিষয়ে কওঁতে এই জনসংখ্যাক প্ৰায়ে দুটা ভাগত বিভক্ত কৰোঁ — গাঁও আৰু নগৰৰ জনসংখ্যা। এই দুয়োবিধ জনসংখ্যাৰ গোট এটা আনটোৰ পৰা পৃথক ৰূপত পোৱা যায়। যেতিয়া কোনো এখন ৰাজ্যৰ গ্ৰাম্য জনসাধাৰণৰ বিষয়ে বিবেচনা কৰা হয়, তেতিয়া বিভিন্ন সৰু-বৰ আকাৰৰ গাঁও অঞ্চলত বাস কৰা জনসমষ্টিৰ কথাকে কোৱা হয়। এইদৰেই এখন গাঁৱৰ জনসংখ্যাক বিভিন্ন স্তৰত ভাগ কৰিব পাৰি, যেনে— শ্ৰেণী, জাতি লিংগ, বয়স, ধৰ্ম বা অন্যান্য ভালেমান গুণাগুণৰ ভিত্তিত। চমুকৈ ক'বলৈ

হ'লে স্তৰীকৰণৰ (Stratification) ধাৰণাটো এনেধৰণৰ কোনো নমুনাত প্ৰতিনিধি হিচাপে অন্তৰ্ভুক্ত হ'বলৈ, বিশেষভাৱে নিৰ্ধাৰণ কৰা জনসংখ্যাৰ প্ৰাসঙ্গিক স্তৰবিলাকৰ বৈশিষ্ট্যবোৰ নিৰূপণ কৰিব লাগিব। আকৌ প্ৰাসংগিক স্তৰ মানে কি বুজা যায়? গৱেষণাৰ নিৰ্দিষ্ট উদ্দেশ্য অনুযায়ী জনসংখ্যাৰ মাজত বিভিন্ন স্তৰবোৰ সৃষ্টি কৰা হয় আৰু সেয়াই সেই জনসমষ্টিৰ বাবে প্ৰাসংগিক স্তৰ। উদাহৰণস্বৰূপে—যদি 'ধৰ্মৰ প্ৰতি মানুহৰ মনোভাব' সম্পৰ্কে অধ্যয়ন কৰা হয় তেতিয়া সকলো ধৰ্মৰ সদস্যকে অধ্যয়নত অন্তৰ্ভুক্ত কৰাটো প্ৰয়োজন হৈ পৰে। আকৌ যেতিয়া 'ট্ৰেড-ইউনিয়নৰ প্ৰতি মানুহৰ মনোভাব' সম্পৰ্কে অধ্যয়ন কৰিব লগা হয় তেতিয়া শ্ৰমিক, মালিক আৰু উদ্যোগপতি আদি গোটবোৰৰ প্ৰতিনিধিক অধ্যয়ন কৰিব লাগে।

নমুনা বাছনিৰ দ্বিতীয় সূত্ৰটোৰ মতে অধ্যয়নৰ বাবে প্ৰকৃত একক গোট (Unit) বাছনি কৰিব পাৰি। এই গোটবোৰ কেতিয়াবা ব্যক্তি, কেতিয়াবা এখন গাঁও বা কেতিয়াবা এঘৰ মানুহো হ'ব পাৰে। এই প্ৰকাৰৰ নমুনা সাধাৰণতে বাছনি কৰা হয় ভাগ্য বা সুবিধাৰ (Chance) ভিত্তিত। এই প্ৰকাৰৰ নমুনা বাছনিক যাদৃচ্ছিকৰণ (Randomisation) বুলি কোৱা হয়। এই প্ৰক্ৰিয়া আকৌ সম্ভাব্যতা অৱধাৰণাৰ (Concept of Probability) ওপৰত নিৰ্ভৰশীল। তোমালোকে হয়তো গণিত শাস্ত্ৰত সম্ভাব্যতা ধাৰণাৰ বিষয়ে পাই আহিছা। সম্ভাব্যতাৰ অৰ্থ হৈছে যি কোনো এটা ঘটনা সংঘটিত হোৱাৰ সম্ভাৱনা অৰ্থাৎ প্ৰতি বিজুৰীয়া বা অযুগ্ম (Odd) সংখ্যাৰ অন্তত বা সমান বা যুগ্ম (Even) সংখ্যাৰ অন্তত একে ধৰণৰ ঘটনা ঘটাৰ সম্ভাৱনা। উদাহৰণস্বৰূপে আমি যেতিয়া এটা মুদ্ৰা ওপৰলৈ দলিয়াই দিওঁ, তেতিয়া মুদ্ৰাটোৰ এটা ফাল 'Head' বা ওপৰ হৈ পৰিব আৰু আনটো ফাল 'Tail' বা তলমুৱা হৈ পৰিব। স্বাভাৱিক অৱস্থাত মুদ্ৰাটোৰে হেড বা টেল হৈ পৰাৰ সম্ভাব্যতা হয়তো সমানে সমানে অৰ্থাৎ ৫০ শতাংশকৈ পাব। মুদ্ৰাটো ওপৰলৈ দলিয়াই দিওঁতে প্ৰকৃততে কোনটো ফাল ওপৰমুৱাকৈ পৰিব বা কোনটো ফাল তলমুৱাকৈ পৰিব সেয়া কেৱল ভাগ্যৰ ওপৰত নিৰ্ভৰ কৰিব, আন কোনো কাৰণত নহয়। এনেধৰণৰ ঘটনাক যাদৃচ্ছিক ঘটনা (Random Event) বোলা হয়।

নমুনা বাছনিৰ ক্ষেত্ৰতো আমি একেই ধাৰণাকে ল'ব পাৰোঁ। আমি এই প্ৰকাৰে নিশ্চিত কৰিব পাৰো যে প্ৰকৃততে বাছনিত কোনজন ব্যক্তি বা কোনখন গাঁও বা কোনঘৰ মানুহ নমুনাত অন্তৰ্ভুক্ত হ'ব পাৰিব সেয়া কেৱল ভাগ্যৰ ওপৰত নিৰ্ভৰ কৰিব, অন্য কাৰণে নহয়। এইদৰে নমুনাত ঠাই পাব পৰা সুবিধাটো লটাৰীত পুৰস্কাৰ লাভ কৰাৰ দৰে কেৱল ভাগ্যৰ ওপৰতে নিৰ্ভৰ কৰিব । কিন্তু এনেধৰণৰ নমুনা বাছনি প্ৰক্ৰিয়া শুদ্ধ বুলি ক'ব পাৰি তেতিয়াহে, যেতিয়া প্ৰতিটো নমুনাৰে প্ৰতিনিধিত্ব কৰা গুণ সমানে থাকে। যদি জৰীপৰ অনুসন্ধানকাৰী দলে কেৱল ৰাষ্ট্ৰীয় ঘাইপথৰ কাষৰ গাওঁবোৰক অধ্যয়নৰ বাবে বাছনি কৰে, তেতিয়া তেনেকুৱা নমুনা বাছনিক যাদৃচ্ছিক নমুনা বুলি কব নোৱাৰি তেতিয়া ই হ'ব পক্ষপাতিত্বমূলক নমুনা। ঠিক একেধৰণেৰে আমি যদি কেৱল মধ্যম শ্ৰেণীৰ ঘৰবোৰ অধ্যয়নৰ বাবে লওঁ, নমুনা বাছনি পক্ষপাতিত্বমূলক হোৱাৰ সম্ভাৱনা থাকিব। মূল কথা হৈছে অধ্যয়ন কৰিব লগা জনসমষ্টিক প্ৰাসংগিক স্তৰত চিনাক্তকৰণ কৰাৰ পিছতহে অধ্যয়নৰ বাবে ঘৰ বাছনি বা উত্তৰদাতা বাছনি প্ৰক্ৰিয়া শুদ্ধ বুলি বিবেচনা কৰিব পৰা যায়। এই প্ৰক্ৰিয়াটো বিভিন্ন প্ৰকাৰে নিশ্চিত কৰিব পাৰি। বিভিন্ন প্ৰক্ৰিয়াৰ ভিতৰত লটাৰী পদ্ধতি, পাশা খেলৰ গুটিৰ দৰে ভাগ্য নিৰ্ণয় কৰা পদ্ধতি, যাদৃচ্ছিক সংখ্যাৰ তালিকা (Random Number Table) ব্যৱহাৰ আৰু শেহতীয়াকৈ উদ্ভাৱন হোৱা কম্পিউটাৰ বা কেলকুলেটৰত ৰেণ্ডম নাম্বাৰৰ প্ৰয়োগ আদি। জৰীপৰ বাবে প্ৰকৃততে নমুনা কেনেকৈ

বাছনি কৰা হয়? আমি এটা উদাহৰণেৰে চাব পাৰোঁ। ধৰি লোৱা হওক আমি এটা প্ৰকল্প (Hypothesis) পৰীক্ষা কৰিব বিচাৰিছো। প্ৰকল্পটো হৈছে ‘ক্ষুদ্ৰ আৰু আত্মীয়তাৰে ভৰা সম্প্ৰদায়ৰ সৈতে কৰা জীৱন নিৰ্বাহে বৃহৎ আৰু জটিল সমাজৰ জীৱন প্ৰণালীতকৈ আন্তঃ সমূহীয় একতাৰ ভাৱ বেছিকৈ জাগ্ৰত কৰে।’ সহজ অৰ্থত ধৰি লোৱা হওক যে ভাৰতৰ কোনো এখন ৰাজ্যৰ কেৱল গাঁও অঞ্চলৰ বিষয়ে আমি অধ্যয়ন কৰিবলৈ লৈছোঁ। এই ক্ষেত্ৰত নমুনা বাছনিৰ সহজ প্ৰক্ৰিয়াবোৰ হ'ব প্ৰথমতে ৰাজ্যখনৰ সকলো গাঁৱৰ মুঠ জনসংখ্যাৰ এখন তালিকা প্ৰস্তুত কৰিব লাগিব। (এনেধৰণৰ তালিকা সাধাৰণতে লোকপিয়ল বিভাগৰ পৰাই পাব পাৰি)। তাৰ পিছত আমি ‘সৰু গাঁও’ বা ‘ডাঙৰ গাঁও'ৰ সংজ্ঞাৰে গাঁওবোৰক চাব লাগিব। ইয়াৰ পিছৰ পৰ্যায়ত ‘মধ্যম শ্ৰেণীৰ গাঁও'বোৰ চিনাক্তকৰণ কৰা সহজ হ'ব আৰু সেই গাঁওবোৰৰ নামবোৰ প্ৰথমে প্ৰস্তুত কৰা তালিকাৰ পৰা আঁতৰাই ৰাখিব লাগে। এই পৰ্যায়ত আমি পুনৰ সংশোধন কৰা এখন তালিকা পালো অৰ্থাৎ মধ্যম শ্ৰেণীৰ গাঁওবোৰ চিনাক্তকৰণ কৰি প্ৰথম তালিকাখনৰ পৰা সেইবোৰ আঁতৰাই ৰখা হ'ল। এই সংশোধিত তালিকাখনেই হৈছে ক্ষুদ্ৰ আৰু ডাঙৰ আকাৰৰ ভিত্তিত প্ৰস্তুত কৰা গাঁওবোৰৰ এখন তালিকা। এতিয়া গৱেষণাৰ বিষয় অনুসৰি ক্ষুদ্ৰ বা ডাঙৰ দুয়োটাকে সমান গুৰুত্ব দি আৱশ্যক অনুযায়ী গাঁৱৰ সংখ্যা বাছনি কৰিব পাৰি। আমাৰ প্ৰয়োজন অনুসাৰে ক্ষুদ্ৰ আকাৰৰ ১০ খন আৰু ডাঙৰ আকাৰৰ ১০ খন গাঁও বাছনি কৰিব লাগে। গাঁওবোৰ নম্বৰ অনুযায়ী তালিকা প্ৰস্তুত কৰিব লাগে আৰু লটাৰী পদ্ধতিৰ সহায়েৰে ক্ষুদ্ৰ আৰু ডাঙৰ দুয়োবিধৰ পৰা ১০ খনকৈ গাঁও ল'ব পাৰে। এতিয়া আমি ৰাজ্যখনৰ ১০ খন ক্ষুদ্ৰ আৰু ১০ খন ডাঙৰ আকাৰৰ গাঁও বাছনি কৰিলো। তাৰ পাছত এই গাঁওবোৰ অধ্যয়ন কৰি পূৰ্বতে অনুমান কৰা প্ৰকল্প সত্য নে অসত্য পৰীক্ষা কৰিব পাৰোঁ।

অৱশ্যে এইটো এটা তেনেই সহজ আঁচনি। প্ৰকৃত গৱেষণাবোৰে সাধাৰণতে ইয়াতকৈ জটিল আঁচনিৰে নমুনা বাছনি কৰে য'ত গৱেষণাৰ বিভিন্ন পৰ্যায় থাকে আৰু বহুত স্তৰ সামৰি লয়। অৱশ্যে মূল নীতিবোৰ সদায়েই ৰক্ষা কৰা হয়। এইবিধ আঁচনিৰ মতে এটা সৰু আকাৰৰ নমুনা সতৰ্কতাৰে বাছনি কৰা হয় যাতে নিৰ্বাচিত নমুনাই সমূহ জনসমষ্টিক উপযুক্তভাৱে প্ৰতিনিধিত্ব কৰিব পাৰে বা সেই জনসমষ্টিৰ হৈ থিয় দিব পাৰে। নমুনাবোৰক অধ্যয়ন কৰা হয় আৰু অধ্যয়নৰ ফলাফলবোৰ সমগ্ৰ জনগণৰ বাবে প্ৰযোজ্য হোৱাকৈ সাধাৰণ মন্তব্য কৰা হয়। পাৰিসাংখ্যিক দিশৰপৰা ক'ব পাৰি যে, নমুনাবোৰৰ যিবোৰ বৈশিষ্ট্য সেইবোৰ নমুনাই প্ৰতিনিধিত্ব কৰা সমূহ জনসমষ্টিৰ বৈশিষ্ট্যৰ লগত মিল থাকে। ক'ৰবাত সামান্য পাৰ্থক্য থাকিলেও তেনে ব্যতিক্ৰমবোৰ নিৰ্দিষ্টকৈ উল্লেখ কৰাৰ সুবিধা থাকে। ইয়াকে ভুল ক্ৰটিৰ মাত্ৰা (Margin of Error) বা নমুনাকৃত ভুল (Sapling Error) বুলি কোৱা হয়। এইবোৰ প্ৰধানকৈ গৱেষকৰ ভুল বুলি কব নোৱাৰি। বৰং বৃহৎ জনসংখ্যাক সামান্য নমুনা গোটৰ দ্বাৰা প্ৰতিনিধিত্ব কৰাৰ বাবেহে সেয়া সম্ভৱ হয়। নমুনাভিত্তিক অধ্যয়নবোৰৰ ফলাফলবোৰ আগবঢ়াওতে গৱেষকজনে নমুনা গ্ৰহণৰ আঁচনি আৰু নমুনাৰ আকাৰ (Size) আৰু ভুল-ক্ৰটিৰ মাত্ৰাবোৰৰ বিষয়েও নিৰ্দিষ্টকৈ ক'ব লাগে।

জৰীপ পদ্ধতিৰ মূল শক্তি বা সুবিধা হৈছে ই কম টকা-পইচা ব্যয়েৰে কম সময়ৰ গণ্ডীত বৃহৎসংখ্যক জনসমষ্টিক বিস্তৃতভাৱে পুনৰ নিৰীক্ষণ কৰিব পাৰে। নমুনাৰ আকাৰ যিমানেই বৃহৎ হয়, সিমানেই ইয়াৰ প্ৰতিনিধিত্ব কৰা সামৰ্থও বেছি থাকে। উদাহৰণস্বৰূপে আমি লোকপিয়লৰ কথা ক'ব পাৰোঁ। কাৰণ ই সমগ্ৰ জনসাধাৰণকে সামৰি লয়। প্ৰকৃততে নমুনাৰ আকাৰ ৩০-৪০ পৰা আৰম্ভ কৰি বহু হেজাৰলৈকে ল'ব পাৰি।

(বন্ধনীৰ ভিতৰত দিয়া ৰাষ্ট্ৰীয় নমুনা জৰীপ চোৱা)। ইয়াতে কেৱল নমুনাৰ আকাৰৰ কথাকেই গুৰুত্ব দিয়া নাই, বৰং কি ধৰণে নমুনা বাছনি কৰা হয় তাৰো গুৰুত্ব আছে। অৱশ্যে নমুনা বাছনিৰ সিদ্ধান্ত বহু সময়ত ব্যৱহাৰিক দিশেৰে বিবেচনা কৰা হয়।

**ক্ৰিয়া কলাপ-৪ (Activity-4)**

তোমালোকে যিবোৰ জৰীপৰ বিষয়ে জানিব পাৰিছা সেইবোৰৰ বিষয়ে আলোচনা কৰা। এইবোৰ নিৰ্বাচন সম্পৰ্কীয় জৰীপ হ'ব পাৰে অথবা বাতৰি কাকত বা টেলিভিচন চেনেলত প্ৰকাশ পোৱা আন জৰীপো হ'ব পাৰে। এই জৰীপবোৰৰ ফলাফলবোৰ যেতিয়া প্ৰকাশ পায়, তাত ভুলৰ মাত্ৰা উল্লেখ থকা দেখিছানে? জৰীপবোৰত নমুনাৰ আকাৰ (Size) আৰু কেনেকৈ এই নমুনাবোৰ বাছনি কৰা হৈছে, সেই বিষয়ে কয়নে? এই জৰীপবোৰক তোমালোকে সদায় সন্দেহৰ চকুৰে চাব পাৰা। কাৰণ এইবোৰত অধ্যয়ন প্ৰণালীৰ বিষয়ে নিৰ্দিষ্টকৈ আঙুলিয়াই দিয়া নাথাকে। কাৰণ বৈজ্ঞানিক প্ৰণালী প্ৰয়োগৰ অবিহনে তথ্যবোৰৰ মূল্যাংকন কৰা সম্ভৱ নহয়। জনপ্ৰিয় প্ৰচাৰ মাধ্যমবোৰে জৰীপ প্ৰণালীক প্ৰায় অপব্যৱহাৰ কৰে। পক্ষপাতমূলক আৰু প্ৰতিনিধিত্ব কৰিব নোৱাৰা নমুনাৰ আধাৰত কেতিয়াবা বৃহৎ দাবী উত্থাপন কৰিবলৈ বিচাৰে। এই প্ৰসংগত তোমালোকে পাই অহা কিছুমান বিশেষ জৰীপৰ বিষয়ে আলোচনা কৰিব পাৰা।

**ক্ৰিয়া কলাপ-৫ (Activity-5)**

এটা জৰীপৰ কেইটামান নিৰ্দিষ্ট উদ্দেশ্য (Objectives) আগত ৰাখি সেই সম্পৰ্কীয় কেইটিমান প্ৰশ্ন তলত অৱতাৰণা কৰা হৈছে। এই প্ৰশ্নসমূহৰ উত্তৰ পাবলৈ তোমালোকৰ বিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীৰ পৰা কেনেকৈ প্ৰতিনিধি নমুনা বাছনি কৰিবা?

(ক) সৰহসংখ্যক ককাই-ভাই বা বাই-ভনী থকা পৰিয়ালৰ পৰা অহা ছাত্ৰ-ছাত্ৰী সকলে তুলনামূলকভাৱে এজন ভাই বা ককায়েক বা এগৰাকী বাই বা ভনীয়েক থকা (বা কোনো নথকা) পৰিয়ালৰ ছাত্ৰ-ছাত্ৰীতকৈ অধ্যয়নত ভাল ফল দেখুৱাব পাৰে বা নোৱাৰে নেকি?

(খ) বিদ্যালয়ত বিৰতিৰ সময়খিনিত ছাত্ৰ-ছাত্ৰীসকলে প্ৰধানকৈ কোনবোৰ কামত অধিক সময় অতিবাহিত কৰে? প্ৰাথমিক বিদ্যালয় (প্ৰথম শ্ৰেণীৰ পৰা পঞ্চম শ্ৰেণী), মাধ্যমিক বিদ্যালয় (ষষ্ঠ শ্ৰেণী-অষ্টম শ্ৰেণী), উচ্চ মাধ্যমিক বিদ্যালয় (নৱম শ্ৰেণী-দশম শ্ৰেণী), উচ্চতৰ মাধ্যমিক বিদ্যালয় (একাদশ শ্ৰেণী-দ্বাদশ শ্ৰেণী) বেলেগে বেলেগে যুগুত কৰা।

(গ) ছাত্ৰ-ছাত্ৰীসকলে তেওঁলোকৰ ভাল লগা (Favourite) শিক্ষকজনৰ বিষয়টোহে অধ্যয়নৰ বাবে বাছি লয় নেকি? ছাত্ৰ আৰু ছাত্ৰীভেদে এনেধৰণৰ বিষয় বাছনিত কিবা প্ৰভেদ আছে নেকি?

**দ্ৰষ্টব্য ঃ** ওপৰৰ প্ৰতিটো প্ৰশ্ন অধ্যয়ন কৰিবৰ বাবে নমুনা বাছনিৰ পৰিকল্পনা বেলেগ বেলেগ প্ৰস্তুত কৰা।

**পৰিসংখ্যা সমষ্টি ঃ বিপদজনকভাবে হ্ৰাস পোৱা স্ত্ৰী-পুৰুষৰ অনুপাত**
**(Aggregate Statistics : The Alarming Decline in the Sex Ratio)**

ক্ষিপ্ৰগতিত হ্ৰাস পোৱা স্ত্ৰী-পুৰুষৰ অনুপাতৰ বিষয়ে তোমালোকে তৃতীয় অধ্যায়ত পঢ়িছা। শেহতীয়াকৈ যোৱা কেইটামান দশকত তুলনামুলকভাৱে ল'ৰা সন্তানতকৈ কন্যা সন্তানৰ জন্মৰ সংখ্যা কম। এই সমস্যাটো কেইখনমান ৰাজ্যত যেনে— পাঞ্জাৱ, হাৰিয়ানা, দিল্লী আৰু হিমাচল প্ৰদেশত উদ্বেগৰ বিষয় হৈ পৰিছে।

০-৬ বছৰ বয়সৰ ভিতৰত প্ৰতি ১০০০ জন ল'ৰাৰ বিপৰীতে ছোৱালীৰ সংখ্যা বিচাৰ কৰাটোৱেই স্ত্ৰী-পুৰুষৰ (কিশোৰ আৰু শিশু) অনুপাত বুলি ধৰা হয়। সমগ্ৰ ভাৰততে বা কেইখনমান ৰাজ্যত যোৱা কেইটামান দশকত এই স্ত্ৰী-পুৰুষৰ অনুপাত অৰ্ধনমিত হোৱা পৰিলক্ষিত হৈছে। ১৯৯১ৰ পৰা ২০০০ চনৰ ভিতৰত যুগুত কৰা ভাৰতৰ কেইখনমান নিৰ্বাচিত ৰাজ্যৰ স্ত্ৰী-পুৰুষৰ (কিশোৰ) অনুপাত তলত দিয়া হৈছে ০-৬ বছৰ ভিতৰত প্ৰতি ১০০০ জন ল'ৰাৰ বিপৰীতে ছোৱালীৰ সংখ্যা ২০১১ চনৰ

| | ১৯৯১ | ২০০১ | ২০১১ |
|---|---|---|---|
| ভাৰত | ৯৪৫ | ৯২৭ | ৯১৪ |
| পাঞ্জাব | ৮৭৫ | ৭৯৪ | ৮৪৬ |
| হাৰিয়ানা | ৮৭৯ | ৮১৯ | ৮৩০ |
| দিল্লী | ৯১৫ | ৮৬৮ | ৮৬৬ |
| গুজৰাট | ৯২৮ | ৮৮৩ | ৮৯০ |
| হিমাচল প্ৰদেশ | ৯৫১ | ৮৯৬ | ৯০৬ |

শিশুসকলৰ মাজত স্ত্ৰী-পুৰুষৰ অনুপাত হৈছে এটা সমষ্টিগত চলক (Variable) আৰু বৃহৎ জনসাধাৰণক একগোট কৰিলেহে এই চলক প্ৰকৃততে দৃশ্যমান হয়। ব্যক্তিগত পৰিয়ালবোৰৰ আধাৰত এই সমস্যাবোৰৰ কথা ক'ব নোৱাৰি। লোকপিয়ল বা তেনে কোনো বহুলভিত্তিত কৰা জৰীপৰ সহায়ত কোনো জনগোষ্ঠীৰ স্ত্ৰী-পুৰুষৰ অনুপাত নিৰ্ণয় কৰিব পাৰি আৰু সমস্যাবোৰ চিনাক্তকৰণ কৰিব পাৰি। তোমালোকে জৰীপ বা লোকপিয়লৰ সহায়ত অধ্যয়ন কৰিব পৰা আন আন সামাজিক বিষয়ৰ (Issues) কথা চিন্তা কৰিব পাৰানে?

যিবোৰ পৰিস্থিতিত পিয়ল কাৰ্য সম্ভব নহয়, সেই ক্ষেত্ৰত সমগ্ৰ জনসাধাৰণক অধ্যয়ন কৰাৰ একমাত্ৰ উপায় হিচাপে জৰীপ কাৰ্যকে লোৱা হয়। এই সন্দৰ্ভত জৰীপত থকা একক বৈশিষ্ট্যলৈ আঙুলিয়াব পাৰি। জৰীপৰ সহায়ত কোনো ব্যক্তি বিশেষৰ পৰিৱৰ্তে জনসাধাৰণৰ সামূহিক (Collective) জীৱনৰ ছবিখন একত্ৰিত ৰূপত পাব পাৰি। একত্ৰিতভাৱে উপস্থাপন কৰা এনে পৰ্যায়তে বহুত সামাজিক সমস্যা তথা আলোচিত বিষয়সমূহৰো উমান পাব পৰি, যিবোৰ ক্ষুদ্ৰ পৰ্যায়ৰ (Micro Level) অনুসন্ধানত সাধাৰণতে প্ৰকাশ নাপায়।

যি কি নহওক, গৱেষণাৰ সকলো প্ৰণালীৰ দৰেই জৰীপ পদ্ধতিৰো নিজা কিছুমান অসুবিধা আছে। জৰীপে যদিও পৰিসৰক সাঙুৰি লয়, এনেধৰণৰ গভীৰ অধ্যয়নো কেতিয়াবা যথেষ্ট কষ্টসাধ্য হয়। বৃহৎ জনসংখ্যাক অধ্যয়নৰ কাৰণে লোৱা বাবে কেতিয়াবা গভীৰভাৱে অধ্যয়ন কৰা সম্ভৱ নহয়। বৃহৎ সংখ্যক উত্তৰদাতাক দিব লগা সময় সীমিত কৰিব লগা হয়। তদুপৰি জৰীপত ব্যৱহাৰ হোৱা প্ৰশ্নসূচীবোৰ যিহেতুকে সৰহ সংখ্যক অনুসন্ধানকাৰীয়ে পৰিচালনা কৰে, সেয়েহে জটিল প্ৰশ্নসমূহৰ উত্তৰবোৰ যোগান ধৰোঁতে উত্তৰ দাতাই ইজনে সিজনৰ লগত আলোচনাৰ জৰিয়তে তথ্যবোৰ যোগান ধৰিব লগা হয়। প্ৰশ্নবোৰ উত্থাপন কৰা আৰু উত্তৰবোৰ লিপিবদ্ধ কৰোঁতে জৰীপত সম্ভাব্য ক্ৰটি থকাটো স্বাভাৱিক। সেইবাবে জৰীপৰ বাবে প্ৰস্তুত কৰা প্ৰশ্নসূচী (কেতিয়াবা জৰীপক সঁজুলি বুলিও কোৱা হয়) অতি সাৱধানেৰে তৈয়াৰ কৰা বাঞ্ছনীয়। কাৰণ এইবোৰ গৱেষকে নিজে নিয়ন্ত্ৰণ কৰে আৰু সেইবাবে প্ৰয়োগৰ বেলিকা ইয়াক শুধৰাই লোৱা বা সালসলনি কৰাৰ উপায় নাথাকে।

যিহেতু অনুসন্ধানকাৰী আৰু উত্তৰদাতাৰ মাজৰ সম্পৰ্ক দীৰ্ঘদিনীয়া নহয় সেইবাবে তেওঁলোকৰ মাজত পাৰস্পৰিক বুজা পৰা বা বিশ্বাসো নাথাকে। সেইবাবে জৰীপত প্ৰশ্নসোধা আৰু উত্তৰ দিয়া কাৰ্যবোৰ দুজন অপৰিচিত ব্যক্তিৰ মাজত হোৱা ঘটনাৰ দৰে হয়। সেয়ে এই ক্ষেত্ৰত অত্যন্ত ব্যক্তিগত বুলি ভবা বা তেনে কোনো আবেগিকধৰণৰ প্ৰশ্ন সুধিব নালাগে। যদি এনেধৰণৰ প্ৰশ্ন সুধিব লগা হয়, উত্তৰদাতাই অতি ‘সাৱধানতাৰে উত্তৰ দিব, একান্ত বিশ্বাসেৰে নহয়। এনেধৰণৰ সমস্যাবোৰক কেতিয়াবা ‘অনমুনাকৃত ক্ৰটি’ (Non-sampling errors) বুলি কোৱা হয়। অৰ্থাৎ এই ধৰণৰ ক্ৰটি নমুনা বাছনি প্ৰক্ৰিয়াৰ দ্বাৰা হ’ব নোৱাৰে বৰং গৱেষণা অভিকল্পৰ (Research Design) আঁসোৱাহ অথবা কাৰ্যকৰী দিশৰ ভুলৰ বাবেহে সম্ভৱ হ’ব পাৰে। দুৰ্ভাগ্যক্ৰমে এই ক্ৰটিসমূহ আগতীয়াকৈ অনুমান কৰা সম্ভৱ নহয় আৰু সেইবাবে ইয়াক সুৰক্ষা দিবও নোৱাৰি। ইয়াৰ বাবেই কেতিয়াবা জৰীপ কাৰ্য ভুল পথেৰে আগুৱাই যায় আৰু জনসাধাৰণৰ গুণৰাশিক ভুলকৈ পৰিচালিত কৰে। জৰীপে উন্নত কৃতকাৰ্যতা লাভ কৰিবলৈ হ’লৈ ই এক সুদৃঢ় আৰু সংৰচিত (Structured) প্ৰশ্নসূচীৰ ওপৰত নিৰ্ভৰশীল হোৱাটো বাঞ্ছনীয়। এই গুণৰ অভাৱৰ বাবেই জৰীপ কাৰ্যত সীমাবদ্ধতা দেখা যায়। তদুপৰি প্ৰশ্নসূচীখন যিমানেই সুন্দৰ আঁচনিকৃত নহওক কিয়, ইয়াৰ কৃতকাৰ্যতা প্ৰধানকৈ নিৰ্ভৰ কৰিব অনুসন্ধানকাৰী আৰু উত্তৰদাতাৰ মাজৰ আন্তঃক্ৰিয়াৰ গতি-বিধিৰ ওপৰত। বিশেষকৈ উত্তৰদাতাসকলৰ সদিচ্ছা আৰু সহযোগিতাই হৈছে সাৰ্থক জৰীপ পদ্ধতিৰ প্ৰধান উপাদান।

**সাক্ষাৎকাৰ (Interview) ঃ**

সাক্ষাৎকাৰ হৈছে প্ৰধানকৈ গৱেষক আৰু উত্তৰদাতাৰ মাজৰ বিশেষভাৱে নিয়ন্ত্ৰণ কৰা এক কথোপকথন। সাক্ষাৎকাৰত কিছু ব্যৱহাৰিক দিশ নথকা নহয়, কিন্তু কথোপকথনৰ গঠন (Format) অধিক সৰল হ’লে ই বিভ্ৰান্তিকৰ হোৱাৰ সম্ভাৱনা থাকে। কাৰণ এজন সুদক্ষ সাক্ষাৎগ্ৰহণকাৰী হ’বলৈ প্ৰকৃততে বহুত দক্ষতা আৰু অভ্যাসৰ প্ৰয়োজন হয়। প্ৰকৃততে সংৰচিত প্ৰশ্নসূচী (Structured Questionnaire) আৰু অংশগ্ৰহী প্ৰণালীত অৱলম্বন কৰা সম্পূৰ্ণ মুক্ত আন্তঃক্ৰিয়াৰ (Open-ended Inter-actions) মাজৰ অৱস্থানত সাক্ষাৎকাৰ পদ্ধতিৰ প্ৰধান ভূমিকা থাকে। কথোপকথনৰ আৰ্হিক সম্পূৰ্ণ নমনীয় কৰি তোলাটোৰেই সাক্ষাৎকাৰৰ প্ৰধান উদ্দেশ্য।

ইয়াত প্ৰশ্নবোৰ নতুনকৈ সংযোজিত কৰি সুধিব পাৰি অথবা অন্যপ্ৰকাৰেও অৱতাৰণা কৰিব পাৰি। কথোপকথনৰ ধাৰা বা গতি অনুযায়ী সুধিবলগা বিষয়বস্তুৰ প্ৰশ্নবোৰ অগা-পিছাও কৰিব পাৰি। আনকি যিবোৰ বিষয়ত অধিক আগ্ৰহী তথ্য সম্ভাৰৰ প্ৰয়োজনবোধ কৰা যায়, সেইবোৰ প্ৰয়োজন সাপেক্ষে দীঘলীয়া কৰিব পাৰি। আকৌ অবাঞ্ছিত প্ৰতিক্ৰিয়া সৃষ্টি হ'ব পৰা সম্ভাৱনা থকা বিষয়বোৰ এৰি যাব পাৰি অথবা চমু কৰিবও পাৰি। গতিকে দেখা যায় যে সাক্ষাৎকাৰ চলাই নিওঁতে এই সকলোবোৰ সম্ভৱ হয়।

অন্যহাতেদি সাক্ষাৎকাৰ পদ্ধতিৰ বহু সুবিধা থকাৰ বিপৰীতে ইয়াত ভালেমান অসুবিধাও একে সময়তে জড়িত হৈ থাকে। অতি নমনীয় (Flexible) পৰিৱেশে কেতিয়াবা সাক্ষাৎকাৰ পদ্ধতিক আন দিশলৈ লৈ যাবও পাৰে বা কেতিয়াবা উত্তৰদাতাৰ প্ৰকাশভঙ্গীয়ে অন্যৰূপ পোৱাৰ আশংকা থাকিব পাৰে। তেনে পৰিৱেশে গৱেষকৰ মনোযোগ কেতিয়াবা সলনি কৰি দিব পাৰে। এইটো প্ৰধানকৈ নিৰ্ভৰ কৰে কথোপকথনৰ বাবে প্ৰস্তুত কৰা মঞ্চৰ ওপৰত। এই পৰিপ্ৰেক্ষিততে সাক্ষাৎকাৰ মঞ্চৰ কথা আহি পৰে। মঞ্চ যদি সুস্থিৰ বা নিৰ্ভৰযোগ্য হয় তেন্তে সাক্ষাৎকাৰত সফলতা থাকে আৰু যদি নহয়, তেন্তে ই অতি হতাশজনক অৱস্থালৈ যাবও পাৰে।

সাক্ষাৎকাৰ পদ্ধতিৰ বেলেগ বেলেগ শৈলী (Style) আছে। সেয়ে সুবিধা অনুযায়ী ইয়াৰ অভিজ্ঞতা আৰু মতামতো বেলেগ বেলেগ হয়। দুৰ্বল গাঁঠনিৰে প্ৰস্তুত কৰা সাক্ষাৎকাৰক কিছুমানে পচন্দ কৰে য'ত উত্তৰদাতাক সুধিব লগা প্ৰকৃত প্ৰশ্নসমূহৰ বাদে কেৱল অধ্যয়ন কৰিবলগা বিষয়বোৰৰ তালিকাহে কৰে। আন কিছুমানে সংৰচিত আকাৰত উত্তৰদাতাক সুধিব লগা বিশেষ প্ৰশ্নবোৰ অন্তৰ্ভুক্ত কৰে। সাক্ষাৎকাৰ অনুস্থিত কৰোঁতেও সুবিধা আৰু পৰিস্থিতি অনুযায়ী বিভিন্ন পথ অৱলম্বন কৰা হয়। শ্ৰব্য-দৃশ্য যন্ত্ৰ (Video) বা শ্ৰব্য যন্ত্ৰ (Audio) ৰ সহায়ত, সাক্ষাৎকাৰ চলি থকাৰ সময়ত, লিখি ৰখা স্মৃতিৰ আধাৰত নতুবা সাক্ষাৎকাৰৰ অন্তত টোকা প্ৰস্তুত কৰা যন্ত্ৰপাতিবোৰে কেতিয়াবা উত্তৰদাতাক অস্বস্তিকৰ অৱস্থাত পেলাবও পাৰে, যিবোৰে আনুষ্ঠানিকতাৰ মাজলৈ লৈ যোৱাৰ সম্ভাৱনা থাকে। আকৌ উপযুক্ত কৌশলৰ অভাৱত গুৰুত্বপূৰ্ণ তথ্যবোৰ ক'ব নোৱাৰাকৈয়ে থাকি যাবও পাৰে। অনেক সময়ত সামাজিক আৰু ভৌতিক পৰিৱেশেও সাক্ষাৎকাৰ গ্ৰহণ তথা বাণীবদ্ধ কৰাত প্ৰভাৱ পেলায়। সাক্ষাৎকাৰৰ অন্তত গৱেষণাৰ বিৱৰণখিনি প্ৰকাশৰ বাবে উত্থাপন কৰোঁতেও বিভিন্ন নিয়ম মানি চলা হয়। কিছুমান গৱেষকে সকলোবোৰ কথা লিপিবদ্ধ কৰি টোকাবোৰ সম্পাদনা কৰে আৰু পৰিপাটিকৈ (Cleaned up) ধাৰাবাহিকভাৱে বিৱৰণ প্ৰকাশ কৰে। আকৌ আন কিছুমানে মৌলিক কথোপকথনখিনিৰ বিশেষ অংশখিনি যিমান সম্ভৱ ৰাখি যাবলৈ প্ৰয়াস কৰে।

সাক্ষাৎকাৰ পদ্ধতিক আন কেতবোৰ অধ্যয়ন-প্ৰণালী, যেনে— অংশগ্ৰহণকাৰী নিৰীক্ষণ আৰু জৰীপৰ পৰিপূৰক হিচাপে লোৱা হয়। 'মুখ্য নিবেদক' (Key Informats) সকলৰ লগত (যি সকলক অংশগ্ৰহণকাৰী নিৰীক্ষণত প্ৰধান নিবেদক বুলি কয়) হোৱা দীঘলীয়া আলাপ-আলোচনাবোৰে বহু সময়ত বিষয়বস্তুৰ গভীৰ তথা ঘনীভূত বিৱৰণ দেখুৱায়। একেদৰে বিস্তৃতভাৱে গ্ৰহণ কৰা সাক্ষাৎকাৰে তথ্যবোৰৰ গভীৰতা আৰু বিতং দিশবোৰ ফঁহিয়াই দেখুৱায়। যি কি নহওক, অধ্যয়ন প্ৰণালী হিচাপে সাক্ষাৎকাৰ পদ্ধতি নিৰ্ভৰ কৰে ব্যক্তি বিশেষৰ অধিকাৰ আৰু গৱেষক তথা উত্তৰদাতাৰ মাজত স্থাপন হোৱা সৌহাদ্যপূৰ্ণ সম্বন্ধ (Rapport) অথবা গৱেষক আৰু উত্তৰদাতাৰ মাজৰ পাৰস্পৰিক বিশ্বাসৰ আধাৰত।

**পৰিভাষা (Glossary) ঃ**

- **লোকপিয়ল (Census) ঃ** এক সৰ্বাত্মক জৰীপ কাৰ্য যি, কাৰ্যৰ যোগেদি জনসাধাৰণৰ প্ৰতিজন ব্যক্তিকে সাঙুৰি লোৱা হয়।
- **বংশাৱলী (Genealogy) ঃ** এক বিস্তাৰিত পৰিয়াল বৃক্ষ (Family tree), য'ত বহুত বংশৰ (Generations) মাজৰ পৰিয়ালবোৰৰ সম্বন্ধৰ বিষয়ে অধ্যয়ন কৰা হয়।
- **অ-নমুনাকৃত ত্ৰুটি (Non-sampling Error) ঃ** জৰীপত দেখা দিয়া ভুল বা ত্ৰুটি, যিটো প্ৰধানকৈ জৰীপৰ আঁচনিৰ ভুলৰ বাবে অথবা প্ৰণালী প্ৰয়োগৰ সময়ত সৃষ্টি হয়।
- **জনসমষ্টি (Population) ঃ** পৰিসংখ্যা বিজ্ঞানৰ মতে এটা বৃহৎ জনগোট (ব্যক্তি, গাঁও বা গৃহস্থী আদি) য'ৰ পৰা নমুনা গ্ৰহণ কৰা হয়।
- **সম্ভাব্যতা (Probability) ঃ** যিকোনো ঘটনা সংঘটনত কোনো এটাৰ মিল থকা বা অমিল হ'ব পৰা অৱস্থাটো (পাৰিসাংখ্যিক বিজ্ঞানৰ মতে)।
- **প্ৰশ্নসূচী (Questionnaire) ঃ** জৰীপ কাৰ্য চলাবলৈ বা সাক্ষাৎকাৰ ল'বলৈ প্ৰস্তুত কৰি লোৱা কিছুমান প্ৰশ্নৰ তালিকা।
- **যাদৃচ্ছিকৰণ (Randomisation) ঃ** কোনো এটা ঘটনা সংঘটিত হয় বা হ'ব পৰা নিশ্চয়তা (যেনে নমুনা বাছনিত হ'ব পৰা যিকোনো বিষয়) যিবোৰ কেৱল সুবিধা (chance) বা ভাগ্যৰ ওপৰতহে নিৰ্ভৰ কৰিব, অন্য কাৰণত নহয়।
- **প্ৰতিফলন (Reflexivity) ঃ** গৱেষকে নিজকে নিৰীক্ষণ বা বিশ্লেষণ কৰিব পৰা সামৰ্থ।
- **নমুনা (Sample) ঃ** বৃহৎ জনসমষ্টিৰ পৰা কৰা সংগ্ৰহ কৰা সেই জনসমষ্টিক প্ৰতিনিধিত্ব কৰিব পৰা কোনো বস্তুৰ এক উপ-অংশ বিশেষ (Subset) (সাধাৰণতে ক্ষুদ্ৰ আকাৰৰ)
- **নমুনা গ্ৰহণত ত্ৰুটি (Sampling Error) ঃ** জৰীপ কাৰ্যত দেখা দিয়া কিছুমান অপৰিহাৰ্য ভুলৰ মাত্ৰা। এইয়া সম্ভৱ হয় তথ্যবোৰ বৃহৎ জনসংখ্যাৰ পৰিৱৰ্তে ক্ষুদ্ৰ নমুনাৰ সহায়ত সংগ্ৰহ কৰাৰ বাবে।
- **স্তৰীকৰণ (Stratification) ঃ** পাৰিসাংখিক জ্ঞানৰ মতে কোনো জনসংখ্যাক ইয়াৰ প্ৰাসঙ্গিক গুণাগুণৰ ভিত্তিত কিছুমান গোটত বিভাজন কৰা প্ৰক্ৰিয়া যেনে— লিংগ, স্থান, ধৰ্ম, বয়স আদি।

## অনুশীলনী (Exercise)

১। সমাজতত্ত্বত বৈজ্ঞানিক পদ্ধতিৰ গুৰুত্ব সম্পৰ্কে আলোচনা কৰা।
Discuss the importance of scientific system in sociology.

২। সমাজবিজ্ঞানত বস্তুতাত্ত্বিকতা এক জটিল বিষয়। ইয়াৰ প্ৰধান কাৰণবোৰ আলোচনা কৰা।
Objectivity is a complex subject in social science. Discuss its main factors.

৩। সমাজতত্ত্বত বস্তুতাত্ত্বিকতাৰ (Objectivity) সমস্যা এক জটিল বিষয়, ইয়াৰ প্ৰধান কাৰণবোৰ আলোচনা কৰা।

The Problems of Objectivity in sociology is a complex subject, discuss its main causes.

৪। আত্মপ্রতিফলন মানে কি বুজা? সমাজতাত্ত্বিক অধ্যয়নত ইয়াৰ গুৰুত্ব সম্পৰ্কে আলোচনা কৰা।
What do you mean by reflexivity? Discuss its importance in study of sociology.

৫। অংশগ্ৰহণকাৰী পৰ্যবেক্ষণৰ সময়ত নৃতত্ত্ববিদ আৰু সমাজতত্ত্ববিদসকলে প্ৰধানকৈ অৱলম্বন কৰা কিছুমান প্ৰণালী সম্পৰ্কে আলোচনা কৰা।
Discuss some of the systems mainly adopted by anthropologists (enthnographers) and sociologists during participatory observations.

৬। অংশগ্ৰহণকাৰী পৰ্যবেক্ষণৰ সুবিধা আৰু সীমাবদ্ধতাৰ বিষয়ে আলোচনা কৰা।
Discuss the merits and limitation of participant observation.

৭। জৰীপ প্ৰণালীৰ মূল উপাদানবোৰ কি কি? এই প্ৰণালীত প্ৰধান সুবিধাসমূহৰ বিষয়ে লিখা।
What are the key components of the survey system? Writing about the main features in this system.

৮। প্ৰতিনিধিত্বমূলক নমুনা বাছনিত মানিব লগা কেইটামান দিশ সম্পৰ্কে আলোচনা কৰা।
Discuss some aspects to be followed in selecting a represented sample.

৯। জৰীপ প্ৰণালীৰ অসুবিধাবোৰ কি কি? বৰ্ণনা কৰা।
What are the disadvantages of survey system? Describe.

১০। অধ্যয়ন প্ৰণালী হিচাপে সাক্ষাৎকাৰ পদ্ধতিৰ বৈশিষ্ট্যবোৰ উল্লেখ কৰা।
Mention the characteristics of the interview method as a method of study.

## References :


Bauman, Zygmunt, 1990. Thinking Sociologically. Basil Blackwell, Oxford University Press, New Delhi.

Becker, Howard S. 1970. Sociological Work. Method and Substance. The Pen guin Press, Allen Lane.

Beteille, Andre and Madan, T.N. ed. 1975. Encounter and Experience. Personal Accounts of Vikas Publishing House, Delhi.

Burgess, Robert G. ed. 1982. Field Research. A Sourcebook and Field Manual. Gorge Allen and Unwin, London.

Coser. Lewise. Rhea, A.B. Steffan, P.A. and Nock. S.L. 1983. Introduction to Sociology. Harcourt Brace Johnovich, New York.

Srinivas. M.N. Shah, A.M. and Ramaswamy, E.A. ed 2002. The Fieldworker and the Field, Problems and Challenges in Sociological Investigation. 2nd Edition. Oxford University Press, New Delhi.